# বিশ্ব সংকট

## তথা

# শান্তিৰ পথ

For further information please visit :
www.alislam.org
www.ahmadiyyamuslimjamaat.in
www.mta.tv
Noor-ul-Islam Toll free Assistance:
180030102131
www.ahmadiyyamuslimjamaat.in/feed-back

# বিশ্ব সংকট তথা শান্তিৰ পথ

# ভাষণ আৰু চিঠিবোৰৰ সংকলন

**হজৰত মির্জা মছৰুৰ আহমদ,**

**ইমাম আৰু আহমদীয়া মুছলিম জামাতৰ বিশ্ব নেতা**
**হজৰত মছীহ মাওউদ (আঃ)ৰ পঞ্চম খলিফা**

| | |
|---|---|
| নাম কিতাপ | বিশ্ব সংকট তথা শান্তিৰ পথ |
| অনুবাদক | ৰুবুল মাইবেলা,<br>( নেইমচ গ্ৰুপ অ ফ কলেজ, যোৰহাট, অসম) |
| লিখক | হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব<br>(পঞ্চম খলিফা) |
| প্ৰথম প্ৰকাশ | **2020, 1000 Copies** |
| প্ৰকাশক | শ্বোবা নুৰুল ইছলাম |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ,কাদিয়ান<br>জিলাঃ গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| **Name Book** | **Bisho Sankat Tatha Shantir Path** |
| **Translated by** | **Rubul Maibela**<br>**(Naims Group of College,Jorhat (Assam)** |
| **Original Book** | **World Crisis and the Pathway to Peace** |
| **Author** | **Hadrat Mirza Masroor Ahmed**<br>**(Khalifatul- Masih Vaba)** |
| **First Published** | **2020, 1000 Copies,** |
| **Published by** | **Shoba Noor-ul-Islam** |
| **Printed at** | **Fazle Umar Printing Press,Qadian,**<br>**Dist. Gurdaspur,Pin 143516 (Punjab)** |

# সূচিপত্ৰ


লিখকৰ বিষয়ে ........................................................ ix
প্ৰাককথন................................................................ xiii


# ভাষণ


বিশ্ব সংকটত ইছলামৰ দৃষ্টিকোণ......................................... 9
দেশভক্তি তথা দেশ প্ৰেমৰ সম্পৰ্কত ইছলামিক শিক্ষা........... 23
পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা পূৰ্ণ ন্যায় প্ৰতিষ্ঠাৰ
নিৰকুংশ আৱশ্যকতা.......................................................... 39
শান্তিৰ পথ-ৰাষ্ট্ৰসমূহৰ মাজত সুবিচাৰপূৰ্ণ সম্পৰ্ক.................73
শান্তিৰ চাবি-কাঠি বিশ্ব ঐক্য................................................ 89
মুছলমান পশ্চিমা সমাজৰ অংগ হ'ব পাৰে নে ?....................105
ইছলাম শান্তি আৰু দয়াৰ ধৰ্ম............................................ 124
সম্প্ৰতি জটিল সন্ধিক্ষণত বিশ্বশান্তিৰ অতি আৱশ্যকতা..........141
বিশ্ব শান্তি আৰু সুৰক্ষা বৰ্তমান যুগৰ ভয়ংকৰ সমস্যাবোৰ.....157
বিশ্বৰ অশান্তিত শান্তিৰ চাবি-কাঠি........................................ 173

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ


হিজ হোলিনেছ পোপ যোড়শ বেনেডিকটলৈ পত্ৰ................185

ইজৰাইলৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ............................................ 193

ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ..........................199

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ....................................... 205

কানাডাৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ................................................ 211

হাৰামাইন শৰীফাইন (দুই পৱিত্ৰ স্থান)ৰ তত্ত্বাবধায়ক চৌদি আৰব ৰাজতন্ত্ৰ বাদশ্বাহলৈ পত্ৰ............................................217

গণপ্ৰজাতন্ত্ৰ চীনৰ ষ্টেট কাউন্সিলাৰ প্ৰিমিয়াৰলৈ পত্ৰ........... 223

যুক্তৰাজ্যৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ............................................... 229

জাৰ্মানীৰ চেন্সেলৰলৈ পত্ৰ.................................................. 235

ফৰাচী প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ....................................... 241

যুক্তৰাজ্য আৰু কমনৱেলথ অঞ্চলৰ মহামাণ্য ৰাণীলৈ পত্ৰ.. 249

ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ সৰ্বময় নেতালৈ পত্ৰ...................... 257

ৰুছৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ...................................................... 263



Ḥaḍrat Mirza Masroor Ahmad
Khalīfatul-Masīḥ V[aba]

# লিখকৰ বিষয়ে

বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ ইমাম হজৰত মছীহ মাওউদ (আঃ)ৰ পঞ্চম খলিফা হজৰত মির্জা মছৰুৰ আহমদ চাহাব বৰ্তমান সময়ত বিশ্ব শান্তিৰ বাবে কৰ্মৰত এজন শীৰ্ষ স্থানীয় নেতা। হজৰত মির্জা গোলাম আহমদ কাদিয়ানী প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)ৰ পঞ্চম উত্তৰাধিকাৰী। **১৯৫০** চনৰ **১৫** ছেপ্টেম্বৰত পাকিস্তানৰ ৰাবৰাত স্বৰ্গীয় মির্জা মনছুৰ আহমদ চাহেব আৰু স্বৰ্গীয় নাছিৰা বেগম আহমদ চাহেবাৰ ঔৰসত জন্ম গ্ৰহণ কৰে। **১৯৭৭** চনত পাকিস্তানত কৃষি অৰ্থনীতি বিষয়ত ফয়চালাবাদৰ পৰা ডিগ্ৰী অৰ্জন কৰাৰ পিছতেই নিজৰ জীৱনটো ইছলামৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰতাৰ ক্ষেত্ৰত সমৰ্পিত কৰে। তদুপৰি **১৯৭৭** চনত ঘানা ( আফ্ৰিকা)লৈ যাত্ৰা কৰি উক্ত দেশত বিভিন্ন মুছলিম আহমদীয়া বিদ্যালয়ত প্ৰধান আচাৰ্য হিচাপে সেৱা আগবঢ়ায়। আহমদীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্লাঘা প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো এই গৰাকী

বিশ্ববৰণ্যে নেতাৰ উল্লেখনীয় অৰদান আছে। এই বিদ্যালয়ৰ জন্মলগ্নৰ প্ৰথম দুবছৰত অধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। ইয়াৰ পিছতেই পাকিস্তানলৈ আহি ৰাবৱাত আহমদীয়া জামাতৰ মুখ্য কাৰ্যালয়ত বিভিন্ন পদত সেৱা আগবঢ়ায়। **১৯৯৯** চনত পৱিত্ৰ কোৰাণ শ্বৰিফৰ চিহ্নপদৰ পৰা এটা শব্দ আঁতৰ কৰা মিছা অভিযোগত কম সময়ৰ বাবে কাৰাৰুদ্ধ জীৱন অতিবাহিত কৰিব লগা হয়। **২২** এপ্ৰিল, **২০০৩** চনত আহমদীয়া মুছলিম সমাজৰ আজীৱন 'খলিফা' হিচাপে নিৰ্বাচিত হয়। সমগ্ৰ বিশ্বৰ **২০০** খনৰো অধিক দেশত লাখ লাখ অনুগামী থকা আন্তঃৰাষ্ট্ৰীয় ধাৰ্মিক সংস্থাটোৰ বিশ্বখ্যাত ধৰ্মীয় তথা প্ৰশাসনিক মূৰব্বী হৈ পৰে। খলিফা নিৰ্বাচিত হোৱাৰ পিছৰে পৰা ইছলামৰ শান্তিপূৰ্ণ সংবাদ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত বিশ্বজোৰা অভিযানৰ নেতৃত্ব প্ৰদান কৰি আহিছে। এখেতৰ নেতৃত্বতে আহমদীয়া মুছলিম জামাতৰ ৰাষ্ট্ৰীয় শাখাৰ দ্বাৰা ইছলামৰ বাস্তৱিক শান্তিপূৰ্ণ শিক্ষাক প্ৰসাৰ কৰাৰ বাবে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। সমগ্ৰ বিশ্বত আহমদীয়া মুছলমানৰ লক্ষ লক্ষ অনুৰাগী, মুছলমান আৰু অমুছলিমৰ মাজত 'শান্তিৰ' বাৰ্তা প্ৰদান, সৰ্বধৰ্মীয় সন্মিলন তথা শান্তি সমাৰোহ আয়োজন কৰা তথা পৱিত্ৰ কোৰাণৰ বাস্তৱিক তথা উত্তম সংবাদ প্ৰচাৰৰ বাবে প্ৰদৰ্শনি আয়োজন কৰাৰ প্ৰয়াসত ব্যস্ত হৈ পৰিছে। এই কাৰ্যসূচীসমূহ বিশ্বস্তৰত প্ৰচাৰ মাধ্যমৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে তথা ইয়াৰ দ্বাৰা এয়াই প্ৰদৰ্শিত হৈছে যে ইছলামে শান্তি  নিজৰ দেশৰ প্ৰতিজন দেশপ্ৰেমি আৰু মানৱতাৰ সেৱাৰ প্ৰৱল সমৰ্থক।

**২০০৪** চনত এই গৰাকী মহাম নেতাই বাৰ্ষিক ' ৰাষ্ট্ৰীয় শান্তি সমাৰোহ' ৰ উদ্বোধন কৰে। যি সমাৰোহত সমাজৰ বিভিন্ন স্তৰৰ লোক সমৱেত হৈ একতা, ঐক্য, শান্তিৰ সম্পৰ্কত নিজৰ চিন্তা-চৰ্চাৰ আদান-প্ৰদান কৰে। প্ৰতি বছৰে এই সমাৰোহত বহু সংখ্যক মন্ত্ৰী, সাংসদ, ৰাজনৈতিক, ধৰ্মীয় নেতা তথা আন আন ক্ষেত্ৰত জড়িত সন্মানীয় ব্যক্তিসকলে অংশ গ্ৰহণ কৰি আহিছে। মানৱতাৰ সেৱাক উৎসাহিত কৰা আৰু ইয়াৰ উদ্দেশ্যক বাস্তৱিত কৰাৰ বাবে সমগ্ৰ বিশ্ব ভ্ৰমণ কৰিছে। এখেতৰ নেতৃত্বতে আহমদীয়া জামাতে বিশ্বৰ পিছপৰা অঞ্চলসমূহত উন্নত শিক্ষা তথা স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ বাবে বৃহৎ সংখ্যক স্কুল তথা চিকিৎসালয় নিৰ্মাণ কৰিছে।

# লিখকৰ বিষয়ে

সমাজৰ প্ৰতিটো স্তৰত শান্তি স্থাপনৰ বাবে এই গৰাকী মানৱতাবাদীয়ে প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে। আহমদীয়া মুছলিম জামাতৰ সদস্যক এখেতে সদায় উপদেশ দিয়ে ব্যক্তিগত স্তৰত পৰিৱৰ্তন অনাৰ বাবে আপোনালোকে নিজৰ মাজত নিজেই 'জিহাদ' (সংঘৰ্ষ) কৰাটো সৰ্বশ্ৰেষ্ঠ জেহাদ। এনেদৰে প্ৰতিজন আহমদীয়া মুছলমানে ব্যক্তিগত স্তৰত শান্তি স্থাপন কৰাত সফল হৈছে আৰু আন লোকৰ মাজত শান্তি অনাৰ প্ৰয়াসত সাৰথি হিচাপে পৰিগণিত হৈছে। চাহাবে আন লোকসকলকো বাৰ্তা প্ৰদান কৰি মেলবৰ্ণত এক স্বাগত সমাৰোহত শান্তি স্থাপন সম্পৰ্কিত এক অমুছলিমীয় প্ৰশ্নৰ উত্তৰত কয়— 'যদি আপোনাৰ মাজত শান্তি আছে, তেন্তে ইয়াৰ অৰ্থ হ'ল আপুনি শান্তিৰ প্ৰয়াস কৰি আছে। যদি আমাৰ প্ৰত্যেকৰে মাজত শান্তি আছে তেন্তে ইয়াৰ অৰ্থ হ'ল যে আনৰ শান্তিৰ প্ৰয়াস কৰি আছো।' ইছলামৰ বাস্তৱিক শিক্ষা অনুসৰি শান্তি স্থাপনাৰ বাবে আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত যথাযথ উপায়ৰ সন্দৰ্ভত মানৱতাৰ পূজাৰী এই গৰাকী নেতাই দিকদৰ্শন কৰি আহিছে। বৰ্তমান এগৰাকী বিশ্ববৰেণ্যে নেতা লণ্ডনত থাকে। আহমদী মুছলমানৰ বিশ্বখ্যাত ধৰ্মীয় নেতা হিচাপে শান্তি আৰু দয়াৰ সংবাদ মাজেৰে উৎসাহজনক ইছলামৰ প্ৰচাৰ কৰি আহিছে।

# প্ৰাককথন

সমগ্ৰ সংসাৰ সম্প্ৰতি অতি অশান্তিপূৰ্ণ পৰিস্থিতিৰ মাজেৰে গতি কৰিছে। বৈষয়িক আৰ্থিক সংকটে প্ৰতিটো ক্ষণতে নিত্য নতুন আৰু গম্ভীৰ সমস্যাৰ সৃষ্টি কৰি আহিছে। দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ পৰিস্থিতিৰ দৰে নিৰন্তৰ তুলনা কৰি অহা হৈছে আৰু স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে যে বৰ্তমানৰ ঘটনাপ্ৰবাহে বিশ্ব অত্যন্ত তীব্ৰ গতিত এক ভয়ংকৰ তৃতীয় যুদ্ধৰ দিশে ধাৱিত হৈছে। প্ৰবলৰূপত এই আভাস পোৱা গৈছে যে স্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গতি কৰিছে আৰু জনসাধাৰণ এনে এজন নেতাৰ সন্ধানত যি বিশ্বৰ মঞ্চত অৱস্থান কৰি এনে যথাৰ্থ আৰু সুদৃঢ় সমাধান প্ৰস্তুত কৰক যাক বিশ্বাস আৰু ভৰসা কৰিব পৰা যায় আৰু সমানে নিজৰ হৃদয়ক-মনক প্ৰভাৱিত কৰিব পাৰে, যি তেওঁলোকৰ মাজত এই আশা জাগ্ৰত কৰিব পাৰে যে শান্তিৰ দিশে অগ্ৰসৰ কৰা মাৰ্গৰো দৰ্শন কৰিব পাৰিব। পৰমাণু যুদ্ধৰ ফলাফল ইমান ভয়াবহ যে কোনোৱে ইয়াৰ কল্পনা কৰাৰো সাহস কৰিব নোৱাৰে।

এই গ্ৰন্থত আমি হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব, বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ প্ৰধানৰ দ্বাৰা প্ৰস্তুত কৰা সমাধান আৰু মাৰ্গদৰ্শনসমূহ সংকলিত কৰিছোঁ। যোৱা কেইটামান বছৰৰ ভিতৰত সৃষ্টি হোৱা পৰিস্থিতি কোন দিশে গতি কৰিছে— এই সন্দৰ্ভত বিশ্বক শংকিত কৰাৰ বাবে নহয়, বিশ্বক এই বিষয়ত বিবেচনা কৰাৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰিছে যে সংসাৰ আজি এই স্থিতিত উপনীত হৈছে আৰু কেনেদৰে আমি এই বিনাশক ৰোধ কৰো, এই বিশ্বত বসবাস কৰা সকলো লোকৰ শান্তি আৰু সুৰক্ষাৰ পথ প্ৰদৰ্শন কৰিব পৰা যায়। স্পষ্ট ৰূপত এই ঘোষণা কৰিছে যে শান্তি সুনিশ্চিত কৰাৰ একমাত্ৰ উপায় হ'ল সংসাৰে বিনম্ৰতা আৰু ত্যাগৰ পথ গ্ৰহণ কৰক। অতি নম্ৰতা আৰু বিনীত ভাবে পৰমাত্মাৰ চৰণত শৰণ লওঁক, মনুষ্য আৰু মানৱতাৰ ভাৱনাক প্ৰদৰ্শন কৰক, শক্তিশালী লোকে দুৰ্বলত সৈতে আদৰ, সন্মান তথা ন্যায়পূৰ্ণ ব্যৱহাৰ কৰক আৰু দুৰ্বল - দুখীয়াৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শন কৰক, সত্য আৰু পুণ্যৰ পথত চলক লগতে সকলো লোকে বিনম্ৰতা পূৰ্ণভাবে সম্পূৰ্ণ অহমিকা ত্যাগ কৰি নিজৰ স্ৰষ্টাৰ চৰণত স্থান গ্ৰহণ কৰক।

# বিশ্ব সংকট তথা শান্তিৰ পথ

বাৰে বাৰে সকলোৰে ধ্যান আকৰ্ষণ কৰাৰ চেষ্টা কৰি অহা হৈছে বিনাশ পথৰ পৰা উভতি অহা বৰ্তমান এটা উপায় সমগ্ৰ দেশে পৰস্পৰ এজনে আনজনৰ লগত ন্যায়পূৰ্ণ ব্যৱহাৰ অনিবাৰ্য কৰি তোলক। তেওঁলোকৰ মাজত পৰস্পৰ শত্ৰুতা থাকিলেও ন্যায় পালন কৰিব লাগে, কিয়নো ইতিহাসৰ পৰা আমি এই শিক্ষা লাভ কৰিছোঁ যে ভৱিষ্যতে হ'ব শত্ৰুতা নাশৰ কেৱল মাত্ৰ এয়া অমূল্য পথ। শেষতঃ এনেদৰে চিৰস্থায়ী শান্তি স্থাপন কৰিব লাগে।

ব্যক্তিগত ভাবে বিশ্বৰ মহান দেশসমূহৰ নেতা তথা বিষয়াসকলক সম্বোধন কৰি দেশ-দেশান্তৰ ভ্ৰমণ কৰিছে-যিবোৰ হ'ল কেপিটেল হিল ৱাশ্বিংটন ডি.ছি, লণ্ডন পাৰ্লিয়ামেণ্টৰ দুইখন সদন, সেনা প্ৰধানৰ কাৰ্যালয় জাৰ্মানী,ব্ৰছল্‌জত ইউৰোপৰ সংসদ আৰু নিউজিলেণ্ডৰ ৰাষ্ট্ৰীয় সংসদত প্ৰদান ঐতিহাসিক ভাষণ অন্তৰ্গত। এই আয়োজনৰ মূল কংগ্ৰেছ সদস্য, সাংসদ, চৰকাৰী সংস্থাৰ নেতা,ধৰ্মীয় নেতা,অধ্যাপক, নীতিনিৰ্ধাৰক, ৰাষ্ট্ৰদূত আৰু বিশিষ্ট সাংবাদিকসকলে অংশ গ্ৰহণ কৰি আহিছে। স্পষ্টভাবে এই মহান নেতাজনে কৈছে- ন্যায়ৰ দাৱীসমূহ তেতিয়া পূৰণ হ'ব পাৰে যেতিয়া সকলো গোট আৰু লোকৰ লগত সমব্যৱহাৰ কৰা হ'ব আৰু লগতে সৰ্তক কৰি দিছে যে অন্যায় ভাবে তথা অমানবীয় আৰ্থিত তথা ৰাজনীতিক নীতিৰ কাৰণে বিশ্বক বিভিন্ন জাতিৰ মাজত অসন্তুষ্টি ক্ৰমান্বয়ে বৃদ্ধি হ'ব ধৰিছে, যাৰ ফলস্বৰূপে বিশ্ব সংকটৰ মাজেৰে আগবাঢ়িছে।

বিশ্বৰ নেতাসকললৈ লেখা প্ৰ্ৰত পৱিত্ৰ কোৰাণ শ্বৰিফৰ নিম্নলিখিত শিক্ষাত বিশেষ ভাবে গুৰুত্ব দিয়া হৈছে—

' আৰু যি দলে তোমালোকক পৱিত্ৰ মছজিদলৈ বাধা দিছিল সেই দলৰ শত্ৰুতাই যেন তোমালোকক সীমালঙঘন কৰিবলৈ উচটাই নিদিয়ে আৰু ন্যায়পৰায়ণতা আৰু ধৰ্মশীলতাত তোমালোকে পৰস্পৰ সহায় কৰিবা,কিন্তু পাপ আৰু অন্যায় আচৰণত পৰস্পৰ সহায় নকৰিবা; আৰু অল্লাহৰ ভয় ৰাখি চলিবা; শাস্তি দিয়াত আল্লাহ নিশ্চয় কঠোৰ।'

(5:3)

ৰাষ্ট্ৰপতি অ'বামালৈ লিখিছিল—

'যিদৰে আমি সকলোয়ে অৱগত যে ৰাষ্ট্ৰসংঘৰ বিফলতা আৰু **১৯৩২** চনৰ

# বিশ্ব সংকট তথা শান্তিৰ পথ

আৰ্থিক সংকট দ্বিতীয় বিশ্ব যুদ্ধৰ মুখ্য কাৰণ আছিল। বৰ্তমান বিস্তাৰিত অৰ্থনীতিৰ বাবে ক'ব পৰা যায় বৰ্তমান আৰু **১৯৩২** চনৰ আৰ্থিক সংকট বহু পৰিমাণে একেধৰণৰ। আমি এয়া প্ৰত্যেক্ষ কৰিছোঁ যে ৰাজনৈতিক আৰু আৰ্থিক সমস্যাই সৰু দেশৰ মাজত পুনৰ যুদ্ধৰ কাৰক হিচাপে দেখা দিছে। সেই বাবেই দেশসমূহৰ ভিতৰত আভ্যন্তৰীণ অশান্তি আৰু অসন্তুষ্টি পৰিৱেশে বিৰাজ কৰিছে। এনে পৰিস্থিতিত এনে কিছুমান শক্তিয়ে সুযোগ গ্ৰহণ কৰি সংসাৰৰ বাঘ্-জৰী নিয়ন্ত্ৰণ কৰিব যি বিশ্ব যুদ্ধৰ কাৰণ হৈ পৰিব। যদি সৰু দেশবিলাকে আভ্যন্তৰীণ বিবাদৰ ৰাজনীতি অথবা কূটনীতিৰ সমাধান বিচাৰিব পৰা নাযায় এই কাৰণে বিশ্বত নতুন গোট আৰু সম্প্ৰদায়ৰ জন্ম হ'ব আৰু এই পৰিস্থিতিত তৃতীয় বিশ্বযুদ্ধৰ আখৰা চলিব। শেষতঃ মোৰ এই বিশ্বাস যে এই বিশ্বক বিকাশত ধ্যান কেন্দ্ৰিত কৰাৰ সলনি এয়া অতি আৱশ্যক আৰু নিত্যান্ত অনিবাৰ্য আমি বিশ্বক এই বিনাশৰ পৰা সুৰক্ষিত কৰাৰ বাবে আমাৰ প্ৰয়াসত শীঘ্ৰে তীব্ৰতাৰ সৃষ্টি কৰিব লাগে। এই কথাটো অতি জৰুৰী মানৱ জাতিয়ে পৰমাত্মাক চিনি পাওঁক যিহেতু আমাৰ স্ৰষ্টা হয়, কিয়নো তেওঁৱেহে মানবতাৰ জীৱন সুৰক্ষিত কৰিব পাৰিব। অন্যথা এই সংসাৰ ক্ৰমান্বয়ে আত্ম-বিনাশৰ দিশে অধিক তীব্ৰতাৰে আগবাঢ়ি যাব।'

ৰাষ্ট্ৰপতি পুটিনলৈ প্ৰেৰিত পত্ৰত লেখিছে—

'চিৰিয়াৰ চিন্তাজনক পৰিস্থিতিয়ে মোক এই সিদ্ধান্তত উপনীত কৰিছে যে আপোনালৈ পত্ৰ প্ৰেৰণ কৰো আৰু আপুনি যুদ্ধৰ সলনি আলোচনাৰ দ্বাৰা সমস্যা সমাধান কৰাৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ সন্মতিত কৰাৰ প্ৰয়াসক ধন্যবাদ জ্ঞাপন কৰো আৰু সহযোগিতা প্ৰদান কৰো। যিকোনো আক্ৰমণে কেৱল মাত্ৰ এই ক্ষেত্ৰতে যুদ্ধৰ উদ্ভৱ হ'ব এনে নহয় বিশ্বযুদ্ধলৈ পৰিণত হোৱাৰ প্ৰৱল সম্ভাৱনা আছে। এখন পশ্চিমৰ সংবাদ পত্ৰ আপোনাৰ এটা প্ৰবন্ধ পঢ়ি অতি আনন্দিত হ'লো যে আপুনি এই কথাত অধিক গুৰুত্ব দিছে যে আক্ৰমণ কৰাটো অতি বিনাশকাৰী হ'ব আৰু ইয়াৰ ফলত বিশ্ব যুদ্ধৰ সম্ভাৱনা বৃদ্ধি পাব। আপোনাৰ এই সংকল্পৰ কাৰণে মহাশক্তিয়ে আক্ৰমণৰ পথ ত্যাগ কৰি সন্মতি তথা সন্ধিৰ পথ অৱলম্বন কৰিছে আৰু এই সমস্যাৰ ৰাজনৈতিক সমাধান সূত্ৰ বাহিৰ কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। নিশ্চয়

# বিশ্ব সংকট তথা শান্তিৰ পথ

মোৰ এই বিশ্বাস আছে যে এই সন্মতিয়ে বিশ্বক এক মহাবিনাশকাৰী তথা বিধ্বংস স্থিতিৰ পৰা নিলগত থ'ব। মই বিশেষ ভাবে মই আপোনাৰ এই সিদ্ধান্তত একমত যে যদি বিশ্বৰ দেশসমূহে নিজ নিজ স্তৰত আৰু এক পক্ষীয় নিৰ্ণয় ল'ব তেন্তে সংযুক্ত ৰাষ্ট্ৰৰো সেই দশা হ'ব যি লীগ অৱ নেচনৰ(ৰাষ্ট্ৰসংঘ) হৈছিল যি বিফল হৈছিল।"

চিৰিয়া আৰু ইৰাণৰ সংকট **২০১৩** চনৰ শেষ ছমাহত বহুখিনি শান্ত হৈ পৰিছিল। ব্ৰিটেইন চৰকাৰে চিৰিয়াত সেনা হস্তক্ষেপৰ বিৰুদ্ধে অভিমত দিছে, ৰুছ আৰু সংযুক্ত গণৰাজ্য আমেৰিকাত চিৰিয়াৰ ৰাসায়নিক অস্ত্ৰক বিলুপ্ত কৰাৰ এক আঁচনিত সন্মতি দিছে, সংযুক্ত ৰাজ্য আমেৰিকাই চিৰিয়াত আক্ৰমণ কৰাৰ সিদ্ধান্ত ত্যাগ কৰিছে আৰু এনেদৰে বিশ্বৰ বৃহৎ শক্তিয়ে ইৰাণৰ লগত এনে পৰমাণু সন্ধিত সন্মতি প্ৰদান কৰিছে যিটো সকলোৰে স্বীকাৰ্য। সকলো বৰ্গই সেই দিশত প্ৰগতিক স্বাগতম কৰে আৰু হজুৰে বিশ্ব যি দিশত গমণ কৰাটো বিচাৰিছিল। তথাপি এক শংকামুক্ত পৰিৱেশ এতিয়াও বহু নিলগত আৰু আমি বিশ্ব শান্তিৰ বাবে চিৰস্থায়ী সমাধান সূত্ৰ বিচৰাৰ বাবে অত্যাধিক প্ৰয়াস কৰিব লাগিব।

এয়া আমাৰ চিৰ সত্য প্ৰাৰ্থনা যে সংকটময় বৰ্তমান পৰিস্থিতিত এই গ্ৰন্থত সংকলিত সমিধান আৰু সমাধানে মানৱতাক মাৰ্গদৰ্শনৰ সূত্ৰ সিদ্ধ হোৱাত সহায় কৰিব আৰু যাৰ ফলস্বৰূপে ন্যায় আৰু বিনম্ৰতাৰ সিদ্ধান্তক পালন কৰাত পৰমাত্মাৰ চৰণত শৰণলৈ মানৱজাতিয়ে চিৰস্থায়ী শান্তিৰ সন্ধান লাভ কৰিব— আমিন

প্ৰকাশক

# ভাষণসমূহ




# ISLAMIC PERSPECTIVE ON THE GLOBAL CRISIS

THE BRITISH PARLIAMENT, THE HOUSE OF COMMONS
LONDON, UK, 2008







Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] delivering the keynote address at the House of Commons






Official tour of the House of Commons, courtesy of Justine Greening MP






Seated: Lord Avebury (Liberal Democrats Spokesman for Foreign Affairs), Rt. Hon. Hazel Blears MP (Secretary of State for Communities and Local Government); Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba]; Justine Greening MP (Shadow Treasury Minister); Gillian Merron MP (Foreign Office Minister); Councillor Louise Hyams (the Lord Mayor of Westminster). Standing: Jeremy Hunt MP (Shadow Culture Minister); Rafiq Hayat (National Amir AMA UK); Virendra Sharma MP, Rt. Hon. Malcolm Wicks MP (Former Minister at Department for Business, Enterprise and Regulatory Reform); Rob Marris MP, Simon Hughes MP (President of the Liberal Democrats Party); Martin Linton MP; Alan Keen MP.

# পৰিচয়

**২২** অক্টোবৰ **২০০৮** ত হাউচ অৰ কমনচ (বিট্ৰিছ সংসদ)ত হজৰত মির্জা মছৰুৰ আহমদ চাহেব খলিফাতুল মহিছ পঞ্চম, বিশ্বখ্যাত জামাত আহমদীয়াৰ মূৰব্বীৰ ঐতিহাসিক ভাষণ।

এই স্বাগত সমাৰোহ খিলাফৎ-এ- আহমদীয়াৰ এশ বছৰ পূৰণ হোৱাৰ শুভক্ষণত আহমদীয়া মুছলিম জামাতৰ মুখ্য কাৰ্যালয় মচজিদ ফজলৰ সংসদীয় ক্ষেত্ৰ Putneyৰ সাংসদ মাননীয় Justine Greening দ্বাৰা আয়োজন কৰা হৈছিল।

এই সমাৰোহত Gillian merron MP, Rt Hon Hazel Blears M.P,Alan Keen MP,Dommie Grieve M.P,SImon Hughes MP, Lord Avebury মাননীয় উপৰিও বিশিষ্ট সাংবাদিক, ৰাজনৈতিক আৰু বিভিন্ন ব্যৱসায়ীক ক্ষেত্ৰৰ বিশেষজ্ঞ সকল উপস্থিত আছিল।

# বিশ্ব সংকটত ইছলামৰ দৃষ্টিকোণ

**বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম (পৰম করুণাময় পৰম দানশীল আল্লাহৰ নামত)**

সৰ্বপ্ৰথমতে মই সকলো আদৰণীয় অতিথিবৃন্দ, সাংসদসকলক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ যি এটা ধৰ্মীয় সংগঠনৰ মূখপাত্ৰক নিজস্ব কিছু বিচাৰধাৰা প্ৰকাশ কৰাৰ বাবে সুবিধা দিয়াত। মই অতি কৃতজ্ঞ আমাৰ সমষ্টিৰ অতি আদৰৰ সাংসদ জষ্টিন গ্ৰীনিংগলৈ যিজনে নিৰ্বাচন ক্ষেত্ৰস্থিত ক্ষুদ্ৰ জামাতৰ ষাঠি বছৰীয়া সোণালী জয়ন্তীৰ শুভক্ষণত এই আয়োজন সফল কৰাত বহুতো সহযোগিতা আগবঢ়ালে। তেওঁৰ এই সহযোগিতাই নিৰ্বাচন ক্ষেত্ৰৰ সমস্ত লোক আৰু সম্প্ৰদায়ৰ চিন্তাধাৰৰ প্ৰতি তেওঁৰ একাগ্ৰহতা তাক প্ৰকাশ হোৱাৰ লগতে তেওঁ শ্ৰীৰ মহানতা, উদাৰতাক প্ৰদৰ্শন কৰিছে।

যদিও জামাত আহমদীয়া এক ক্ষুদ্ৰ সংগঠন, তথাপি ই ইছলামৰ বাস্তৱিক শিক্ষাৰ প্ৰনিধিত্ব কৰা এক সংগঠন। মই ইয়াক অৱশ্যে ক'ব বিচাৰিম প্ৰতিজন আহমদী যি ব্ৰিটেইনত বাস কৰে তেওঁলোক এই দেশৰ অতি দেশপ্ৰেমী নাগৰিক আৰু নিজৰ দেশক প্ৰাণে ভাল পায়। এয়া আমাৰ নবী হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষাৰ পৰিণাম যিজনে এই শিক্ষা দিছিল যে নিজৰ দেশক ভালপোৱাটো ইমানৰ এটা অনিবাৰ্য অংগ যাক পৃথক কৰিব পৰা নাযায় (তফছিৰে হাকিকি চুৰা আল-কাছাছ আয়াত **৮৬**)

জামাত আহমদীয়াৰ প্ৰতিষ্ঠাপক যাক আমি মছীহ মাওউদ আৰু যুগৰ অৱতাৰ তথা সংস্কাৰক বুলি ভাবো। যি ইছলামিক শিক্ষাক তাৰ ব্যাখা আগবঢ়াই উচিত প্ৰক্ষেপত বিশ্বৰ সন্মুখত বৃহৎ ৰূপত দাঙি ধৰা হৈছে।

আৰু আপোনাৰ দাৱীক ঘোষণা কৰি উল্লেখ কৰে পৰমেশ্বৰে মোৰ ওপৰত দুটা দায়িত্ব অনিবাৰ্য কৰিছে—

ৰ) পৰমেশ্বৰৰ প্ৰতি অধিকাৰ

চ) তেওঁৰ সৃষ্টিৰ প্ৰতি অধিকাৰ।

আপুনি এই সম্পৰ্কত অতিৰিক্ত বৰ্ণনা কৰি কয় যে এই দুটা অধিকাৰৰ ভিতৰত মোৰ বাবে সৃষ্টিৰ প্ৰতি অধিকাৰ পালন কৰাটো অধিক কঠিন তথা প্ৰত্যাহ্বানজনক। (মলফুজাত জিলদ -**১**,পৃঃ **৩২৬**)

খিলাফৎৰ সন্দৰ্ভত মোৰ আপোনালোকৰ এই শংকা হয় কেতিয়াবা এনে

# বিশ্ব সংকট তথা শান্তিৰ পথ

সময় আহিব যেতিয়া ইতিহাস পুনৰ ফহিয়াই চাব তেন্তে এনেধৰণৰ নেতৃত্বৰ বাবে যুদ্ধ আৰম্ভ হ'ব। এয়া এক ইছলামৰ ওপৰত জাপি দিয়া অপবাদ, মই আপোনালোকক অতি বিশ্বাসেৰে কও যদি খোদাই বিচাৰে খিলাফৎ আহমদীয়াৰ জৰিয়তে শান্তি আৰু সমতাৰ পতাকাখন উচ্চ শিখৰত উত্তোলনকাৰী হিচাপে জনা যাব। এনেদৰে ই সেই দেশৰো বিশ্বাসভাজন হৈ পৰিব য'ত ইয়াৰ অনুগামী আছে। খিলাফৎ—এ— আহমদীয়া এই সন্দৰ্ভত গুণীজনৰ জ্ঞানক প্ৰাধান্য দি নিজৰ অভিযানক আগবঢ়াই নিয়াৰ প্ৰয়াস কৰি যাব। খিলাফৎ সম্পৰ্কে কোনো ধৰণৰ শংকিত হোৱাৰ কাৰণ নাই। এই খিলাফৎ সমাজে সেই দুটা কৰ্তব্যক পূৰণ কৰাৰ চেষ্টা কৰে। যি কৰ্তব্য পূৰণৰ বাবে হজৰত মোহম্মদ (ছাঃ) অৱতাৰ গ্ৰহণ কৰিছিল। সেই কাৰণে এই সমাজে সমগ্ৰ বিশ্বত শান্তি আৰু সমতা স্থাপন কৰাৰ প্ৰচেষ্টা কৰি আহিছে।

সময়ৰ প্ৰতি দৃষ্টি ৰাখি মূল বিষয়ৰ দিশে আহোঁ। যদি আমি যোৱা কিছু দিশক নিৰপেক্ষ বিশ্লেষণ কৰো আমি অৱগত হ'ম তৎকালীন যুদ্ধ বাস্তৱত ধৰ্মীয় যুদ্ধ নাছিল, প্ৰকৃততে সেয়া বিশ্ব ৰাজনীতি সম্পৰ্কিত যুদ্ধ আছিল। আননালাগে বৰ্তমানৰ কাজিয়া-সংঘৰ্ষ তথা জাতিগত শত্ৰুতাই ইয়াক স্পষ্ট কৰে যে এইবিলাকৰ অন্তৰালত ৰাজনৈতিক, আঞ্চলিক তথা আৰ্থিক স্বাৰ্থ অন্তৰ্নিহিত হৈ আছে।

মোৰ শংকা হৈছে বিশ্বৰ দেশসমূহক ৰাজনৈতিক, আৰ্থিক গতিবিধি আৰু সমস্ত কাৰকে বিশ্বযুদ্ধৰ দিশে গতি কৰিব। কেৱল মাত্ৰ বিশ্বৰ দুখীয়া দেশবোৰে নহয়,ধনী দেশবোৰো ইয়াৰ দ্বাৰা প্ৰভাম্বিত হৈ আহিছে। গতিকে বিশ্ব শান্তিৰ বাবে এয়া কৰ্তব্য যে আলোচনা-বিবেচনা কৰক আৰু বিনাশৰ দুৱাৰত উপনীত মানৱতাক ৰক্ষা কৰক।

বিট্ৰেইন সেই দেশসমূহৰ ভিতৰত এখন বিকাশিত আৰু বিকাশশীল দেশ। এই দেশৰ ওপৰতো হেঁচা বা প্ৰভাৱ প্ৰয়োগ হৈছে। যদি আমি বিচাৰো ন্যায় আৰু সমতাৰ দাৱীসমূহ পূৰণ কৰি বিশ্বক এক পথ প্ৰদৰ্শন কৰিব পাৰো। যদি আমি অতীতলৈ লক্ষ্য কৰো বিট্ৰেইনে বহুতো দেশত শাসন কৰিছিল আৰু বিশেষকৈ ভাৰত আৰু পাকিস্তান উপমহাদেশত ন্যায় আৰু ধৰ্মীয় স্বাধীনতাৰ এক উচ্চ আদৰ্শ দাঙি ধৰিছিল। জামাত আহমদীয়া ইয়াৰ সাক্ষী আৰু জামাত আহমদীয়াৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ চাহেবে বিট্ৰেইনৰ চৰকাৰক ন্যায় আৰু ধৰ্মীয় স্বাধীনতাৰ ওপৰত আধাৰিত ৰাজনীতি অত্যন্ত প্ৰসংগ আৰু আলোচনা কৰিছিল। যেতিয়া জামাতে আহমদীয়াৰ প্ৰতিষ্ঠাপকে মহাৰাণী ভিক্টোৰিয়াক তেওঁৰ মহাৰজত জয়ন্তীৰ উপলক্ষে অভিনন্দন জ্ঞাপন প্ৰস্তুত কৰিছিল তথা তেওঁক ইছলামৰ সংবাদ প্ৰদান কৰাত বিশেষ ভাবে বিট্ৰিছ ৰাজ্যৰ ন্যায় আৰু সমতাৰ দাৱীক পূৰণ কৰাত দৃষ্টিনিক্ষেপ কৰি ইয়াকে কামনা

কৰিছিল যে পৰমেশ্বৰে সেই চৰকাৰক এই সহযোগিতাৰ বাবে উত্তম প্ৰতিফল প্ৰদান কৰক।

শেষত ঃ আমাৰ ইতিহাসে উল্লেখ কৰিছে যে যেতিয়াই বিট্ৰেইনে ন্যায় প্ৰদৰ্শন কৰিছে আমি সহযোগিতা আগবঢ়াই আহিছো। আমাৰ আশা ভৱিষ্যতে কেৱল ধৰ্মীয় বিষয়তে নহয় প্ৰতিটো দিশৰ ন্যায় বিট্ৰেইনৰ এক স্পষ্ট বিশেষত্ব হ'ব আৰু আমি অতীতৰ ভাল গুণবিলাকক কেতিয়াও নেপাহৰো।

আজি পৃথিৱীত অতি অস্থিৰতা আৰু উত্তেজনাই বিৰাজ কৰিছে। আমি দেখিবলৈ পাইছোঁ সৰু সৰু যুদ্ধ আৰম্ভ হৈছে যিহেতু কিছুমান স্থানত বিশ্বশক্তি শান্তি স্থাপনৰ দাৱীদাৰ। যদি ন্যায়ৰ দাৱী পূৰণ কৰা নহয় এই প্ৰাদেশিক যুদ্ধৰ অগ্নি আৰু লাভাৰ তীব্ৰতা বৃদ্ধি হ'ব পাৰে আৰু সম্পূৰ্ণ বিশ্বক যুদ্ধৰ পৰিধিত আৱদ্ধ কৰিব পাৰে। মোৰ আপোনালোকৰ প্ৰতি বিনম্ৰ আহ্বান বিশ্বক ৰক্ষা কৰক।

এতিয়া সংক্ষিপ্ত ভাবে বৰ্ণনা কৰিম- বিশ্বত শান্তি স্থাপন কৰাৰ বাবে ইছলামে কি শিক্ষা দিয়ে আৰু এই শিক্ষা অনুসৰি কেনেদৰে বিশ্বত শান্তি স্থাপন কৰিব পৰা যায়। মোৰ এই মিনতি বিশ্বত শান্তি স্থাপন কৰিবলৈ নিজৰ প্ৰাথমিক চৰ্ত তথা মুছলমানে ইয়াত গুৰুত্ব দিব, বিশ্বৰ সমস্ত দেশ আৰু মহাশক্তি তথা চৰকাৰৰো কৰ্তব্য ইয়াক পালন কৰাৰ।

বৰ্তমান সময়ত সমগ্ৰ বিশ্ব এখন গাঁৱত পৰিণত হৈছে কিন্তু পূৰ্বতে এইবোৰ সপোনৰো অগোচৰ আছিল। আমি মানৱ হিচাপে নিজৰ কৰ্তব্যবোৰ বুজি উঠিব লাগে আৰু মানৱাধিকাৰ সম্পৰ্কীয় সমস্যাসমূহ সমাধানৰ প্ৰতি ধ্যান দিব লাগে। যাৰ ফলত বিশ্বত শান্তি সমন্বয় স্থাপিত হ'ব। স্পষ্ট ৰূপত অতি ন্যায়সংগত হোৱাৰ লগতে ন্যায়ৰ দাৱীসমূহ পূৰণ কৰাত অগ্ৰদূত হওঁক।

বৰ্তমান সময় এক জলন্ত সমস্যা হিচাপে প্ৰত্যেক্ষ ভাবে হওঁক বা পৰোক্ষভাবে হওঁক ধৰ্মৰ কাৰণ সৃষ্টি হয়। ইয়াত কিছুমান মুছলমানলোকে অসংবিধানিক ভাবে কেৱল অমুছলমান সৈনিক তথা নিৰীহ নাগৰিকক হত্যা কৰাৰ বাবে মানৱ বোমা তথা বিস্ফোৰকৰ প্ৰয়োগ কৰে লগতে নিৰীহ মুছলমান শিশুক নিৰ্মম ভাবে হত্যাও কৰে। এই অত্যাচাৰী কৰ্মসমূহ কৰাৰ বাবে ইছলামে কদাপি অনুমতি নিদিয়ে।

মুছলমানৰ এনে কু-আচৰণৰ কাৰণে অমুছলমান দেশসমূহত কিছুমান ভুল ধাৰণাৰ জন্ম হৈছে। ফলস্বৰূপে সেই সমাজৰ এচামে মুকলি ভাবে ইছলামৰ বিৰুদ্ধে অসৎ ব্যৱহাৰ কৰিছে যিহেতু দ্বিতীয়টো যদিও সাৰ্বজনিক স্তৰত উল্লেখ কৰা নহয় তথাপি ইছলামৰ সন্দৰ্ভত হৃদয়ত ভাল ভাৱ নাৰাখে। এই কথাই পশ্চিমীয়া দেশৰ জনসাধাৰণৰ হৃদয়ত তথা অমুছলিম দেশৰ মুছলমান নাগৰিকসকলৰ প্ৰতি অবিশ্বাসৰ সৃষ্টি কৰে। এনে কিছুমান মুছলমানৰ কথিত আচৰণৰ কাৰণে পৰিস্থিতি সলনি হোৱাৰ স্থানত অমুছলমানৰ প্ৰতিক্ৰিয়া দিনক-

দিনে বেয়া হৈ পৰিছে।

এই ভুল প্ৰতিক্ৰিয়াৰ প্ৰথম স্পষ্ট উদাহৰণ ইছলামৰ পয়গম্বৰ (ছাঃ)ৰ জীৱন চৰিত্ৰ আৰু পৱিত্ৰ কোৰাণ যিখন মুছলমানৰ পৱিত্ৰ গ্ৰন্থ তাৰ ওপৰত আক্ৰমণ। এই পৰিপ্ৰেক্ষিতত বিট্ৰেইনৰ ৰাজনীতিকে তেওঁলোকৰ সম্বন্ধ যিকোনো পাৰ্টিৰ লগতে হওক তথা এনেদৰে বিট্ৰেইনৰ বুদ্ধিজীৱিৰ বিচাৰধাৰা কিছু অন্য দেশৰ ৰাজনৈতিকতকৈ বিপৰীত,যাৰ বাবে মই আপোনালোকৰ কৃতজ্ঞ। এনেদৰে ভাৱনাত আঘাত হানিলে ঘৃণা,শত্ৰুতা আৰু পৰস্পৰ হীন প্ৰদৰ্শন কৰা ভাবনাক বৃদ্ধি কৰাৰ বাহিৰে আন কি লাভ হ'ব পাৰে। এই ঘৃণা কিছুমান বিশেষ চৰমপন্থী মুছলমানে অমুছলিম কাৰ্য কৰাৰ বাবে উৎসাহিত কৰে যাৰ বিপৰীতে কোনো অমুছলমানে বিৰোধীতা কৰাৰ সুবিধা প্ৰদান কৰে।

সাধাৰণতে যি চৰমপন্থী নহয় আৰু যি মুছলমানে পয়গম্বৰক বহু ভাল পায় তেওঁলোকে এই আক্ৰমণৰ পৰা বহু কষ্ট অনুভৱ কৰে তথা এই সন্দৰ্ভত জামাতে আহমদীয়া অগ্ৰসৰ। আমাৰ মুখ্য আৰু সৰ্বাধিক অনিবাৰ্য কৰ্তব্য হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱন চৰিত্ৰ আৰু ইছলামৰ সুন্দৰ আৰু উত্তম শিক্ষাক সংসাৰৰ সন্মুখত প্ৰদৰ্শন কৰা। আমি যিসকলে বিশ্বৰ সমস্ত নবী (অৱতাৰ)ক সন্মান কৰোঁ আৰু এই বিশ্বাস আছে যে সেই সকলোৱে পৰমেশ্বৰৰ ফালৰ পৰা আছিল য'ত কাৰোৰ বিৰুদ্ধে অপমানজনক কথা কোৱা নাছিল কিন্তু আমি যেতিয়া হজৰত মোহাম্মদ (ছাঃ)ৰ বিৰুদ্ধে ভিত্তিহীন, মিছা অভিযোগ শুনিবলৈ পাওঁ বহু কষ্ট অনুভৱ কৰোঁ।

বৰ্তমান সময়ত বিশ্ব দুটা খণ্ডত বিভাজিত হোৱাৰ পথত, উগ্ৰবাদৰ তীব্ৰতা বৃদ্ধি হৈছে আৰু আৰ্থিক পৰিস্থিতি বহু বেয়া দিশলৈ গতি কৰিছে। এই কথা অতি জৰুৰী যে সকলো প্ৰকাৰৰ ঘৃণাক সমাপ্ত কৰা হওঁক আৰু শান্তিৰ পথ প্ৰশস্ত কৰা হওঁক। এয়া তেতিয়াহে সম্ভৱ হ'ব যেতিয়া পৰস্পৰে পৰস্পৰৰ সকলো ভাৱনাক আদৰ কৰিব। যদি এই কাৰ্য উচিত ৰূপত সম্পূৰ্ণ সততাৰে আৰু সদভাৱনাৰে নকৰিলে পৰিস্থিতি সেই সীমালৈকে ভয়ানক হৈ পৰিব য'ত নিয়ন্ত্ৰণ পোৱাটো অসম্ভৱ হৈ পৰিব। মই এই কথাত বহু গুৰুত্ব প্ৰদান কৰোঁ আৰ্থিক দিশত সুদৃঢ় পশ্চিমীয়া দেশে দুখীয়া আৰু বিকাশশীল দেশৰ লোকসকলক,য'ত মুছলমানসকল সন্মিলিত, অতি উদাৰতাই নিজৰ দেশত বসবাস কৰাৰ অনুমতি দিছে।

বাস্তৱত ন্যায়ে এই কথাৰ দাবী কৰে যে সেই লোকসকলৰ ভাৱনা আৰু ধৰ্মীয় ৰীতি-নীতিকো আদৰ কৰা হওঁক। এয়া সেই উপায় য'ত জনসাধাৰণৰ মানসিক শান্তিক বজাই ৰাখিব পৰা যায়। আমি এই কথা মনত ৰাখিব লাগে যে যেতিয়া কোনো ব্যক্তিৰ মানসিক শান্তি ভংগ কৰা হয়, তেতিয়া সেই সমাজৰো মানসিক শান্তি প্ৰভাম্বিত হয়। যিদৰে মই প্ৰথমতে উল্লেখ কৰিছোঁ বিট্ৰেইনৰ ৰাজনৈতিক

আৰু ব্যৱস্থাপকৰ ন্যায়ৰ দাৱী পূৰণ কৰা তথা এই ধৰণৰ হস্তক্ষেপ নকৰাৰ বাবে কৃতজ্ঞ।

বাস্তৱত এয়া ইছলামিক শিক্ষা,যাক পৱিত্ৰ কোৰাণে আমাক প্ৰদান কৰে। পৱিত্ৰ কোৰাণে এই ঘোষণা কৰিছে যে

**‘ধৰ্মৰ বিষয়ত কোনো বলপ্ৰয়োগ কৰিব নোৱাৰে’**

(চুৰা বাকাৰা আয়াত- **২৫৭**)

এই আদৰ্শই কেৱল সেই অভিযোগক খণ্ডন নকৰে যে ইছলাম তৰোৱালৰ বলত বিয়পিছিল, এই শিক্ষাই মুছলমানক ইয়াকো কৈছে যে কোনো ধৰ্মক স্বীকাৰ কৰাটো মনুষ্য আৰু পৰমেশ্বৰৰ মাজৰ বিষয় আৰু তুমি কোনো পৰিস্থিতিত ইয়াৰ হস্তক্ষেপ কৰিব নালাগে। প্ৰত্যেককে এই অনুমতি প্ৰদান কৰা হৈছে যে নিজৰ আস্থানুসৰি জীৱন যাপন কৰক তথা নিজৰ ৰীতি-নীতি অনুসৰি পালন কৰক। কিন্তু ধৰ্মৰ নামত যদি কোনো এনে পৰম্পৰা থাকে যি আনৰ ক্ষতি কৰিব তথা ৰাষ্ট্ৰীয় আইনৰ বিপৰীত হয় তেতিয়া এনে স্থিতিত সেই দেশৰ আইন স্থাপিত কৰা আচৰণ কৰিব লাগে। যদি কোনো ধৰ্মত এনে অপ্ৰিয় পৰম্পৰা প্ৰচলিত আছে সেয়া পৰমেশ্বৰৰ কোনো অৱতাৰৰ শিক্ষা হ’ব নোৱাৰে।

ৰাষ্ট্ৰীয়- আন্তঃৰাষ্ট্ৰীয় স্তৰত শান্তি স্থাপিত কৰাৰ বাবে এয়া মূল সিদ্ধান্ত। তদুপৰি ইছলামে অতিৰিক্ত ভাবে এই শিক্ষা দিয়ে যে যদি তোমাৰ ধৰ্মৰ কাৰণে কোনো সমাজৰ, কোনো বৰ্গৰ অথবা কোনো চৰকাৰে তোমাৰ ধৰ্মীয় পৰম্পৰাক পালনত হস্তক্ষেপ কৰাৰ প্ৰয়াস কৰে আৰু সেই সময়ত পৰিস্থিতি অনুকুল হৈ পৰিলেও সদায় ইয়াক স্মৰণ কৰিব লাগে যে তুমি তেতিয়াও হৃদয়ত কোনো দ্বেষ, অমানৱিক আৰু কপট ৰাখিব নালাগে। তুমি প্ৰতিশোধ লোৱাৰ কথাও ভাবিব নালাগে তথাপি ন্যায় আৰু সমতা স্থাপিত কৰিব লাগে। পৱিত্ৰ কোৰাণত উল্লেখ আছে—

**হে বিশ্বাসীসকল! আল্লাহৰ কাৰণে ন্যায় সাক্ষী দিয়াত তোমালোক দৃঢ় হৈ থাকিবা; আৰু কোনো সম্প্ৰদায়ৰ বিদ্বেষ ভাৱে যেন ন্যায় পথৰ পৰা তোমালোকক বিচলিত হ’বলৈ উদগনি নিদিয়ে; তোমালোকে ন্যায় বিচাৰ কৰিবা,সেয়ে ধৰ্মপৰায়ণতাৰ অধিক ওচৰ; আৰু আল্লাৈলৈ ভয় ৰাখি চলিবা; নিশ্চয় তোমালোকে যি কাৰ্য্যকে কৰা আল্লাই সেই সম্বন্ধে সম্পূৰ্ণৰূপে জ্ঞাত** (চুৰা আল মাইদা আয়াত—**৯**)

সমাজত শান্তি স্থাপিত কৰাৰ বাবে এই শিক্ষা প্ৰদান কৰা হৈছে নিজৰ শত্ৰুৰ লগতো ন্যায়পূৰ্ণ ব্যৱহাৰ কৰিব লাগে আৰু ন্যায়ক পৰিহাৰ কৰিব নালাগে।

ইছলামৰ প্ৰাৰম্ভিক ইতিহাসে আমাক এই কথা স্পষ্ট কৰি দিছে, ন্যায় শিক্ষা

পালন কৰাৰ লগতে ন্যায়ৰ সকলো আহ্বান পূৰ্ণ কৰিব লাগে। মই ইয়াত এই সম্পৰ্কত বহু দৃষ্টান্ত দাঙি ধৰিব নিবিচাৰো, কিন্তু বাস্তৱত ইতিহাসে স্বাক্ষৰ বহন কৰিছে-মক্কা জয়ৰ পিছত হজৰত মোহাম্মদ(ছাঃ) য়ে সেই লোক সকলৰ ওপৰত কোনো প্ৰতিশোধ লোৱা নাছিল যিসকলে তেখেতক কঠোৰ যন্ত্ৰণা প্ৰদান কৰিছিল, কষ্ট দিছিল।তেখেত (ছাঃ)য়ে সেই সকলক ক্ষমা কৰি দিছিল। তেওঁলোকক নিজস্ব ধৰণে জীৱন যাপন কৰিবলৈ দিছিল। বৰ্তমান সময়ত শত্ৰুৰ প্ৰতি ন্যায় সম্পূৰ্ণ অনিবাৰ্যতাৰে পূৰ্ণ কৰিলেহে স্থায়ী ৰূপত শান্তি স্থাপন হ'ব পাৰে। কেৱল কঠোৰপন্থীসকলৰ বিৰোধ যুদ্ধত বা আন সকলো যুদ্ধৰ দ্বাৰা শান্তি স্থাপন হ'ব বুলি ভাবিব নালাগে। যুদ্ধই স্থায়ী ভাবে শান্তি আনিব নোৱাৰে, ন্যায়ৰ দ্বাৰা বাস্তৱত শান্তি স্থাপন কৰাটো সম্ভৱ।

যোৱা শতিকাত দুখন যুদ্ধ হ'ল। ইয়াৰ কাৰণ যি নহওঁক, আমি যদি গভীৰ ভাবে পৰ্যালোচনা কৰো তেন্তে মাথো এটা কাৰক দৃষ্টি গোচৰ হয় আৰু সেই কাৰকটো হ'ল- ন্যায় যথোচিত ভাবে স্থাপন কৰা নহ'ল তথা প্ৰক্ৰিয়া স্বৰূপে এক নিৰ্বাপিত হোৱা জুইক বিচাৰ কৰা হ'ল সেয়া এক গৰম এঙাৰত পৰিণত হ'ল যি উমি উমি জ্বলি থাকিল আৰু সম্পূৰ্ণ ৰূপে জ্বলি উঠি এক বিৰাট ৰূপ ধাৰণ কৰিলে আৰু সমগ্ৰ বিশ্বকে দাহ কৰিলে।

আজি অশান্তি বৃদ্ধি হ'ব ধৰিছে তথা যুদ্ধ আৰু শান্তিক সমানে নিয়ন্ত্ৰণ কৰিবলৈ কাৰ্যবাহীসকল এক অন্য এখন বিশ্বযুদ্ধৰ সূচনাকাৰী হৈ পৰিছে। এনেদৰে বৰ্তমান আৰ্থিক আৰু সামাজিক কঠিনতাই এই পৰিস্থিতিক বাঢ়ি যোৱাত এক কাৰক হৈ পৰিছে।

পবিত্ৰ কোৰাণে বিশ্বশান্তি স্থাপন কৰাৰ বাবে বহু সুন্দৰ সিদ্ধান্ত প্ৰস্তুত কৰিছে। এয়া স্পষ্ট বাস্তৱিকতা যে লালসাই শত্ৰুতাৰ জন্ম দিয়ে। কেতিয়াবা ই সীমা অতিক্ৰম কৰাৰ ৰূপত প্ৰতিফলিত হয়, নহ'লে প্ৰাকৃতিক সম্প্ৰদায়ৰ অধিকাৰ কৰাৰ ৰূপত অথবা আনৰ ওপৰত নিজৰ শ্ৰেষ্ঠত্ব সিদ্ধ কৰাৰ বাবে। পুনৰ ই শত্ৰুতা, অন্যায় আৰু অত্যাচাৰৰ দিশেলৈ যায়। লাগে এই অত্যাচাৰ ক্ষুদ্ধ নিৰংকুশ শাসকৰ দিশৰ পৰা হওঁক যি প্ৰজাৰ অধিকাৰক কাঢ়ি ল'ব বিচাৰে অথবা ব্যক্তিগত উপকাৰৰ বাবে নিজৰ শ্ৰেষ্টত্ব সিদ্ধ কৰে বা পুনৰ অত্যাচাৰ আক্ৰমণকাৰী সেনাৰ দ্বাৰা হওঁক। প্ৰায় এই অত্যাচাৰৰ স্বীকাৰ হোৱা লোকৰ চিৎকাৰ আৰু ক্ৰোধে বহিঃ দেশক মাত মাতিবলৈ সুবিধা দিয়ে।

ইছলামৰ পয়গম্বৰে আমাক নিম্নলিখিত সুন্দৰ সিদ্ধান্তক অৱগত কৰিছে যে অত্যাচাৰী আৰু পীড়িত দুয়োকে সহায় কৰা।

হজৰত মোহাম্মদ (ছাঃ)ৰ চাহাবীয়ে সুধিলে— **অত্যাচাৰৰ দ্বাৰা পীড়িতক সহায় কৰাটো বুজিব পাৰিছোঁ কিন্তু এজন অত্যাচাৰীক কেনেকৈ সহায় কৰিব পাৰি? তেতিয়া নবী কৰিম (ছাঃ)য়ে উত্তৰ দিলে- তেওঁক**

**অত্যাচাৰৰ পৰা ৰোধ কৰি। কিয়নো তেওঁৰ অত্যাচাৰ বাঢ়ি যোৱা তেওঁক পৰমেশ্বৰৰ শাস্তিৰ পাত্ৰ কৰি দিব।** (ছহি বুখাৰী,হাদিছ সংখ্যা-**৬৯৫২**) অৰ্থাৎ তেওঁক দয়া কৰি তেওঁক বচোৱাৰ যত্ন কৰা। এই সিদ্ধান্তই সমাজৰ অতি ক্ষুদ্ৰস্তৰৰ পৰা কেন্দ্ৰ কৰি আন্তঃৰাষ্ট্ৰীয় স্তৰলৈকে বিয়পি আছে। এই সন্দৰ্ভত পৱিত্ৰ কোৰাণৰ আয়াতত আছে **আৰু দুইদল বিশ্বাসীয়ে যদি নিজৰ ভিতৰত যুদ্ধ কৰে,তেওঁলোকৰ মাজত শান্তি স্থাপন কৰা,যদি তাৰ পাছত এটা দলে আনটোৰ বিৰুদ্ধে সীমা লঙ্ঘন কৰে, সেই লঙ্ঘনকাৰী দলটোৰ বিৰুদ্ধে সিহঁত আল্লাহৰ আদেশ মান্য নকৰালৈকে সংগ্ৰাম কৰাহঁক। তেতিয়া যদি ই আল্লাহৰ হুকুমলৈ ঘূৰি আহে, তেওঁলোকৰ ভিতৰত সমতাৰে সৈতে শান্তি স্থাপন কৰা, আৰু সকলো কাম ন্যায়েৰে কৰাহঁক। সত্যতে আল্লাহ ন্যায় পৰায়ণ জনক ভাল পায়।** (আল হুজুৰাত আয়াত—**১০**)

তথাপিও এই শিক্ষা মুছলমানৰ সৈতে সম্বন্ধিত কিন্তু এই সিদ্ধান্তক মানিলৈ আন্তঃৰাষ্ট্ৰীয় স্তৰত শান্তিৰ সূত্ৰ দাঙি ধৰিব পৰা যায়। শান্তিক স্থাপিত কৰাৰ বাবে যেনেকৈ আৰম্ভণীতে বৰ্ণনা কৰা হৈছিল যে শান্তি প্ৰাথমিক দাবী ন্যায় আৰু ন্যায়ৰ সিদ্ধান্তক আদৰি লোৱাৰ পিছতো যদি শান্তিৰ স্থাপনাৰ প্ৰয়াস বিফল হৈ পৰে তেতিয়া সংযুক্ত ভাবে সেই গোষ্ঠীৰ বিৰুদ্ধে যুদ্ধ কৰা যেতিয়ালৈকে সি অন্যায় কৰা সকলৰ শান্তি স্থাপনা কৰাৰ বাবে প্ৰস্তুত নহয়। ন্যায়ৰ আহ্বান এয়া যে প্ৰতিশোধ লোৱাৰ প্ৰয়াস কৰা নহয়, প্ৰতিবন্ধকতা লগাব নালাগে, সকলো ধৰণৰ অন্যায় কৰাসকলৰ প্ৰতি দৃষ্টি দিবা কিন্তু লগতে তেওঁৰ স্থিতি শুধৰাবলৈ আৰু উত্তম কৰাৰ বাবে প্ৰয়াস কৰা।

এনে বিড়ম্বনাক সমাপ্ত কৰাৰ বাবে আজি-কালি বিশ্বৰ কিছুমান দেশত পোৱা যায় আৰু বিশেষ ভাবে দুৰ্ভাগ্যজনক ভাবে কিছুমান মুছলমান দেশত। অৰ্থাৎ সেই দেশ যি Veto প্ৰদান কৰাৰ অধিকাৰ লাভ কৰিছে, তেওঁলোকে স্পষ্ট কৰিব লাগে যে ন্যায়ৰ যথাযথ কাৰ্যকৰী কৰা হৈছে নে নাই। যেতিয়া সহায়ৰ আৱশ্যকতা আহে শক্তিশালী দেশৰ দিশে হাত আগবঢ়াই দিয়ে।

যেনেকৈ মই প্ৰথমতে উল্লেখ কৰিছোঁ যে আমি এই বাস্তৱিকতাৰ সাক্ষী যে বিট্ৰেইন চৰকাৰৰ ইতিহাস আছে সদায় ন্যায়ক আগস্থান দি আহিছে আৰু এই কথাই মোক উৎসাহিত কৰিছে, ইয়াৰ মাজেৰে মই এনে কেইটামান দিশৰ সম্পৰ্কত আপোনালোকক অৱগত কৰিব বিচাৰো।

বিশ্বত শান্তি স্থাপন কৰাৰ আন সিদ্ধান্ত যাৰ শিক্ষা আমাক দিয়া হৈছে সেয়া হ'ল লোভত পৰি আনৰ ধন-সম্পতিৰ দিশে দৃষ্টিনিক্ষেপ নকৰিবা।

পৱিত্ৰ কোৰাণৰ আদেশ—

**আৰু এই পাৰ্থিৱ জীৱনৰ যি জাকজমক সিহঁতৰ বিভিন্ন শ্ৰেণীৰ মানুহক আমি এই অৰ্থে উপভোগ কৰিবলৈ দিছোঁ যাতে সেই বিষয়ে সিহঁতৰ পৰীক্ষা**

**লব পাৰো, তুমি তাৰ পিনে নিজৰ দুই চকু মেলি (তধা লাগি) চাই নাথাকিবা। (২০ঃ১৩২)**

আনৰ ধন-সম্পত্তি ৰ প্ৰতি আকৰ্ষণ আৰু লোভ সংসাৰত বৃদ্ধি হোৱা অশান্তিৰ এক কাৰণ। ব্যক্তিগত দিশত যেনেকৈ কোৱা হয় যে- 'প্ৰতিৱেশীৰ লগত প্ৰতিস্পৰ্ধা কৰা তাগিদাই কেতিয়াও সমাপ্ত নোহোৱা লালসাৰ জন্ম দিয়ে।' এই বস্তুৰ পৰিণাম সমাপ্ত নোহোৱা লালসাই সামাজিক শান্তিক নষ্ট কৰি দিছে। ৰাষ্ট্ৰীয় স্তৰত লোভৰ ওপৰত আধাৰিত প্ৰতিস্পৰ্ধা আৰম্ভ হৈছে যি বিশ্বক বিনাশৰ দিশেলৈ গৈছে। ইতিহাসে ইয়াক প্ৰমাণ কৰিছে। প্ৰতিজন বুধিয়ক ব্যক্তিয়ে অনুমান কৰিব পাৰে আনৰ ধন-সম্পত্তিৰ ইচ্ছা দ্ৰোহ, লালসা আৰু ক্ষতিৰ কাৰণ হৈ পৰে।

সেই কাৰণে পৰমেশ্বৰৰ বাণী যে প্ৰত্যেকেই নিজৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগে তথা তাৰে পৰা লাভ অৰ্জন কৰিব লাগে। সীমান্তৰৰ্তী অথবা আনৰ অধিকাৰ থকা ক্ষেত্ৰত লাভ অৰ্জন কৰাৰ প্ৰয়াস কোনো আত্মকেন্দ্ৰিক অথবা তেওঁলোকৰ অধিকৃত ক্ষেত্ৰৰ প্ৰাকৃতিক সম্পদৰ পৰা লাভ প্ৰাপ্তিৰ প্ৰয়াস হৈ পৰে।

দেশৰ আন্তঃগাঠনিত তথা খণ্ড নিৰ্মাণ কৰাৰ উদ্দেশ্যয়ো কিছুমান দেশৰ প্ৰাকৃতিক সম্পদৰ অধিকাৰ লাভ কৰা হয়। এই সন্দৰ্ভত মই বহুতো লেখক যি ইয়াৰ পূৰ্বে চৰকাৰৰ উপদেষ্টা আছিল, তেওঁলোকে এনে গ্ৰন্থ লিখিছে য'ত ইয়াৰ বিৱৰণ লিপিৱদ্ধ আছে কিছুমান দেশে কেনেকৈ আন দেশৰ প্ৰাকৃতিক সম্পদত অধিকাৰ অৰ্জন কৰাৰ প্ৰচেষ্টা কৰিছে। এই লেখকৰ তথ্য কিমান দূৰ সত্য এয়া তেওঁৰে জ্ঞানে ক'ব আৰু পৰমেশ্বৰে অধিক জানিব। কিন্তু লেখনি অধ্যয়ন কৰি যি স্থিতি পৰিস্ফুত হৈছে সেয়া সেই লোকসকলৰ হৃদয়ত অতি ক্ৰোধৰ কাৰণ হৈ পৰিছে যি নিজৰ দুখীয়া দেশৰ প্ৰতি কৃতজ্ঞ। এই বক্তব্যই উগ্ৰবাদক পোষকতা কৰা বা বিনাশকাৰীক প্ৰতিস্পৰ্ধা কৰা এক ডাঙৰ কাৰণ হৈ পৰিছে।

বৰ্তমান সংসাৰে অতীতৰ তুলনাত নিজকে অধিক গম্ভীৰ, বুদ্ধিমান আৰু শিক্ষিত বুলি জ্ঞান কৰে, আননালাগে দুখীয়া দেশতো এনে কিছুমান বুধিয়ক লোক আছে যি নিজৰ কৰ্মক্ষেত্ৰত উচ্চ শিক্ষা প্ৰাপ্ত। বহুতো উচ্চ যোগ্যতা প্ৰাপ্ত বিকাশশীল লোকে বিশ্বৰ গৱেষণা কেন্দ্ৰত একত্ৰিত ভাবে কাম কৰি আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ইয়াকে কল্পনা কৰিব লাগে যদি এই লোকসকল একগোট হৈ আৰু সংযুক্ত ভাবে ভালধৰণে তথা অতীতৰ মুৰ্খতাক সমাপ্ত কৰাৰ প্ৰয়াস কৰে, যি শত্ৰুতা আৰু ভয়ানক যুদ্ধৰ কাৰণ হৈ পৰিছিল। ঈশ্বৰ প্ৰদত্ত বিবেক আৰু বিজ্ঞানৰ প্ৰগতিক মানৱ জাতিৰ কল্যাণ তথা আনৰ প্ৰাকৃতিক সম্পদক বৈধ আৰু উচিত পদ্ধতিয়ে লাভান্বিত হোৱাত প্ৰয়োগ কৰিব লাগে।

# বিশ্ব সংকটত ইছলামৰ দৃষ্টিকোণ

পৰমেশ্বৰে প্ৰতিখন দেশক প্ৰাকৃতিক সম্পদ প্ৰদান কৰিছে যিবোৰক বিশ্ব শান্তিৰ সম্বল হিচাপে পূৰ্ণৰূপত প্ৰয়োগ কৰিব লাগে। পৰমেশ্বৰে বহুতো দেশক বিভিন্ন শস্য উৎপাদন কৰাৰ বাবে অতি উত্তম জলবায়ু আৰু পৰিৱেশ প্ৰদান কৰিছে। যদি আধুনিক কৌশলক উচিত ধৰণে, প্ৰণালীৱদ্ধ ৰূপত কৃষিকৰ্মৰ বাবে প্ৰয়োগ কৰা হয় তেন্তে আৰ্থিক স্থিতিৰ উন্নতি তথা সংসাৰৰ পৰা ভোকৰ সমস্যা সমাপ্ত কৰিব পৰা যাব।
সেই দেশ যি খনিজ সম্পদৰে পৰিপূৰ্ণ, তেওঁলোকে উন্নতি কৰাৰ বাবে উচিত মূল্যত স্বাধীন ভাবে ব্যৱসায় কৰিব দিব লাগে তথা এখন দেশে আনখন দেশৰ খনিজ সম্পদৰ পৰা লাভ অৰ্জন কৰিব লাগে। অৰ্থাৎ এয়া উচিত পথ যাক পৰমেশ্বৰে পছন্দ কৰে।

পৰমেশ্বৰে নিজৰ পয়গম্বৰসকলক এই কাৰণে প্ৰেৰণ কৰে সেই সকলক এনে পথ প্ৰদৰ্শন কৰক যি তেওঁলোকক পৰমেশ্বৰৰ অতি ওচৰ চপাই নিয়ে। ইয়াৰ লগতে পৰমেশ্বৰে কয় যে ধৰ্মৰ সন্দৰ্ভত পূৰ্ণ স্বাধীনতা আছে। আমাৰ আস্থা আছে যে যদি বাস্তৱিক প্ৰতিফল বা দণ্ড মৃত্যুৰ পিছত পাব কিন্তু ঈশ্বৰৰ দ্বাৰা স্থাপিত ব্যৱস্থাৰ অধীনত যেতিয়া তেওঁৰ প্ৰজাৰ ওপৰত অত্যাচাৰ কৰা যায় তেতিয়া প্ৰকৃতিৰ নিয়ম অনুসৰি এই সংসাৰতো তাৰ পৰিণাম আৰু প্ৰভাৱ দেখিবলৈ পোৱা যায়। এনে অন্যায়ত অতি কঠোৰ প্ৰতিক্ৰিয়া হয় তথা এই কথা কোনেও নেভাবে প্ৰতিক্ৰিয়া উচিত নে অনুচিত।

সংসাৰত বিজয় প্ৰাপ্তিৰ উচিত এয়া যে দুখীয়া দেশক নিজৰ উচিত স্থান প্ৰদান কৰাৰ বাবে পূৰ্ণ ৰূপত যত্ন কৰিব লাগে।
বৰ্তমান যুগৰ এটা ডাঙৰ সংকট হ'ল আৰ্থিক সংকট, যাক পৰিভাষিক স্তৰত কোৱা হৈছে। এয়া যিমানেই বিচিত্ৰ নালাগক কিন্তু সাক্ষ্যই এক বাস্তৱতাৰ দিশে ইংগিত কৰে। পৱিত্ৰ কোৰাণে ইয়াকে কয়, আমাৰ দিকদৰ্শন কৰে যে সুদ এৰি দিয়া, কিয়নো সুদ এক এনে অভিশাপ যি পাৰিবাৰিক,ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় শান্তিৰ বাবে এক বিপদ। আমাক সৰ্তক কৰা হৈছে যি সুদ লৈছে এদিন অৱশ্যে সেই ব্যক্তিৰ সমান হৈ পৰিব যাক চয়তানে পগলা কৰি দিছে। সেয়ে, মুছলমানক সৰ্তক কৰা হৈছে এনে পৰিস্থিতিৰ পৰা বাচি থাকিবলৈ সুদৰ ব্যৱসায় বন্ধ কৰি দিয়ক, কিয়নো সুদ হিচাপে যি ৰাশি লোৱা হয় সেয়াই তোমাৰ ধনৰ বৃদ্ধি নকৰে যদিও দেখাত লাগে বৃদ্ধি হৈছে, কিন্তু এটা সময় নিশ্চয় আহিব তাৰ প্ৰকৃত প্ৰভাৱ দেখা যাব। আমাক অতিৰিক্ত ভাবে সাৱধান কৰা হৈছে যে আমাৰ সুদৰ ব্যৱসায় কৰাৰ অনুমতি নাই। এই সৰ্তকতাৰ পিছতো যদি আমি এনে কৰো পৰমেশ্বৰৰ লগত যুদ্ধ কৰাৰ সমান হ'ব। এই কথা বৰ্তমান CREDIT CRUNCH অতি স্পষ্ট। আৰম্ভণীতে এনে লোক আছিল যি সম্পত্তি ক্ৰয় কৰাৰ বাবে ঋণ লৈছিল, কিন্তু সম্পত্তিৰ গৰাকী হোৱাৰ পূৰ্বে ঋণৰ বোজাত

মৃত্যুক আকোৰালী ল'ব লগা হয়। তথাপি আজি এনে চৰকাৰ আছে যি নিজেই ঋণ গ্ৰস্ত, যেন এয়া তেওঁলোকৰ ওপৰত উন্মাদৰ অত্যাচাৰ। ডাঙৰ ডাঙৰ কোম্পানী দেওলীয়া হৈ পৰিছে। কিছুমান বেংক আৰু ফাইনেন্স কোম্পানী বন্ধ কৰি দিয়া হৈছে তথা সেই বিলাকক আৰ্থিক সংকটৰ পৰা ৰক্ষা কৰা হৈছে। এই পৰিস্থিতি প্ৰতিখন দেশতে, লাগে সেয়া ধনী বা দুখীয়া হওঁক। আপোনালোকে এই সংকটৰ বিষয়ে মোতকৈ অধিক জ্ঞাত। ধন জমা কৰা সকলৰ ধন অনিষ্ঠ হৈ গ'ল। এতিয়া এই বিষয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল, চৰকাৰে কেনেকৈ আৰু কোন সীমা লৈকে বচাব পাৰে কিন্তু এই সময়ত বিশ্বৰ অধিকাংশ দেশত পৰিয়াল, ব্যৱসায়ী তথা শাসকৰ মানসিক শান্তি নষ্ট কৰি পেলাইছে।

এই পৰিস্থিতিয়ে আমাক এনে এক সিদ্ধান্ত ল'বলৈ বাধ্য কৰে বিশ্ব বৰ্তমান এনে সংকটৰ মাজত উপনীত হৈছে যাৰ সন্দৰ্ভত আমাক বহু আগতে সৰ্তক কৰা হৈছিল ? পৰমেশ্বৰে অধিক অৱগত হ'ব এই পৰিস্থিতিৰ অতিৰিক্ত আৰু কি পৰিণাম হ'ব।

পৰমেশ্বৰ কৈছে শান্তিৰ দিশে আগবাঢ়া। যাৰ আশ্বাস কেৱল এই অৱস্থাত দিব পৰা যায় যে যেতিয়া এক শুদ্ধ আৰু সামান্য বেপাৰ হওঁক তথা প্ৰাকৃতিক সম্পদৰ, অৱদানৰ সঠিক প্ৰয়োগ হওঁক।

এতিয়া মই ইছলামিক শিক্ষাৰ এই সংক্ষিপ্ত ইতিহাস বৰ্ণনা কৰি এই স্মৰণেৰে সমাপ্ত কৰিছোঁ বিশ্বৰ প্ৰকৃত শান্তি পৰমেশ্বৰৰ প্ৰতি নিমগ্ন হোৱাতহে আছে। পৰমেশ্বৰ বিশ্বৰ এই ৰহস্য বুজি উঠাৰ সামৰ্থ আছে। তেতিয়া আনৰ অধিকাৰক সন্মান প্ৰদান কৰাৰ বাবে আমি যোগ্য হৈ উঠিম।

শেষত আপোনালোক সকলো ইয়ালৈ অহাৰ বাবে আৰু মোৰ কথা শুনাৰ বাবে পুনৰ আপোনালোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আপোনালোক সকলোলৈকে বহুত বহুত ধন্যবাদ।





# ISLAM'S TEACHINGS OF LOYALTY AND LOVE FOR ONE'S NATION

MILITARY HEADQUARTERS
KOBLENZ, GERMANY, 2012





Brigadier General Alois Bach of
the German Federal Army
with Ḥaḍrat Khalīfatul-Masīḥ V[aba]




Ḥaḍrat Khalīfatul-Masīḥ V[aba] addressing
the German Federal Army





1.



2.



3.



4.

1. Colonel Ulrich, 2. Brigadier General Bach, 3. Colonel Trautvetter, and 4. Colonel I.G. Janke, meeting Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba]



# দেশভক্তি তথা দেশপ্ৰেমৰ সম্পৰ্কত ইছলামিক শিক্ষা

বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম

আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহে ওৱা বাৰাকাতুহু

সৰ্বপ্ৰথমতে আপোনালোকক আৰু আপোনালোকৰ মুখ্য কাৰ্যালয়লৈ আমন্ত্ৰণ কৰি দুটা শব্দ কোৱাৰ সুবিধা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ। আহমদীয়া মুছলিম জামাতৰ মুখ্য হোৱাৰ বাবে আপোনালোকৰ সন্মুখত ইছলামিক শিক্ষাৰ সম্পৰ্কত কিছু ক'ব বিচাৰিছোঁ। কিন্তু এয়া এক বৃহৎ বিষয় এখন সভা বা অলপ সময়ত ইয়াৰ সম্পৰ্কত সকলো কথা কোৱাটো সম্ভৱ নহ'ব। সেয়ে, অনুভৱ কৰিছোঁ ইছলামিক শিক্ষাৰ এক ৰেঙনি প্ৰদানৰ মাজতে ইয়াক সীমাৱদ্ধ কৰা হওঁক।

এই বিষয় পৰ্যালোচনা কৰাৰ ক্ষেত্ৰত মই ইছলামৰ কোনটো পক্ষৰ বিষয়ে আপোনালোকৰ সন্মুখত আলোচনা কৰিব লাগে তাক স্পষ্ট কৰাৰ বাবে জামাত আহমদীয়া জাৰ্মানীক ৰাষ্ট্ৰীয় আমিৰ আদৰণীয় আব্দুল্লাহ বাগছহাউজৰক অনুৰোধ কৰিলোঁ আৰু তেওঁ মোক ক'লে যে দেশপ্ৰেম আৰু দেশ ভক্তিৰ সম্পৰ্কত ইছলামিক শিক্ষাৰ ওপৰত আলোকপাত কৰিব লাগে। এই অভিমতে মোক নিৰ্ণয় লোৱাত সহায় কৰিলে। সেয়ে এতিয়া মই সংক্ষিপ্ত ভাবে এই সন্দৰ্ভত আপোনালোকৰ সন্মুখত ইছলামিক শিক্ষাৰ বিষয়ে আলোকপাত কৰোঁ।

নিজৰ দেশৰ প্ৰতি প্ৰেম আৰু বিশ্বাস ভাজনতা শব্দ শুনিবলৈ মাত্ৰ সৰল, কিন্তু বাস্তৱত এই শব্দৰ মাজত এনে অৰ্থ অন্তৰ্নিৰ্হিত হৈ আছে যিটো অতি ব্যাপক আৰু গভীৰ। অৰ্থোদ্ধাৰ কৰাৰ পৰিধি আৰু শব্দক বুজাবলৈ প্ৰকৃত অৰ্থ কি হ'ব পাৰে, ইয়াৰ মাজত থকা ভাৱ কি এক কঠিন কাৰ্য। যিকি নহওঁক যিখিনি সময় মোক প্ৰদান কৰা হৈছে সেই সময়খিনিতে দেশপ্ৰেম-দেশভক্তিৰ সম্পৰ্কত ইছলামিক বিচাৰধাৰা বৰ্ণনা কৰাৰ যত্ন কৰিম।

সৰ্বপ্ৰথমতে ইছলামৰ মূল সিদ্ধান্ত এয়া যে এজন ব্যক্তিৰ শব্দ আৰু কৰ্মই কোনো ধৰণৰ ভিন্নতা বা বিৰোধভাৰ কদাপি আনিব নালাগে। প্ৰকৃততে বিশ্বাসভাজনতাই এক এনে সম্পৰ্কৰ দাবী কৰে যিটো নিৰ্মলতা আৰু সত্যৰ

ওপৰত আধাৰিত। এই বিষয়ে প্ৰতিফলিত কৰে বাহ্যিক ভাবে এজন ব্যক্তিয়ে যি প্ৰকাশ কৰে সেয়া তেওঁৰ আভ্যন্তৰীণ ক্ষেত্ৰতো হ'ব লাগে। ৰাষ্ট্ৰীয়তাৰ ক্ষেত্ৰত এনে সিদ্ধান্তৰ বহুত গুৰুত্ব আছে। সেয়ে যিকোনো দেশৰ নাগৰিকৰ বাবে অতি আৱশ্যক তেওঁ নিজৰ দেশৰ বাবে বিশ্বাসৰ সম্বন্ধ স্থাপন কৰক। এই কথাৰ কোনো গুৰুত্ব নাই তেওঁ জন্মসূত্ৰে নাগৰিক নে জন্মৰ পিছত নাগৰিকতা লাভ বা প্ৰবাসী হিচাপে থাকি নাগৰিকতা লাভ কৰিছে বা আন উপায়েৰে।

বিশ্বাসভাজনতা এক উচ্চ পৰ্যায়ৰ বিশেষত্ব আৰু সেইসকল লোক যি এই বিশেষত্বক উচ্চ স্তৰীয়ত উপনীত কৰে তেও খোদা বা পয়গম্বৰ। খোদাৰ প্ৰতি সেইজনৰ প্ৰেম আৰু সম্পৰ্ক ইমান দৃঢ় যে প্ৰতিটো পৰিস্থিতিত তেওঁৰ আদৰ্শক লাগে যিকোনো প্ৰকাৰে বাহাল ৰাখি তাক পূৰ্ণ পৰ্যায়ত প্ৰয়োগ কৰাৰ প্ৰয়াস কৰে । এয়া তেওঁৰ খোদাৰ লগত কৰা প্ৰতিজ্ঞা তথা তেওঁৰ উচ্চ পৰ্যায়ৰ বিশ্বাসভাজনতা প্ৰকাশ কৰে। সেয়ে, বিশ্বাসভাজনতাৰ এই মানদণ্ডক আমি আদৰ্শ হিচাপে গ্ৰহণ কৰিব লাগে। আগবঢ়াৰ আগতে বুজি উঠাতো আৱশ্যক যে বিশ্বাসভাজনতাৰ প্ৰকৃত অৰ্থ কি?

ইছলামিক শিক্ষা অনুসৰি বিশ্বাসভাজনতাৰ পৰিভাষা তথা ইয়াৰ প্ৰকৃত অৰ্থ কোনো সন্দেহ নথকাকৈ সকলো স্তৰত, সকলো পৰিস্থিতিত জটিলতাৰ মাজতো দৃষ্টিহৰণ কৰিব লাগে যিমানে জটিলতাৰে পূৰ্ণ অৱস্থা নহওঁক তাৰ সন্মুখীন হৈ প্ৰতিজ্ঞাক পূৰণ কৰা। ইছলামে এই বাস্তৱিক বিশ্বাসভাজনতাক আহ্বান কৰে। পৱিত্ৰ কোৰাণত বিভিন্ন স্থানত ইছলামক আদেশ প্ৰদান কৰিছে যে নিজৰ শপত আৰু প্ৰতিজ্ঞাক অৱশ্যে পূৰণ কৰিব লাগে, কিয়নো তেওঁ সমস্ত প্ৰতিজ্ঞাৰ প্ৰতি যি কৰিছে খোদাৰ সমকক্ষত উত্তৰদায়ী হ'ব। মুছলমানক এই নিদেৰ্শ দিয়া হৈছে যে খোদা আৰু তেওঁৰ সৃষ্টিৰ প্ৰতি কৰা সমগ্ৰ প্ৰতিজ্ঞাক তেওঁৰ মহত্ব আৰু প্ৰাথমিকতা অনুসৰি পূৰণ কৰক।

বিশ্বস্ততা এটা মহান গুণ। যি এই সৰ্বোচ্চ গুণক সৰ্বোত্তম মৰ্যাদা প্ৰদান কৰিছিল তেওঁলোক হ'ল আল্লাৰ নবীগণ। খোদাৰ প্ৰতি তেওঁলোকৰ ভালপোৱা বা বন্ধন ইমান দৃঢ়া আছিল যে যি নঘটকযিকোনো মূল্যতে তেওঁৰ আদেশক সন্মুখত ৰাখি তাক পূৰণ কৰাৰ ক্ষেত্ৰত কেতিয়াও পিছপৰা নাছিল।

এয়াই খোদাৰ প্ৰতি বিশ্বস্ততা নিখুঁত মানৱ পৰিচয় বহন কৰে। সেয়ে নবীসকলৰ বিশ্বস্ততাক আমি আমাৰ দৃষ্টান্ত তথা আদৰ্শ হিচাপে গ্ৰহণ কৰা উচিত। যিকিনহওঁক সন্মুখলৈ আগবঢ়া পূৰ্বে বিশ্বস্ততাৰ প্ৰকৃত অৰ্থ বুজি লোৱাটো প্ৰয়োজন।

ইছলামিক শিক্ষানুসৰি 'বিশ্বস্ততা' সংজ্ঞাৰ প্ৰকৃত অৰ্থ হৈছে সকলো স্তৰত সকলো অৱস্থাত যিমানেই কষ্ট নহওঁক নিজস্ব অংগীকাৰ আৰু চুক্তিসমূহৰ মৰ্যাদাক প্ৰথমে পূৰ্ণ কৰা। বিশ্বস্ততাৰ এই সত্যতাক ইছলামে দাবী কৰে। পৱিত্ৰ কোৰাণৰ বিভিন্ন স্থানত আল্লাহ তালাই মুছলমানসকলক এই অংগীকাৰ তথা চুক্তিপূৰণৰ নিৰ্দেশ প্ৰদান কৰিছে। কিয়নো তেওঁলোকে প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ বাবে তেওঁলোক জবাবদিহি হ'ব। মুছলমানসকলক তেওঁলোকৰ সকলো অংগীকাৰ পূৰণৰ নিৰ্দেশ দিয়া হৈছে যাতে নিজ নিজ গুৰুত্ব অনুসৰি অন্তৰ্ভুক্ত হৈ পৰিছে সৰ্বশক্তিমান আল্লাহ তালাৰ সৈতে কৃত অংগীকাৰসমূহ তথা আন সকলো অংগীকাৰৰ মাজত তেওঁলোক আৱদ্ধ।

এই প্ৰসংগত মানুহৰ মনত এটা প্ৰশ্ন জাগ্ৰত হ'ব পাৰে যে ইছলামে দাবী কৰে পৰমেশ্বৰ আৰু ধৰ্মতেওঁলোকৰ বাবে অতি গুৰুত্বপূৰ্ণ, যাৰ পৰা স্পষ্ট হৈ পৰে পৰমেশ্বৰৰ প্ৰতি তেওঁলোকৰ অগাধ বিশ্বাসক প্ৰথমতে প্ৰাথমিকতা প্ৰদান কৰে আৰু পৰমেশ্বৰৰ প্ৰতি নিজস্ব অংগীকাৰক অধিক গুৰুত্ব প্ৰদান কৰে। লগতে এই অংগীকাৰক পূৰণ কৰাৰ চেষ্টা কৰে। ফলত এই আস্থা প্ৰকাশ ঘটে যে মুছলমানে নিজৰ দেশৰ প্ৰতি বিশ্বাসভাজন তথা নিজৰ দেশৰ আইনক পালন কৰাৰ প্ৰতিজ্ঞাক তেওঁলোকৰ ওচৰত সিমান এক প্ৰাথমিকতা লাভ নকৰে। অৰ্থাৎ এনেদৰে বিশেষ ক্ষণত নিজৰ দেশৰ প্ৰতি সৰ্বত্যাগ কৰিবলৈ প্ৰস্তুত হৈ পৰিব।

এই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে মই আপোনালোকক ক'ব বিচাৰিম যে হজৰত মোহাম্মদ ছল্লাল্লাহু আলাহি চ্ছালামে এই শিক্ষা দিছে নিজৰ দেশৰ প্ৰতি ভালপোৱা ইমানৰ এটা অংশ। সেয়ে আন্তৰিক দেশ প্ৰেম ইছলামৰ এটি আৱশ্যকীয়তা। আল্লাহ আৰু ইছলামক সঁচাকৈ ভালপাব বিচাৰিলে এজন ব্যক্তিৰ নিজৰ দেশৰ প্ৰতিও ভালপোৱাৰ প্ৰয়োজন। এটা কথা স্পষ্ট যে কোনো ব্যক্তি আল্লাহৰ প্ৰতি ভালপোৱা আৰু দেশৰ প্ৰতি ভালপোৱাৰ মাজত স্বাৰ্থৰ কোনো দ্বন্দ্ব থাকিব নোৱাৰে। যিহেতু দেশৰ প্ৰতি ভালপোৱা ইছলামৰ এক অংশ কৰি

লোৱা হৈছে, সেয়ে সু-স্পষ্ট যে এজন মুছলমানে নিৰ্বাচন কৰিলোৱা দেশৰ প্ৰতি আনুগত্যতাৰ সৰ্বোচ্চ মান অৰ্জনৰ প্ৰাণেপণে চেষ্টা কৰা উচিত কাৰণ খোদাৰ ওচৰলৈ যোৱা বা তেওঁৰ অতি কাষ চপাৰ এয়া এক মাধ্যম। সেয়ে এয়া অসম্ভৱ এজন মুছলমানৰ খোদাৰ প্ৰতি ভালপোৱাই দেশৰ প্ৰতি ভালপোৱা বা বিশ্বস্ততা হোৱাৰ ক্ষেত্ৰত কেতিয়াবা বাধা বা প্ৰতিবন্ধকতা আহিব পাৰে। দুৰ্ভাগ্যবশতঃ বিশ্বৰ কিছুমান দেশত দেখা পোৱা যায় যে তাত ধৰ্মীয় অধিকাৰ ক্ষুন্ন কৰা হৈছে, আননালাগে সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা হৈছে। সেয়ে আন এটা প্ৰশ্ন জাগ্ৰত হ'ব পাৰে যে যিসকল লোক ৰাষ্ট্ৰৰ অত্যাচাৰ বা নিৰ্যাতনৰ দ্বাৰা জৰ্জৰিত সেইসকল লোকে তাৰ পিছতো দেশৰ প্ৰতি ভালপোৱা, আনুগত্যতা বজাই ৰাখিব পাৰে নে ? অতি দুখেৰে মই আপোনালোকক অৱগত কৰিব বিচাৰো যে পাকিস্তানত এনে এক অৱস্থাই বিৰাজ কৰিছে যে চৰকাৰে আমাৰ সম্প্ৰদায়ৰ বিৰুদ্ধে আইন প্ৰণয়ণ কৰিছে। আহমদী বিৰোধী আইন তাত কাৰ্যকৰী ভাবে আৰোপিত। এনেদৰে পাকিস্তানত সকলো আহমদী মুছলমানক চৰকাৰী আইনৰ যোগে 'অমুছলমান' বুলি ঘোষণা কৰা হৈছে। সেই কাৰণে তাত আমি নিজকে মুছলমান বুলি দাবী কৰাটো নিষিদ্ধ। তদুপৰি পাকিস্তানত আহমদী মুছলমান সকলে মুছলমানৰ দৰে উপাসনা কৰাটো নিষিদ্ধ। এইদৰে আহমদীসকলক মুছলমান কোৱাৰ পৰা বঞ্চিত কৰি ৰাখিছে। এনেদৰে পাকিস্তান ৰাষ্ট্ৰই আমাক তথা আমাৰ সম্প্ৰদায়ৰ সদস্যসকলক উপাসনা কৰাৰ মৌলিক মানৱাধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে।

এই পৰিস্থিতিত প্ৰশ্ন উত্থাপন হোৱাতো স্বাভাবিক যে আহমদীয়া মুছলমানসকলে দেশৰ এই অৱস্থাত কেনেদৰে দেশৰ আইন অনুসৰণ কৰে? তেওঁলোকে দেশৰ প্ৰতি বিশ্বস্ততা কিদৰে প্ৰকাশ কৰিব পাৰে? ইয়াত আমি স্পষ্ট কৰা উচিত য'ত এনেকুৱা ধৰণৰ চৰম পৰিস্থিতি বিৰাজমান তাত আইন আৰু দেশৰ প্ৰতি বিশ্বাসভাজনতা দুটা বেলেগ বেলেগ বিষয় হিচাপে দেখা দিয়ে। আমাৰ আহমদী মুছলমানসকলৰ বিশ্বাস যে ধৰ্ম প্ৰতিজন ব্যক্তিৰে ধৰ্ম এক ব্যক্তিগত বিষয় যিটো প্ৰত্যেক নিজৰ বাবে নিৰ্ধাৰণ কৰে, ধৰ্মৰ ক্ষেত্ৰত কোনো ধৰণৰ বল প্ৰয়োগ হ'ব নালাগে। সেয়ে আইনে যেতিয়া এই অধিকাৰ হস্তক্ষেপ কৰিবলৈ আহে ইয়াত কোনো সন্দেহ নাই যে এয়া বৃহৎ অত্যাচাৰ

আৰু অন্যায়ৰ কাম। বাস্তৱত এনেধৰণৰ ৰাষ্ট্ৰৰ অনুমোদিত নিৰ্যাতন বিভিন্ন সময়ত বিভিন্ন যুগত সংঘটিত হৈ আহিছে আৰু গৰিষ্ঠ সংখ্যক লোকৰ দ্বাৰা এয়া নিন্দিত হৈছে।

আমি যদি ইউৰোপৰ ইতিহাসৰ ফালে দৃষ্টি নিক্ষেপ কৰো তেন্তে দেখো এই মহাদেশতো লোক ধৰ্মীয় নিৰ্যাতনৰ সন্মুখীন হৈছে। ফলস্বৰূপে সহস্ৰ লোক এইদেশৰ পৰা আনদেশলৈ যাব লগা হৈছে। সকলো নিৰপেক্ষ ঐতিহাসিক, চৰকাৰ আৰু সাধাৰণলোকে ইয়াক নিৰ্যাতনতা অতি নিষ্ঠুৰতা হিচাপে গণ্য কৰিছে। এনে পৰিস্থিতিত ইছলাম সেই কথাৰ সমৰ্থক যে অত্যাচাৰে সকলো সীমা অতিক্ৰম কৰে আৰু অসহনীয় হৈ পৰে তেনে সময়ত এজন ব্যক্তিয়ে সেই চহৰ বা দেশ ত্যাগ কৰি কোনো এনে স্থানলৈ যাব লাগে য'ত তেওঁ শান্তিৰে স্বাধীন ভাবে ধৰ্মপালন কৰিব পাৰে। গতিকে এনে দিক্‌দৰ্শনৰ লগতে ইছলামে ইয়াকো শিক্ষা দিয়ে যে যিকোনো পৰিস্থিতিতে কোনো ব্যক্তিয়ে আইনক নিজৰ হাতত তুলি লোৱাতো উচিত নহয়। নিজৰ দেশৰ বিৰুদ্ধে কোনো কোনো পৰিকল্পনা বা ষড়যন্ত্ৰ কৰিব নালাগে। এয়া এক স্পষ্ট আৰু সন্দেহমুক্ত আদেশ যি ইছলামে দিয়ে।

চৰম নিৰ্যাতনৰ সন্মুখীন হোৱাৰ পিছতো লাখ লাখ আহমদীয়ে পাকিস্তানত বসবাস কৰি আহিছে। তেওঁলোকৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত এনেধৰণৰ চলিত বৈষম্য আৰু নিষ্ঠুৰতাৰ সন্মুখীন হোৱাৰ পিছতো দেশৰ প্ৰতি পূৰ্ণ বিশ্বাসভাজনতা আৰু সঁচা আনুগত্যতাৰ সম্পৰ্ক অটুট ৰাখিছে। য'তেই তেওঁলোকক কৰ্মৰত নহওঁক, য'তেই তেওঁলোক নাথাকক কিয় তেওঁলোক জাতিৰ উন্নতি আৰু সাফল্য অৰ্জনৰ ক্ষেত্ৰত সহায় কৰাৰ চেষ্টাত অবিৰত ভাবে নিয়োজিত। কিছু দেশক ধৰি আহমদীসকলৰ বিৰুদ্ধে এই অভিযোগৰ চেষ্টা কৰা হৈছে যে আহমদীসকল পাকিস্তানৰ প্ৰতি অনুগত নহয়, কিন্তু তেওঁলোকে ইয়াক কেতিয়াও প্ৰমাণ কৰিব পৰা নাই বা ইয়াৰ সপক্ষে কোনো ধৰণৰ তথ্য-প্ৰমাণ দাখিল কৰিব পৰা নাই। বৰঞ্চ, সত্য যে পাকিস্তানৰ বাবে তেওঁলোকে নিজৰ দেশৰ বাবে যেতিয়াই ত্যাগ স্বীকাৰৰ প্ৰয়োজনতা আহিছে তেতিয়াই আহমদী মুছলমানে সকলো সময়তে সন্মুখলৈ ওলাই আহিছে আৰু দেশৰ বাবে সকলো প্ৰকাৰৰ ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত হৈ আছে।

এই আইনৰ দ্বাৰা নিৰ্যাতিত হোৱাৰ পিছতো একমাত্ৰ আহমদী

মুছলমানে আন সকলতকৈ ভালদৰে দেশৰ আইন মানি চলাৰ লগতে অনুসৰণ কৰি আহিছে। ইয়াৰ মূলতে হ'ল তেওঁলোকক সঁচা মুছলমান, সঁচা ইছলামক তেওঁলোকে অনুসৰণ কৰে। বিশ্বাসভাজনতাৰ সম্পৰ্কত পৱিত্ৰ কোৰাণত আন এটা শিক্ষা প্ৰদান কৰা হৈছে- মানুহে সেই বিলাক বস্তুৰ পৰা আঁতৰত থকা উচিত যি অশোভন, অবাঞ্চিত আৰু যিকোনো ধৰণৰ বিদ্ৰোহৰ ৰূপ গ্ৰহণ কৰে। ইছলামৰ এটা সুন্দৰ আৰু স্বতন্ত্ৰ বৈশিষ্ট ইয়াৰ পৰিণতিৰ চূড়ান্ত বিন্দু, য'ত ফলাফল অতি বিপজ্জনক, কেৱল তাত আমাৰ দৃষ্টি আকৰ্ষণ কৰা নহয় আৰু আমাক প্ৰতিটো সৰু বিষয়ৰ প্ৰতিও সৰ্তক কৰি দিয়া হয়, যি প্ৰাথমিক স্তৰ হিচাপে কাম কৰে মানৱ জাতিক বিপদ সংকুল পথত চালিত কৰে। সেয়ে ইছলামৰ নিৰ্দেশসমূহ যথাৰ্থ ভাবে পালন কৰা, অন্যথা যিকোনো বিষয় নিয়ন্ত্ৰণৰ বাহিৰলৈ গতি কৰাৰ আগতেই প্ৰাথমিক পৰ্যায়ত সমাধান সম্ভৱ কৰা।

দৃষ্টান্ত হিচাপে এটা বিষয় যি এখন দেশক ব্যাপক ভাবে ক্ষতি কৰিব পাৰে, সেয়ে হৈছে ব্যক্তিগত পৰ্যায়ত জনসাধাৰণৰ ধন-সম্পত্তি ৰ প্ৰতি লোভ-লালসা। অধিকাংশ লোক এই ভৌতিক ইচ্ছাত মুগ্ধ হৈ পৰে আৰু নিয়ন্ত্ৰণৰ বাহিৰলৈ গতি কৰে আৰু এনেধৰণৰ পৰিণামে অবাধ্য আচৰণৰ পথ পৰিচালিত কৰে। এনেদৰে এই বিষয়বোৰ চূড়ান্ত ভাবে দেশদ্ৰোহিতাৰ বা দেশৰ বিশ্বাস ঘাতকতাৰ কাৰণ হৈ পৰিব পাৰে। ইয়াৰ কিছু দিশত প্ৰতিফলিত কৰাৰ বাবে মই ব্যাখা কৰিব বিচাৰো। আৰবীত এইসকল লোকৰ বৰ্ণনা দিয়াৰ বাবে 'বাগা' শব্দৰ ব্যৱহাৰ কৰা হৈছে যি দেশৰ বাবে ক্ষতিৰ কাৰণ হৈ পৰে। যি বেয়া কামত সহযোগ কৰে বা আনৰ ক্ষতি কৰে। ইয়াত সেইসকলো জড়িত হৈ পৰে যি জালিয়াতি কৰে বা অবৈধ বা অন্যায় ভাবে কিছু অৰ্জনৰ চেষ্টা কৰে। সেইসকল লোকৰো চৰিতাৰ্থ কৰা হৈছে যি সমস্ত পৰিসীমা অতিক্ৰম কৰিছে আৰু ক্ষতি কৰে। ইছলামে এই শিক্ষা দিয়ে যিলোকে এনে কাৰ্য কৰে তাৰ পৰা বিশ্বস্ততাৰ আশা কৰিব নোৱাৰি, কিয়নো বিশ্বস্ততাৰ উচ্চ নৈতিক মূল্যৰ লগত সম্পৰ্ক আছে আৰু উচ্চ নৈতিক মূল্যৰ অবিহনে বিশ্বস্ততাৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। যদিও এয়াও সত্য যে উচ্চ নৈতিক মানসম্পৰ্কত বিভিন্ন জনৰ বিভিন্ন দৃষ্টিভংগী দেখা যায়, কিন্তু ইছলাম ধৰ্মত আল্লাহ তালাৰ সন্তুষ্টি অৰ্জনক কেন্দ্ৰ কৰি আবৰ্তন কৰে। সেয়ে

# দেশ ভক্তি তথা দেশ প্ৰেমৰ.....

মুছলমানসকলক নিৰ্দেশ দিয়া হৈছে সকলো সময়তে এনে কাম কৰা যি আল্লাহক সন্তুষ্টি প্ৰদান কৰে। সংক্ষেপত ইছলামিক শিক্ষা অনুসৰি সৰ্বশক্তিমান খোদাই সকলো প্ৰকাৰৰ বিশ্বাস ঘাতকতা বা বিদ্ৰোহক নিষেধ কৰিছে, সেয়া নিজৰ দেশৰ বিৰুদ্ধে হওঁক বা চৰকাৰ বিৰুদ্ধে হওঁক। ইয়াৰ কাৰণ হৈছে বিদ্ৰোহ বা ৰাষ্ট্ৰৰ বিৰুদ্ধে কাম কৰাটো জাতিৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি স্বৰূপ। প্ৰকৃতপক্ষে য'ত আভ্যন্তৰীণ বিদ্ৰোহ বা বিৰোধিতা হয়,তাত সেইবোৰে আন্তঃৰাষ্ট্ৰীয় শত্ৰুতাৰ অগণিক উৎসাহ দিয়ে আৰু বহিৰাগত সকলক আভ্যন্তৰীণ বিশৃখলাৰ সুবিধা লোৱাত উৎসাহিত কৰে। গতিকে, নিজৰ জাতিৰ প্ৰতি বিশ্বাসঘাতকতাৰ ফলাফল বহুদূৰ প্ৰসাৰিত আৰু মাৰাত্মক হ'ব পাৰে। এনেদৰে যিবোৰ জাতিৰ বাবে ক্ষতিৰ কাৰণ হ'ব পাৰে সেয়া সেই 'বাগা' শব্দটোৰ ভিতৰত যিটো ইতিমধ্যে মই ব্যাখা কৰিছোঁ। এই সকলোবিলাক দিশ মনত ৰাখি নিজৰ জাতিৰ বাবে আনুগত্যতাৰ বাবে এজনৰ ধৈৰ্য্য প্ৰদৰ্শনৰ, নৈতিকতাৰ প্ৰদৰ্শন আৰু দেশৰ আইন অনুসৰণৰ প্ৰয়োজন।

সাধাৰণভাবে ক'বলৈ গ'লে আধুনিক যুগত অধিকাংশ চৰকাৰ গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত। সেই কাৰণে কোনো ব্যক্তি বা দলে চৰকাৰৰ পৰিবৰ্তনৰ ইচ্ছা কৰে, তেন্তে প্ৰকৃত গণতান্ত্ৰিক পদ্ধতি অৱলম্বন কৰিব লাগে। নিজা কণ্ঠ বেলট বাকচত ভোট দিয়াৰ মাধ্যমেৰে শুনাব লাগে। ব্যক্তিগত পছন্দ বা ব্যক্তিগত স্বাৰ্থৰ ভিত্তিত ভোট দিয়াটো উচিত নহয়। সেয়ে প্ৰকৃত ইছলামে শিক্ষা দিয়ে যে দেশৰ প্ৰতি বিশ্বাসভাজনতা আৰু ভালপোৱাৰ প্ৰেৰণাৰে নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰা উচিত। জাতিৰ উন্নয়নৰ কথা মনত ৰাখি ভোট দিয়া উচিত। সেয়ে কোনো ব্যক্তিয়ে নিজৰ ব্যক্তিগত প্ৰাথমিকতাক গুৰুত্ব দিব নালাগে আৰু ইয়াকো লক্ষ্য কৰিব নালাগে কোনো প্ৰত্যাশী বা দলৰ পৰা তেওঁ ব্যক্তিগত লাভ অৰ্জন কৰিব পাৰে। এজন ব্যক্তিয়ে ভাৰসাম্যপূৰ্ণভাবে নিজৰ সিদ্ধান্ত লোৱা উচিত য'ত ইয়াক মূল্যায়ণ কৰা হয় কোনো প্ৰাৰ্থী বা দলৰ উন্নয়নে জাতিৰ সহায়ক হ'ব। চৰকাৰৰ চাবি-কাঠি এটা ডাঙৰ দায়িত্ব আৰু ইয়াক সেয়ে সেই দলৰ হাতত তুলি দিয়া উচিত যাক ভোটাৰে সঁচাকৈ সত্যতাৰে অধিক উপযোগী আৰু যোগ্য বুলি জ্ঞান কৰে। এয়াই প্ৰকৃত ইছলাম আৰু প্ৰকৃত বিশ্বস্ততা।

# বিশ্ব সংকট তথা শান্তিৰ পথ

পৱিত্ৰ কোৰাণৰ চুৰা ৪ আয়াত ৫৯ ত আল্লাহ তালাই নিৰ্দেশ দিছে বাস্তৱিকতে যিবিলাক দায়িত্ব গ্ৰহণ কৰিবৰ উপযুক্ত সেইবিলাকৰ প্ৰতি তোমালোকে দায়িত্বৰ ভাৰ ন্যস্ত কৰা,আৰু তোমালোকে মানুহৰ মাজত বিচাৰ কৰিব ধৰিলে ন্যায়মতে বিচাৰ কৰিবা,গতিকে নিজৰ দেশৰ সেইসকলক দায়িত্বৰ ভাৰ অৰ্পন কৰা উচিত যি সঁচাকৈয়ে তাৰ যোগ্য যাতে সিহঁতৰ দেশ উন্নতি কৰিব পাৰে আৰু বিশ্বৰ অন্য দেশৰ তুলনাত সকলোতকৈ বেছি আগবাঢ়িব পাৰে।

বিশ্বৰ বিভিন্ন প্ৰান্তত আমি দেখিবলৈ পাইছো যে চৰকাৰী নীতি বিৰুদ্ধে সৰ্বসাধাৰণ নাগৰিকে ধৰ্মঘট আৰু প্ৰতিবাদত অংশ গ্ৰহণ কৰে। তদুপৰি তৃতীয় বিশ্বৰ কিছুমান দেশত প্ৰতিবাদকাৰীসকলে ৰাষ্ট্ৰৰ বা বেচৰকাৰী জনগণৰ সা-সম্পত্তি আৰু সম্পদৰ লুটপাত বা ক্ষতি সাধন কৰে। যদিও তেওঁলোকে দাবী কৰে এনেধৰণৰ ক্ষতি সাধন দেশৰ প্ৰতি থকা ভালপোৱাৰ কাৰণে কৰিছে, কিন্তু সঁচা অৰ্থত এনেধৰণৰ কাৰ্যত দেশৰ প্ৰতি আনুগত্য বা দেশপ্ৰেমৰ কোনো সম্পৰ্ক নাই। এইটো কথা মনত ৰখা উচিত এনেধৰণৰ ধৰ্মঘট বা প্ৰতিবাদে কোনো প্ৰকাৰ অপৰাধমূলক ধ্বংসযজ্ঞ বা হিংসাৰ সলনি শান্তিপূৰ্ণ ভাবে পৰিচালিত হয়, তাৰ পিছতো এক গুৰুত্বপূৰ্ণ নেতিবাচক প্ৰভাৱ থাকিব পাৰে। কিয়নো প্ৰতিবাদ শান্তিপূৰ্ণ হলেও জাতিৰ অৰ্থনীতিত ইয়াৰ বাবে লাখ লাখ টকাৰ ক্ষতি হ'ব পাৰে। কোনো অৱস্থাতেই এনেধৰণৰ আচৰণ জাতিৰ বিশ্বস্ততাৰ দৃষ্টান্ত হিচাপে বিবেচনা কৰিব পৰা নাযায়। এটা সুবৰ্ণ নীতি যিটো আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাপকে আমাক শিকাইছিল সেয়া হ'ল সকলো সময়তে আল্লাহ তালা, নবীগণ আৰু আমাৰ দেশৰ শাসকৰ প্ৰতি আনুগত্য থকাটো উচিত। এই একে শিক্ষা পৱিত্ৰ কোৰাণতো দিয়া হৈছে। সেয়ে এনে ধৰ্মঘট বা প্ৰতিবাদ কৰা উচিত যাক দেশৰ চৰকাৰে অনুমতি দিয়ে আৰু জাতিৰ অৰ্থনীতিত কোনো ক্ষয়-ক্ষতি নহয়।

আন এটা প্ৰশ্ন প্ৰায় জাগ্ৰত হোৱা দেখা যায়—মুছলমানসকলে পশ্চিমাদেশসমূহৰ সামৰিক বাহিনীত যোগ দিব পাৰে নে, যদি যোগ দিয়াৰ অনুমতি প্ৰদান কৰা হয় তেওঁলোকে মুছলমান দেশৰ ওপৰত হোৱা সামৰিক আক্ৰমণত অংশ কৰিব পাৰিব নে? ইছলামৰ এটা অন্তৰ্নিহিত নীতি হৈছে কোনো ব্যক্তিৰ নিষ্ঠুৰ কামত সহায় কৰা উচিত নহয়। এই গুৰুত্বপূৰ্ণ নিৰ্দেশ

# দেশ ভক্তি তথা দেশ প্ৰেমৰ.....

যিকোনো মুছলমানৰ চিন্তাৰ সন্মুখত থকা উচিত। যেতিয়া এখন মুছলমান দেশ এই কাৰণে আক্ৰান্ত হৈছে যে দেশখনে নিজেই নিষ্ঠুৰতা আৰু অন্যায় পথত পৰিচালিত হৈছে আৰু প্ৰথমতে আগ্ৰাসী হৈছিল, তেতিয়া এনে পৰিস্থিতি কোৰাণে মুছলমান চৰকাৰবোৰক নিৰ্দেশ কৰিছে নিজৰ অত্যাচাৰী হাত থমাই অনাটো উচিত। ইয়াৰ অৰ্থ তেওঁলোকৰ নিষ্ঠুৰতা বন্ধ কৰা উচিত আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা উচিত। সেয়ে এনে ধৰণৰ পৰিস্থিতিত নিষ্ঠুৰতাৰ অৱসান ঘটোৱাৰ বাবে পদক্ষেপ গ্ৰহণৰ অনুমতি প্ৰদানৰ যোগ্য। গতিকে সেই সীমা উলংঘা কৰা জাতিয়ে যেতিয়া নিজকে শুধৰণি কৰে আৰু শান্তিৰ পথ নিৰ্বাচন কৰে, তেন্তে প্ৰতাৰণা বা মিছা অজুহাতত সেই দেশে বা তাৰ জনগণই অন্যায়ৰ সুবিধা গ্ৰহণ কৰা উচিত নহয় বা তেওঁলোকক অধীন কৰি থোৱা উচিত নহয়। বৰঞ্চ তেওঁলোকক পুনৰ নিজা স্বাভাৱিক ৰাষ্ট্ৰীয় মুক্তি আৰু স্বাধীনতা উভতাই দিয়া উচিত। সেয়ে কোনো বাঞ্চিত স্বাৰ্থপূৰণ নকৰি শান্তি প্ৰতিষ্ঠা কৰাটো সামৰিক অভিযানৰ লক্ষ্য হোৱা উচিত। এনেদৰে ইছলামে মুছলমান বা অমুছলমানসকলক দেশত নিষ্ঠুৰতা আৰু অত্যাচাৰ বন্ধ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। সেয়ে, প্ৰয়োজন হ'লে কোনো অমুছলমান দেশে বৈধ উদ্দেশ্যৰে মুছলমান দেশক আক্ৰমণ কৰিব পাৰে। যিসকল অমুছলমান দেশৰ মুছলমান সেই দেশৰ সৈন্য বাহিনীত যোগ দিব পাৰে আৰু আনদেশক নিষ্ঠুৰতাৰ পৰা প্ৰতিহত কৰিব পাৰে। য'ত এনে পৰিস্থিতি সঁচা অৰ্থত বিদ্যমান তেতিয়া মুছলমান সৈনিকসকল যিকোনো পশ্চিমীয়া সৈন্য বাহিনীৰ অংশই নহওঁক কিয়, তেওঁলোকৰ আদেশ পালন কৰা উচিত আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে যদি প্ৰয়োজন আহি পৰে যুদ্ধ কৰা উচিত। তথাপি যদি কোনো সৈন্য বাহিনীয়ে অন্যায় ভাবে কোনো জাতিক আক্ৰমণৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তেনেভাবে অত্যাচাৰী হৈ পৰে তেতিয়া এজন মুছলমানৰ সৈন্য ত্যাগ কৰিযোৱাৰ অধিকাৰ আছে নহ'লে কাৰণ ইয়াৰ অন্যথা তেওঁ নিষ্ঠুৰতাৰ সহায়কাৰী হৈ পৰিব। এই সিদ্ধান্ত গ্ৰহণ কৰাৰ অৰ্থ এয়া নহয় যে তেওঁ দেশৰ অবাধ্য হৈ পৰিছে। প্ৰকৃততে এনে পৰিস্থিতিত দেশৰ প্ৰতি তেওঁৰ বিশ্বস্ততাই দাবী কৰে যে এই ধৰণৰ পদক্ষেপ নহয় আৰু নিজৰ চৰকাৰক পৰামৰ্শ প্ৰদান কৰে যেন অন্যায়ে চৰকাৰ আৰু জাতিত যিসকলে নিষ্ঠুৰতাৰে কাম কৰিছে তেওঁলোকে ন্যায় অধঃপতিত

হোৱাৰ পৰা নিজকে ৰক্ষা কৰক। তথাপি যদি সৈন্যবাহিনীত যোগাদান বাধ্যতামূলক আৰু এৰি যোৱাৰ কোনো পথ নাথাকে, নিজা বিবেকেও প্ৰশ্ৰয় নিদিয়ে তেন্তে সেই মুছলমানে দেশ ত্যাগ কৰা উচিত। কিন্তু দেশৰ সেই আইনৰ বিৰুদ্ধে কোনো ধৰণৰ মাত মতাৰ কোনো অনুমতি নাই। তেওঁ দেশ ত্যাগ কৰা উচিত কাৰণ এজন মুছলমান এখন দেশৰ নাগৰিক হিচাপে বাস কৰিব নোৱাৰে যেতিয়া তেওঁ সেই দেশৰ বিৰুদ্ধে যায় বা প্ৰতিপক্ষৰ লগত হাত মিলায়।

সেয়ে এইবিলাক হৈছে মাথো ইছলামিক শিক্ষাৰ কিছু দিশ, যি প্ৰকৃত মুছলমানক নিজৰ দেশৰ বাবে আনুগত্য আৰু দেশপ্ৰেমৰ প্ৰকৃত দাবী পূৰণৰ ক্ষেত্ৰত পৰিচালিত কৰে। যিমানখিনি সময় আছিল এই বিষয়ৰ ওপৰত সংক্ষেপত মই কিছু কথা ক'ব পাৰিছো মাথোন।

পৰিশেষত ক'ব বিচাৰো যে সম্প্ৰতি সমগ্ৰ পৃথিৱী এক বিশ্বপল্লীলৈ পৰিণত হৈছে। মানৱ জাতি এজনে আনজনৰ লগত অতি ঘনিষ্ঠ ভাবে সংঘৱদ্ধ হৈ আছে। সকলো দেশত সকলো জাতি, ধৰ্ম, সংস্কৃতিৰ লোক পোৱা যায়। সেইবাবে সকলো দেশৰ নেতৃবৃন্দই সকলো মানুহৰ অনুভূতি ভাবাবেগক বিবেচনা কৰা আৰু শ্ৰদ্ধা কৰা উচিত। নেতৃবৰ্গ আৰু চৰকাৰে মানুহৰ মাজত মনোকষ্ট আৰু অস্থিৰতা সৃষ্টি কৰা আইন প্ৰস্তুত কৰিব নালাগে, এনে আইন প্ৰণয়ন কৰিবলৈ চেষ্টা কৰিব লাগে যি সত্য, ন্যায়বিচাৰৰ এক পৰিৱেশ আৰু প্ৰেৰণা যোগায়। অবিচাৰ আৰু নিষ্ঠুৰতাক নিৰ্মূল কৰা উচিত আৰু ইয়াৰ স্থানত সত্য ন্যায়বিচাৰৰ বাবে আমি প্ৰাণে-পণে চেষ্টা কৰা উচিত। এই উদ্দেশ্য সাধনৰ বাবে সৰ্বোত্তম উপায় হৈছে সমগ্ৰ বিশ্বই যদি ইয়াৰ সৃষ্টিকৰ্তাক চিনি পায়। সকলো প্ৰকাৰ বিশ্বস্ততাক খোদা তালাৰ প্ৰতি বিশ্বস্ততাৰ লগত সম্পৰ্কযুক্ত কৰা উচিত। যদি এনেধৰণৰ হয় আমি নিজৰ চকুৰে দেখা পাম যে সকলো দেশৰ জনগণৰ দ্বাৰা উচ্চমানৰ আনুগত্য প্ৰতিষ্ঠা হ'ব আৰু সমগ্ৰ বিশ্বত আমি শান্তি আৰু নিৰাপত্তাৰ দিশে পৰিচালনকাৰী নতুন পথৰ উন্মোচন কৰিব পাৰিম। মোৰ ভাষণ শেষ কৰাৰ আগতে এই সুযোগতে আপোনালোকক পুনৰ ধন্যবাদ জ্ঞাপন কৰো আজি মোক আমন্ত্ৰণ জনোৱাৰ বাবে আৰু মোৰ কথা শুনাৰ বাবে। আল্লাই আপোনালোক সকলোৰে কল্যাণ কৰক, জাৰ্মানীৰ কল্যাণ কৰক।


আপোনালোকক অলেখ ধন্যবাদ



# THE DEVASTATING CONSEQUENCES OF A NUCLEAR WAR AND THE CRITICAL NEED FOR ABSOLUTE JUSTICE

9TH ANNUAL PEACE SYMPOSIUM
LONDON, UNITED KINGDOM, 2012






Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] addressing the 9th Annual Peace Symposium




Mayor of London Boris Johnson presenting His Holiness with a London bus souvenir



Dame Mary Richardson DBE, UK President of SOS Children's Villages, accepting the 'Ahmadiyya Muslim Prize for the Advancement of Peace' from His Holiness





Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba]
talking to the overseas Pakistani press regarding world affairs



## পটভূমি

**২৪ মাৰ্চ ২০১২** বৰ্ষত আহমদীয়া মুছলিম জামাতৰ দ্বাৰা যুক্তৰাজ্যৰ পশ্চিম ইউৰোপৰ বৃহৎ মছজিদ মৰ্ডনৰ বাইতুল ফুতুত আয়োজন কৰা 'শান্তি সন্মিলন' (পিছ অৰ ছিম্পোজিয়াম)ত মন্ত্ৰী, ৰাষ্ট্ৰদূত, উভয় সংসদৰ সদস্য, লণ্ডনৰ মেয়ৰ, বিশিষ্ট ব্যক্তিসকল, ব্যৱসায়ী, প্ৰতিবেশী, সকলোবৰ্গৰ নাগৰিক, অতিথি, শত-সহস্ৰ দৰ্শক-শ্ৰোতাই অংশ গ্ৰহণ কৰিছিল। আলোচনাৰ বিষয় আছিল 'আন্তজাৰ্তিক শান্তি'। তদুপৰি এই অনুষ্ঠানত সমগ্ৰ বিশ্বৰ অনাথ আৰু পৰিত্যক্ত শিশুৰ দুৰ্ভোগ লাঘৱ কৰাৰ অৰ্থে 'সকলো শিশুৰ বাবে স্নেহৰ এখনি ঘৰ' সপোনৰ পূৰণাৰ্থে তেওঁলোকৰ নিৰন্তৰ প্ৰচেষ্টাৰ স্বীকৃতি স্বৰূপে সেৱামূলক প্ৰতিষ্ঠান ' এছ অ' এছ শিশু গাঁও, যুক্তৰাজ্য'ক হজৰত মিৰ্জা মছৰূৰ আহমদৰ হাতেৰে 'আহমদীয়া মুছলিম জামাতৰ ফালৰ পৰা শান্তি পুৰস্কাৰ' প্ৰদান কৰা হয়। অনুষ্ঠানত সংশ্লিষ্ট অতিথি সকল উপস্থিত আছিল

%-% - Rt. Hon. Justine Greening—MP, Secretary of State for Transport
- Jane Ellison—MP (Battersea)
- Seema Malhotra—MP (Feltham and Heston)
- Tom Brake—MP (Carlshalton and Wallington)
- Virendra Sharma—MP (Ealing and Southall)
- Lord Tariq Ahmad—of Wimbledon
- HE Wesley Momo Johnson—the Ambassador of Liberia
- HE Abdullah Al-Radhi—the Ambassador of Yemen
- HE Miguel Solano-Lopez—the Ambassador of Paraguay
-Commodore Martin Atherton—Naval Regional Commander
- Councillor Jane Cooper—the Worshipful Mayor of Wandsworth
- Councillor Milton McKenzie MBE—the Worshipful

Mayor of Barking and Dagenham
- Councillor Amrit Mann—the Worshipful Mayor of Hounslow
- Siobhan Benita—independent Mayoral candidate for London
- Diplomats from several other countries including India, Canada, Indonesia and Guinea

# পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা পূৰ্ণ ন্যায় প্ৰতিষ্ঠাৰ নিৰকুংশ আৱশ্যকত

তাছাহুদ,তাউজ আৰু বিছমিল্লাহ পাঠৰ পিছত খলীফাতুল মছীহ খামেছ (আইঃ) যে কয়—

সমবেত সকলো অতিথিবৃন্দ সকলক আছছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু- আপোনালোকৰ ওপৰত আল্লাৰ ৰহমত আৰু শান্তি বৰ্ষিত হওঁক।

আজি এবছৰৰ ব্যৱধান, এই অনুষ্ঠানত আমাৰ সকলো বিশিষ্ট অতিথিসকলক আদৰণি জনোৱাৰ সুযোগ অৰ্জন কৰিছোঁ। মই আপোনালোক সকলোৰে ওচৰত কৃতজ্ঞ যে আপোনালোকে বহুমূলীয়া সময় ব্যয় কৰি ইয়াত উপস্থিত হৈছে।

বস্তুতঃ আপোনালোক সকলো এই অনুষ্ঠানৰ লগত পৰিচিত যি লাহে লাহে ‘শান্তি সন্মিলন’ ( পিছ অৱ ছিম্পোজিয়াম) নামেৰে পৰিচিতি লাভ কৰিছে। প্ৰতি বছৰে আহমদীয়া মুছলিম জামাতে এই অনুষ্ঠানৰ আয়োজন কৰে আৰু এয়া বিশ্ব শান্তি প্ৰতিষ্ঠাৰ আমাৰ পদক্ষেপৰ আকাঙ্খা পূৰণৰ লক্ষ্যৰ বিভিন্ন প্ৰচেষ্টাৰ এক অংশ।

আজিৰ উপস্থিতসকলৰ মাজত এনে কিছুসংখ্যক নতুন বন্ধু আছে যি প্ৰথমবাৰৰ বাবে এই অনুষ্ঠানত উপস্থিত হৈছে আৰু বাকীসকল পুৰণি বন্ধু যি বহু বছৰ ধৰি আমাৰ প্ৰচেষ্টাক সমৰ্থন জনাই আহিছে। নতুন হওক বা পুৰণি হওঁক আপোনালোক সকলোৰে শিক্ষিত সমাজৰ অংশ লগতে এই বিশ্বত শান্তি প্ৰতিষ্ঠা কৰাৰ আমাৰ যি আকাঙ্খা তাক আপোনালোকেও ধাৰণ কৰে। এই আকাঙ্খাৰ বাবেই আজি আপোনালোকে আমাৰ অনুষ্ঠানত যোগদান কৰিছে।

আজি আপোনালোকৰ সকলোৰে হৃদয়ত এনে এক দৃঢ় বাসনালৈ উপস্থিত হৈছে যে সমগ্ৰ পৃথিৱী যেন ভালপোৱা, সম্প্ৰীতি আৰু সৌন্দৰ্যৰে পৰিপূৰ্ণ হৈ যায়। এয়া সেই দৃষ্টিভংগী আৰু মূল্যবোধ যাক প্ৰতিষ্ঠা কৰাৰ বাবে বিশ্বৰ সংখ্যাগৰিষ্ঠ লোকে ব্যাকুল দৃষ্টি প্ৰসাৰিত কৰে যিটো বিশ্বৰ বাবে

আৱশ্যক। গতিকে এই উদ্দেশ্য আপোনালোক সকলো বিভিন্ন পটভূমিৰ, জাতি আৰু ধৰ্মৰ পৰা আহি আজি আমাৰ সন্মুখত উপস্থিত হৈছে।

যিদৰে মই কৈছো, আমি প্ৰতি বছৰে এই সন্মিলনৰ আয়োজন কৰি আহিছো আৰু প্ৰতি বাৰে সেই একে অনুভূতি আৰু প্ৰত্যাশা সকলোৰে ব্যক্ত কৰো যে আমাৰ চকুৰ সন্মুখৰ বিশ্বত আমি যেন শান্তি প্ৰতিষ্ঠা হোৱা দেখা পাওঁ আৰু সেই বাবেই আমি প্ৰতিবছৰে আপোনালোক সকলোকে অনুৰোধ কৰো যি ৰাজনৈতিক দল বা চৰকাৰৰ লগত সম্পৰ্ক ৰাখিছে তেওঁলোকে নিজস্ব প্ৰভাৱৰ পৰিসীমাৰ মাজত শান্তিৰ বাণী প্ৰচাৰ কৰক। এয়া অতি আৱশ্যক যে সকলোকে এই  বিষয়ত সচেতন কৰা হয় যে, বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে আগৰ যিকোনো সময়ৰ অপেক্ষাত আজি উচ্চ আৰু পৰিশীলিত নৈতিক মূল্যবোধৰ প্ৰয়োজন বহু অধিক।

যিমান দূৰ লৈকে আহমদীয়া সম্প্ৰদায়ৰ সম্পৰ্ক তাত আৰু যেতিয়াই সুযোগ পোৱা যায়, আমি আমাৰ অভিমত স্পষ্ট ভাবে প্ৰকাশ আৰু ঘোষণা কৰো যে, বিশ্ব আজি যি ধ্বংসযজ্ঞ আৰু সৰ্বনাশৰ পথত অগ্ৰসৰ হৈছে তাৰ পৰা ৰক্ষা কৰাৰ এটাই উপায়, আৰু সেয়া হ'ল আমাৰ সকলোৰে ভালপোৱা, সহমৰ্মিতা আৰু প্ৰীতিপূৰ্ণ সৌহাৰ্দ্যপূৰ্ণ সহাবস্থানৰ অনুভূতি বিস্তাৰৰ লক্ষ্যৰে কাম কৰিব লাগিব। তদুপৰি বিশ্বই নিজৰ স্ৰষ্টাক চিনিব লাগিব, যি এক অদ্বিতীয় খোদা। কিয়নো স্ৰষ্টা চিনি পোৱাটো হ'ল সেই বিষয় যি আমাক তেওঁৰ সৃষ্টিৰ প্ৰতি ভালপোৱা আৰু সহানুভূতিৰ দিশে লৈ যায় আৰু যেতিয়া আমাৰ স্বভাৱৰ অংশ হৈ পৰে তেতিয়াই আমি খোদা তা'লাৰ ভালপোৱাৰ পাত্ৰত পৰিণত হৈ পৰো।

আমি সদায় বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে বিশ্বত মাত মাতি আহিছো, আজি আমাৰ অন্তৰত যি বেদনা আৰু অস্থিৰতা অনুভৱ কৰিছোঁ সি আমাৰ মানৱ জাতিৰ কষ্ট লাঘৱ কৰাৰ চেষ্টা কৰে আৰু আমি বসবাস কৰা এই সুন্দৰ কৰাত প্ৰয়াসী হ'বলৈ অনুপ্ৰাণিত কৰে। বস্তুতঃ আজিৰ এই অনুষ্ঠানটো এই উদ্দেশ্য হাতলৈ কৰা আমাৰ বহু কৰ্মসূচীৰ মাজৰ অন্যতম এক কৰ্মসূচী।

যিদৰে মই ইতিমধ্যে উল্লেখ কৰিছোঁ আপোনালোক সকলোৰে এই মহৎ আকাঙ্খা ৰাখিছে। তদুপৰি মই  বাৰে বাৰে ৰাজনীতিবিদ আৰু ধৰ্মীয়

# পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা...

নেতাসকলক শান্তিৰ বাবে সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছোঁ। কিন্তু এইবিলাক প্ৰচেষ্টা সত্ত্বেও আমি দেখিছো যে, আজি সমগ্ৰ বিশ্বত উৎকণ্ঠা আৰু শংকা ক্ৰমান্বয়ে বিয়পি পৰিছে। আজিৰ জীৱনত আমি বৰ বিবাদ, অস্থিৰতা আৰু বিশৃংখলতা দেখিবলৈ পাইছোঁ।কোনো দেশৰ জনসাধাৰণে এজনে আনজনৰ বিৰুদ্ধে যুদ্ধ কৰিছে বা ইয়াৰ বিপৰীতে শাসক গোষ্ঠীয়ে নিজ দেশৰ মানুহৰ ওপৰত আক্ৰমণ চলাইছে। সন্ত্ৰাসী চক্ৰই নিজ স্বাৰ্থ সিদ্ধিৰ বাবে অৰাজকতাত আৰু বিশৃংখলতাত ইন্ধন যোগাইছে আৰু তেওঁলোকে বিচাৰে নিৰীহ নাৰী, শিশু, আৰু বৃদ্ধসকলক হত্যা কৰে। কোনো কোনো দেশৰ ৰাজনৈতিক দলবিলাকে দেশৰ উন্নতিৰ লক্ষ্যৰে কাম কৰাৰ পৰিৱৰ্তে নিজ ক্ষুদ্ৰ স্বাৰ্থ ৰক্ষাৰ বাবে এটাৰ পিছত আনটো সংঘৰ্ষত লিপ্ত হৈছে। আমি ইয়াকো দেখিছো যে কোনো কোনো চৰকাৰে আৰু দেশে ক্ৰমাগত ভাবে আন দেশৰ সম্পদৰ প্ৰতি ঈৰ্ষাৰ দৃষ্টি নিক্ষেপ কৰিছে। বিশ্বৰ শীৰ্ষ শক্তিবোৰে নিজৰ আধিপত্য ধৰি ৰখাৰ প্ৰচেষ্টাত মগ্ন, এইপথত তেওঁলোকে কোনো সহযোগ কৰা নাই।

এই সকলোবিলাক দিশ লক্ষ্য কৰি আমি অনুভৱ কৰো যে আহমদীয়া সম্প্ৰদায়ে, আপোনালোকৰ অধিকাংশই, যি জনগণৰ প্ৰতিনিধিৰ অংশ নহয়, ইয়াৰ ইমান ক্ষমতা বা শক্তি আছে যে এনে নীতিসমূহ গঢ়ি তুলিবলৈ যি ইতিবাচক পৰিৱৰ্তন আনিব পাৰিব। কিয়নো আমি সকলো চৰকাৰী ক্ষমতা বা পদত অধিস্থ নহয়। বৰঞ্চ আমি ইমানখিনি ক'ব পাৰো যে, সেইসকল ৰাজনীতিবিদ, যাৰ লগত আমাৰ সু-সম্পৰ্ক গঢ়ি উঠিছে আৰু যি আমাৰ সান্নিধ্যত থাকে তেতিয়া সকলো সময়ত আমাৰ লগত ঐক্যমত প্ৰকাশ কৰি যায়,এয়াও ক'ব নোৱাৰো,। ইয়াৰ বিপৰীতে তেওঁলোকৰ কণ্ঠস্বৰ অন্যৰ ভীৰত হেৰাই যায় আৰু তেওঁলোকক নিজ অভিমত (যথাযথ গুৰুত্বতাৰে) উপস্থাপন কৰিবলৈ দিয়া নহয়। এইটো কেতিয়াবা এনে কাৰণ যে তেওঁলোকে দলীয় নীতি অনুসৰণ কৰিবলৈ বাধ্য বা কেতিয়াবা বিশ্বৰ অন্যান্য শক্তি বা ৰাজনৈতিক মিত্ৰশক্তিৰ পক্ষে থাকি বৈদেশিক হেঁচাত ৰূদ্ধ পৰিছে।

তথাপি আমি, যিসকলে প্ৰতিবছৰে' শান্তি সন্মিলনত' অংশ গ্ৰহণ কৰো, নিঃসন্দেহ এই আকাঙ্খাক ধাৰণ কৰো যে শান্তি যেন প্ৰতিষ্ঠিত হয় আৰু আমি নিশ্চিত ভাবে আমাৰ এই মত আৰু অনুভূতি প্ৰকাশ কৰো যে সকলো

ধৰ্ম, সকলো জাতি, সকলো গোত্ৰ বস্তুতঃ সকলো মানুহৰ মাজত ভালপোৱা, সম্প্ৰীতি আৰু ভ্ৰাতৃত্বৰ বন্ধন প্ৰতিষ্ঠিত হোৱা উচিত। দুৰ্ভাগ্যবশতঃ যদিও এই সপোনক বাস্তৱত পৰিণত কৰাৰ শক্তি আমাৰ নাই। সেই ফলাফল যি আমাৰ অভীষ্ট, তাক অৰ্জন কৰাৰ কৰ্তৃত্ব বা শক্তি আমাৰ নাই।

মোৰ মনত আছে, দুবছৰ মান আগতে এই সভাগৃহতে 'শান্তি সন্মিলন'ৰ সময়ত, আমি বিশ্ব শান্তি প্ৰতিষ্ঠাৰ পথ আৰু উপায় বিশদভাবে আলোচনা কৰি এটা ভাষণ দিছিলোঁ আৰু মই বৰ্ণনা কৰিছিলোঁ যে ৰাষ্ট্ৰসংঘৰ কাৰ্যধাৰা কেনেধৰণৰ হোৱা উচিত। ইয়াৰ পিছত মোৰ অত্যন্ত প্ৰিয় আৰু সন্মানিত লৰ্ড অৱিক এভবাৰীয়ে মন্তব্য কৰিছিল এই ভাষণ নিজেই ৰাষ্ট্ৰসংঘই প্ৰদান কৰাৰ প্ৰয়োজন আছিল। যিকি নহওঁক তেওঁৰ এয়া মহৎ চৰিত্ৰৰ পৰিচয় বহন কৰে যি তেওঁ মন্তব্য প্ৰদান কৰিবলৈ গৈ এক ঔদাৰ্য আৰু বিনয় প্ৰকাশ কৰিছে। কিন্তু মই যি ক'ব বিচাৰিছোঁ সেয়া কেৱল এটা ভাষণ দিয়া বা শুনাটোৱে যথেষ্ট নহয়, ইয়াৰ ফলত শান্তি প্ৰতিষ্ঠা নহয়। বস্তুতঃ এই মৌলিক লক্ষ্য অৰ্জনৰ মূল চাহিদা হ'ল পৰিপূৰ্ণ ন্যায় আৰু সকলো বিষয়ত পক্ষপাতহীনতা। পৱিত্ৰ কোৰাণৰ চুৰা ৪ আয়াত **১৩৬** ত এই বিষয়ে এক সোণালী নীতি আৰু শিক্ষা দাঙি ধৰিছে। ইয়াত কোৱা হৈছে যে ন্যায়ৰ দাবী পূৰণ কৰিবলৈ গৈ যদি আপুনি নিজৰ বিৰুদ্ধে সাক্ষ্য দিব লগা হয় বা নিজৰ পিতৃ-মাতৃ বা আপোনজন আৰু বন্ধু তথাপি তাক আপুনি অৱশ্যেই কৰিব লাগিব। এয়াই হ'ল প্ৰকৃত ন্যায় য'ত সাৰ্বজনীন কল্যাণৰ লক্ষ্যত ব্যক্তি স্বাৰ্থক পৰিহাৰ কৰা হয়।

যদি আমি সমষ্টিগত পৰ্যায়ত এই নীতিৰ কথা চিন্তা কৰোঁ তেন্তে মই উপলব্ধি কৰোঁ যে, সম্পদ আৰু প্ৰভাৱৰ বিচাৰত অন্যায় ভাবে কাৰো পক্ষে প্ৰতাৰণা কৰাৰ কূটকৌশল পৰিত্যাগ কৰা উচিত। এনে স্থলক আন্তৰিকতাৰে তথা ন্যায় আৰু সাম্য নীতিৰ সমৰ্থন কৰাৰ প্ৰয়াসে সকলো দেশৰ প্ৰতিনিধিবৰ্গ আৰু ৰাষ্ট্ৰদূতসকল আগবাঢ়ি অহা উচিত। সকলো প্ৰকাৰৰ পক্ষপাতদুষ্টতা আৰু বৈষম্যক আমি নিৰ্মূল কৰিব লাগিব, কিয়নো শান্তি স্থাপন কৰা আমাৰ একমাত্ৰ মাধ্যম। যদি আমি ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ বা নিৰাপত্তা পৰিষদৰ দিশে লক্ষ্য কৰোঁ, আমি দেখিছো যে বহু সময়ত তাত প্ৰদত্ত ভাষণ বা বিবৃতিয়ে ভূয়সী প্ৰশংসা লাভ কৰে। কিন্তু এই প্ৰশংসাসমূহ অৰ্থহীন, কিয়নো প্ৰকৃত সিদ্ধান্ত যি হ'ব লাগে সেয়ে পূৰ্ব নিৰ্ধাৰিত হৈ থাকে।

## পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা...

গতিকে সিদ্ধান্তবোৰ ন্যায় আৰু সত্য গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ সলনি ডাঙৰ ডাঙৰ শক্তিৰ চাপত বা লৰীৰ ভিত্তিত গৃহীত হয় তেতিয়া এনেধৰণৰ ভাষণ অৰ্থহীন, ফাঁকি বুলি সাব্যস্ত হয় আৰু কেৱল বাহিৰৰ জগতখনক বিভ্ৰান্তকাৰী ছলনা হিচাপে কাম কৰে। যিকিনহওঁক, এইবিলাকৰ অৰ্থ এয়া নহয় যে আমি কেৱল আশাহত হৈ বহি থাকিম আৰু আমাৰ সকলো চেষ্টাক পৰিত্যাগ কৰিম। ইয়াৰ বিপৰীতে, আমাৰ লক্ষ্য হোৱা উচিত যে দেশৰ আইনৰ অধীনত থাকি সকলো চৰকাৰৰ যুগৰ চাহিদাৰ সম্পৰ্কত অৱগত কৰি থাকিম। সেইবিলাক গোষ্ঠী যাৰ স্বাৰ্থ ইয়াত সংশ্লিষ্ট আছে সেইসকলোকো যথাযথ পৰামৰ্শ আমি প্ৰদান কৰিব লাগিব, যেন বৈশ্বিক পৰ্যায়ত ন্যায় বিচাৰ প্ৰতিষ্ঠা হ'ব পাৰে। কেৱল তেতিয়াই আমি বিশ্বক সেই শান্তি আৰু সম্প্ৰীতিৰ ঘৰখনলৈ পৰিণত কৰিব পাৰিম যিটো আমাৰ কামনা আৰু সকলোৰে আশা।

আমি আমাৰ প্ৰচেষ্টাবোৰক পৰিত্যাগ নকৰো আৰু কেতিয়াও কৰা উচিত নহ'ব। যদি নিষ্ঠুৰতা আৰু অবিচাৰৰ বিৰুদ্ধে আমি আমাৰ কণ্ঠ ৰূদ্ধ কৰো আমি তেওঁলোকৰ মাজত সোমাই পৰিম যাৰ কোনো মূল্যবোধ বা নৈতিক মান নাই। আমাৰ কণ্ঠ শুনিবলৈ পাওঁক বা নাপাওক, প্ৰভাৱ পৰক বা নপৰক আনক শান্তিৰ পথলৈ আমি আহ্বান কৰি যাব লাগিব। মই সকলো সময় অত্যন্ত আনন্দিত যে,যেতিয়া দেখো ধৰ্ম আৰু জাতিৰ ভিন্নতাৰ সত্বেও মানবীয় মূল্যবোধক জীয়াই ৰখাৰ লক্ষ্যত মানুহে বিশ্বত শান্তি আৰু সহানুভূতি প্ৰতিষ্ঠাৰ পথসমূহৰ সম্পৰ্কত শুনা শিকাৰ, আলোচনা কৰাৰ এই অনুষ্ঠানত সমবেত হয়। সেয়ে মই আপোনালোক সকলোকে আহ্বান কৰো যেন নিজ নিজ সাধ্য অনুসৰি আমি শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যত সংগ্ৰাম কৰি যাম আৰু আশা কৰো সেই স্ফুলিংগক জীৱিত ৰাখিম যে এদিনাখন সেই সময় আহিব যেতিয়া সমগ্ৰ বিশ্বত প্ৰকৃত শান্তি আৰু ন্যায়বিচাৰ প্ৰতিষ্ঠা হ'ব।

আমি মনত ৰাখিব লাগিব যে, যেতিয়া মানবীয় প্ৰচেষ্টাসমূহ ব্যৰ্থতাত পৰ্যবসিত হয়, তেতিয়া সৰ্বশক্তিমান খোদা মানৱজাতিৰ পৰিণাম সম্পৰ্কত নিজৰ সিদ্ধান্ত প্ৰদান কৰে। ইয়াৰ পূৰ্বে যি খোদা তালাৰ সিদ্ধান্ত কাৰ্যকৰ হ'বলৈ আৰম্ভ কৰে আৰু মানৱজাতিক তাৰ ফালে আৰু মানৱজাতিৰ অধিকাৰ আদায়ৰ ফালে যাবলৈ বাধ্য কৰে, বহুতো মংগলজনক হয় বিশ্বৰ মানৱে নিজেই

এই সকলো গুৰুত্বপূৰ্ণ বিষয়াদিৰ প্ৰতি সচেতন হয়, কিয়নো যেতিয়া সৰ্বশক্তিমান খোদাই হস্তক্ষেপ কৰিবলৈ বাধ্য হয় তেতিয়া তেওঁৰ প্ৰতাপান্বিত ৰোষ মানৱজাতিৰ ওপৰত ভয়াবহ প্ৰলয়ংকাৰী ৰূপে আপতিত হয়।

আজিৰ পৃথিৱীত, খোদা তালাৰ বিচাৰৰ এক ভীতিপ্ৰদ বহিঃ প্ৰকাশ হ'ব পাৰে আনখন বিশ্বযুদ্ধ। ইয়াত কোনো সন্দেহ নাই এনেধৰণৰ এক যুদ্ধৰ ক্ষয়-ক্ষতি আৰু ধ্বংসযজ্ঞ কেৱল বৰ্তমান প্ৰজন্মৰ মাজতেই সীমাৱদ্ধ নাথাকে। বস্তুতঃ ইয়াৰ ভয়াবহ পৰিণামসমূহ ভৱিষ্যতৰ প্ৰজন্মৰ মাজতো প্ৰকাশিত হ'ব। এনেধৰণৰ যুদ্ধৰ বহুবিধ কৰুণ পৰিণতিৰ কেৱল এটা হ'ল, কেৱল বৰ্তমান নহয়, বৰঞ্চ ভবিষ্যতে জন্মগ্ৰহণকাৰী শিশুৰ ওপৰতো প্ৰভাৱ পৰিব। আজি যিবোৰ মাৰাণাস্ত্ৰ আছে সেইবোৰ ইমান ধ্বংসাত্মক যে ইয়াৰ ফলস্বৰূপে প্ৰজন্মান্তৰত শিশু মাৰাত্মক জেনেটিক আৰু শাৰিৰীক ক্ৰটিলৈ জন্মৰ হোৱাৰ আশংকা আছে।

জাপান সেই একক দেশ যি পাৰমাণৱিক যুদ্ধ বীভৎস পৰিণতি স্বচকুৰে প্ৰত্যক্ষ কৰিছে, তেতিয়া দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ইয়াত নিউক্লিয়াৰ বোমাৰ দ্বাৰা আক্ৰমণ কৰা হৈছিল। আননালাগে আজিও যদি আপুনি জাপান ভ্ৰমণ কৰে আৰু ইয়াৰ জনগণৰ লগত কথা পাতে, তেতিয়া তেওঁলোকৰ চকুৰে-মুখে যুদ্ধৰ প্ৰতি তীব্ৰ আতংক আৰু ঘৃণা আপুনি দেখা পাব। অথচ যি নিউক্লিয়াৰ বোমা তেতিয়া ব্যৱহাৰ হৈছিল ব্যাপক ক্ষয়-ক্ষতিৰ কাৰণ হৈছিল,তেনে পাৰমাণৱিক অস্ত্ৰ আজিৰ দিনত সৰু সৰু ৰাষ্ট্ৰৰ হাততো আছে যি তাতকৈ বহুগুণে শক্তিশালী।

কোৱা হয় জাপানত যদি সাতটা দশক অতিবাহিত হৈছে, আজিও নৱজাতক শিশুৰ মাজত পাৰমাণৱিক বোমাবোৰৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। যদি কাৰোবাক গুলী কৰা হয়, তথাপি চিকিৎসাৰ ফলত বাচি যোৱাৰ সম্ভাৱনা থাকে, কিন্তু যদি নিউক্লিয়াৰ যুদ্ধ আৰম্ভ হয় তেনেহ'লে যি আক্ৰমণৰ সন্মুখীন হ'ব তাৰ এনে সুযোগ নাথাকিব। মাথো আমি দেখা পাম লগে লগে মানুহৰ মৃত্যু হৈছে আৰু মূৰ্তিৰ দৰে স্থিৰ হৈ জমি গৈছে আৰু তেওঁলোকৰ ছাল লাহে লাহে গলি পৰিব। খোৱা পানী, খাদ্য, ফল সকলোবোৰ তেজস্ক্ৰীয়তা দ্বাৰা আক্ৰান্ত হ'ব। ইয়াৰ বিষক্ৰিয়াত কিধৰণৰ ৰোদ উদ্ভৱ হ'ব, আমি কেৱল

তাক কল্পনা কৰিব পাৰিম। সেই স্থানো য'ত সচৰাচৰ আঘাত নহ'ব আৰু নিউক্লিয়াৰৰ পৰিমাণ কিছু কম হ'ব, আননালাগে তাতো অসুখ-বিসুখৰ আশংকা বাঢ়ি যাব আৰু পৰৱৰ্তী প্ৰজন্মবিলাকে বহুতো ভাবুকি বহন কৰিব।

গতিকে যিদৰে মই উল্লেখ কৰিছোঁ, এনে যুদ্ধৰ ভয়াবহতা আৰু ধ্বংসাত্মক প্ৰভাব কেৱল সেই যুদ্ধৰ নিকট ভৱিষ্যতৰ মাজত সীমাৱদ্ধ হৈ নাথাকে, বৰঞ্চ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰৱাহমান হৈ থাকিব। এয়াই হ'ল এনে যুদ্ধৰ প্ৰকৃত পৰিণাম, ইমানৰ পিছতো এনে স্বাৰ্থপৰ আৰু নিৰ্বোধ লোক আছে, যি তেওঁলোকৰ এই আৱিষ্কাৰকলৈ গৌৰৱ প্ৰকাশ কৰে আৰু তেওঁলোকৰ সৃষ্টিক বিশ্বৰ বাবে উপহাৰ স্বৰূপ বুলি বৰ্ণনা কৰে।

সত্য হ'ল যে নিউক্লিয়াৰ শক্তি আৰু প্ৰযুক্তিৰ তথাকথিত কল্যাণকৰ দিশবোৰ অত্যন্ত ভাবুকিৰ সন্মুখীন হ'ব পাৰে আৰু অৱহেলা বা দুৰ্ঘটনা ব্যাপক ধ্বংসৰ কাৰণ হ'ব পাৰে। আমি ইতিমধ্যেই এনে দুৰ্যোগৰ প্ৰত্যক্ষ কৰিছোঁ, যেনে- আজিৰ ইউক্ৰেনৰ চেৰনোবিলত **১৯৮৬** চনত সংঘটিত নিউক্লিয়াৰ দুৰ্ঘটনা আৰু যোৱা ভূমিকম্প-ছুনামীৰ পিছত জাপানত, য'ত তেওঁলোকে অতি বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় আৰু সমগ্ৰ দেশখনত আতংকই বিৰাজ কৰিছিল। যেতিয়া এনে ঘটনা ঘটে, তেতিয়া আক্ৰান্ত এলেকাত পুনৰ জনবসতি স্থাপন কৰাটো কঠিন হৈ পৰে। তেওঁলোকৰ নিজৰ অন্যান্য মৰ্মবিদাৰক অভিজ্ঞতাৰ কাৰণে জাপানীসকল অত্যন্ত সৰ্তক হৈ পৰিছে আৰু প্ৰকৃত পক্ষে তেওঁলোকৰ ভীতি আৰু আতংক একেবাৰে যথাযথ।

এয়া স্পষ্ট যে যুদ্ধত মানুহৰ মৃত্যু হৈ থাকে। সেয়ে দ্বিতীয় বিশ্বযুদ্ধত যেতিয়া জাপানে যোগদান কৰিছিল তাৰ চৰকাৰ আৰু জনসাধাৰণ সম্পূৰ্ণ সচেতন হৈ আছিল যে তেওঁলোকৰ কিছু লোকৰ মৃত্যু হ'ব। কোৱা হয়, জাপানত প্ৰায় ত্ৰিশ লক্ষ মানুহ দ্বিতীয় বিশ্বযুদ্ধত মৃত্যু হৈছিল যি তেওঁলোকৰ মুঠ জনসংখ্যাৰ **৪** শতাংশ। যদিও আন কেইখনমান দেশৰ মুঠ জনসংখ্যাৰ অনুপাত অনুসৰি মৃত্যুৰ হাৰ বহু অধিক হ'ব, তথাপি জাপানী জনগণৰ মাজত যুদ্ধৰ প্ৰতি যি বিৰাগ আৰু ঘৃণা আমি লক্ষ্য কৰো সেয়া আনৰ তুলনাত বহু অধিক। নিঃসন্দেহে ইয়াৰ সহজ কাৰণ দুটা— নিউক্লিয়াৰ বোমা যি দ্বিতীয় যুদ্ধৰ সময়ত জাপানত দিয়া হৈছিল আৰু যাৰ ফলাফল তেওঁলোকে আজিলৈকে প্ৰত্যক্ষ

কৰি আহিছে বা বহন কৰিছে। জাপানে নিজৰ জনপদসমূহত তুলনামূলক কম সময়ৰ মাজত পুনৰায় জনবসতি গঢ়ি তুলি নিজৰ মহত্ব আৰু কঠিন অৱস্থাৰ পৰা উভতি অহাৰ ক্ষমতা প্ৰমাণ কৰিছে। কিন্তু, এইটো স্পষ্ট হোৱা উচিত যে আজি যদি পুনৰ নিউক্লিয়াৰ মাৰণাস্ত্ৰ ব্যৱহাৰ কৰা হয়, তেনেহ'লে খুব সম্ভৱতঃ পৃথিৱীৰ কোনো কোনো দেশৰ কিয়দাংশ ছিন্ন কৰি বিশ্বৰ মানচিত্ৰৰ পৰা নাইকিয়া হৈ পৰিব। সেইবিলাকৰ কোনো অস্তিত্ব নাথাকিব।

দ্বিতীয় বিশ্বযুদ্ধত নিহতৰ সংখ্যা অতি কমেও প্ৰায় **৬২** মিলিয়ন। আৰু কোৱা হয় যে মৃত্যু হোৱা লোকৰ মাজত **৪০** মিলিয়ন সাধাৰণ নাগৰিক আছিল। আন কথাত সামৰিক বাহিনীৰ তুলনাত অসামৰিক মানুহৰ নিহতৰ সংখ্যা অধিক আছিল। ইমান ধ্বংসযজ্ঞ সাধিত হৈছিল এই সত্বেও জাপানক বাদ দি অৱশিষ্ট পৃথিৱীত সনাতন মাৰণাস্ত্ৰ ব্যৱহাৰ কৰি গতানুগতিক যুদ্ধই সংঘটিত হৈছিল।

যুক্তৰাজ্যত প্ৰায় **৫** লাখ মানুহ নিহত হৈছিল। অৱশ্যে তেতিয়াও এয়া এক ঔপনিৱেশিক শক্তি হোৱাত আৰু ইয়াৰ ঔপনিৱেশবোৰৰ মানুহও ইয়াৰ পক্ষত যুদ্ধ কৰিছিল। তেওঁলোকৰ ক্ষতি যোগ কৰিলে নিহতৰ সংখ্যা বহু মিলিয়ন হৈ পৰিব। কেৱল মাত্ৰ ভাৰতত প্ৰায় **১৬** লাখ মানুহ নিহত হৈছিল।

তথাপি আজি পৰিস্থিতি ভিন্ন আৰু সেইবিলাক দেশ যিবোৰ যুক্তৰাজ্যৰ ঔপনিৱেশ আছিল আৰু যি ব্ৰিটিছ সাম্ৰাজ্যৰ পক্ষে যুদ্ধ কৰিছে, আজি যুদ্ধ আৰম্ভ হ'লে তেওঁলোকৰ কোনো কোনো যুক্তৰাজ্যৰ বিৰুদ্ধেও যুঁজিব পাৰে। তদুপৰি যি আমি পূৰ্বেও উল্লেখ কৰিছোঁ, এনে কিছু কিছু সৰু দেশো আজি নিউক্লিয়াৰ অস্ত্ৰৰ অধিকাৰী।

যি আমাক আতংকিত কৰে তেওঁ ইয়াক জ্ঞান কৰে যে, এইবিলাক নিউক্লিয়াৰ অস্ত্ৰ তেওঁলোকৰ হাতত পৰিব পাৰে যি নিজৰ কৰ্মৰ পৰিণাম সম্পৰ্কত চিন্তা কৰাৰ বিচাৰবোধ নাৰাখে বা যি ইয়াকলৈ চিন্তা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকৃতপক্ষে, এনে লোকৰ পৰিণতি কোনোৰে চিন্তা নকৰে আৰু ৰক্তৰ বন্যাত আনন্দ লাভ কৰে।

গতিকে ডাঙৰ ডাঙৰ শক্তিবিলাকে যদি ন্যায়ৰ পূৰ্বক আচৰণ নকৰে, সৰু সৰু দেশবোৰৰ অভাৱ- অভিযোগ দূৰ নকৰে আৰু উদাৰ তথা বিজ্ঞনীতি গ্ৰহণ নকৰে, তেন্তে পৰিস্থিতি নিয়ন্ত্ৰণ কৰোঁতে কৰোঁতে নিয়ন্ত্ৰন্তহীন হৈ পৰিব

আৰু ইয়াৰ পিছত যি ধ্বংসযজ্ঞ সংঘটিত হ'ব সি আমাৰ সকলো ধাৰণা আৰু কল্পনাক এৰি যাব। আননালাগে বিশ্বৰ সংখ্যাগৰিষ্ঠ মানুহ যি শান্তি কামনা কৰে তেওঁলোক এই ধ্বংসৰ পৰিধিৰ মাজলৈ আহিব।

সেয়ে এয়া মোৰ আন্তৰিক আকাঙ্খা আৰু প্ৰত্যাশা যিবিলাক ডাঙৰ ডাঙৰ দেশৰ নেতৃবৰ্গ এই ভয়াবহ বাস্তৱতাক অনুধাবন কৰিব পাৰে আৰু ফলস্বৰূপে, তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য লাভৰ বাবে আগ্ৰাসনমূলক নীতি আৰু বলপ্ৰয়োগৰ নীতিসমূহ গ্ৰহণ কৰিব যি ন্যায়ৰ প্ৰসাৰ কৰিব আৰু প্ৰতিষ্ঠা নিশ্চিত কৰিব।

সম্প্ৰতি এজন উৰ্ধ্বতন ৰুছ সামৰিক কামাণ্ডাৰে এক নিউক্লিয়াৰ যুদ্ধৰ সম্ভাব্য শংকাৰ সম্পৰ্কত এক গুৰুতৰ সৰ্তকবাণী প্ৰদান কৰিছে। তেওঁৰ দৃষ্টিত এনে যুদ্ধই এছিয়া বা আন কৰবাত সংঘটিত নহয়, বৰঞ্চ ইউৰোপৰ সীমান্তত সংঘটিত হ'ব আৰু পূৰ্বৰ ইউৰোপীয় দেশবোৰে ইয়াৰ সূত্ৰপাত-বিস্তাৰ ঘটাব। যদিও কোনো কোনোৱে কৈছে এয়া একেবাৰে নিজৰ ব্যক্তিগত অভিমত, আমি নিজেই তেওঁলোকৰ দৃষ্টিভংগীক অসম্ভৱ বুলি নেভাবো। তদুপৰি মই লগতে বিশ্বাস কৰো যে যদি এনে যুদ্ধৰ সূচনা হয় তেন্তে সম্ভাৱনা অত্যন্ত অধিক যে ইয়াক এছিয়াৰ দেশবোৰ জড়িত হৈ পৰিব।

আন এটা সংবাদ যি সাম্প্ৰতিক কালত মিডিয়াত ব্যাপক ভাবে প্ৰচাৰিত হৈছে সেয়া হ'ল ইজৰাইলৰ চোৰাংচোৰা সংস্থা মোছাদৰ সম্প্ৰতি অৱসৰপ্ৰাপ্ত প্ৰধানৰ সাক্ষাৎকাৰ ।আমেৰিকাৰ সুপৰিচিত টেলিভিচন চেনেল ছি.বি. এছ ৰ লগত হোৱা সাক্ষাৎকাৰত তেওঁ কয় যে এয়া স্পষ্ট হৈছে যে ইজৰাইলৰ চৰকাৰে ইৰাণৰ লগত যুদ্ধত লিপ্ত হ'ব বিচাৰে। তেওঁ কয় যে এইদৰে যদি আক্ৰমণ সংঘটিত হয় তেন্তে এইটো হিচাপ কৰা অসম্ভৱ যে কিমান দিনত, ক'ত এই যুদ্ধৰ সমাপ্তি ঘটিব। সেয়ে তেওঁ দৃঢ়তাৰে এনেধৰণে আক্ৰমণৰ বিপক্ষে পৰামৰ্শ দিয়ে।

এই ক্ষেত্ৰত মোৰ ধাৰণা এই যুদ্ধ নিউক্লিয়াৰ ধ্বংসযজ্ঞৰ মাজেৰে শেষ হ'ব।

সম্প্ৰতি এটা প্ৰবন্ধ মোৰ দৃষ্টিত পৰিছে য'ত লেখকে কৈছে যে আজিৰ বিশ্বৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতি **১৯৩২** চনৰ বিশ্বৰ পৰিস্থিতিৰ লগত মিল আছে। তেওঁ লেখিছে যে, বিশেষ কিছুমান দেশৰ জনগণই

তেওঁলোকৰ ৰাজনীতিবিদসকলৰ বা তেওঁলোকৰ তথাকথিত গণতন্ত্ৰৰ ওপৰত আস্থা হেৰোৱাই পেলাইছে। তেওঁ লগতে কয় যে, আন বহুতো মিল আৰু তুলনা একত্ৰিত হৈ আজি সেই চিত্ৰ গঠন কৰিছে যি দ্বিতীয় বিশ্বযুদ্ধৰ সূত্ৰপাতৰ পূৰ্বক্ষণত পৰিলক্ষিত হৈছিল।

কোনো বিশ্লেষণৰ সৈতে ভিন্নমত পোষণ কৰিব পাৰিব, কিন্তু, আনপক্ষে আমি ইয়াৰ লগত একমত তথা এই কাৰণে মই বিশ্বাস কৰো যে বৰ্তমান পৰিস্থিতিলৈ বিশ্বৰ চৰকাৰবোৰে গভীৰ ভাবে দুশ্চিন্তাগ্ৰস্ত আৰু উদ্বিগ্ন হোৱা উচিত। অনুৰূপ ধৰণে কিছু মুছলমান দেশৰ অত্যাচাৰী নেতাই, যাৰ একমাত্ৰ উদ্দেশ্য হ'ল যে কোনো মূল্যতে ক্ষমতাৰ বাঘজৰী ধৰি থকা, তেওঁলোকে সম্বিত ঘূৰাই পোৱাৰ প্ৰয়োজন। নতুবা তেওঁলোকৰ কৰ্ম আৰু তেওঁলোকৰ নিৰ্বুদ্ধিতা তেওঁলোকৰ ধ্বংসৰ কাৰণ হ'ব আৰু তেওঁলোকে নিজৰ দেশবোৰক এক ভয়ানক পৰিণতিৰ দিশে লৈ যাব।

আমি যিসকল আহমদীয়া মুছলিম জামাতৰ সদস্য, বিশ্বক আৰু মানৱজাতিক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰাৰ প্ৰাণপণ চেষ্টা কৰো। কিয়নো এই যুগত, আমি সেই যুগ-ইমামক মানিছো যাক আল্লাহ তালাই প্ৰতিশ্ৰুত মছীহ হিচাপে প্ৰেৰণ কৰিছিল তথা যিজনে সেই সমগ্ৰ মানৱজাতিৰ বাবে ৰহমত স্বৰূপ প্ৰেৰিত মহামানৱ হজৰত মোহাম্মদ(ছাঃ)ৰ দাসৰূপে আবিৰ্ভূত হৈছিল।

মহানবীৰ শিক্ষাক আমি অনুসৰণ কৰো বাবে বিশ্বৰ এই পৰিস্থিতিত আমাৰ হৃদয়ত চৰম মৰ্মবেদনা আৰু কষ্ট অনুভৱ কৰো। মানৱজাতিক ধ্বংস আৰু দুৰ্ভোগৰ পৰা ৰক্ষাৰ প্ৰয়াসত এই মৰ্মবেদনাই আমাৰ চালিকাশক্তিৰূপে কাম কৰে। এইবাবে মই তথা আনসকল আহমদী মুছলমানে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যৰে আমাৰ দায়িত্ব পালনৰ বাবে সংগ্ৰাম কৰি আহিছো। শান্তি বিস্তাৰৰ উদ্দেশ্য এক প্ৰয়াস যি মই কৰিছোঁ সেয়া হ'ল বিশেষ কেইজনমান বিশ্বনেতালৈ ধাৰাবাহিক ভাবে পত্ৰ প্ৰেৰণ কৰা। কেইমাহমানৰ পূৰ্বে মই পোপ বেনেডিকটলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিলোঁ, যিখন মোৰ হৈ আমাৰ এজন আহমদী প্ৰতিনিধিয়ে ব্যক্তিগত ভাবে হাতেহাতে অৰ্পণ কৰিছিল। সেই পত্ৰত মই লিখিছোঁ যে যিহেতু তেওঁ বিশ্বৰ সকলোতকৈ ডাঙৰ ধৰ্মীয় গোষ্ঠীৰ প্ৰধান, তেওঁৰ দায়িত্ব শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াসী হ'ব লাগে।

# পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা...

একেদৰে সাম্প্ৰতিক সময়ত, বিশেষকৈ ইৰাণ আৰু ইজৰাইলৰ মাজত উত্তেজনা অতি মাত্ৰাত বৃদ্ধি হৈছে আৰু এক সংকটপূৰ্ণ অৱস্থাত উপনীত হোৱাৰ প্ৰেক্ষাপটত, মই ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেনজামিন নেতাহুনইয়াহু আৰু ইৰাণৰ ৰাষ্ট্ৰপতি মাহমুদ আহমেদিনেজাদ উভয়কে পত্ৰ প্ৰেৰণ কৰিছোঁ, য'ত তেওঁলোকক মানৱ জাতিৰ স্বাৰ্থত নিজৰ সিদ্ধান্ত গ্ৰহণত খৰখেদা আৰু বিবেচনাহীনতা পৰিত্যাগ কৰা বাবে আহ্বান জানইছোঁ।
মই সম্প্ৰতি ৰাষ্ট্ৰপতি বাৰাক অ'বামা আৰু কানাডাৰ প্ৰধানমন্ত্ৰী ষ্টিফেন হাৰপাৰ উভয়কে পত্ৰ লেখিছো তেওঁলোকক বিশ্বত শান্তি আৰু সৌহাৰ্দ্য উন্নয়নৰ লক্ষ্যে নিজৰ ভূমিকা আৰু দায়িত্ব পালনৰ বাবে আহ্বান কৰিছোঁ।

মই আন আন ৰাষ্ট্ৰপ্ৰধানলৈ অতি শীঘ্ৰে পত্ৰ লেখা আৰু তেওঁলোকক সতৰ্ক কৰাৰ পৰিকল্পনা কৰিছোঁ।

মই নাজানো যিকেইজন নেতালৈ মই চিঠি প্ৰেৰণ কৰিছোঁ তেওঁলোকে মোৰ চিঠিক কোনো মূল্য দিবনে, কিন্তু তেওঁলোকৰ প্ৰক্ৰিয়া যি নহওঁক, খলিফা তথা সমগ্ৰ বিশ্বৰ বহু মিলিয়ন আহমদী মুছলমানৰ নেতা হিচাপে বিশ্বৰ সংকটময় পৰিস্থিতি সম্পৰ্কত তেওঁলোকৰ আবেগ-অনুভূতি জনাৰ এক প্ৰয়াস মোৰ ফালৰ পৰা কৰা হৈছে।

ইয়াত স্পষ্ট কৰিব বিচাৰো যে ব্যক্তিগত কোনো ভীতিৰ কাৰণে মই এইবোৰ অনুভূতি প্ৰকাশ কৰা নাই বৰঞ্চ মানৱজাতিৰ প্ৰতি আন্তৰিক ভালপোৱাৰ কাৰণে এইবিলাক কৰিবলৈ মই উদ্বুদ্ধ হৈছোঁ। সমগ্ৰ মানৱজাতিৰ বাবে দয়া স্বৰূপ প্ৰেৰিত মহানবী হজৰত মোহাম্মদ (ছাঃ)ৰ শিক্ষাৰ ফলত মানৱজাতিৰ বাবে এই ভালপোৱা প্ৰত্যেক প্ৰকৃত মুছলমানৰ অন্তৰত গঢ়ি উঠিছে আৰু স্থায়ী আসন লাভ কৰিছে।

আপোনালোকে অতি সম্ভৱ এই কথাত আচৰিত হ'ব বা শিহৰিত হ'ব যে, মানৱজাতিৰ প্ৰতি আমাৰ ভালপোৱা সচৰাচৰ মহানৱী(ছাঃ)ৰ শিক্ষাৰ ফল। আপোনালোকৰ মনত প্ৰশ্ন জাগ্ৰত হ'ব পাৰে যে, তেনেহ'লে কিয় এনে মুছলিম সন্ত্ৰাসী দল থাকে যি নিৰীহ মানুহক হত্যা কৰে বা এনে কোনো মুছলমান চৰকাৰ আছে যি নিজৰ ক্ষমতা ৰক্ষাৰ বাবে নিজৰ জনগণৰ গণহত্যাৰ নিৰ্দেশ দিয়ে?

# বিশ্ব সংকট তথা শান্তিৰ পথ

এটা কথা স্পষ্ট হোৱা উচিত যে, প্ৰকৃত পক্ষে এই আচৰণ ইছলামৰ প্ৰকৃত শিক্ষাৰ সম্পূৰ্ণ পৰিপন্থী। পৱিত্ৰ কোৰাণত কোনো অৱস্থাতে এই চৰমপন্থিতা বা সন্ত্ৰাসৰকোনো সুযোগ দিয়া নাই। আজিৰ যুগত মোৰ বিশ্বাস অনুসৰি খোদা তালাই আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতা হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)ক মহানৱী হজৰত মোহাম্মদ(ছাঃ)ৰ পূৰ্ণ অনুবৰ্তিতাত প্ৰতিশ্ৰুত মছীহ আৰু ইমাম মাহদীৰূপে প্ৰেৰণ কৰিছিল। ইছলাম তথা পৱিত্ৰ কোৰাণৰ প্ৰকৃত শিক্ষাৰ প্ৰচাৰৰ উদ্দেশ্য মছীহ মাওউদ (আঃ) ক প্ৰেৰণ কৰিছিল। তেখেত মানুহ আৰু সৰ্বশক্তিমান খোদাৰ মাজত এটা যোগসূত্ৰ স্থাপনৰ বাবে প্ৰেৰিত হৈছিল। তেখেত মানুহৰ পৰস্পৰৰ অধিকাৰক চিহ্নিত কৰি সেইবিলাক স্বীকৃতি দিয়াৰ বাবে প্ৰেৰিত হৈছিল। তেওঁ সকলো ধৰ্মযুদ্ধৰ অৱসান কৰা বাবে প্ৰেৰিত হৈছিল। সৰ্বোচ্চস্তৰৰ নৈতিক মূল্যবোধ অৰ্জনৰ দিশে আমাৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে আৰু বিশ্বত শান্তি, ভালপোৱা, সৌহাৰ্দ্য আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ বাবে প্ৰেৰণ কৰা হৈছিল।

যদি আপুনি বিশ্বৰ কোনো প্ৰান্তলৈ যায়, আপুনি দেখিব সকলো প্ৰকৃত আহমদীৰ মাজত এই গুণবোৰ দৃঢ়ভাবে প্ৰতিফলিত হৈছে? আমাৰ বাবে সন্ত্ৰাসবাদীতা, নিষ্ঠুৰ মুছলমানৰ একনায়ত্ব বা পশ্চিমীয়া দেশৰ অপশক্তিসমূহ অনুকৰণীয়। আমি যি উদাহৰণ অনুসৰণ কৰো সেয়া ইছলাম ধৰ্মৰ প্ৰতিষ্ঠাতা মহানৱী হজৰত মোহাম্মদ (ছাঃ)ৰ আৰু পৱিত্ৰ কোৰাণৰ পথ নিৰ্দেশিকা।

গতিকে এই ‘শান্তি সন্মিলনৰ পৰা সমগ্ৰ বিশ্বলৈ এটা বাৰ্তা মই প্ৰেৰণ কৰিছোঁ যে ইছলামৰ বাণী আৰু শিক্ষা- ভালপোৱা, সহমৰ্মিতা, অনুগ্ৰহ আৰু শান্তিৰ।

অতি দুঃখজনক বাবে আমি লক্ষ্য কৰিছোঁ যে মুছলমানৰ এটা অত্যন্ত সংখ্যালঘু অংশই ইছলামৰ সম্পূৰ্ণ বিকৃত এক চিত্ৰ তুলি ধৰিছে তেওঁলোক নিজৰ ভ্ৰান্ত বিশ্বাসৰ ওপৰত চলে। আপোনালোকৰ ওচৰত মোৰ আহ্বান যে ইয়াক প্ৰকৃত ইছলাম বুলি বিশ্বাস নকৰিব আৰু এইবিলাক ভ্ৰান্ত কৰ্মক সংখ্যা গৰিষ্ঠ শান্তিপ্ৰিয় মুছলমানৰ অনুভূতিত আঘাত লগোৱাৰ বা তেওঁলোকৰ নিষ্ঠুৰতাৰ লক্ষ্যস্থল বনোৱাৰ অনুজ্ঞাপত্ৰ হিচাপে গ্ৰহণ নকৰিব।

# পৰমাণু যুদ্ধৰ ভয়ানক পৰিণাম তথা...

পৱিত্ৰ কোৰাণত সকলো মুছলমানৰ ধৰ্মগ্ৰন্থ আৰু সেয়ে ইয়াৰ বিষয়ে কটুক্তিমূলক আৰু বেয়া ভাষা ব্যৱহাৰ কৰিলে বা ইয়াত জুই লগাই দিলে সেয়াই নিঃসন্দেহে মুছলমানৰ অনুভূতিত আঘাত কৰিব। আমি দেখো যেতিয়া এনেধৰণৰ কিবা ঘটনা সংঘটিত হৈছে তেতিয়া প্ৰায় ইয়াৰ ফলত চৰমপন্থী মুছলমানসকলৰ সম্পূৰ্ণ অন্যায় আৰু অগ্ৰহণযোগ্য প্ৰতিক্ৰিয়া প্ৰকাশিত হয়।

অতি সম্প্ৰতি মই আফগানিস্তানৰ দুটা ঘটনাৰ সম্পৰ্কত জানিব পাৰিছো, য'ত কিছু মাৰ্কিন সৈন্যই পৱিত্ৰ কোৰাণৰ অৱমাননা কৰি নিৰীহ নাৰী-শিশুসকলক নিজৰ বাসগৃহতে হত্যা কৰিছে। অনুৰূপ ধৰণে এক নিৰ্দয় ব্যক্তিয়ে ফ্ৰান্সৰ দক্ষিণাংশত কোনো কাৰণ নোহোৱাকৈ কেইজনমান ফৰাচী সৈনিকক গুলি কৰি হত্যা কৰিছে। লগতে ইয়াৰ কেইদিনমানৰ পিছত এখন বিদ্যালয়ত প্ৰৱেশ কৰি তিনিজন ইহুদী শিশু আৰু তেওঁলোকৰ শিক্ষকক হত্যা কৰিছে।

মোৰ বাবে এনেধৰণৰ আচৰণ সম্পূৰ্ণ অন্যায় আৰু এইবিলাকে কেতিয়াও শান্তি কঢ়িয়াই আনিব নোৱাৰে। মই পাকিস্তান আৰু আনটো এনেধৰণৰ ঘটনা প্ৰায় দেখিব পাইছো,এইবিলাক কৰ্মই ইছলামৰ শত্ৰুসকলক নিজৰ ঘৃণা প্ৰকাশৰ আৰু বৃহত্তৰ পৰিসৰত তেওঁলোকৰ অসৎ কাৰ্য চৰিতাৰ্থ কৰাৰ বাবে এটা উপলক্ষ্য প্ৰস্তুত কৰি দিছে। এনে ধৰণৰ ঘটনা যেতিয়া ব্যক্তি বা ক্ষুদ্ৰ পৰ্যায়ত সংঘটিত হয় তেতিয়া সেইবিলাক ব্যক্তিগত আক্ৰোশ বা ক্ষোভৰ কাৰণে ঘটোৱা নহয়, বৰঞ্চ এইবিলাক আভ্যন্তৰীণ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কিছুমান চৰকাৰৰ বৈষম্য নীতিৰ ফল।

সেয়ে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে এয়া আৱশ্যক যে, প্ৰত্যেক পৰ্যায়ত আৰু প্ৰত্যেক দেশত ন্যায়ৰ যথাযথ মানদণ্ড গঢ়ি তোলা। পৱিত্ৰ কোৰাণত এজন নিৰীহ মানুহক হত্য কৰাক সমগ্ৰ মানৱজাতিক হত্যা কৰাৰ সমতুল্য বুলি কোৱা হৈছে। অৰ্থাৎ পুনৰ এজন মুছলমান হিচাপে মই এই কথা স্পষ্ট কৰিব বিচাৰো যে ইছলাম কোনো মাধ্যমত, কোনো আকাৰত বা কোনো প্ৰকাৰত নিষ্ঠুৰতা আৰু অত্যাচাৰৰ অনুমতি দিয়া হোৱা নাই। এয়া এনে আদেশ যাক কোনো ব্যতিক্ৰম নাই।

পৱিত্ৰ কোৰাণত এনেকৈয়ো কোৱা হৈছে যে যদি কোনো দেশে বা

জাতিয়ে তোমাৰ লগত শত্ৰুতা কৰে তথাপি তেওঁলোকৰ লগত আচৰণৰ সময়ত সেই শত্ৰুতা যেন তোমালোকৰ নিৰঙ্কুশ ন্যায়বিচাৰ আৰু পক্ষপাতহীনতাৰ পৰা বিচ্যুত নকৰে।কোনো শত্ৰুতাই যেন তোমালোকৰ মাজত প্ৰতিশোধ স্পৃহা জাগ্ৰত নকৰি বা অসামঞ্জস্যপূৰ্ণ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰাত প্ৰৰোচিত নকৰে। পৱিত্ৰ কোৰাণৰ আন এটা গুৰুত্বপূৰ্ণ আদেশ যে আনৰ সম্পদৰ ফালে কেতিয়াও ঈৰ্ষা বা লালসাৰ দৃষ্টি দিব নালাগে। মই মাথোকেইটামান বিষয় উল্লেখ কৰিছোঁ কিন্তু এইবিলাক ইমান বিশেষত্বপূৰ্ণ, কিয়নো আমাৰ সমাজ তথা বৃহত্তৰ পৰিসৰত সমগ্ৰ বিশ্বত শান্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ ভিত্তিমূল হিচাপে এইবিলাকে অৱস্থান কৰে। মোৰ প্ৰাৰ্থনা এইযে বিশ্বই এই মূল বিষয়বোৰৰ প্ৰতি দৃষ্টি দিয়ক, যেন অন্যায় আৰু অসত্যৰ পক্ষৰ লোকসকলে আজি যি ধ্বংসৰ দিশে আমাক লৈ গৈছে তাৰ পৰা পৃথিৱীক ৰক্ষা কৰক। মই এই সুযোগতে দুখ প্ৰকাশ কৰিব বিচাৰো মই বহুখিনি গ্ৰহণ কৰিছোঁ, কিন্তু এয়া সত্য যে আজিৰ বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বিষয়টো সঁচাকৈ বিশাল গুৰুত্বপূৰ্ণ হৈ পৰিছে। সময় দ্ৰুত গতিত পাৰ হৈ গৈছে আৰু বিলম্ব নকৰি আমাৰ যুগৰ চাহিদাৰ প্ৰতি বিশেষ দৃষ্টি আৰু মনোযোগ নিবদ্ধ কৰিব লাগিব। মোৰ ভাষণ শেষ কৰাৰ আগতে মই কেইটামান গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰো। সম্প্ৰতি মহামান্য ৰাণী দ্বিতীয় এলিজাবেথৰ

হীৰক জয়ন্তী উদ্‌যাপিত হৈছে। **১১৫** বছৰৰ পিছলৈ উভতি চালে দেখিম **১৮৯৭** চনত ৰাণী ভিক্টোৰিয়াৰ হীৰক জয়ন্তী উদ্‌যাপিত হৈছিল। সেই সময়ত আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতাই মহামান্য ৰাণীক এটা অভিনন্দন বাৰ্তা প্ৰেৰণ কৰিছিল। তেওঁৰ বাণীত তেওঁ ইছলামৰ বাণী মহামান্য ৰাণীৰ ওচৰত প্ৰকাশ কৰিছিল লগতে ইংৰাজ চৰকাৰৰ বাবে আৰু ৰাণীৰ দীৰ্ঘায়ুৰ বাবে তেওঁ দোৱা বাৰ্তাও প্ৰদান কৰিছিল। তেওঁৰ বাণীত মছীহ মাওউদ(আঃ)য়ে লিখিছিল যে ৰাণীৰ চৰকাৰৰ ডাঙৰ গুণ হ'লযে তেওঁৰ শাসনাধীনসকলো মানুহকে ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা। আজিৰ পৃথিৱীত, ভাৰতীয় উপমহাদেশত ইংৰাজৰ চৰকাৰৰ শাসনৰ অৱসান হৈছে কিন্তু এতিয়াও ধৰ্মীয় স্বাধীনতাৰ মূলনীতিসমূহ ইংৰাজৰ সমাজ আৰু আইন অনুসৰি প্ৰচলিত হৈ আছে। এইবিলাক ইমান গভীৰ ভাবে প্ৰোথিত যে ইয়াত প্ৰত্যেক ব্যক্তিয়ে ধৰ্মীয় স্বাধীনতা উপভোগ

কৰিব পাৰে। নিঃসন্দেহে এই স্বাধীনতাৰ এক অত্যন্ত হৃদয়গ্ৰাসী উদাহৰণ মই আজি এই সন্ধিয়াত দেখিবলৈ পাইছো - যেতিয়া বিভিন্ন ধৰ্ম, মত আৰু বিশ্বাসৰ অনুকৰণকাৰীসকলে বিশ্বৰ শান্তি প্ৰতিষ্ঠাৰ সন্মিলিত প্ৰত্যাশালৈ এক স্থানত সমৱেত হৈছে।

মই সেই দোৱা আৰু শব্দৰ পুনৰাবৃত্তি কৰিব বিচাৰো যি হজৰত মছীহ মাওউদ (আঃ) ব্যৱহাৰ কৰিছিল আৰু এই সুযোগতে ৰাণী এলিজাবেথৰ প্ৰতি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিব বিচাৰো। যেনেকৈ তেওঁ কৈছিল—

“ আমাৰ কৰুণাময়ী ৰাণীৰ প্ৰতি আমাৰ আনন্দ আৰু কৃতজ্ঞতাপূৰ্ণ অভিনন্দন জ্ঞাপন কৰিছোঁ। মহামান্য ৰাণী সদা সুখী আৰু সন্তুষ্ট থাকক।”

মছীহ মাওউদ (আঃ) ইয়াৰ পিছত ভিকটোৰিয়াৰ বাবে দোৱা কৰে আৰু সেয়ে মই তেওঁৰ ভাষাত ৰাণী এলিজাবেথৰ বাবে দোৱা কৰো—

“ হে সৰ্বশক্তিমান আৰু মহান খোদা। তোমাৰ অনুগ্ৰহ আৰু আশীষে আমাৰ সন্মানিত ৰাণীক সদায় সেইদৰে সুখী ৰাখিবা যিদৰে আমি তেওঁৰ উদাৰতা আৰু অনুগ্ৰহৰ অধীনত সুখে-শান্তিৰে বসবাস কৰিছোঁ আৰু তেওঁৰ প্ৰতি সেইধৰণৰ দয়া আৰুস্নেহ প্ৰদৰ্শন কৰক যিদৰে শান্তি-সমৃদ্ধিত আমি তেওঁৰ শাসনাধীন জীৱন অতিবাহিত কৰিছোঁ।”

গতিকে এয়া হ’ল সেই কৃতজ্ঞতাৰ অনুভূতি যি প্ৰত্যেক আহমদী মুছলমান ইংৰাজ নাগৰিকে ধাৰণ কৰি থাকে।

পৰিশেষত মই আপোনালোকৰ ওচৰত মোৰ অন্তৰৰ অন্তঃস্থলত থকা কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ যি আজি ইয়াত উপস্থিত হৈ তেওঁলোকৰ ভালপোৱা, সৌহাৰ্দ্য আৰু ভ্ৰাতৃত্ববোধ প্ৰকাশ কৰিলে।

আপোনালোকক অনেক ধন্যবাদ।



# THE PATH TO PEACE— JUST RELATIONS BETWEEN NATIONS

CAPITOL HILL
WASHINGTON, D.C., USA, 2012





The first Muslim Congressman, Keith Ellison meeting Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Brad Sherman (Democratic member of the United States House of Representatives) presenting American flag to Ḥaḍrat Khalīfatul-Masīḥ V[aba]




Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] delivers his keynote address at U.S. Capitol Hill



Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] leading silent prayer at U.S. Capitol Hill



Ḥaḍrat Khalīfatul-Masīḥ V[aba] during his official tour of U.S. Capitol Hill



Ḥaḍrat Khalīfatul-Masīḥ V[aba] in U.S. Capitol Hill after his historic address to the US Statesmen and Bureaucrats

# বিশ্ব সংকট তথা শান্তিৰ পথ

## ভূমিকা

**২৭** জুন **২০১২** বৰ্ষত ৱাশ্বিংটন চি চিৰ কেপিটেল হিল (সংসদ ভৱন)ত মছীহ  মাওউদ (আঃ)ৰ পঞ্চম খলিফা আৰু আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ শীৰ্ষ স্থানীয় কংগ্ৰেছ সদস্য, ছিনেটৰ, ৰাষ্ট্ৰদূত, হোৱাইট হাউছ আৰু ডিপাৰ্টমেণ্টৰ কৰ্মকৰ্তা, এন জি.অ'নেতা, ধৰ্মীয় নেতা, অধ্যাপক, নীতিৰ বিষয়ে পৰামৰ্শক, আমোলা, কূটনীতিবিদ, বিভিন্ন থিংক টেংক আৰু পেণ্টাগণৰ প্ৰতিনিধি আৰু মিডিয়াৰ পক্ষৰ পৰা উপস্থিত সাংবাদিকসকলৰ উদ্দেশ্য বক্তৃতা প্ৰদান কৰে। অভূতপূৰ্ব এই সভাখনত যুক্তৰাষ্ট্ৰ অতি প্ৰভাৱশালী নেতাসকলৰ কেইজনমান-যিসকলৰ মাজত আছিল হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভ্‌ছৰ ডেমোক্ৰেটিক দলৰ নেতা সন্মানীয় নেন্সী পেলোছি আদিৰ বাবে বিশ্বশান্তি সম্পৰ্কত ইছলামৰ বাণী  শুনাৰ সুযোগ প্ৰদান কৰা হয়। অনুষ্ঠানৰ পিছত হুজুৰ (আইঃ)ক কেপিটেল হিল (সংসদ) ভৱন প্ৰদৰ্শন কৰা হয়, ইয়াৰ পিছত সন্মানেৰে হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভ্‌ছলৈ নিয়া হয়, তাত তেওঁ যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ সন্মানাৰ্থে
এক  সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সিদ্ধান্তৰ ভূমিকা হ'ল—

" আহমদীয়া মুছলিম সম্প্ৰদায়ৰ আধ্যাত্মিক আৰু প্ৰশাসনিক প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদক ৱাশ্বিংটন ডি.ছি.ত আদৰণি জনাইছে আৰু বিশ্বশান্তি, অহিংসতা, মানৱাধিকাৰ, ধৰ্মীয় স্বাধীনতা আৰু গণতন্ত্ৰ প্ৰতিষ্ঠাৰ তেওঁৰ নিবেদিত আপ্ৰাণ প্ৰচেষ্টাক স্বীকৃতি জনাইছে..."

কেপিটেল হিলৰ অনুষ্ঠানটোত উপস্থিত অতিথিসকলৰ তালিকা এনেধৰণৰ—

– U.S. SENATOR ROBERT CASEY, SR. (DEMOCRAT PENNSYLVANIA)
– U.S. SENATOR JOHN CORNYN (REPUBLICAN TEXAS)
- DEMOCRATIC LEADER NANCY PELOSI (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSMAN KEITH ELLISON (DEMOCRAT MINNESOTA)
- U.S. CONGRESSMAN BRADLEY SHERMAN (DEMOCRAT CALIFORNIA)

- U.S. CONGRESSMAN FRANK WOLF (REPUBLICAN VIRGINIA)
- U.S. CONGRESSMAN MICHAEL HONDA (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSMAN TIMOTHY MURPHY (REPUBLICANPENNSYLVANIA)
- U.S. CONGRESSWOMAN JEANNETTE SCHMIDT (REPUBLICAN OHIO)
- U.S. CONGRESSWOMAN JANICE HAHN (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSWOMAN JANICE SCHAKOWSKY (DEMOCRAT ILLINOIS)
- U.S. CONGRESSWOMAN JACKIE SPEIER (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSWOMAN ZOE LOFGREN (DEMOCRAT CALIFORNIA
- U.S. CONGRESSWOMAN SHEILA JACKSON LEE (DEMOCRAT TEXAS)
- U.S. CONGRESSMAN GARY PETERS (DEMOCRAT MICHIGAN)
- U.S. CONGRESSMAN THOMAS PETRI (REPUBLICAN WISCONSIN)
- U.S. CONGRESSMAN ADAM SCHIFF (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSMAN MICHAEL CAPUANO(DEMOCRATMASSACHUSETTS
- U.S. CONGRESSMAN HOWARD BERMAN (DEMOCRATCALIFORNIA)
- U.S. CONGRESSWOMAN JUDY CHU (DEMOCRAT CALIFORNIA)
- U.S. CONGRESSMAN ANDRE CARSON (DEMOCRAT INDIANA)
- U.S. CONGRESSWOMAN LAURA RICHARDSON (DEMOCRAT CALIFORNIA
- U.S. CONGRESSMAN LLOYD POE (REPUBLICAN TEXAS)
- U.S. CONGRESSMAN BARNEY FRANK (DEMOCRAT MASSACHUSETTS)
- U.S. CONGRESSMAN. BRUCE BRALEY (DEMOCRAT IOWA)
- U.S. CONGRESSMAN DENNIS KUCINICH (DEMOCRAT OHIO)
- U.S. CONGRESSMAN TRENT FRANKS (REPUBLICAN

ARIZONA)
- U.S. CONGRESSMAN CHRIS MURPHY (DEMOCRAT CONNECTICUT)
- U.S. CONGRESSMAN HANK JOHNSON (DEMOCRAT GEORGIA)
- U.S. CONGRESSMAN JAMES CLYBURN (DEMOCRAT SOUTHCAROLINA)
- HIS EXCELLENCY BOCKARI KORTU STEVENS, AMBASSADOR OF SIERRA LEONE TO THE UNITED STATES
- DR. KATRINA LANTOS SWETT, CHAIRWOMAN,UNITED STATES COMMISSION ON INTERNATIONAL RELIGIOUS FREEDOM
- HON. TIM KAINE, FORMER GOVERNOR OF VIRGINIA
- AMB. SUSAN BURK, SPECIAL REPRESENTATIVE OF PRESIDENT BARACK OBAMA FOR NUCLEAR NONPROLIFERATION
- AMB. SUZAN JOHNSON COOK, U.S. AMBASSADOR AT LARGE FOR INTERNATIONAL RELIGIOUS FREEDOM
- HON. KHALED ALJALAHMA, DEPUTY CHIEF OF MISSION, EMBASSY OF THE KINGDOM OF BAHRAIN TO THE UNITED STATES
-REV.MONSIGNORJEAN-FRANCOIS LANTHEAUME, FIRSTCOUNSELOR(DEPUTY CHIEF OF MISSION), THE APOSTOLIC NUNCIATURE OF THE HOLY SEE TO THE UNITED STATES
- MS. SARA AL-OJAILI, PUBLIC AFFAIRS/LIAISON OFFICER, EMBASSY OF THE SULTANATE OF OMAN TO THE UNITED STATES
- MR. SALIM AL KINDIE, FIRST SECRETARY, EMBASSY OF THE SULTANATE OF OMAN TO THE UNITED STATES
- MS. FOZIA FAYYAZ, EMBASSY OF PAKISTAN TO THE UNITED STATES
- HON. SAIDA ZAID, COUNSELOR, EMBASSY OF MOROCCO TO THE UNITED STATES
- HON. NABEEL MUNIR, MINISTER-IV (SECURITY COUNCIL],PAKISTAN PERMANENT MISSION TO THE UNITED NATIONS
- HON. JOSEF RENGGLI, MINISTER-COUNSELOR, EMBASSY OF SWITZERLAND TO THE UNITED STATES

- HON. ALYSSA AYRES, DEPUTY ASSISTANT SECRETARY FOR SOUTH AND CENTRAL ASIA, U.S. DEPARTMENT OF STATE
- AMB. KARL INDERFURTH, SENIOR ADVISER AND WADHWANI CHAIR IN U.S.-INDIA POLICY STUDIES, CENTER FOR STRATEGIC AND INTERNATIONAL STUDIES
- HON. DONALD A. CAMP, SENIOR ASSOCIATE, CENTER FOR STRATEGIC AND INTERNATIONAL STUDIES
- AMB. JACKIE WOLCOTT, EXECUTIVE DIRECTOR, U.S. COMMISSION ON INTERNATIONAL RELIGIOUS FREEDOM
- DR. AZIZAH AL-HIBRI, COMMISSIONER, U.S. COMMISSION ONINTERNATIONAL RELIGIOUS FREEDOM - MR. ISAIAH LEGGETT, COUNTY EXECUTIVE, MONTGOMERY COUNT,MARYLAND
- MS. VICTORIA ALVARADO, DIRECTOR, OFFICE OF INTERNATIONAL RELIGIOUS FREEDOM, U.S. DEPARTMENT OF STATE
- DR. IMAD DEAN AHMAD, DIRECTOR, MINARET OF FREEDOM INSTITUTE
- DR. ZAINAB ALWANI, ASSISTANT PROFESSOR OF ISLAMIC STUDIES, HOWARD UNIVERSITY SCHOOL OF DIVINITY
- MS. DEBORAH L. BENEDICT, ASSOCIATE COUNSEL, U.S. CITIZENSHIP AND IMMIGRATION SERVICES, DEPARTMENT OF HOMELAND SECURITY
- MS. LORA BERG, SENIOR ADVISER TO SPECIAL REPRESENTATIVE TO MUSLIM COMMUNITIES, U.S. DEPARTMENT OF STATE
- DR. CHARLES BUTTERWORTH, PROFESSOR (EMERITUS) OF GOVERNMENT AND POLITICS, UNIVERSITY OF MARYLAND,COLLEGE PARK
- FATHER JOHN CROSSIN, EXECUTIVE DIRECTOR FOR SECRETARIAT FOR ECUMENICAL AND INTERRELIGIOUS AFFAIRS, UNITED STATES CONFERENCE OF CATHOLIC BISHOPS
- MAJOR (RET.) FRANZ GAYL, SENIOR SCIENCE ADVISER, U.S. MARINE CORPS.
-DR. SUE GURAWADENA-VAUGHN, DIRECTOR OF INTERNATIONAL RELIGIOUS FREEDOM AND SOUTH EAST ASIA PROGRAMS, FREEDOM HOUSE
- MR. FRANK JANNUZI, HEAD OF WASHINGTON OFFICE, AMNESTY INTERNATIONAL USA

- MR. T. KUMAR, INTERNATIONAL ADVOCACY DIRECTOR, AMNESTY INTERNATIONAL USA
- GEORGE LEVENTHAL, MEMBER OF THE MONTGOMERY COUNTY COUNCIL
- MR. AMER LATIF, VISITING FELLOW, WADHWANI CHAIR IN U.S.-INDIA POLICY STUDIES, CENTER FOR STRATEGIC AND INTERNATIONAL STUDIES
- MR. TIM LENDERKING, DIRECTOR OF PAKISTAN AFFAIRS, U.S. STATE DEPARTMENT
- MR. JALAL MALIK, INTERNATIONAL AFFAIRS OFFICER, U.S. ARMY NATIONAL GUARD
- MR. NAVEED MALIK, FOREIGN SERVICE OFFICER, U.S. DEPARTMENT OF STATE
- MS. DALIA MOGAHED, SENIOR ANALYST AND EXECUTIVE DIRECTOR, GALLUP CENTER FOR MUSLIM STUDIES
- MR. PAUL MONTEIRO, ASSOCIATE DIRECTOR, WHITE HOUSE OFFICE OF PUBLIC ENGAGEMENT
- MAJOR GENERAL DAVID QUANTOCK, UNITED STATES ARMY PROVOST GENERAL
- MS. TINA RAMIREZ, DIRECTOR OF INTERNATIONAL AND GOVERNMENT RELATIONS, THE BECKET FUND
- RABBI DAVID SAPERSTEIN, DIRECTOR AND COUNSEL, RELIGIOUS ACTION CENTER FOR REFORM JUDAISM
- CHAPLAIN, BRIGADIER GENERAL ALPHONSE STEPHENSON,DIRECTOR OF THE NATIONAL GUARD BUREAU OFFICE OF THE CHAPLAIN
- MR. KNOX THAMES, DIRECTOR OF POLICY AND RESEARCH,U.S.COMMISSION ON INTERNATIONAL RELIGIOUS FREEDOM
- MR. ERIC TREENE, SPECIAL COUNSEL FOR RELIGIOUS DISCRIMINATION, CIVIL RIGHTS DIVISION, U.S. DEPARTMENT OF JUSTICE
- DR. HASSAN ABBAS, PROFESSOR, REGIONAL AND ANALYTICAL STUDIES DEPARTMENT, NATIONAL DEFENSE UNIVERSITY
- MR. MALIK SIRAJ AKBAR, REAGAN-FASCELL FELLOW, NATIONAL ENDOWMENT FOR DEMOCRACY
-MR. MATTHEW K. ASADA, CONGRESSIONAL FELLOW TO REP. GARY PETERS
- MS. STACY BURDETT, DIRECTOR OF GOVERNMENT AND

NATIONAL AFFAIRS, ANTI-DEFAMATION LEAGUE

- MS. ELIZABETH CASSIDY, DEPUTY DIRECTOR FOR POLICY AND RESEARCH, U.S. COMMISSION ON INTERNATIONAL RELIGIOUS FREEDOM
- MS. AIMEE CHIU, DIRECTOR OF MEDIA, COMMUNICATION, AND PUBLIC RELATIONS, AMERICAN ISLAMIC CONGRESS
- MR. CORNELIUS CREMIN, DEPARTMENT OF STATE,BUREAU OF DEMOCRACY, HUMAN RIGHTS AND LABOR, ACTING DEPUTY DIRECTOR AND FOREIGN AFFAIRS OFFICER FOR PAKISTAN
- MR. SADANAND DHUME, RESIDENT FELLOW, AMERICAN ENTERPRISE INSTITUTE
- DR. RICHARD GATHRO, DEAN OF NYACK COLLEGE, WASHINGTON D.C.
- MR. JOE GRIEBOSKI, CHAIRMAN, THE INSTITUTE ON RELIGION AND PUBLIC POLICY
-MS. SARAH GRIEBOSKI, THE INSTITUTE ON RELIGION AND PUBLIC POLICY
- DR. MAX GROSS, ADJUNCT PROFESSOR, PRINCE ALWALEED BIN TALAL CENTER FOR MUSLIM-CHRISTIAN UNDERSTANDING, GEORGETOWN UNIVERSITY
- DR.RIAZ HAIDER, CLINICAL PROFESSOR OF MEDICINE,GEORGEWASHINGTON UNIVERSITY
- MS. HUMA HAQUE, ASSISTANT DIRECTOR, SOUTH ASIA CENTER, ATLANTIC COUNCIL
- MR. JAY KANSARA, ASSOCIATE DIRECTOR, HINDU AMERICAN FOUNDATION
- MR. HAMID KHAN, SENIOR PROGRAM OFFICER, RULE OF LAW CENTER, U.S. INSTITUTE FOR PEACE
- MS.VALERIE KIRKPATRICK,ASSOCIATE FOR REFUGEES AND U.S.ADVOCACY, HUMAN RIGHTS WATCH
- MR. ALEX KRONEMER, UNITY PRODUCTIONS
- MR. PAUL LIBEN, EXECUTIVE WRITER,U.S. COMMISSION ONINTERNATIONAL RELIGIOUS FREEDOM
- MS. AMY LILLIS, FOREIGN AFFAIRS OFFICER, U.S. DEPARTMENT OF STATE
- MR. GRAHAM MASON,LEGISLATIVE ASSISTANT TO REP.ALLYSON SCHWARTZ
- MS. LAUREN MARKOE, RELIGION NEWS SERVICE

- MR. DAN MERICA, CNN.COM
- MR. JOSEPH V. MONTVILLE, SENIOR ASSOCIATE, MERRIMACK COLLEGE CENTER FOR THE STUDY OF JEWISH-CHRISTIAN-MUSLIM RELATIONS
- MR. AARON MYERS, PROGRAM OFFICER, FREEDOM HOUSE
- MS. ATTIA NASAR, REGIONAL COORDINATING OFFICER, U.S. DEPARTMENT OF STATE
- MS. MELANIE NEZER, SENIOR DIRECTOR, US POLICY AND ADVOCACY, HIAS
- DR. ELLIOTT PARRIS, BOWIE STATE UNIVERSITY
- MR. JOHN PINNA, DIRECTOR OF GOVERNMENT AND INTERNATIONAL RELATIONS, AMERICAN ISLAMIC CONGRESS
- MR. ARIF RAFIQ, ADJUNCT SCHOLAR, MIDDLE EAST INSTITUTE
- MS. MAYA RAJARATNAM, AMNESTY INTERNATIONAL
- MS. RACHEL SAUER, FOREIGN AFFAIRS OFFICER, U.S. DEPARTMENT OF STATE
- DR. JEROME SCHIELE, DEAN OF COLLEGE OF PROFESSIONAL STUDIES, BOWIE STATE UNIVERSITY
- MS. SAMANTHA SCHNITZER, STAFF, UNITED STATES COMMISSION ON INTERNATIONAL RELIGIOUS FREEDOM
- DR. MARY HOPE SCHWOEBEL, SENIOR PROGRAM OFFICER, ACADEMY FOR INTERNATIONAL CONFLICT MANAGEMENT AND PEACEBUILDING, U.S. INSTITUTE FOR PEACE
- MS. SARAH SCHLESINGER, INTERNATIONAL AND GOVERNMENT RELATIONS ASSOCIATE, THE BECKET FUND
- DR. FRANK SELLIN, KYRGYSTAN DESK OFFICER, U.S.DEPARTMENT OF STATE
- MS. ANNA-LEE STANGL, CHRISTIAN SOLIDARITY WORLDWIDE
- MS. KALINDA STEPHENSON, PROFESSIONAL STAFF, TOM LANTOS HUMAN RIGHTS COMMISSION
- MR. JORDAN TAMA, LEAD DEMOCRATIC STAFFER, TOM LANTOS HUMAN RIGHTS COMMISSION
- MR. SHAUN TANDON, AFP
- DR. WILHELMUS VALKENBERG, PROFESSOR OF RELIGION

AND CULTURE, THE CATHOLIC UNIVERSITY OF AMERICA
- MR. ANTHONY VANCE, DIRECTOR OF EXTERNAL AFFAIRS, BAHA'IS OF THE UNITED STATES
- MR. JIHAD SALEH WILLIAMS, GOVERNMENT AFFAIRS REPRESENTATIVE, ISLAMIC RELIEF USA
- MS. AMELIA WANG, CHIEF OF STAFF TO CONGRESSWOMAN JUDYCHU
- MS. MOH SHARMA, LEGISLATIVE FELLOW TO CONGRESSWOMAN
JUDY CHU

# যুক্তৰাষ্ট্ৰ কংগ্ৰেছ- হাউছ ৰেজলিউশ্বন
# ৭০৯

**112 TH CONGRESS H.RES. 709**
**2 D SESSION**

Welcoming His Holiness,Hahrat Mirza Masroor Ahmed, the worldwide spirutual and administrative head of the Ahmadiyya Muslim Community, to Washington, Imman right ,religious freedom, and democracy

**IN THE HOUSE OF REPRESENTATIVE**

JUNE 27,2012

Ms Zoe Lofgren of California (for herself,Mr.CONNOLLY of Virginia,Mr.Hinchey,Ms Honda. Mr.Wolf.Mr.Peters.Mr.Dent.Ms.CHU.Mr. Berman,Mr Franks of Arizona, Ms.Jackson Lee of Taxas, Ms.Schwartz, Mr, Braley of Iowa and Mr.MeGovern Submited the following resolution,which was referred to the Committe on Foreign Affairs

**RESOLUTION**

Welcoming His Holiness,Hadhrat Mirza Masroor Ahmed, the worldwide spiritual and administrative head of the Ahmadiyya Muslim Community, to Washington, DC. recognizing his commitment to world peace,justice non violence, human right, religious freedom, and democacy.

Whereas, from june 16, 2012 to july 2, 2012, His Holiness, Hadhrat Mirza Masroor Ahmed,the worldwide spiritual and administrative head of the Ahmadiyya Muslim Community,an international religious organization with milions of members across the globe, is making a historie visit to the United States;
Whereas His Holiness was elected to become fifth Khalifa to Mirza Ghulam Ahmad.a lifelong position. on april 22,2003.

Whereas His Holiness is a leading Muslim figure premoting peace, who in his sermons, Lectures,books and personal meetings has continually advocated the Ahmadiyya values of service to humanity,universal human right, and a peacefull and just society;

Whereas the Ahmadiyya Muslim Cummunity has suffered repeated hardships,including discrimination,persecution,and violence;

Whereas, on May 28, 2010, 86 Ahmadi Muslims were killed in Lahore. Pakistan, when two mosques belonging to the Ahmadiyya Muslim Community were attacked by anti Ahmadiyya terroists; Whereas His Holiness has traveled globally to promote and facilitate service to humanity, meeting with presidents,prime minister, parliamentarians,and ambassadors of state;

Whereas during his visit to the United Sates.His Holiness will meet thousands of American Muslims in addition to significant United States Government leaders in order to strengthen relationships and find means of eastablishing peace and justice for all peaple ;and

Whereas, on the morning of june 27, 2012, His Holiness will deliver the keynote adress at special bipartisan reception at the Rayburn House Office Building on Capital Hill, “The Path to Peace: Just Relations Between Nations’’Now therefore,be it

1.Resolved, That the House of Representatives

2. Welcome His Holiness,Mirza Masroor ahmed to washington,DC;

3. Commends his holiness for promoting individual and world peace,as well as individual and world justice; and

4 Commends his holiness for his perseverance in counseling Ahmadi Muslims to eschew any form of violence,even

in the face of severe persecution.

HRES 709 IH

# শান্তিৰ পথ—
# ৰাষ্ট্ৰসমূহৰ মাজত সুবিচাৰপূৰ্ণ সম্পৰ্ক

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম-আল্লাহৰ নামত, যি অযাচিত অসীম দাতা, বাৰে বাৰে দয়াকাৰী।
আছছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু।
সকলো সন্মানিত অতিথিবৃন্দ-আপোনালোক সকলোৰে ওপৰত আল্লাহৰ ফালৰ পৰা শান্তি আৰু আশীষ বৰ্ষিত হওঁক'
আপোনালোকে মূল্যৱান সময় ব্যয় কৰি মোৰ ভাষণ শুনিবলৈ আহিছে— সেয়ে প্ৰথমতে মই আপোনালোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক এনে এটা বিষয়ত ভাষণ দিয়াৰ বাবে অনুৰোধ কৰা হৈছে যিটো অতি ব্যাপক। ইয়াৰ বহু দিশ আছে। সেয়ে মোৰ পক্ষত এই সংক্ষিপ্ত সময়ত বিষয়টোৰ সকলো দিশ প্ৰতিফলিত কৰাটো সম্ভৱ নহয়। যিটো বিষয়ৰ ওপৰত মোক আলোকপাত কৰিবলৈ দিয়া হৈছে, সেয়া হ'ল— বিশ্বত শান্তি প্ৰতিষ্ঠাৰ উপায়।' আজিৰ বিশ্বৰ বাবে এয়া নিঃসন্দেহে এটা অতি গুৰুত্বপূৰ্ণ আৰু অপৰিহাৰ্য বিষয়। সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই "ৰাষ্ট্ৰসমূহৰ মাজত সাম্য আৰু ন্যায়ৰ ভিত্তি পাৰস্পাৰিক সুসম্পৰ্ক সৃষ্টিত ইছলামী শিক্ষা"— এই প্ৰসংগত সংক্ষেপত মোৰ ভাষণ দাঙি ধৰিম।

প্ৰকৃততে শান্ত আৰু ন্যায় প্ৰতিষ্ঠা পৰস্পৰৰ বাবে অনিবাৰ্য। ইয়াক বাদ দি আনটো অৰ্জন কৰিব নোৱাৰি। লগতে এই নীতি জ্ঞানী আৰু বিবেকৱান ব্যক্তি মাত্ৰই অনুধাবন কৰে। নৈৰাজ্য সৃষ্টিত বদ্ধপৰিকৰ কিছুলোক বাদ দি কোনোৱে এই কথা দাবী কৰি ক'ব নোৱাৰে, অমুক সমাজ বা দেশত অথবা সমগ্ৰ পৃথিৱীত ন্যায় আৰু সুবিচাৰ প্ৰতিষ্ঠিত হোৱাৰ পিছতো তাত অশান্তি আৰু অৰাজকতাই বিৰাজ কৰিছে। তথাপিও মই বিশ্বৰ বিভিন্ন স্থানত বিশৃংখলা আৰু অশান্তিৰ ৰাজত্ব বিৰাজ কৰা দেখিছোঁ। বিভিন্ন দেশৰ ভিতৰত আৰু

# বিশ্ব সংকট তথা শান্তিৰ পথ

আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত এনে নৈৰাজ্য পৰিলক্ষিত হৈছে। সকলো চৰকাৰৰ ন্যায়-নীতিৰ ভিত্তিত তেওঁলোকৰ নীতি নিৰ্ধাৰণৰ দাবী থকাৰ পিছতো এই বিশৃংখলা আৰু বিবাদ বিদ্যমান। অথচ সকলোৱে দাবী কৰে, শান্তি প্ৰতিষ্ঠা হ'ল আমাৰ মূল লক্ষ্য। কিন্তু সাৰ্বিক দৃষ্টিত বিশ্বত যি অস্থিৰতা আৰু উৎকণ্ঠা বাঢ়ি চলিছে আৰু ইয়াৰ ফলত  নৈৰাজ্য বিয়পি পৰিছে-ইয়াত বিন্দু মাত্ৰ সন্দেহ নাই। এয়া পৰিষ্কাৰ ভাবে প্ৰমাণিত হৈছে—এই প্ৰক্ৰিয়া বাস্তবায়নৰ কোনো পৰ্যায়ত ন্যায়-নীতিক বিসৰ্জন দিয়া হৈছে। সেয়ে য'ত যেতিয়াই বৈষম্যতা চকুত পৰে তাক দূৰ কৰা তথা উদ্দেশ্য সম্ভাব্য সকলো চেষ্টা কৰা একান্ত অপৰিহাৰ্য। সেয়ে নিখিল বিশ্ব আহমদীয়া মুছলিম জামাতৰ প্ৰধান হিচাপে, ন্যায়ৰ ভিত্তিত শান্তি প্ৰতিষ্ঠাৰ অপৰিহাৰ্যতা আৰু শান্তি অৰ্জনৰ উপায় সম্পৰ্কত মই কিছু কথা ক'ব বিচাৰো। আহমদীয়া মুছলিম জামাত সম্পূৰ্ণ ভাবে এটা ধৰ্মীয় সংগঠন। আমাৰ দৃঢ় বিশ্বাস হ'ল যে যি মছীহ আৰু সংস্কাৰক এই যুগত আবিৰ্ভাব হ'ব আৰু বিশ্বক ইছলামৰ প্ৰকৃত শিক্ষাই  আলোকিত কৰাৰ কথা আছিল, তেওঁ সঁচাকৈ আহিছে। আমি বিশ্বাস কৰো, আমাৰ জামাতৰ পৱিত্ৰ প্ৰতিষ্ঠাতা কাদিয়ান নিৱাসী হজৰত মিৰ্জা গোলাম আহমদ(আঃ) হ'ল সেই প্ৰতিশ্ৰুত মছীহ আৰু সংস্কাৰক। সেই কাৰণে আমি তেওঁক গ্ৰহণ কৰিছোঁ। আমি তেওঁৰ শিক্ষাৰ আলোকত পৱিত্ৰ কোৰাণৰ অনুশাসন মানি চলি আৰু ইছলামৰ সেই প্ৰকৃত আৰু সত্য শিক্ষা প্ৰচাৰ কৰো যাৰ ভিত্তি হ'ল পৱিত্ৰ কোৰাণ।

সেয়ে শান্তি প্ৰতিষ্ঠা আৰু ন্যায়ভিত্তিক আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক স্থাপনৰ প্ৰসংগত মই যি কম সেয়া হ'ব কোৰাণৰ শিক্ষাৰ আলোকত।

বিশ্বত শান্তি অৰ্জনৰ লক্ষ্যত আপোনালোকে নিয়মিত ভাবে অভিমত ব্যক্ত কৰে আৰু নিঃসন্দেহ বহুতো উদ্যোগ গ্ৰহণ কৰিছে। আপোনলোকৰ সৃজনশীল আৰু বুদ্ধিদীপ্ত মন-মানসিকতা মহৎ-ধ্যান-ধাৰণা, পৰিকল্পনাই শান্তি স্থাপনৰ বিভিন্ন ৰূপৰেখা উপস্থাপনত সহায় কৰে। সেয়েএই বিষয়ে জাগতিক বা ৰাজনৈতিক দিশত মোৰ আলোকপাত কৰাৰ কোনো কাৰণ নাই, ধৰ্মীয় শিক্ষাৰ আলোকত কিদৰে শান্তি প্ৰতিষ্ঠা কৰিব পাৰি সেয়াই হ'ব মোৰ আলোচনাৰ মূল বিষয়বস্তু। লগতে আগতে উল্লেখ কৰিছোঁ- এই উদ্দেশ্য পৱিত্ৰ কোৰাণৰ শিক্ষাৰ আলোকত মই অতি গুৰুত্বপূৰ্ণ কিছু দিক-নিৰ্দেশিকা উপস্থাপন কৰিম।

# শান্তিৰ পথ- ৰাষ্ট্ৰসমূহৰ মাজত.....

এই কথা সকলো সময়তে মনত ৰখা উচিত, মানবীয় জ্ঞান আৰু মেধাত্ব ত্ৰুটিমুক্ত নহয়,ইয়াৰ বহুতো সীমাৱদ্ধতা আছে। সেয়ে সিদ্ধান্ত লোৱাৰ বা চিন্তা-চৰ্চাৰ ৰূপৰেখা নিৰ্ধাৰণৰ সময়ত, প্ৰায়ে নিৰ্দিষ্ট কিছু বিষয় মানৱ হৃদয়ত অনুপ্ৰৱেশ কৰি বিচাৰ ক্ষমতাক কলুষিত কৰিব পাৰে আৰু ইয়াৰ পৰিণতিত মানুহে ব্যক্তি-স্বাৰ্থ চৰিতাৰ্থ কৰাৰ কামত লিপ্ত হ'ব পাৰে। চূড়ান্ত পৰ্যায়ত এয়া অন্যায়ৰ ফলাফল নিৰ্ধাৰণ আৰু অন্যায় সিদ্ধান্ত গ্ৰহণলৈ পৰ্যবসিত হ'ব পাৰে। কিন্তু আল্লাহৰ আইন নিখুঁত, স্বাৰ্থসিদ্ধিহীন বা অন্যায়ৰকোনো উপকৰণ থাকিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল— আল্লাহে, তেওঁৰ সৃষ্টিৰ বাবে কেৱল মঙ্গল কামনা কৰে আৰু সেয়ে তেওঁৰ আইন সম্পূৰ্ণ ভাবে ন্যাৰ্য। পৃথিৱীৰ মানুহে যিদিনা এই গুৰুত্বপূৰ্ণ সত্যটো অনুধাবন কৰিবলৈ সক্ষম হ'ব, সেইদিনা প্ৰকৃত আৰু স্থায়ী শান্তিৰ কাঠোমো ৰচিত হ'ব।

প্ৰথম বিশ্ব যুদ্ধৰ পৰিসমাপ্তিত, বহুকেইখন নেতাই ভৱিষ্যতে বিশ্বত সকলো জাতিৰ মাজত শান্তি আৰুসৌহাৰ্দপূৰ্ণ সম্পৰ্কৰ আকাঙ্খা পোষণ কৰে। বিশ্বত শান্তি স্থাপনৰ সপোনলৈ 'লীগ অৱ নেছনছ' প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ মূল লক্ষ্য আছিল সমগ্ৰ বিশ্বত শান্তি বজাই ৰখা আৰু ভৱিষ্যতে যুদ্ধ প্ৰতিহত কৰা। দুঃখজনক ভাবে, ইয়াৰ সংবিধান আৰু প্ৰস্তাৱনাবোৰত ইমান ত্ৰুটি আৰু দুৰ্বলতা আছিল যি সমভাবে সকলো মানুহক আৰু সকলো জাতিক অধিকাৰ প্ৰদানত ব্যৰ্থ হৈছিল। সেই কাৰণে বহু দেশ এখনৰ পিছত আনখন লীগৰ পৰা আঁতৰি গৈছিল। ইয়াত বিৰাজ কৰা সেই অসাম্যতাৰ বাবে দীৰ্ঘম্যাদী শান্তি অৰ্জন সম্ভৱ হোৱা নাছিল। 'লীগ'ৰ প্ৰচেষ্টা ব্যৰ্থ হয় আৰু সমগ্ৰ বিশ্বক দ্বিতীয় যুদ্ধৰ দিশে ঠেলি দিয়ে। আমি সকলো এই বিশ্বযুদ্ধৰ ফলত সৃষ্টি হোৱা ভয়াবহ ধ্বংসযজ্ঞৰ সম্পৰ্কতবিদিত। ইয়াৰ বাবে সমগ্ৰ বিশ্বত ৭৫ মিলিয়ন মানুহৰ প্ৰাণ হানি হৈছিল, যাৰ অধিকাংশ অসামাৰিক নিৰীহ জনসাধাৰণ।

এই যুদ্ধ বিশ্ববাসীৰ চকু মুকলি কৰাৰ বাবে যথেষ্ট আছিল। ই ন্যায় আৰু সাম্যৰ ভিত্তিত সকলো পক্ষৰ প্ৰাপ্য অধিকাৰ নিশ্চিত কৰি এনে বিচক্ষণ নীতি নিৰ্ধাৰণৰ উপলক্ষ হোৱা উচিত আছিল যি বিশ্বত শান্তি প্ৰতিষ্ঠাৰ এক দৃষ্টান্ত হ'ব পাৰে। তৎকালীন বিশ্বৰ ৰাষ্ট্ৰবোৰে শান্তি প্ৰতিষ্ঠাৰ বিভিন্ন উদ্যোগ গ্ৰহণ কৰে আৰু এনেভাবে 'ৰাষ্ট্ৰসংঘ'ই প্ৰতিষ্ঠা লাভ কৰে কিন্তু অচিৰেই এই

কথা স্পষ্ট হৈ পৰে যি মহান লক্ষ্য অৰ্জনৰ উদ্দেশ্য ৰাষ্ট্ৰসংঘৰ যাত্ৰা আৰম্ভ হৈছিল আজিও তাক অৰ্জন কৰিব পৰা নাই। অৰ্থাৎ কেইবাখনো ৰাষ্ট্ৰৰ পৰা প্ৰদত্ত অকপট বিবৃতিয়ে নিঃসন্দেহে ইয়াৰ ব্যৰ্থতা স্পষ্টভাবে প্ৰমাণ কৰিছে। প্ৰশ্ন উত্থাপন হ'ল, ন্যায় আৰু সমতাৰ ভিত্তিত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক স্থাপনৰ বাবে আৰু শান্তি স্থাপনৰ বিষয়ে ইছলামৰ ভাষ্য কি? পৱিত্ৰ কোৰাণৰ **৪৯** নম্বৰ চুৰাৰ **১৪** নম্বৰ আয়াত সৰ্বশক্তিমান আল্লাহে এই কথা স্পষ্টভাবে বৰ্ণনা কৰিছে মানুহৰ জাতিগত ভিন্নতা বা কৃষ্টিগত পাৰ্থক্য আমাৰ পৰিচিত এটা মাধ্যমহে মাত্ৰ, কিন্তু ই কাৰো ওপৰত আন কাৰোবাৰ শ্ৰেষ্ঠত্ব কোনোভাবেই সাব্যস্ত বা প্ৰদান নকৰে। কোৰাণত স্পষ্ট ভাবে কোৱা হৈছে, সকলো মানুহ জন্মগতভাবে সমান। তদুপৰি মহানবী হজৰত মোহাম্মদ (ছাঃ)য়ে তেওঁৰ শেষ ভাষণত সকলো মুছলমানক চিৰকালে মনত থোৱাৰ নিৰ্দেশ প্ৰদান কৰি কৈছিল- কেতিয়াও এজনে আনজনৰ ওপৰত কোনো ধৰণৰ শ্ৰেষ্ঠত্ব দাবী নকৰিবা। তেওঁ লগতে কয়— এজন আৰববাসী আনজনৰ অনাৰববাসীৰ তুলনাত শ্ৰেষ্ঠ নহয়, আন এজন অনাৰব আনজন আৰবীয়ৰ তুলনাত কোনো ধৰণৰ শ্ৰেষ্ঠ কৰা হোৱা নাই। এজন বগা (সোন্দৰ্যবান) মানুহ ক'লা (কুঞ্চিত) মানুহৰ তুলনাত শ্ৰেষ্ঠ নহয়। গতিকে সকলো জাতি আৰু সকলো বৰ্ণৰ মানুহ সমান-এয়া ইছলামৰ সুস্পষ্ট শিক্ষা। লগতে এই কথাও স্পষ্ট যে সকলো মানুহক কোনো বৈষম্য নথকাকৈ আৰু পক্ষপাতহীনভাবে সমাধিকাৰ প্ৰদান কৰা উচিত। এয়া হৈছে বিভিন্ন দল আৰু জাতিৰ মাজত সম্প্ৰতি আৰু শান্তি প্ৰতিষ্ঠাৰ মূল আৰু অপৰিহাৰ্য সূত্ৰ।

কিন্তু আজি মই শক্তিশালী আৰু দুৰ্বল জাতিসমূহৰ মাজত পাৰস্পৰিক বিভেদ আৰু বৈষম্য দেখিবলৈ পাইছোঁ। উদাহৰণস্বৰূপে, ৰাষ্ট্ৰসংঘত বিভিন্ন দেশৰ মাজত মই বৈষম্য লক্ষ্য কৰো। অনুৰূপ ভাবে, নিৰাপত্তা পৰিষদ কিছু 'স্থায়ী' সদস্য আছে আৰু কিছু 'অস্থায়ী' সদস্য আছে। এই বিভাজন উদ্বেগ আৰু হতাশাৰ আভ্যন্তৰীণ এটা কাৰণ হিচাপে প্ৰমাণিত আৰু আমাৰ প্ৰায় কেইখন মান দেশ এই অসাম্যৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ দেখিবলৈ পাইছোঁ।

ইছলাম ধৰ্মই সকলো ক্ষেত্ৰত সঠিক ন্যায় প্ৰতিষ্ঠাৰ আৰু সমতাৰ শিক্ষা দিয়ে। আমি পৱিত্ৰকোৰাণৰ **৫** নম্বৰ চুৰাৰ **৩** নং আয়াতত আন এটা

গুৰুত্বপূৰ্ণ দিক নিৰ্দেশনা দেখিবলৈ পাইছোঁ। এই আয়াতত কোৱা হৈছে, ন্যায়ৰ দাবী সমানভাবে ৰাখিবলৈ হ'লে এনে লোকৰ লগতো ন্যাৰ্য আৰু সাম্যৰ আচৰণ কৰা আৱশ্যক যি ঘৃণা আৰু শত্ৰুতা প্ৰদৰ্শনৰ সকলো সীমা অতিক্ৰম কৰে। লগতে পৱিত্ৰ কোৰাণৰ শিক্ষা হ'ল, য'ত যি তোমালোকৰ কল্যাণ আৰু পুণ্যৰ দিশে আহ্বান কৰে তোমালোকে তাক গ্ৰহণ কৰা উচিত। আনহাতে যি এই ক্ষেত্ৰত পাপ আৰু অন্যায় কৰিবলৈ তোমালোকক পৰামৰ্শ দিয়ে, তোমালোকে তাক প্ৰত্যাখান কৰা উচিত। এই ক্ষেত্ৰত স্বাভাবিক ভাবে প্ৰশ্ন উঠে ইছলামে যে ন্যায়পৰায়ণতাৰ কথা উল্লেখ কৰে, ইয়াৰ মানদণ্ড কি? পৱিত্ৰ কোৰাণৰ **৪** নং চুৰাৰ **১৩৬** নং আয়াতত কোৱা হৈছে, কাৰোবাক যদি নিজকে নিজৰ বিৰুদ্ধে বা তেওঁৰ পিতৃ-মাতৃৰ বিৰুদ্ধে বা তেওঁৰ অতি প্ৰিয় কাৰোবাৰ বিৰুদ্ধে সাক্ষী দিব লগা হয়, ন্যায় আৰু সত্যক (পৱিত্ৰতা) ৰক্ষাৰ বাবে তেওঁ এই কাম কৰা উচিত।

নিজৰ অধিকাৰৰ নামত শক্তিশালী আৰু উন্নত দেশবোৰে দৰিদ্ৰ আৰু দুৰ্বল দেশবোৰৰ প্ৰাপ্য অধিকাৰ খৰ্ব কৰা উচিত নহয় আৰু দৰিদ্ৰ জাতিবোৰৰ প্ৰতি অন্যায় আচৰণ কৰাৰ পৰাও বিৰত থাকিব লাগে। ইয়াৰ লগতে দৰিদ্ৰ আৰু দুৰ্বল জাতিবিলাকে শক্তিশালী বা উন্নত জাতিবিলাকৰ কোনো ধৰণৰ ক্ষতি সাধন কৰাৰ সুযোগ সন্ধান কৰা উচিত নহয়। সঁচা অৰ্থত, এয়া আন্তঃৰাষ্ট্ৰীয় শান্তি-সৌহাৰ্দ বজাই থোৱাৰ বাবে এটা গুৰুত্বপূৰ্ণ বিষয়। ন্যায় নীতিৰ ভিত্তিত বিশ্বৰ বিভিন্ন জাতিৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাবে আন এটা চৰ্তৰ বিষয়ে পৱিত্ৰ কোৰাণত **১৫** নং চুৰাৰ **৮৯** নং আয়াতত কোৱা হৈছে। সেয়া হ'ল, কোনো পক্ষই যেন আনপক্ষৰ সম্পদ আৰু ধনৰ প্ৰতি ঈৰ্ষা বা লোভৰ দৃষ্টি নিদিয়ে। একেদৰে, এখন দেশে আন দেশৰ পক্ষৰ পৰা আন এখন দেশক সহায় বা সমৰ্থন দানৰ মিছা অজুহাতত তেওঁলোকৰ সম্পদ অন্যায় ভাবে গ্ৰাস বা কুক্ষিগত কৰাৰ চেষ্টা কৰা উচিত নহয়। সেইধৰণে আনৰ দুৰ্বলতাৰ সুযোগলৈ ৰাষ্ট্ৰসমূহক কাৰিকৰী আৰু প্ৰযুক্তিগত সহায় প্ৰদানৰ নামত তেওঁলোকক ভাৰ সাম্যহীন ব্যৱসায়িক লেনদেন বা চুক্তিত বাধ্য কৰা উচিত নহয়। একেধৰণে কাৰীকৰি দক্ষতা বৃদ্ধিৰ বা সহায় প্ৰদানৰ নামত উন্নত ৰাষ্ট্ৰবোৰে উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ প্ৰাকৃতিক সম্পদ আৰু সম্পতি নিজৰ

নিয়ন্ত্ৰণলৈ অনাৰ ফন্দি পতাটো উচিত নহয়। নিজৰ প্ৰাকৃতিক সম্পদ কিদৰে যথাযথ ব্যৱহাৰ কৰিব লাগে তাক স্বল্প শিক্ষিত সমাজ বা চৰকাৰক শিকোৱা উচিত। জাতি আৰু ৰাষ্ট্ৰৰ দায়িত্ব হ'ল, সমাজৰ বঞ্চিত শ্ৰেণীক সেৱা আৰু সহায় কৰা। গতিকে এই ধৰণৰ সেৱা জাতীয় বা ৰাজনৈতিক সুবিধা অৰ্জনৰ বাবে বা নিজৰ স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্য যেন নহয়।

লক্ষ্য কৰিলে দেখা যায় যোৱা ছয়-সাত দশক ধৰি ৰাষ্ট্ৰসংঘই দৰিদ্ৰ দেশবোৰৰ উন্নয়নত সহায় কৰাৰ লক্ষ্যৰে বিভিন্ন কৰ্মসূচী বা প্ৰতিষ্ঠান গঢ়ি তুলিছে। এই প্ৰচেষ্টাত তেওঁলোকে উন্নয়নশীল দেশবোৰত প্ৰাকৃতিক সম্পদ উদঘাটন কৰিছে। গতিকে সকলো প্ৰচেষ্টাৰ সত্বেও কোনো দৰিদ্ৰ দেশে উন্নত বিশ্বৰ সমপৰ্যায়ত উপনীত হ'ব পৰা নাই। ইয়াৰ অন্যতম এটা কাৰণ হ'ল, এইবিলাক দৰিদ্ৰ দেশৰ শাসকৰ ব্যাপক দুৰ্নীতি। যদিও দুঃখেৰে মই ক'ব লগা হৈছে উন্নত দেশবোৰে তেওঁলোকে নিজৰ স্বাৰ্থত ইয়াৰ পিছতো এইবিলাক চৰকাৰৰ লগত লেনদেন অব্যাহত ৰাখিছে। এওঁলোকৰ লগত বাণিজ্যিক লেনদেন, আন্তঃৰাষ্ট্ৰীয় সহায় আৰু ব্যৱসায়িক চুক্তিৰ ধাৰা অব্যাহত ৰাখিছে। ইয়াৰ ফলত সমাজৰ মাজত হতাশা আৰু অস্থিৰতা ক্ৰমাগতভাবে বাঢ়িছে যি এইবিলাক দেশত বিদ্ৰোহ আৰু আভ্যন্তৰীণ নৈৰাজ্য সৃষ্টি কৰিছে। উন্নয়নশীল দেশবোৰৰ দৰিদ্ৰ জনগণ ইয়াত অধিক হতাশাগ্ৰস্ত হৈ পৰিছে, যাৰ ফলত তেওঁলোক একমাত্ৰ নিজৰ নেতাসকলৰ ওপৰতে ক্ষুব্ধ নহয়, পশ্চিমীয়া দেশসমূহৰ ওপৰতো ভীষণ ক্ষুব্ধ। এনে অৱস্থাত চৰমপন্থী দলবিলাকৰ হাত শক্তিশালী হৈছে- যি এই হতাশাৰ সুযোগ গ্ৰহণ কৰি হতাশাগ্ৰস্ত লোকক তেওঁলোকৰ দলৰ মাজলৈ অনাৰ চেষ্টা কৰিছে আৰু তেওঁলোকৰ ঘৃণা সৰ্বস্ব মতবাদৰ পক্ষত সমৰ্থন আদায়ত সক্ষম হৈছে। ইয়াৰ চূড়ান্ত পৰিণতিত বিশ্ব শান্তি ধ্বংস হৈ পৰিছে। ইছলামে আমাৰ মনযোগ শান্তি প্ৰতিষ্ঠাৰ উপায় উপকৰণৰ প্ৰতি আকৰ্ষণ কৰে। সেয়ে বিচাৰে অকৃত্ৰিম ন্যায়পৰায়ণতা। ইয়াৰ বাবে সকলো সময়তে সত্য সাক্ষ্য প্ৰদান কৰাটো অপৰিহাৰ্য। আমি যেন আন কোনো সম্প্ৰদায়ৰ প্ৰতি লোভৰ দৃষ্টি নিক্ষেপ নকৰাটো হ'ল ইয়াৰ দাবী। উন্নত দেশবোৰে নিজৰ স্বাৰ্থসিদ্ধি চেতনা ত্যাগ কৰি অনুন্নত আৰু দৰিদ্ৰ জাতিসমূহক সহায় আৰু সেৱা কৰাৰ প্ৰেৰণা দিয়াটো আন এটা দাবী। এইবিলাক দিশ যদি মানি চলা হয় কেৱল তেতিয়াই সঁচাকৈ শান্তি প্ৰতিষ্ঠা হ'ব পাৰে।

# শান্তিৰ পথ- ৰাষ্ট্ৰসমূহৰ মাজত.....

মনত ৰাখিব, অন্যায় আৰু অবিচাৰ বিৰাজ থাকিলে কেতিয়াও শান্তি প্ৰতিষ্ঠা হ'ব নোৱাৰে। তথাপি কোনো দেশে যদি সকলো ক্ষেত্ৰতে সীমালংঘন কৰে আৰু অন্য দেশক আক্ৰমণ কৰে আৰু অন্যায় ভাবে সেই দেশৰ সম্পদ কৰায়ত্ত কৰিবলৈ বিচাৰে, তেনেহ'লে এই নিষ্ঠুৰতা কম কৰাৰ বাবে দেশবোৰে অৱশ্যে পদক্ষেপ গ্ৰহণ কৰা উচিত। কিন্তু এই কামত তেওঁলোকৰ সৰ্বদা ন্যায়নীতিৰ বিষয়টো নিশ্চিত কৰিব লাগিব। ইছলামী শিক্ষানুসৰি যিবোৰ পৰিস্থিতিত এনে ব্যৱস্থা গ্ৰহণ কৰিব লগা হয় তাক সুবিস্তাৰে কোৰাণৰ চুৰা নং ৪৯ আয়াত ১০ নম্বৰত উল্লেখ আছে। পৱিত্ৰ কোৰাণে শিক্ষা দিয়ে, যেতিয়া দুটা জাতিয়ে পৰস্পৰ বিবাদত লিপ্ত হৈ পৰে আৰু তেওঁলোকৰ বিবাদ যুদ্ধলৈ পৰ্যবসিত হয়, তেতিয়া অন্য চৰকাৰে তেওঁলোকক কথা-বতৰাৰ মাজেৰে আৰু দ্বিপাক্ষিক স্বাৰ্থ সংশ্লিষ্ট আলোচনাৰ প্ৰতি বলপূৰ্বকভাবে আহ্বান জনাব যেন তেওঁলোকে আলাপ-আলোচনাৰ মাধ্যমে সমস্যা নিষ্পতি কৰি এটা সন্ধি বা মীমাংসাৰত উপনীত হ'ব পাৰে। তথাপিও যদি কোনো এটা পক্ষই চুক্তিৰ চৰ্ত মানিব নিবিচাৰে আৰু যুদ্ধ আৰম্ভ কৰে, তেনেহ'লে আগ্ৰসীক বাধা দিয়াৰ বাবে দেশবোৰে সন্মিলিত ভাবে যুদ্ধ কৰা উচিত। আগ্ৰসী জাতি যেতিয়া পৰাজিত হয় আৰু পাৰস্পৰিক আলোচনাত বহিবলৈ সন্মত হয় তেতিয়া সকলো পক্ষই এনে এটি মীমাংসাত উপনীত হোৱাৰ বাবে কাম কৰা উচিত যি দীৰ্ঘ ম্যাদী শান্তি আৰু মীমাংসাৰ পথ সুগম কৰিব। কোনো জাতিক বশ কৰাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ আৰু অন্যায় কোনো চৰ্ত আৰোপ কৰা উচিত নহয়। কিয়নো দীৰ্ঘম্যাদী ফলাফল হ'ল অস্থিৰতা, যি অধিক বীভৎস ৰূপধাৰণ কৰিব আৰু বিস্তৃত হ'ব। পৰিণাম হৈ পৰিব অধিক নৈৰাজ্য।

তৃতীয় কোনো চৰকাৰে যদি বিবদমান দুই পক্ষৰ মাজত মীমাংসাৰ চেষ্টা কৰে, তাক উচিত ভাবে পূৰ্ণ আন্তৰিকতা আৰু নিৰপক্ষতাৰ সৈতে কৰিব লাগিব। এই নিৰপক্ষতা তেতিয়াও বিদ্যমান থাকিব লাগিব যেতিয়া কোনো পক্ষই ইয়াৰ বিৰুদ্ধাচৰণ কৰে। এনে পৰিস্থিতিত তৃতীয় পক্ষই কোনো ক্ষোভ প্ৰকাশ কৰা উচিত নহয়। সকলো পক্ষক নিজৰ যথাযথ অধিকাৰ প্ৰদান কৰাটো বাঞ্চনীয়। শান্তি প্ৰক্ৰিয়াত যিবিলাক দেশে ন্যায়বিচাৰৰ দাবী পূৰণৰ লক্ষ্যৰে মধ্যস্থতা কৰে, তেওঁলোকে নিজৰ স্বাৰ্থ চৰিতাৰ্থ কৰা বা অন্যায় ভাবে চেষ্টা কৰাৰ পৰা বিৰত থকা উচিত।

অন্যায় হস্তক্ষেপ বা কোনো দেশৰ প্ৰাকৃতিক সম্পদ অন্যায় ভাবে ভোগ কৰাৰ সুযোগ গ্ৰহণ কৰা উচিত নহয়। দেশবোৰৰ বিৰুদ্ধে অনাৱশ্যক আৰু অন্যায় নিষেধাজ্ঞ আৰোপ কৰা উচিত নহয়। কিয়নো এয়া এফালে সঠিক, আনফালে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক উন্নয়নত এইবিলাকে সহায়ক ভূমিকা পালন নকৰে।

সময়ৰ সীমাৱদ্ধতাৰ বাবে বিষয়বোৰ সংক্ষেপত উল্লেখ কৰিলোঁ। এক কথাত, আমি যদি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰো, তেনেহ'লে আমাক বৃহত্তৰ স্বাৰ্থ অৰ্জনৰ লক্ষ্যত ব্যক্তিগত আৰু জাতীয় স্বাৰ্থক ত্যাগ কৰিব লাগিব। ইয়াৰ পৰিৱৰ্তে পাৰস্পৰিক সম্পৰ্কৰ ভেটি গঢ়িব লাগিব পূৰ্ণ ন্যায়পৰায়ণ ভাবে। অন্যথা আপোনালোক প্ৰায়ে এই বিষয়ত একমত হ'ব, অদূৰ ভৱিষ্যতে নতুন নতুন জোট আৰু খণ্ড সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। অৰ্থাৎ এনেদৰে কোৱা উচিত, এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে যাৰ ফলশ্ৰুতিত নৈৰাজ্য বৃদ্ধি হৈ এটা পৰ্যায়ত ই এক বিপুল ধ্বংসযজ্ঞৰ ৰূপ লাভ কৰিব পাৰে। এনেধৰণৰ ধ্বংসযজ্ঞ আৰু যুদ্ধৰ কুফলে নিশ্চিত ভাবে প্ৰজন্মৰ পৰম্পৰাত প্ৰকাশিত হৈ থাকিব। গতিকে বিশ্বৰ সৰ্ববৃহৎ গোষ্ঠী হিচাপে মাৰ্কিন যুক্তৰাষ্ট্ৰই প্ৰকৃত ন্যায়-নিষ্ঠাৰে কাম কৰা উচিত। সেইবোৰ মহান লক্ষ্যত কাম কৰা উচিত যিবোৰ মই ইতিমধ্যে বৰ্ণনা কৰিছোঁ। এনে কৰিলে সমগ্ৰ জগতবাসীয়ে সকলো সময়তে আপোনালোকৰ এই মহান প্ৰচেষ্টাক গভীৰ শ্ৰদ্ধাৰে মনত ৰাখিব। মই দোৱা কৰিছোঁ, আমাৰ এই আশাই যেন বাস্তৱ ৰূপ লাভ কৰে (আমীন)।

আপোনালোক সকলোলৈকে অশেষ ধন্যবাদ। আমাৰ ৰীতি অনুসৰি অনুষ্ঠানৰ শেষত আমি সাধাৰণতেঃ সমবেত ভাবে নিৰবে দোৱা কৰি থাকো। সেয়ে মই ইয়াত দোৱা পৰিচালনা কৰিম আৰু আহমদীসকল মোক অনুসৰণ কৰিব। আপোনলোক সকলোৰে, আমাৰ অতিথিসকলে নিজা ৰীতি অনুসৰি প্ৰাৰ্থনা কৰিব পাৰে।



# THE KEY TO PEACE—GLOBAL UNITY

EUROPEAN PARLIAMENT
BRUSSELS, BELGIUM, 2012





Ḥaḍrat Khalīfatul-Masīḥ V[aba] being welcomed by Martin Schulz, President of European Parliament




His Holiness leading silent prayer at conclusion of the European Parliament event.
Seated to his right: Dr. Charles Tannock (MEP-UK), left: Rafiq Hayat (National Amir AMA UK)




Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] delivers the keynote address at the European Parliament event





Press Conference with Ḥaḍrat Khalīfatul-Masīḥ V[aba] at European Parliament. Seated with His Holiness is Dr. Charles Tannock (MEP-UK and Chair of European Parliament Friends of Ahmadiyya Muslims Group)



Tunne Kelam (MEP Estonia & Vice-Chair of European Parliament Friends of Ahmadiyya Muslims Group) meeting with His Holiness



Phil Bennion (MEP West Midlands and member of European Parliament's South Asia Delegation) meeting with His Holiness



# পটভূমি

**২০১২** চনৰ **৩** তথা **৪** ডিচেম্বৰত নিখিল বিশ্ব আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰধান তথা মছীহ  মাওউদ (আঃ)ৰ পঞ্চম খলিফা হজৰত খলীফাতুল মছীহ আল-খামেছ (আইঃ) ব্ৰাছেল্‌ত অৱস্থিত ইউৰোপীয় সংসদ ভৱনত প্ৰথমবাৰৰ বাবে পৰিভ্ৰমণ কৰে। য'ত **৩০** খন দেশৰ প্ৰতিনিধত্বকাৰীয়ে **৩৫০**ৰো অধিক অতিথিৰে পৰিপূৰ্ণ সমৱেশত এক ঐতিহাসিক ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোৰ আয়োজক আছিল ড° চাৰ্লছ টেনক (এম.ই.পি-যুক্তৰাজ্য)ৰ সভাপতিত্বত নৱগঠিত সৰ্বদলীয় ইউৰোপীয় সাংসদ গোট 'ফ্ৰেণ্ডছ অৱ আহমদীয়া মুচলিমছ'। এয়া সাংসদসকলৰ এটা সৰ্বদলীয় গোট আৰু সমগ্ৰ ইউৰোপতে গোটটোৰ প্ৰভাৱ আছে। এই গোটে আহমদীয়া মুছলিম সম্প্ৰদায়ক তুলি ধৰা আৰু ইউৰোপ আৰু বিশ্বৰ আন অংশত সেৱা আগবঢ়োৱাৰ বাবে গঠন কৰা হৈছে। ভ্ৰমণৰ সময় হজৰত মিৰ্জা মছৰুৰ আহমদ ((আইঃ) বহুকেইবাৰ বিশিষ্ট ব্যক্তিবৰ্গ আৰু সাংসদসকলৰ লগত সাক্ষাৎকাৰত মিলিত হয়। যি সকলক সাক্ষাৎ কৰিছিল সেইসকলৰ মাজত আছিল—

Dr. Charles Tannock (MEP-UK)—Member of the European Parliament Foreign Affairs Committee, Member of the Sub-Committee on Human Rights, Vice-Chair of the Parliamentary Delegation for relations with the NATO Parliamentary Assembly and Chair of the European Parliament Friends of Ahmadiyya Muslims Group.

Tunne Kelam (MEP-Estonia)—Member of the European Parliament's Foreign Affairs Committee, the Sub-Committee on

Security and Defence and Vice-Chair of the European Parliament Friends of Ahmadiyya Muslims Group.
Claude Moraes (MEP-UK)—Vice-Chair of the Delegation for Relations with the Arab Peninsula, Member of the Committee on Civil Liberties, Justice and Home Affairs, Deputy Leader of the European Parliamentary Labour Party and Vice-Chair of the European Parliament Friends of Ahmadiyya Muslims Group.
Barbara Lochbihler (MEP-Germany)—Chair of the European Parliament Sub-Committee on Human Rights.
Jean Lambert (MEP-UK)—Chair of the European Parliament South Asia Delegation.
Phil Bennion (MEP-UK)—Member of the European Parliament South Asia Delegation and Chairman of the LibDem European Group.

৪ডিচেম্বৰ **২০১২** ত মূল অনুষ্ঠান তথা হুজুৰ(আইঃ)য়ে মূল ভাষণ দিয়াৰ আগতে সংবাদ কোঠাত এখন আন্তঃৰাষ্ট্ৰীয় সাংবাদিক সন্মিলন অনুষ্ঠিত হয়। যুক্তৰাজ্য, স্পেইন, ফ্ৰান্স, বেলজিয়াম, পাকিস্তান আৰু আন আন দেশৰ সাংবাদিক আৰু সংবাদ প্ৰতিষ্ঠানৰ উপস্থিতিত চল্লিশ মিনিটৰ দীঘলীয়া এখন সাংবাদিক সন্মিলনত হুজুৰে (আইঃ) সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। বিশ্বত ইছলামৰ ভূমিকা সম্পৰ্কত বি. বি. ছিৰ এক প্ৰশ্নৰ উত্তৰত হুজুৰে কয়— " ইছলামৰ শান্তি বাণী একোটা সাৰ্ব-জনীন বাণী, যাৰ কাৰণে আমাৰ মূলমন্ত্ৰ 'ভালপোৱা সকলোৰে বাবে, ঘৃণা নহয় কাৰোৰে বাবে।" [Love for All, Hatred for None] এজন স্পেইনিছ সংবাদ প্ৰতিনিধিৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়— সকলো ডাঙৰ ডাঙৰ ধৰ্মই তেওঁলোকৰ আদি ৰূপত শান্তিৰ বাণী শিক্ষা প্ৰদান কৰিছে আৰু সেয়ে প্ৰকৃত মুছলমানসকলে নবীৰ ওপৰত বিশ্বাস ৰাখে। তেওঁ কয় যে প্ৰত্যেক নবীয়ে এই বাৰ্তালৈ আনিছে যে খোদা এক। মাল্টাৰ মিডিয়াৰ এজন প্ৰতিনিধিৰ প্ৰশ্ন উত্তৰত কয় — আহমদীয়া মুছলমানসকলৰ দায়িত্ব হ'ল মানৱজাতিক খোদাতা'লাৰ ওচৰ চপাই নিয়া আৰু পৃথিৱীৰ মানুহক এজনক আনজনৰ অধিকাৰ ৰক্ষাৰ দায়িত্বৰ বিষয়ে সচেতন কৰা।

# পটভূমি

মূল অনুষ্ঠানৰ সময়ত সভাস্থল দৰ্শকে পৰিপূৰ্ণ আছিল। ইউৰোপীয় ‘পাৰ্লামেণ্ট অৱ আহমদীয়া গ্ৰুপ’ৰ সভাপতি আৰু সহ-সভাপতি বৃন্দ মঞ্চত নিখিল বিশ্ব আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ(আইঃ)ক সম্বৰ্ধনা জ্ঞাপন কৰে। ইউৰোপীয় সংসদ সভাপতি মাৰ্টিন শূলজ এম.ই. পিয়ে হজুৰ (আইঃ) মূল ভাষণৰ পূৰ্বে কেইজনমান সাংসদ, দৰ্শকক উদ্দেশ্য কৰি বক্তব্য প্ৰদান কৰে আৰু আহমদীয়া মুছলিম জামাতৰ দ্বাৰা প্ৰচাৰিত শান্তিপূৰ্ণ ইছলামৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধাবোধৰ বিষয়ে ব্যক্ত কৰে। ইউৰোপীয় পাৰ্লামেণ্ট ফ্ৰেডছ অৱ আহমদীয়া মুছলিম গ্ৰুপৰ সভাপতি ডঃ চাৰ্লছ টেনকে কয়— “ আহমদী মুছলমানসকসে বিশ্বত সহিষ্ণুতাৰ এক স্বাগত উদাহৰণ”। আমি ইয়াত নিখিল বিশ্ব আহমদীয়া মুছলিম জামাতৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ আল-খামেছ (আই.) ৰ ঐতিহাসিক মূল ভাষণটো দাঙি ধৰিছোঁ।

# শান্তিৰ চাবিকাঠি— বিশ্ব ঐক্য

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম দয়ালু পৰম দাশীল আল্লাহৰ নামত।
সকলো সন্মানিত অতিথিবৰ্গঃ
আছ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু— আপোনালোক সকলোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

প্ৰথমতে মই এই অনুষ্ঠানৰ আয়োজকক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো যি ইয়ালৈ ইউৰোপীয় পাৰ্লামেণ্টলৈ মোক আমন্ত্ৰণ কৰি কিছু কথা কোৱাৰ সুযোগ প্ৰদান কৰিলে। লগতে মই ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো সেইসকল সন্মানিত অতিথি বৃন্দক যিসকলে বিভিন্ন প্ৰতিনিধি হিচাপে উপস্থিত হৈছে আৰু আন আন অতিথি বৃন্দ যিসকলে এই অনুষ্ঠানত উপস্থিত হোৱাৰ বাবে বহু কষ্টৰ স্বীকাৰ কৰিব লগা হৈছে।

যিসকল আহমদীয়া মুছলিম জামাত বা সম্প্ৰদায়ৰৰ লগত ঘনিষ্ঠ ভাবে পৰিচিত আননালাগে সেইসকল যি তুলনামূলক ভাবে কম ঘনিষ্ঠ ভাবে পৰিচিত কিন্তু আহমদীৰ সৈতে একক ৰূপে যোগাযোগ আছে, তেওঁলোক এই বিষয়ে সম্পূৰ্ণ সচেতন হৈ থাকিব যে, এটা সম্প্ৰদায় হিচাপে আমি সদায় শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠাৰ বিষয়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো। লগতে নিশ্চত ভাবে আমাৰ সাধ্যৰ ভিতৰত নিজস্ব লক্ষ্য অৰ্জনৰ বাবে পূৰ্ণ প্ৰচেষ্টা কৰি থাকো।

আহমদীয়া মুছলিম জামাতৰ প্ৰধান হিচাপে যেতিয়াই সুযোগ লাভ কৰো মই তেতিয়াই নিয়মিত ভাবে এই বিষয়বোৰৰ ওপৰত আলোচনা কৰো। মই যে শান্তি আৰু পাৰস্পৰিক সৌহাৰ্দ্যৰ বিষয়ে উল্লেখ কৰি থাকো, সেয়া এই বাবে নহয় যে আহমদীয়া সম্প্ৰদায়ৰ মাজত কোনো নতুন শিক্ষাৰ আগমন ঘটিছে। যদিও এয়া নিশ্চিত ভাবে সত্য যে আহমদীয়া জামাতৰ প্ৰতিষ্ঠাপক আৰ্বিভাবৰ প্ৰধান উদ্দেশ্য আছিল শান্তি আৰু বুজাবুজি প্ৰতিষ্ঠা কৰা, প্ৰকৃতপক্ষে আমাৰ সকলো কামৰ মূল সেই শিক্ষাৰ মাজত নিহিত যি ইছলামৰ প্ৰতিষ্ঠাতা মহানবী হজৰত মোহাম্মদ(ছাঃ)ৰ ওচৰত আৰ্বিভূত হৈছিল।

# বিশ্ব সংকট তথা শান্তিৰ পথ

মহানবীৰ এই যুগৰ পৰৱৰ্তী চৌধ্যশ বছৰত, দুৰ্ভাগ্যক্ৰমে তেওঁৰ প্ৰণীত পৱিত্ৰ শিক্ষাক মুছলমানৰ গৰিষ্ঠ সংখ্যকে দীৰ্ঘদিনে ভুল কৰি আহিছিল।তেওঁলোকে ইছলামৰ নুৰ জাগৰণৰ উদ্দেশ্য সৰ্বশক্তিমান আল্লাহৰ মহানবী(ছাঃ)ৰ ভৱিষ্যবাণী অনুযায়ী আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতা হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)ক প্ৰেৰণ কৰে। আমি যেতিয়া বিশ্ব শান্তি আৰু সম্প্ৰীতিৰ প্ৰসাৰ লগতে ইছলামৰ শিক্ষাৰ বিষয়ে কথা ক'বলৈ যাও, তেতিয়া মোৰ অনুৰোধ যে এই বিষয়টোৰ প্ৰতি আপোনালোকে দৃষ্টি পাত কৰিব।

লগতে মই উল্লেখ কৰা প্ৰয়োজন বুলি ভাবিছো যে 'শান্তি' আৰু 'নিৰাপত্তা'ৰ একাধিক দিশ আছে। যিদৰে ইয়াৰ প্ৰতিটো দিশে আংগিক সত্বাত গুৰুত্ব বহন কৰে, ইয়াৰ লগতে যিভাবে এই আংগিকবোৰ পৰস্পৰ সম্পৰ্কযুক্ত সেয়াও অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে সমাজৰ শান্তিৰ মূল ভিত্তি পৰিয়াল বা ঘৰৰ শান্তি আৰু সৌহাৰ্দ। ঘৰৰ পৰিৱেশৰ প্ৰভাব ঘৰৰ মাজতেই সীমাৱদ্ধ নহয়, বৰঞ্চ ইয়াৰ প্ৰভাৱ স্থানীয় এলেকাৰ শান্তিৰ ওপৰত পৰে, যি পুনৰ পৰ্যায়ক্ৰমে বৃহত্তৰ চহৰ বা নগৰৰ শান্তিৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে। যদি ঘৰত অশান্তি থাকে, তেতিয়া সি স্থানীয় এলেকাৰ ওপৰত নেতিবাচক প্ৰভাব পেলাব আৰু সেয়াই চহৰ বা নগৰৰ ওপৰত প্ৰভাব পেলাব। একেদৰে চহৰ বা নগৰৰ অৱস্থাই সমগ্ৰ দেশৰ শান্তিৰ ওপৰত প্ৰভাব পেলাব আৰু শেষত জাতিৰ অৱস্থা সমগ্ৰ অঞ্চল বা সম্পূৰ্ণ বিশ্বৰ শান্তিৰ আৰু সম্প্ৰীতিক প্ৰভাৱিত কৰিব। গতিকে এয়া স্পষ্ট যে আপুনি শান্তিৰ কোনো এটা আংগিককলৈ আলোচনা কৰিব বিচাৰে, তেতিয়া তাৰ পৰিধি সীমিত হৈ নাথাকে, সেয়া ক্ৰমান্বয়ে বিস্তৃত হৈ থাকিব। একেদৰে আমি দেখিছো যে, য'ত শান্তিৰ অভাৱ,তাত বিদ্যমান সমস্যা আৰু শান্তি-নিৰাপত্তা যি আংগিক লংঘিত হৈছে তাৰ ভিতি বিষয়টো পৰ্যালোচনা কৰাৰ বাবে ভিন্ন পদ্ধতি অৱলম্বন কৰাটো প্ৰয়োজন। এই বিষয়টোত মনযোগ দিলে এয়া স্পষ্ট হৈ পৰে যে এই বিষয়বোৰ পূণাংগ আলোচনা কৰি ইয়াৰ বিস্তাৰিত সমাধান প্ৰদান কৰাৰ বাবে আমাৰ হাতত যি আছে তাতকৈ বহু অধিক সময়ৰ প্ৰয়োজন। তথাপি মই ইছলামৰ প্ৰকৃত শিক্ষাৰ অন্তত কিছু দিশ উপস্থাপন কৰাৰ চেষ্টা কৰিম।

# শান্তিৰ চাবি-কাঠি বিশ্ব ঐক্য

আধুনিক পৃথিৱীত আমি লক্ষ্য কৰো যে, ইছলামৰ বিৰুদ্ধে বহুতো আপত্তি উত্থাপন কৰা হয় আৰু বিশ্বত বিদ্যমান বিশৃংখলা আৰু অস্থিৰতাৰ বাবে এই ধৰ্মক দায়ী কৰা হয়। যদিও 'ইছলাম' শব্দটোৰ অৰ্থই 'শান্তি' আৰু 'নিৰাপত্তা' তথাপি এনেধৰণৰ অভিযোগ উত্থাপন হৈ থাকে। ইয়াৰোপৰি, ইছলাম সেই ধৰ্ম যি শান্তি প্ৰতিষ্ঠাৰ উপায় সম্পৰ্কত সুনিৰ্দিষ্ট দিক নিৰ্দেশনা দিছে আৰু ইয়াক অৰ্জনৰ বাবে নিৰ্দিষ্ট কিছুমান বিধি-বিধান দিয়া হৈছে। ইছলামৰ প্ৰকৃত আৰু শান্তিপূৰ্ণ শিক্ষাৰ এখন ছবি আপোনালোকৰ সন্মুখত উপস্থাপনৰ বিষয়ে অগ্ৰসৰ হোৱাৰ আগতে মই বিশ্বৰ বৰ্তমান অৱস্থা সম্পৰ্কত সংক্ষিপ্ত আলোচনা কৰিব বিচাৰো। মই নিশ্চিত যে, আপোনালোক ইতিমধ্যে এই বিষয়ত সম্যকভাৱে অৱগত তাৰ পিছতো মই ইয়াৰ অৱতাৰণা কৰিম, যেন মই যেতিয়া ইছলামৰ শান্তি আৰু সৌহাৰ্দ শিক্ষাৰ আলোচনা কৰিম তেতিয়া আপোনালোকৰ দৃষ্টিপটত বিষয়বোৰ থাকে। আমি সকলো এই বিষয়ত সচেতন আৰু স্বীকাৰ কৰো যে আজি পৃথিৱী এখন গাঁৱত পৰিণত হৈছে, আমি সকলো নানান ভাবে সংযুক্ত সেয়া আজিৰ যুগৰ আধুনিক পৰিবহন ব্যৱস্থাৰ মাধ্যমেই হওঁক অথবা মিডিয়া বা ইণ্টাৰনেট বা আন বিবিধ মাধ্যমেই হওঁক। এই সকলোবিলাক কাৰণতে অতীতৰ যিকোনো সময়তকৈ বৰ্তমান বিশ্বত দেশবোৰ এখন-আনখনৰ অতি ওচৰৰ হৈ পৰিছে। আমি দেখিছো গুৰুত্বপূৰ্ণ দেশবোৰত সকলো গোত্ৰ, ধৰ্ম, জাতি সত্বাৰ লোকসকল স্থায়ী ভাবে বসতি স্থাপন কৰিছে আৰু একেলগে আছে। সঁচাকৈ আজি বহুদেশত বিভিন্ন দেশৰ পৰা আহি অভিবাসন গ্ৰহণ কৰা লোকৰ সংখ্যা যথেষ্ট উল্লেখযোগ্য। অভিবাসন গ্ৰহণকাৰীসকল সমাজৰ মাজত এনেদৰে গ্ৰোথিত হৈ গৈছে যে চৰকাৰ বা স্থানীয় জনগণৰ পক্ষে তেওঁলোকক আঁতৰ কৰাটো অতি অসম্ভৱ হৈ উঠিছে। যদিও অভিবাসনৰ সুযোগকে সংকীৰ্ণ কৰাৰ চেষ্টা কৰা হৈছে আৰু কিছু কিছু সীমাৱদ্ধতাও আৰোপ কৰা হৈছে। তথাপি এনে কিছুমান উপায় থাকি গৈছে যাৰ জড়িয়তে এখন দেশৰ নাগৰিক আন দেশত প্ৰৱেশ কৰিব পাৰিছে। বস্তুতঃ অবৈধ অনুপ্ৰৱেশক যদি বাদ দিয়া হয়, আমি দেখিছো যে কিমানবোৰ আন্তঃৰাষ্ট্ৰীয় আইন বিদ্যমান যি যথাৰ্থ কাৰণত যিসকলে দেশ ত্যাগ কৰিবলৈ বাধ্য হয় সেই সকলৰ সপক্ষে কাম কৰে।

# বিশ্ব সংকট তথা শান্তিৰ পথ

মই আৰু লক্ষ্য কৰিছোঁ যে, গণ অভিবাসনৰ ফলত কোনো কোনো দেশত অস্থিৰতা আৰু টনা -আজোৰাৰ সৃষ্টি হৈছে। ইয়াৰ বাবে উভয়পক্ষই দায়ী- অভিবাসী আৰু স্থায়ীজনগণ। এফালে অভিবাসীসকলৰ একাংশ তেওঁলোকৰ নতুন দেশৰ সমাজৰ লগত একাত্ম হ'বলৈ অস্বীকৃতি জনাই স্থানীয়সকলক উচতাই দিয়া হয়, আনহাতে স্থানীয় সকলৰ একাংশৰ মাজত সহিষ্ণুতা আৰু উন্মুক্ত হৃদয়ৰ অভাব পৰিলক্ষিত হয়। সময়ে সময়ে এই ঘৃণা বাঢ়ি বাঢ়ি অতি মাৰাত্মক পৰ্যায়ত উপনীত হয়। বিশেষকৈ, পাশ্চত্য জগতত কিছুমান মুছলমান বিশেষকৈ অভিবাসীসকলৰ নেতিবাচক আচৰণৰ কাৰণে স্থানীয়সকলৰ ঘৃণা আৰু শত্ৰুতা বহু সময়ত ইছলামৰ বিৰুদ্ধে প্ৰকাশিত হয়। এই ক্ষোভ তথা প্ৰতিক্ৰিয়া কেৱল ক্ষুদ্ৰ মাত্ৰাত সীমিত নহয়, বৰঞ্চ চৰম পৰ্যায় উপনীত হ'ব পাৰে ,হৈয়ো থাকে, সেই কাৰণেই পাশ্চত্য নেতৃবৰ্গই এই সমস্যাকলৈ বক্তব্য প্ৰদান কৰি থাকে। অৰ্থাৎ আমি দেখিছো যে কেতিয়াবা জাৰ্মান চেন্সেলৰ মুছলমানসকল জাৰ্মানীৰ লগত একাত্ম হোৱাৰ বিষয়ে কয়, কেতিয়াবা আমি দেখো যুক্তৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰী মুছলমানসকলৰ সমাজত একাত্ম হোৱাৰ প্ৰয়োজনীয়তা কথা কয়, লগতে কোন কোন দেশৰ নেতৃবৃন্দই মুছলমানক ভাবুকিলৈকে দিছে। বিদ্যামান সংঘাতবোৰৰ ভিতৰৰ অৱস্থা গুৰুতৰ অৱনতি হৈ থাকিলেও অন্ততঃ উদ্বেগজনক পৰ্যায়ত উপনীত হৈছে। এই বিষয়বোৰ উত্তপ্ত হৈ উঠিব পাৰে আৰু শান্তিক বিনষ্ট কৰাৰ পথলৈ নিব পাৰে। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই যে এনে সংঘাতৰ প্ৰভাৱ পশ্চিমা জগতৰ মাজতে সীমাবদ্ধ হৈ নাথাকে, সমগ্ৰ পৃথিৱীৰ ওপৰত ইয়াৰ প্ৰভাব বিস্তাৰ হ'ব। বিশেষকৈ মুছলমান দেশবোৰৰ ওপৰত , ইয়াৰ ফলত পাশ্চত্য আৰু প্ৰাচ্য জগতখনৰ মাজত সম্পৰ্কৰ গুৰুতৰ অৱনতি ঘটিব। গতিকে এনে পৰিস্থিতিৰ উন্নয়ন আৰু শান্তি বিস্তাৰৰ বাবে সকলো দল ঐক্যবদ্ধ হৈ কাম কৰিব লাগিব। চৰকাৰবোৰে এনে নীতি গ্ৰহণ কৰিব লাগিব যি পাৰস্পৰিক শ্ৰদ্ধাবোধৰ প্ৰতিষ্ঠা আৰু সংৰক্ষণ কৰে, যিবোৰ মাধ্যমে আনৰ অনুভূতিক কোনো প্ৰকাৰ আঘাত বা তেওঁলোকৰ কোনো প্ৰকাৰৰ ক্ষতি কৰে তাক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা উচিত।

অভিবাসীৰ বিষয়ে ক'ব বিচাৰিম যে, স্থানীয় লোকৰ লগত একাত্ম

হোৱাৰ সদিচ্ছাৰে তেওঁলোকৰ দেশত প্ৰৱেশ কৰিব লাগিব,লগতে আনটোপক্ষই স্থানীয়সকলৰ হৃদয় উন্মুক্ত কৰাৰ বাবে অৰ্থাৎ সহনশীলতা প্ৰদৰ্শনৰ বাবে প্ৰস্তুত থাকিব লাগিব। তদুপৰি মুছলমানসকলৰ ওপৰত কেৱল কিছু বিধিনিষেধ আৰোপ কৰিলেই সেয়া শান্তিৰ পথলৈ নিয়া নহ'ব,কিয়নো কেৱল ইয়াৰ দ্বাৰা মানুহৰ মন -মানসিকতা আৰু চিন্তাধাৰাৰ পৰিৱৰ্তন কৰিব পৰা নাযায়। এয়া কেৱল মুছলমানৰ বিষয়ে নহয়,বৰঞ্চ যেতিয়াই কোনো ব্যক্তিৰ ধৰ্ম বা বিশ্বাসক বলপূৰ্বক ভাবে অনদমিত কৰা হয় তেতিয়াই ইয়াৰ নেতিবাচক প্ৰক্ৰিয়া প্ৰকাশ হয় যাৰ ফলত শান্তি গুৰুতৰ ভাবে বিঘ্নিত হ'ব। যিমানখিনি মই ইতিমধ্যে কৈছো, মই লক্ষ্য কৰিছোঁ যে কোনো কোনো দেশত সংঘাত বৃদ্ধি হৈছে, বিশেষকৈ স্থানীয় মানুহ আৰু মুছলিম অভিবাসীসকলৰ মাজত। এয়া স্পষ্ট উভয়পক্ষই ক্ৰমে ক্ৰমে পূৰ্বাপেক্ষা কম সহনশীল হৈ উঠিছে আৰু এটাই আনটোক জনাৰ বিষয় এক প্ৰকাৰৰ অনীহাই দেখা গৈছে। ইউৰোপীয় নেতৃবৰ্গই এইটো মানি ল'ব লাগিব যে এয়াই বাস্তৱতা আৰু ইয়াক উপলদ্ধি কৰিব লাগিব যে পাৰস্পৰিক ধৰ্মীয় শ্ৰদ্ধা আৰু সহিষ্ণুতা প্ৰতিষ্ঠাত তেওঁলোকৰ এক দায়িত্ব আছে। এয়া অত্যাৱশ্যকীয়, যেন প্ৰত্যেক হউৰোপীয় দেশৰ অভ্যন্ত্ৰত আৰু ইউৰোপীয় আৰু মুছলমান দেশসমূহৰ মাজত সৌহাৰ্দৰ এক পৰিৱেশ গঢ়ি উঠিব আৰু বিশ্বৰ শান্তি যেন চুৰ্ণ-বিচুৰ্ণ নহয়।

মই বিশ্বাস কৰো যে এইসকলোবোৰ সংঘাত আৰু বিভক্তিৰ কাৰণ কেৱল ধৰ্ম বা বিশ্বাস নহয় আৰু এয়া কেৱল পাশ্চত্য আৰু মুছলমান দেশসমূহৰ পাৰ্থক্যৰ প্ৰশ্ন নহয়। প্ৰকৃতপক্ষে এই বিৰোধিতাৰ মূল কাৰণৰ মাজত এটা কাৰণ হ'ল বিশ্বজনীন অৰ্থনৈতিক সংকট। যেতিয়াই কোনো মন্দা বা ঋণ সংকট নাছিল তেতিয়া কোনো দিনাই কোনো অভিবাসীৰ আগমনকলৈ কেৰেপ কৰা নাছিল. মুছলিম হওঁক অমুছলিম হওঁক বা আফ্ৰিকান। কিন্তু বৰ্তমান পৰিস্থিতি বেলেগ আৰু সেই কাৰণেই প্ৰভাৱিত হৈছে আৰু ইয়াৰ ফলত কিছু ইউৰোপীয় জাতিৰ মানুহৰ মাজত ক্ষোভ আৰু তিক্ততা দিনে দিনে বাঢ়ি চলিছে। সৰ্বত্ৰ নৈৰাশ্যৰ অৱস্থা দৃশ্যমান হৈছে।

ইউৰোপীয় দেশসমূহৰ এটা মহান অৰ্জন হ'ল ইউৰোপীয়ান ইউনিয়ন গঠন কৰা, কিয়নো ইয়াৰ মাধ্যমেৰে মহাদেশখন ঐক্যৱদ্ধ হৈছে, গতিকে

আপোনালোকৰ উচিত হ'ব এই একতাক প্ৰতিষ্ঠিত ৰখাত এজনে আনজনৰ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সকলো প্ৰচেষ্টা চলাই যোৱা। সাধাৰণ জনগণৰ মাজত বিদ্যমান উৎকণ্ঠা আৰু ভীতিসমূহক অৱশ্যে দূৰ কৰিব লাগিব। এজনে আনজনৰ সমাজ ৰক্ষাৰ স্বাৰ্থত ন্যায়সংগত যুক্তিসমূহ মানি লোৱাটো আৰু অৱশ্যে প্ৰতিটো দেশৰ জনসাধাৰণে যৌক্তিক আৰু ন্যায়সংগত দাবী উত্থাপন কৰা উচিত।

মনত ৰাখিব যে ইউৰোপৰ শক্তিৰ ঐক্যবদ্ধ আৰু একক হৈ থকাৰ মাজত নিহিত। এনে একতা কেৱল ইয়াত ইউৰোপত আপোনালোকৰ বাবে কল্যাণ কঢ়িয়াই নানে, বৰঞ্চ বৈশ্বিক পৰ্যায়ত এই মহাদেশৰ শক্তি আৰু প্ৰভাব বজাই ৰখাৰ কাৰণ হৈ পৰিব। বস্তুতঃ ইছলামৰ দৃষ্টিকোণৰ পৰা কথাবোৰ ক'বলৈ গ'লে, আমাৰ প্ৰচেষ্টা এয়াই হোৱা উচিত যে সমগ্ৰ পৃথিৱী যেন ঐক্যৱদ্ধ হৈ পৰে। মুদ্ৰাৰ দিশৰ পৰা বিশ্ব ঐক্যৱদ্ধ হোৱা উচিত, মুক্তব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত বিশ্ব ঐক্যৱদ্ধ হোৱা উচিত আৰু অভিবাসনৰ বিষয়ত সুসংহত আৰু বাস্তৱমুখী নীতিসমূহ গঢ়ি তোলা উচিত যেন বিশ্ব ঐক্যৱদ্ধ হ'ব পাৰে। সাৰমৰ্ম হ'ল এয়া যে, সকলো দেশে এখনে আনখনৰ প্ৰতি সহযোগিতা কৰা উচিত যেন বিভক্তিৰ স্থানত একতা প্ৰতিষ্ঠিত হয়। যদি এই ব্যৱস্থাসমূহ গ্ৰহণ কৰা হয়, তেন্তে শীঘ্ৰে দেখা যাব যে বিদ্যামান সংঘাতসমূহৰ অৱসান হ'ব আৰু ইয়াৰ স্থানত শান্তি আৰু পাৰস্পৰিক শ্ৰদ্ধা প্ৰতিষ্ঠিত হ'ব, এয়া চৰ্ত সাপেক্ষে যে, প্ৰকৃত ন্যায় চৰ্চা কৰা হয় আৰু প্ৰতিখন দেশে নিজৰ দায়িত্ব উপলদ্ধি কৰে। মই গভীৰ অনুতাপেৰে ক'ব লগা হৈছো, যদিও এয়া এক ইছলামী শিক্ষা, ইছলামী দেশবোৰে নিজৰ মাজত একতা স্থাপন কৰিবলৈ সক্ষম হোৱা নাই। যদি তেওঁলোকে আনক সহযোগিতা কৰিলেহেঁতেন আৰু ঐক্যৱদ্ধ হ'লহেঁতেন, তেতিয়া তেওঁলোকে নিজৰ আভ্যন্ত্ৰীণ সমস্যাসমূহ আৰু চাহিদা পূৰণত সদায় পশ্চিমৰ সহায়লৈ মুখ মেলি থাকিব লগাত নপৰিলেহেঁতেন।

এই কথাবিলাকৰ লগতে মই এতিয়া বিশ্বত দীৰ্ঘস্থায়ী শান্তি প্ৰতিষ্ঠাৰ প্ৰসংগত প্ৰকৃত ইছলামী শিক্ষাসমূহৰ সম্পৰ্কত আলোচনা কৰিম। প্ৰথমতেঃ ইছলামৰ অন্যতম মৌলিক আৰু প্ৰাথমিক এটা শিক্ষা এই যে এজন প্ৰকৃত মুছলমান সেই ব্যক্তি যাৰ কথা আৰু কামৰ পৰা বাকী সকলো শান্তিকামী

মানুহ নিৰাপদে থাকে। এয়া এজন মুছলমানৰ সেই সংজ্ঞা যি মহানবী হজৰত মোহাম্মদে (ছাঃ) য়ে প্ৰদান কৰিছিল। এই মৌলিক আৰু অনুপম নীতি শুনাৰ পিছত ইছলামৰ বিৰুদ্ধে অভিযোগ বা আপত্তি উত্থাপনৰ কোনো অৱকাশ নাথাকিব নেকি? নিশ্চয় নাথাকিব। ইছলামে শিক্ষা দিয়ে যে কেৱলমাত্ৰ যি নিজৰ কথা আৰু কামত অন্যায় বিদ্বেষ বিয়পাই তেওঁলোকে শাস্তিৰ যোগ্য। এনেদৰে স্থানীয় পৰ্যায়ৰ পৰা বিশ্ব পৰ্যায়লৈ যদি সকলো পক্ষই এই স্বৰ্ণীল নীতিৰ পৰিসীমাত থাকে, তেনেহ'লে আমি দেখিম যে কেতিয়াও ধৰ্মীয় বিশৃংখলাৰ উদ্ভৱ নহ'ব। যদি প্ৰকৃত ইছলামী নীতিসমূহ অনুসৰণ কৰা হয়,তেনেহ'লে দেশবোৰৰ অভ্যন্তৰত জনসাধাৰণে এজনে-আনজনৰ অধিকাৰ আৰু অনুভূতিৰ বিষয়ে যত্নবান হ'ব আৰু চৰকাৰবোৰে সকলো নাগৰিককে ৰক্ষাত নিজৰ দায়িত্ব পালন কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিখন ৰাষ্ট্ৰই এখনে আনখনৰ লগত প্ৰকৃত সৌহাৰ্দ আৰু সহানুভূতিৰ স্পৃহালৈ সমবেত ভাবে কাম কৰিব।

আন এটা মূলনীতি যি ইছলামে শিকাই সেয়া হ'ল যে শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াসত, এয়া আৱশ্যক যে সকলো পক্ষই সদায় কোনো প্ৰকাৰৰ দম্ভ বা অহমিকা প্ৰকাশ কৰাৰ পৰা বিৰত থাকিব। মহানবী (ছাঃ)য়ে তেওঁৰ এটা বিখ্যাত উক্তিত এই বিষয়টো উপস্থাপন কৰিছিল যেতিয়া তেখেত কৈছিল যে কোনো শ্বেতাংগৰ ওপৰত কৃষ্ণাংগৰ কোনো শ্ৰেষ্ঠত্ব নাই আৰু কোনো কৃষ্ণাংগৰ ওপৰত কোনো শ্বেতাংগৰ নাই। তেনেকৈ আনকোনো জাতিৰ ওপৰতে কোনো ইউৰোপীয় ব্যক্তিৰ কোনো মহত্ব বা শ্ৰেষ্ঠত্ব নাই, লগতে নাই আফ্ৰিকান বা এছীয় বা বিশ্বৰ আন কোনো অংশৰ মানুহৰ। জাতি, বৰ্ণ আৰু গোত্ৰৰ এই বৈচিত্ৰ্য কেৱল আমাৰ পৰিচিত আৰু চিনাক্তকৰণৰ এটা মাধ্যম হিচাপে কাম কৰে।

সত্য এই যে, আধুনিক আমি সকলো এজন আনজনৰ ওপৰত নিৰ্ভৰশীল। আজি আননালাগে ইউৰোপ বা যুক্তৰাষ্ট্ৰৰ দৰে বৃহৎ শক্তিবোৰেও আনৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। আফ্ৰিকান দেশবোৰে বিচ্ছিন্ন হৈ থাকি সমৃদ্ধি লাভ আশা কৰিব নোৱাৰে আৰু এছীয়া দেশবোৰৰ পক্ষেও বিশ্বৰকোনো অংশৰ দেশ বা জাতিৰ পৰা বিচ্ছিন্ন থকাটো সম্ভৱ নহয়। উদাহৰণ

# বিশ্ব সংকট তথা শান্তিৰ পথ

স্বৰূপে অৰ্থনৈতিক সমৃদ্ধিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যক আপোনালোকে সাদৰে স্বাগত জনাব লাগিব। যোৱা কেইবছৰৰ ইউৰোপৰ তথা বিশ্বৰ অৰ্থনৈতিক সংকটে যিদৰে কম-বেচি বিশ্বৰ প্ৰতিটো দেশকে নেতিবাচক ভাবে প্ৰভাবিত কৰিছে তাৰ পৰা বিশ্ব আজি কিদৰে অঙ্গাঙ্গী ভাবে সংযুক্ত সেয়া স্পষ্টকৈ প্ৰতিভাত হয়। তদুপৰি বিজ্ঞানে অগ্ৰগতিৰ বাবে বা কোনো দক্ষতাৰ উন্নতি কৰাৰ বাবে দেশবোৰ এখনৰ আনখনৰ সহায় -সহযোগিতাৰ আৱশ্যকতা আছে।

সকলো সময়তে মনত ৰাখিব লাগিব যে, এই পৃথিৱীত মানুহে ,যিসকলে আফ্ৰিকা, ইউৰোপ,এছীয় বা আন কোনো স্থানৰ পৰা নহওক কিয়, সৰ্বশক্তিমান আল্লাই অসাধাৰণ মেধাগত যোগ্যতাসমূহ প্ৰদান কৰিছে। যদি সকলো পক্ষই তেওঁলোকৰ নিজা নিজা খোদা প্ৰদত্ত যোগ্যতাসমূহ যথাসাধ্য বিশ্ব মানৱতাৰ উন্নতিৰ বাবে প্ৰয়োগ কৰে তেনেহ'লে আমি দেখা পাম যে বিশ্ব এখন শান্তি নীড়ত পৰিণত হৈছে। কিন্তু যদি উন্নত দেশবোৰে স্বল্পোন্নত বা উন্নয়নশীল দেশবোৰৰ উন্নতি-অগ্ৰগতিক দমন কৰিবলৈ বিচাৰে আৰু সেইবিলাক দেশৰ উৰ্বৰ আৰু মেধাৱী মস্তিষ্কৰ ব্যক্তিসকলৰ সুযোগ নিদিয়ে, তেতিয়া সন্দেহ নাই যে, অস্থিৰতাই বিস্তাৰ লাভ কৰিব আৰু ইয়াৰ ফলত সৃষ্ট অস্থিৰতাই আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাক বিনষ্ট কৰিব।

শান্তিৰ প্ৰসাৰত ইছলামৰ আন এটা নীতি হ'ল আনৰ প্ৰতি কোনো অন্যায়-অবিচাৰ বা তেওঁলোকৰ অধিকাৰ হৰণ হ'লে আমি তাক মানি লোৱা উচিত নহয়। ঠিক যিদৰে আমি আমাৰ অধিকাৰ কাঢ়ি লোৱাটো নিবিচাৰো, আনৰ ক্ষেত্ৰটো এইটো আমি মানি লোৱাটো প্ৰস্তুত থকা উচিত নহয়। ইছলামে শিক্ষা দিয়ে যে যেতিয়া প্ৰতিশোধ লোৱাটো আৱশ্যক হৈ পৰে তেতিয়াও প্ৰথম সীমালঙ্ঘনৰ লগতে সামঞ্জস্যপূৰ্ণ হ'ব পাৰে। যদি ক্ষমা কৰাৰ কাৰণে সংশোধনৰ অৱকাশ থাকে তেতিয়া ক্ষমাৰ পথটো বাচি লোৱা উচিত। প্ৰকৃত আৰু সৰ্বাধিক অগ্ৰগণ্য উদ্দেশ্য সকলো সময়তে হোৱা উচিত সংশোধন, বুজাবুজি আৰু দীৰ্ঘস্থায়ী শান্তি প্ৰতিষ্ঠা। অথচ, বাস্তৱত আজি কি ঘটিছে? যদি কোনোবাই কিবা ভুল কৰে বা আনে কৰি থাকে তেনেহ'লে আক্ৰান্ত পক্ষই এনেদৰে প্ৰতিশোধ ল'ব বিচাৰে যি সম্পূৰ্ণ ভাবে সামঞ্জস্যৰ উৰ্ধ্বত আৰু যিমূল সংঘটিত অন্যায়তকৈ অধিক গুৰুতৰ।

# শান্তিৰ চাবি-কাঠি বিশ্ব ঐক্য

আজি এই বিষয়টো ইজৰাইল আৰু ফিলিস্তিনৰ মাজত সংঘটিত সংঘাতৰ ক্ষেত্ৰত দেখা পোৱা গৈছে। বৃহৎ শক্তিবিলাকে ছিৰিয়া, লিবিয়া আৰু মিনাৰৰ পৰিস্থিতিকলৈ মুকলিকৈ নিজৰ ক্ষোভ আৰু উদ্বেগ প্ৰকাশ কৰিছে, যদিও এয়া বিৰ্তক কৰা যায় যে এইবিলাকৰ মূল আছিল তেওঁলোকৰ আভ্যন্তৰীণ সমস্যা আৰু তেওঁলোক (বৃহৎ শক্তিবোৰ) ফিলিস্তিনী জনগণৰ বিষয়ত উদ্বিগ্ন বা অন্ততঃ তেনেদৰে উদ্বিগ্ন যেন নালাগে। এই দ্বৈত আচৰণৰ উপলব্ধি মুছলমান দেশবোৰৰ জনসাধাৰণৰ অন্তৰত বৃহৎ শক্তিবোৰৰ বিৰুদ্ধে ক্ষোভ আৰু বিদ্বেষৰ কাৰণ হৈ পৰিছে। এই ক্ষোভ আৰু বিদ্বেষ অত্যন্ত ভয়াবহ আৰু যিকোনো মূহূৰ্তত এয়া হৈ পৰিব পাৰে বিস্ফোৰণ। তাৰ ফলাফল কি হ'ব? উন্নয়নশীল বিশ্বত কিমানখিনি ধ্বংসাযজ্ঞ চলোৱা হ'ব? তেওঁলোকে এনেকৈ নিজৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিব? উন্নত দেশবোৰ কিমান প্ৰভাৱিত হ'ব? কেৱল মাত্ৰ খোদাই এই প্ৰশ্নৰ উত্তৰ জানে। মই ইয়াৰ উত্তৰ দিব নোৱাৰো। আন কোনেও ইয়াৰ উত্তৰ দিব নোৱাৰে। যিমানখিনি আমি নিশ্চিত হৈ থাকিব পাৰো সেয়া হ'ল বিশ্ব শান্তি নিশ্চিহ্ন হৈ পৰিব। এইটো স্পষ্ট হোৱা প্ৰয়োজন যে, মই কোনো দেশৰ অনুকুলে বা পক্ষত কথা কোৱা নাই। মই ক'বলৈ বিচাৰিছোঁ সেয়া হ'ল সকলো প্ৰকাৰৰ নিষ্ঠুৰতা, তাৰ অস্তিত্ব য'তেই নহওঁক কিয় নিৰ্মুল কৰিব লাগিব সেয়া ইজৰাইয়েলীৰ বা আন দেশৰ মানুহৰ দ্বাৰা সংঘটিত নহওঁক কিয়। নিষ্ঠুৰতাক অৱশ্যে বন্ধ কৰিব লাগিব, কিয়নো যদি এইবিলাকক বিয়পি পৰাৰ সুযোগ দিয়া হয় তেন্তে সমগ্ৰ বিশ্বত ঘৃণাৰ জুই ইমানে দাউ দাউকৈ জ্বলি উঠিব যে মানৱজাতি অচিৰেই বৰ্তমান অৰ্থনৈতিক সংকটজনিত সমস্যাবোৰক পাহৰি যাব ইয়াতকৈ বহুগুণে ভীতিপ্ৰদ এক পৰিস্থিতিৰ মুখামুখি হ'ব। ইমান বৃহৎ সংখ্যকৰ প্ৰাণহানি হ'ব যাক আমি চিন্তা বা কল্পনা কৰিব নোৱাৰো।

গতিকে, ইয়াক ইউৰোপীয় দেশবোৰে যি দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভয়াবহ ক্ষতিৰ স্বীকাৰ হৈছিল, তেওঁলোকৰ দায়িত্ব যে তেওঁলোকে নিজৰ অতীতৰ পৰা শিক্ষা গ্ৰহণ কৰি বিশ্বক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰা। এই উদ্দেশ্যে তেওঁলোকে ন্যায়ৰ দাবী পূৰণ কৰিব লাগিব লগতে দায়িত্ব গ্ৰহণৰ ক্ষেত্ৰত আন্তৰিকতা থাকিব লাগিব। ইছলামে সকলো সময়তে ন্যায়সংগত আৰু পক্ষপাতহীন আচৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি আহিছে। ইয়াকে

শিক্ষা দিয়ে যে কোনা পক্ষই বৈষম্যমূলক সুবিধা বা অন্যায় সুযোগ দিয়া উচিত নহ'ব। এনে হোৱা উচিত যে অন্যায়কাৰীয়ে জানিব যে, যদি কোনো দেশৰ প্ৰতি তেওঁলোকে অন্যায় পদক্ষেপ গ্ৰহণত উদ্যত হয়, সেই দেশৰ আকাৰ বা মৰ্যাদা নিৰ্বিশেষে, আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে তাক কৰিব নিদিব। যদি ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহ, ইউৰোপীয় সুবিধা ভোগকাৰী ৰাষ্ট্ৰসমূহ আৰু সেইবোৰ দেশ যি বৃহৎ শক্তিবোৰৰ এনেবিলাক দেশ যিবোৰ উন্নত বিশ্বৰ দেশবোৰ প্ৰভাবধীন হৈ আছে সকলোৱে এই নীতি অৱলম্বন কৰে তেনেহ'লে তেতিয়াই শান্তি উদ্ভব হ'ব পাৰে।

উপৰোক্ত কেৱল যদি সেইবোৰ ৰাষ্ট্ৰ, যি ৰাষ্ট্ৰসংঘৰ ভেটো প্ৰদান অধিকাৰ আছে, যদি অনুধাবন কৰে যে তেওঁলোকৰ আচৰণৰ দায়িত্ব তেওঁলোকে গ্ৰহণ কৰিব লাগিব,তেন্তে প্ৰকৃত অৰ্থত ন্যায়বিচাৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ হ'ব। বৰঞ্চ মই আৰু এখোৰ ওপৰলৈ গৈ ক'ম যে ভেটো প্ৰদানৰ অধিকাৰে কেতিয়াওঁ শান্তি প্ৰতিষ্ঠাৰ সুযোগ বা ইয়াৰ পথ সুগম কৰিব নোৱাৰে। কিয়নো স্পষ্ট ভাবে সকলো দেশৰ মৰ্যাদা সমান নহয়। ইতিপূৰ্বে এই বছৰ যুক্তৰাষ্ট্ৰৰ কেপিটেল হিলত নেতৃস্থানীয় ৰাজনীতিবিদ আৰু নীতি নিৰ্ধাৰক সকলৰ উদ্দেশ্য বক্তব্য কৰাৰ সময়টো মই এই বিষয়টো চিহ্নিত কৰিছোঁ। যদি আমি ৰাষ্ট্ৰসংঘৰ ভেটো প্ৰদানৰ ইতিহাসৰ দিশে লক্ষ্য কৰো তেন্তে আমিদেখিম যে ভেটো ক্ষমতা যি সময়ত প্ৰয়োজন বা যাৰ প্ৰতি ন্যায়সংগত আচৰণ কৰা হোৱা নাই তাৰ সহায়ৰ বাবে ব্যৱহাৰ হৈছে এনে নহয়। আমি দেখিছো বহু সময়ত ভেটো ক্ষমতাৰ অপব্যৱহাৰ কৰি নিষ্ঠুৰতাক প্ৰতিহত কৰাৰ সলনি সহায়, সমৰ্থন কৰিছে। এয়া কোনো গোপন বা অচিনাকি বিষয় নহয়। বহু বিশেষজ্ঞই এই বিষয়ত মুকলি ভাবে লিখে বা উল্লেখ কৰি আহিছে।

আন এটা সুন্দৰ নীতি যাক ইছলামে শিক্ষা দিয়ে যে, সমাজৰ শান্তিৰ বাবে সততা আৰু ন্যায়বিচাৰৰ নীতিৰওপৰত ক্ৰোধক প্ৰাধান্য লাভৰ সুযোগ নিদি প্ৰত্যেকৰ বাবে আৱশ্যক ইয়াক দমন কৰা। ইছলামৰ সূচনালগ্ন ইতিহাস লক্ষ্য কৰিলে দেখা যায় যে প্ৰকৃত মুছলমানসকলে সদায় এই নীতিৰ ওপৰত চলিছে আৰু যিকোনোবাই তাক কৰা নাই তেওঁ মহানবী হজৰত মোহাম্মদ (ছাঃ)ৰ কৰ্তৃক তিৰস্কাৰ কৰিছে। তথাপি আজি দুৰ্ভাগ্যক্ৰমে সেই চিত্ৰ পৰিলক্ষিত

নহয়। এনে ক্ষেত্ৰ আছে য'ত সেনা বাহিনীসমূহ বা সৈন্যবোৰ, যি সকলক শান্তি প্ৰতিষ্ঠাৰ বাবে মোতায়েন কৰা হয়, এনে আচৰণ কৰি থাকে যিটো তেওঁলোকৰ ঘোষিত লক্ষ্যৰ লগত সম্পূৰ্ণ ভাবে সাংঘৰ্ষিক। উদাহৰণ স্বৰূপে কোনো কোনো দেশত বিদেশী সৈন্যসকলে তেওঁলোকৰ হাতত নিহতসকলৰ মৃতদেহৰ লগত অত্যন্ত অসন্মানজনক আৰু বীভৎস আচৰণ কৰে। এনেদৰে জানো শান্তি স্থাপিত হ'ব? এনে আচৰণৰ প্ৰতিক্ৰিয়া কেৱল আক্ৰান্ত দেশৰ মাজতে সীমাৰদ্ধ হৈ থাকিব এনে নহয়, সমগ্ৰ বিশ্বতে প্ৰকাশিত হ'ব। মুছলিম চৰমপন্থীসকলে ইয়াৰ সুযোগ গ্ৰহণ কৰে আৰু বিশ্বৰ শান্তি চূৰ্ণ-বিচূৰ্ণ হয়। যদিও এই (প্ৰতিক্ৰিয়া) ইছলামৰ শিক্ষাৰ পৰিপন্থী।

ইছলামৰ শিক্ষাত যে শান্তি কেৱল তেতিয়াই প্ৰতিষ্ঠা সম্ভৱ যেতিয়া অত্যাচাৰিত আৰু অত্যাচাৰী উভয়কে এনেদৰে সহায় কৰা হয় যি সম্পূৰ্ণ পক্ষপাতমুক্ত, গোপন স্বাৰ্থ বৰ্জিত আৰু সকলো প্ৰকাৰৰ শত্ৰুতাভাবাপন্নতাৰ পৰা মুক্ত। শান্তি প্ৰতিষ্ঠা সকলো পক্ষৰ সমান অৱস্থানত আৰু সুগম ক্ষেত্ৰত তৈয়াৰি কৰে।

যিহেতু সময় সীমিত, মই আৰু মাত্ৰ এটা বিষয় উল্লেখ কৰিবলৈ বিচাৰো, সেয়া হ'ল যে ইছলামে এই শিক্ষা দিয়ে যে, আনৰ ধন-সম্পদৰ ফালে ঈৰ্ষাকাতৰ দৃষ্টিৰে চোৱাটো উচিত নহয়। যি আনৰ তাৰ প্ৰতি তোমাৰ লোভাতুৰ অনুভূতি থকাটো উচিত নহয়, কিয়নো এয়াও শান্তি পদদলিত হোৱাৰ অন্যতম কাৰণ। যদি সম্পদশালী দেশবোৰে স্বল্পোন্নত দেশসমূহৰ ধন-সম্পদ তেওঁলোকৰ (ধনী দেশবোৰৰ) নিজ প্ৰয়োজন পূৰণৰ উদ্দেশ্য আহৰণ আৰু ব্যৱহাৰ কৰিবলৈ বিচাৰে, তেনেহ'লে স্বাভাৱিক ভাবে, অস্থিতিশীলতা আহি পৰিব। য'ত যথাযথ উন্নত দেশবোৰে তেওঁলোকৰ সেৱাৰ বিনিময়ত এটা সৰু আৰু ন্যায়সংগত সেই অংশই তেওঁলোকৰ চাহিদা পূৰণৰ বাবে নিব পাৰে কিন্তু সম্পদৰ সিংহভাগ সেইবিলাক অনুন্নত দেশৰ মানুহৰ জীৱন যাত্ৰা মান উন্নতিৰ সহায়ৰকল্পে ব্যৱহাৰ হোৱা উচিত। তেওঁলোকৰ সমৃদ্ধিৰ বাবে সুযোগ দিয়া উচিত আৰু উন্নত বিশ্বৰ সমানে উন্নীত হোৱাৰ প্ৰয়াসত তেওঁলোকক সহযোগিতা কৰা উচিত, কিয়নো তেতিয়াই আৰু কেৱল সেইসময়ত শান্তি প্ৰতিষ্ঠা কৰাটো সম্ভৱ। যদি সেই বিলাক দেশৰ শাসক পক্ষ সৎ নহয়, তেন্তে পাশ্চত্য বা উন্নত দেশবোৰে

উচিত সাহায্য প্ৰদান কৰি নিজেই সেই দেশৰ উন্নয়নৰ তদাৰকী আৰু তত্ত্বাবধান কৰিব।

আন অসংখ্য বিষয় আছে যিবোৰ মই আলোচনা কৰিব পাৰিম কিন্তু সময়ৰ সীমাৱদ্ধতাৰ প্ৰতি চকু ৰাখি যিখিনি উল্লেখ কৰিছোঁ তাৰ মাজতে নিজক,সীমিত ৰাখিবলৈ চেষ্টা কৰিম। নিশ্চত ভাবে মই যি বৰ্ণনা কৰিছোঁ সেয়াই ইছলামৰ প্ৰকৃত শিক্ষাৰ প্ৰতিনিধিত্ব কৰিব।

এটা প্ৰশ্ন আপোনালোকৰ হৃদয় উত্থাপন হ'ব পাৰে সেয়ে তাৰ উত্তৰ মই আগতেই দিব বিচাৰো। আপোনালোকে ক'ব পাৰে যে যদি এই বিলাকে ইছলামৰ প্ৰকৃত শিক্ষা, তেনেহ'লে মুছলিম বিশ্বত আমি কিয় ইমান বিভেদ আৰু বিশৃংখলা দেখিবলৈ পাওঁ? ইয়াৰ উত্তৰ মই আগতে উল্লেখ কৰিছোঁ এজন সংস্কাৰকৰ আবিৰ্ভাবৰ প্ৰয়োজনীয়তাৰ কথা কৈছো, যাক আমি আমাৰ আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতা বুলি বিশ্বাস কৰো। আমাৰ আহমদীয়া মুছলিম জামাত সদায় যিমান দূৰ সম্ভৱ বিস্তৃত পৰিসৰত এই প্ৰকৃত শিক্ষা বিয়পাই দিয়াত সচেষ্ট হৈ আহিছে। মই আপোনালোক সকলক অনুৰোধ কৰিব বিচাৰো যে আপোনালোকে আপোনালোকৰ নিজস্ব পৰিমণ্ডলত এই বিষয়বোৰৰ সম্পৰ্কত সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰায়ী হ'ব, যেন বিশ্বৰ সকলো অংশত দীৰ্ঘ স্থায়ী শান্তি প্ৰতিষ্ঠিত হ'ব পাৰে।

যদি আমি এই কাৰ্যত ব্যৰ্থ হৈ পৰো, তেন্তে পৃথিৱীৰ কোনো অংশত যুদ্ধৰ ভয়াবহ সৰ্বনাশৰ প্ৰভাবৰ পৰা নিৰাপদ হৈ নাথাকিব। মই দোৱা কৰো যেন সৰ্বশক্তিমান আল্লাই পৃথিৱীৰ মানুহক, বিশ্বৰ অনাগত ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰাৰ প্ৰয়াসত তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ আৰু আকাঙ্খাৰ উৰ্ধ্বত উঠাৰ সৌভাগ্য দান কৰে। আজিৰ বিশ্বত পাশ্চত্যৰ উন্নত দেশবোৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী আৰু সেয়ে আনসকলৰ তুলনাত এয়া আপোনালোকৰ দায়িত্ব যে সংকটাপন্ন, গুৰুত্ববাহী এই বিষয়বোৰৰ প্ৰতি আপোনালোকে মনযোগ নিৰন্ধ কৰিব।

পৰিশেষত মই আপোনালোক সকলোকে পুনৰ ধন্যবাদ দিবলৈ বিচাৰো মোৰ বক্তব্য শুনিবলৈ আপোনালোকে মূল্যৱান সময় দিয়াৰ বাবে। আল্লাহে আপোনালোকক মংগল কৰক।




# CAN MUSLIMS INTEGRATE INTO WESTERN SOCIETIES?

BAITUR-RASHEED MOSQUE
HAMBURG, GERMANY, 2012







Ḥaḍrat Mirza Masroor Ahmad, Khalīfatul-Masīḥ V[aba] delivers the keynote address at Baitur-Rasheed Mosque




ECHTE REUE REINIGT VON SÜNDEN
MUSLIME FÜR
FRIEDEN
FREIHEIT
LOYALITÄT



# মুছলমান পশ্চিমা সমাজৰ অংগ হ'ব পাৰে নে?

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম করুণাময় পৰম দানশীল আল্লাহৰ নামত।

সকলো সন্মানিত অতিথিবৰ্গঃ

আছছালামু আলাইকুম ওৰা ৰাহমাতুল্লাহি ওৰা বাৰাকাতুহু— আপোনালোক সকলোৰোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

প্ৰথমতে মই এই অনুষ্ঠানত উপস্থিত হোৱা অতিথি সকলক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো  যিসকলে মোৰ আমন্ত্ৰণ গ্ৰহণ কৰি এই অনুষ্ঠানত উপস্থিত হৈছে। বিভিন্ন প্ৰতিনিধি হিচাপে উপস্থিত হৈছে আৰু আন আন অতিথি বৃন্দ যিসকলে এই অনুষ্ঠানত উপস্থিত হোৱাৰ বাবে বহু কষ্টৰ স্বীকাৰ কৰিব লগা হৈছে।

আপোনালোক বহুতেই আমাৰ সম্প্ৰদায়ৰৰ লগত দীৰ্ঘদিন ধৰি পৰিচিত আৰু আপোনালোকৰ লগত আহমদীয়া মুছলমানৰ পুৰণি বন্ধুত্ব আছে। লগতে মই নিশ্চিত যে, আপোনালোকৰ মাজত যি সম্প্ৰতি আহমদীয়া সম্প্ৰদায়ৰ লগত পৰিচিত হৈছে, তেওঁলোকে ইতিমধ্যে এই জামাতৰ সম্পৰ্কত আৰু অধিক জানিবলৈ অন্তৰত এক গভীৰ আগ্ৰহ অনুভৱ কৰিছে। আপোনালোক সকলোৰে অংশগ্ৰহণেৰে প্ৰমাণ কৰে যে আপোনালোকৰ এই বিশ্বাস আছে যে, আহমদী মুছলমানৰ লগত সম্পৰ্ক ৰক্ষা কৰা আৰু তেওঁলোকৰ মছজিদবোৰত প্ৰৱেশ কৰিলে কোনো বিপদৰ আশংকা নাথাকে।

সত্য এয়া যে আজিৰ পৰিমণ্ডলত, য'ত ইছলাম সম্পৰ্কত প্ৰচাৰিত সংবাদ আৰু প্ৰতিবেদনসমূহৰ অধিকাংশই অত্যন্ত নেতিবাচক। আপোনালোক যি সকল মুছলমান নহয়, তেওঁলোক সহজে উদ্বিগ্ন হ'ব পাৰে বা আপোনাৰ ডাঙৰ কিবা ক্ষতি হৈ যাব পাৰে। কিন্তু মই যেনেকৈ উল্লেখ কৰিছোঁ,

আপোনালোক যি আজিৰ অনুষ্ঠানত উপস্থিত হৈছে এয়াই প্ৰমাণ কৰে যে আহমদী মুছলমান আপোনালোকে ভয় নকৰে আৰু তেওঁলোকক ভাবুকি হিচাপেও জ্ঞান নকৰে। ইয়াকে প্ৰদৰ্শন কৰে যে আপোনালোকে আহমদীক উত্তমৰূপত মূল্যায়ন কৰে আৰু তেওঁলোকক আপোনালোকৰ তথা সংখ্যাগৰিষ্ঠ জনগণৰ দৰে আন্তৰিক আৰু শিষ্টাচাৰী বুলি বিশ্বাস কৰে।

এনেদৰে কোৱাৰ সময়ত মই এই সম্ভাৱনাক উপেক্ষা কৰা নাই যে আপোনালোকৰ মাজত কম সংখ্যক এনে লোক থাকিব পাৰে, আজি উপস্থিত হোৱাৰ সত্বেও, এতিয়াও মনত সংকোচ বা উদ্বেগ পালন কৰে যে ইয়াত উপস্থিত হোৱাৰ কিছু নেতিবাচক পৰিণতি হ'ব পাৰে। এয়া সম্ভৱ যে আপোনালোকৰ মনত এই উৎকণ্ঠা আছে যে, চৰমপন্থী প্ৰৱণতা বা মনোভাবৰ লোকৰ ওচৰত হয় আপোনালোক বহিব লাগিব। যদি আপোনালোক কাৰোবাৰ মনত এনেধৰণৰ ভীতি আছে, তেন্তে আপোনালোকৰ অন্তৰৰ পৰা তাক এতিয়াই মোহাৰি পেলাওঁক। আমি এই বিষয়ত অত্যন্ত সতৰ্ক আৰু যদি ঘটনাক্ৰমে এনে কোনো চৰমপন্থী ব্যক্তি আমাৰ মছজিদত বা আমাৰ এলেকাত প্ৰৱেশৰ চেষ্টা কৰে, তেওঁক এই ভৱনৰ পৰা উলিয়াই নিবলৈ আমি দৃঢ় ব্যৱস্থা গ্ৰহণ কৰিম। অৰ্থাৎ আপোনালোক নিশ্চিত থাকিব পাৰে যে আপোনালোক ইয়াত নিৰাপদ।

আহমদীয়া মুছলিম জামাত এনে এটা সম্প্ৰদায় য'ত যদি কোনোবা সদস্যই কোনোবা সময়ত ক'ৰবাত চৰমপন্থী প্ৰকাশ কৰে, আইন ভংগ কৰে বা শান্তি বিনষ্ট কৰে, তেন্তে তেওঁক জামাতৰ পৰা বহিষ্কাৰ কৰা হ'ব। এনেদৰে দৃঢ় ব্যৱস্থা গ্ৰহণ কৰাকে আমি আমাৰ কৰ্তব্য বুলি ভাবো, কাৰণ 'ইছলাম' শব্দটোৰ অৰ্থ হৈছে 'শান্তি আৰু নিৰাপত্তা' ইয়াৰ প্ৰতি আমি পৰম শ্ৰদ্ধাশীল। 'ইছলাম' শব্দৰ প্ৰকৃত চিত্ৰ আমাৰ সম্প্ৰদায়ৰ মাজত প্ৰকাশিত হয়। ইছলামৰ এই সঠিক চিত্ৰ উপস্থাপনকাৰীৰ আৰ্বিভাৱৰ মহান ভৱিষ্যতবাণী আজিৰ পৰা চৌধ্য শতাধিক বছৰৰ আগতে ইছলামৰ প্ৰতিষ্ঠাতা মহানবী হজৰত মোহাম্মদে (ছাঃ) কৰি গৈছে। সেই ভৱিষ্যতবাণীত মহানবী (ছাঃ)য়ে কৈছিল—এটা সময় আহিব তেতিয়া মুছলমানসকলৰ বিশাল সংখ্যাগৰিষ্ঠ অংশই ইছলামৰ প্ৰকৃত বিশুদ্ধ শিক্ষাক পাহৰি যাব। ভৱিষ্যবাণী অনুসৰি সেই সময়ত আল্লাই এজন

ব্যক্তিক সংস্কাৰক হিচাপে প্ৰেৰণ কৰিব মছীহ আৰু মাহদীৰূপে যেন পৃথিৱীৰ বুকুত প্ৰকৃত ইছলাম পুনঃ প্ৰতিষ্ঠিত হয়।

আমি আহমদীয়া মুছলিম জামাতে বিশ্বাস কৰো যে আমাৰ সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) হ'ল সেই ব্যক্তি যি সেই মহান ভৱিষ্যতবাণীৰ পূৰ্ণতাত আৰ্বিভাব হৈছে। আল্লাহৰ অনুগ্ৰহত এই সম্প্ৰদায়ৰ উন্নতি কৰিছে আৰু আজি বিশ্বৰ **২১২** দেশত বিয়পি পৰিছে। এইবিলাক দেশবিলাকৰ প্ৰতিখনতে সৰল পটভূমি আৰু জাতিসত্বাৰ স্থানীয় লোকে আহমদীয়াক গ্ৰহণ কৰিছে। আহমদীয়া মুছলমান হোৱাৰ লগতে তেওঁলোকৰ নিজা নিজা দেশৰ বিশ্বস্ত নাগৰিক হিচাপেও তেওঁলোকে নিজা ভূমিকা পালন কৰি চলিছে। ইছলামৰ প্ৰতি তেওঁলোকৰ ভালপোৱা আৰু দেশৰ প্ৰতি তেওঁলোকৰ ভালপোৱাৰ মাজত কোনো পাৰ্থক্য নাই। প্ৰকৃত পক্ষে এই দুই বিশ্বস্ততাই এটাক আনটোৰ লগত অঙ্গা-অঙ্গী ভাবে সম্পৰ্কযুক্ত। আহমদী, মুছলমান তেওঁলোক য'তেই বাস নকৰক কিয়, সম্পূৰ্ণ জাতিৰ মাজত তেওঁলোকেই আইনৰ প্ৰতি সৰ্বাধিক শ্ৰদ্ধাশীল নাগৰিক। নিশ্চিত ভাবে মই সন্দেহৰ লেখমাত্ৰ অৱকাশ নথকাকৈ ক'ব পাৰো যে আমাৰ জামাতৰ উল্লেখযোগ্য সংখ্যা গৰিষ্ঠ সদস্যৰ মাজত এই গুণাগুণবোৰ বিৰাজমান।

লগতে এই গুণবোৰৰ কাৰণেই যেতিয়াই কোনো আহমদী মুছলমান এখন দেশৰ পৰা আনএখন দেশৰ অভিবাসন গ্ৰহণ কৰে, অথবা যেতিয়া স্থানীয় লোক আহমদীয়া গ্ৰহণ কৰে, তেতিয়া আহমদীসকলৰ নতুন সমাজত একাত্ম হোৱাত কোনো সমস্যা নহয়, বা তেওঁলোক ইয়াক কেন্দ্ৰ কৰি বিচলিত নহয় যে তেওঁলোকৰ পৰিগ্ৰহণকৃত দেশখনৰ জাতীয় স্বাৰ্থৰ বিস্তাৰত তেওঁলোকে কিভাবে ভূমিকা গ্ৰহণ কৰিব পাৰে। আহমদীয়া য'তেই যাওঁক, তেওঁলোকে যিদৰে প্ৰকৃত নাগৰিকৰ নিকট কাম্য সেইদৰে তেওঁলোকৰ দেশক ভালপোৱা আৰু তেওঁলোকৰ দেশৰ উন্নতি আৰু অগ্ৰগতিৰ প্ৰয়াসত সক্ৰিয় ভাবে তেওঁলোকৰ জীৱন অতিবাহিত কৰিব। এয়া ইছলাম যি আমাক এনেদৰে জীৱন যাপন কৰাৰ শিক্ষা দিয়ে আৰু বস্তুতঃ এয়াই কেৱল ইয়াক মৃদুভাবে উৎসাহিত কৰে এনে নহয়, বৰঞ্চ প্ৰকৃতপক্ষে আমাক আদেশ দিয়ে যেন আমি আমাৰ বসবাস কৰা দেশৰ প্ৰতি পৰিপূৰ্ণ বিশ্বস্ত আৰু নিবেদিত থাকো। মহানবী (ছাঃ)য়ে এই বিষয়ে বিশেষ ভাবে জোৰ দিছে যে কোনো প্ৰকৃত মুছলমানৰ বাবে তেওঁৰ

দেশৰ প্ৰতি ভালপোৱা তেওঁৰ ঈমান বা বিশ্বাসৰ অংগ। যেতিয়া দেশপ্ৰেম ইছলামৰ এটা মৌলিক উপাদান, এজন প্ৰকৃত মুছলমানে কিদৰে অবিশ্বস্ততা প্ৰদৰ্শন কৰিব পাৰে বা দেশৰ লগত বিশ্বাসঘাতকতা কৰি নিজৰ ঈমানক বিসৰ্জন দিব পাৰে? আহমদী মুছলমানৰ প্ৰসংগত উল্লেখযোগ্য যে আমাৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানত জামাতৰ আবাল-বৃদ্ধবণিতা থিয় হৈ খোদাক সাক্ষী কৰি শপত গ্ৰহণ কৰে যে কেৱল নিজ ধৰ্মৰ বাবে নহয় বৰঞ্চ নিজা নিজা দেশ আৰু জাতিৰ বাবে তেওঁলোকৰ জীৱন, সম্পদ, সময় আৰু মান-মৰ্যাদাক কুৰবাণী কৰিবলৈ সদায় প্ৰস্তুত। অৰ্থাৎ এওঁলোকতকৈ বিশ্বস্ত নাগৰিক কোন হ'ব পাৰে,যাৰ সৰ্বক্ষণ নিজৰ দেশৰ সেৱাৰ কথা স্মৰণ কৰি থাকে আৰু যাৰ ওচৰত তেওঁলোকৰ ধৰ্ম, দেশ আৰু জাতিৰ বাবে সকলো প্ৰকাৰৰ ত্যাগ কৰাৰ বাবে সদায় প্ৰস্তুত থকাৰ শপত বাৰে বাৰে গ্ৰহণ কৰে।

কাৰোবাৰ মনত প্ৰশ্ন জাগ্ৰত হ'ব পাৰে, ইয়ালৈ জাৰ্মানীলৈ মুছলমানৰ গৰিষ্ঠ সংখ্যক আহিছে পাকিস্তান, তুৰস্ক আৰু আন আন এছীয় দেশসমূহৰ পৰা আৰু যেতিয়া নিজৰ দেশৰ বাবে ত্যাগ স্বীকাৰ কৰাৰ সময় আহি পৰে তেতিয়া জাৰ্মানীৰ সলনি তেওঁলোকে নিজৰ পিতৃ ভূমিক প্ৰাধান্য দিব। গতিকে আমি বিষয়টো স্পষ্ট ভাবে ব্যাখা কৰা উচিত যে যেতিয়া কোনো ব্যক্তিয়ে জাৰ্মানৰ নাগৰিকত্ব গ্ৰহণ কৰে বা আনদেশৰ নাগৰিকত্ব গ্ৰহণ কৰে, তেতিয়াতেওঁ সেই দেশৰ পূণাৰ্ংগ নাগৰিক হৈ পৰে। মই বছৰ কোব্লেনজত অৱস্থিত জাৰ্মান সামৰিক বিভাগত এক বক্তৃতাত এই বিষয়টোৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ। মই ব্যাখা কৰিছিলোঁ যে, ইছলামৰ শিক্ষা অনুসৰি কি হোৱা উচিত যদি এনে পৰিস্থিতিৰ উদ্ভৱ হয়। জাৰ্মানীৰ লগতে এনেএখন দেশৰ যুদ্ধ হ'লে যি জৰ্মান নাগৰিকত্ব গ্ৰহণকাৰী এজন অভিবাসীৰ পিতৃভূমি। যদি সেই অভিবাসীৰ অন্তৰত নিজ পিতৃভূমিৰ প্ৰতি সমবেদনা সৃষ্টি হয় তথা তেওঁৰ মনত অনুভৱ হয় যে জাৰ্মানীৰ কোনো ক্ষতি আশংকা কৰাৰ বা তেওঁৰ দ্বাৰা কোনো ক্ষতি হোৱাৰ আশংকা থাকে, তেন্তে এনেধৰণৰ ব্যক্তিয়ে তৎক্ষণাৎ নিজ নাগৰিকত্ব বা অভিবাসীৰ সম মৰ্যাদা বিসৰ্জন দি নিজ পিতৃ ভূমিলৈ উভতি যোৱাটো ভাল। কিন্তু যদিতেওঁ দেশখনৰ পৰা যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে, তেতিয়া দেশখনৰ প্ৰতি কোনো প্ৰকাৰৰ বিশ্বাস ভংগৰ কোনো কাৰণতে

# মুছলমান পশ্চিমা সমাজৰ অংগ হ'ব....

ইছলামে অনুমতি প্ৰদান নকৰে । এয়া নিশ্চিত আৰু দ্ব্যৰ্থহীন শিক্ষা। ইছলামে কোনো প্ৰকাৰৰ বিদ্ৰোহাত্মক আচৰণৰ বা কোনো নাগৰিকৰ পক্ষে নিজ দেশৰ বিৰুদ্ধে চক্ৰান্তৰ বা ইয়াৰ কোনো ধৰণৰ ক্ষতি কৰাৰ কোনো অনুমতি নিদিয়ে সেয়া অভিবাসনৰ মাধ্যমত অৱলম্বনকৃত দেশ হওঁক বা আনধৰণে। যদি কোনো ব্যক্তিয়ে নিজ অবলম্বনকৃত দেশৰ বিৰুদ্ধে কাম কৰে বা ইয়াৰ কোনো ক্ষতি কৰে তেন্তে তেওঁক ৰাষ্ট্ৰৰ এক শত্ৰু, এক বিশ্বাসঘাতক হিচাপে গণ্য কৰি দেশৰ আইন অনুসৰি শাস্তি প্ৰদান কৰা উচিত। ইয়াত এজন মুছলমান অভিবাসীৰ ক্ষেত্ৰত অৱস্থান স্পষ্ট হৈ পৰে। লগতে সেই ক্ষেত্ৰত য'ত এজন স্থানীয় জাৰ্মান বা যিকোনো দেশৰ কোনো ব্যক্তিয়ে ইছলাম গ্ৰহণ কৰিলে এয়া তেওঁৰ বাবে স্পষ্ট হৈ পৰে যে তেওঁৰ নিজা মহান দেশৰ প্ৰতি পূৰ্ণাংগ বিশ্বস্ততা প্ৰদৰ্শন কৰাৰ বাহিৰে আন বিকল্প পথ নাথাকে। আন এটা প্ৰশ্ন মাজে মাজে উত্থাপন হয়, সেয়া এই যে, যেতিয়া পাশ্চত্যৰ কোনো দেশে কোনো মুছলমান দেশৰ লগত যুদ্ধৰত হয় তেতিয়া পাশ্চত্যত বসবাস কৰা মুছলমানৰ কৰণীয় কি? এই প্ৰসংগত মই প্ৰথমতে উল্লেখ কৰা উচিত যে, আমাৰ জামাতৰ প্ৰতিষ্ঠাতা হজৰত মছীহ মাওউদ (আঃ)য়ে ব্যাখা প্ৰদান কৰিছে যে আমি এতিয়া এনে যুগত অৱস্থান গ্ৰহণ কৰিছোঁ য'ত ধৰ্মযুদ্ধ সম্পূৰ্ণ ৰূপত বৰ্জনীয়। ইতিহাসৰ পৰিক্ৰমাত এনে সময় আহিছিল যেতিয়া মুছলমান আৰু বিভিন্ন ধৰ্মাবলম্বীসকলৰ মাজত যুদ্ধসমূহ সংঘটিত হৈছিল। যিবিলাক যুদ্ধত অমুছলমানৰ উদ্দেশ্য আছিল মুছলমানসকলক হত্যা কৰি ইছলাম ধৰ্মক নিশ্চিহ্ন কৰি দিয়া।

প্ৰাথমিক যুদ্ধসমূহৰ অধিকাংশৰ ক্ষেত্ৰত অমুছলিমসকলে প্ৰথম আগ্ৰসী পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত মুছলমানসকলৰ পক্ষে নিজকে আৰু নিজ ধৰ্মক ৰক্ষা কৰাৰ বাহিৰে আন উপায় নাছিল। কিন্তু হজৰত মছীহ মাওউদ (আঃ)য়ে ব্যাখা কৰিছে যে তেনেধৰণৰ পৰিস্থিতিত পুনৰ বিদ্যামান নহয়। কিয়নো আধুনিক যুগত এনে কোনো চৰকাৰ নাই যি ইছলামক নিশ্চিহ্ন কৰাৰ বাবে যুদ্ধ ঘোষণা বা পৰিকল্পনা কৰিব। ইয়াৰ বিপৰীতে আজি পাশ্চত্য আৰু অমুছলিম দেশবোৰৰ বৃহৎ সংখ্যা গৰিষ্ঠতাত উল্লেখযোগ্য ধৰ্মীয় স্বাধীনতা বিদ্যমান। আমাৰ জামাত এনেধৰণৰ স্বাধীনতাৰ বাবে অত্যন্ত কৃতজ্ঞ। যি

আহমদী মুছলমানক অমুছলমান দেশত ইছলামৰ বাণীবোৰ প্ৰচাৰ কৰাৰ অনুমতি প্ৰদান কৰে। ইয়াৰ ফলত আমি ইছলামৰ প্ৰকৃত আৰু সুন্দৰ শিক্ষাসমূহ, যিবোৰ শান্তি আৰু সৌহাৰ্দৰ, পাশ্চত্য জগতত উপস্থাপনৰ সুযোগ লাভ কৰিছোঁ। নিশ্চিত ভাবে ধৰ্মীয় স্বাধীনতা আৰু সহিষ্ণুতাৰ কাৰণে আজি আমি আপোনালোকৰ সন্মুখত থিয় হৈ ইছলামৰ চিত্ৰ উপস্থাপন কৰাৰ সুযোগ লাভ কৰিছোঁ। গতিকে স্পষ্ট যে আজি কোনো ধৰ্মীয় যুদ্ধৰ প্ৰশ্ন নাই। ইয়াৰ বাহিৰে যি পৰিস্থিতি উদ্ভৱ হ'ব পাৰে সেয়া হ'ল যে য'ত এখন মুছলমান সংখ্যা গৰিষ্ঠ দেশৰ লগত আন এখন সংখ্যাগৰিষ্ঠ দেশৰ বা আনহাতে যিকোনো দেশৰ ধৰ্মযুদ্ধ নহয় এনে যুদ্ধৰ সূচনা হয়- তেতিয়া সেই খ্ৰীষ্টান বা আন ধৰ্মাবলম্বী দেশত বসবাসকাৰী মুছলমানৰ প্ৰতিক্ৰিয়া কি হোৱা উচিত? এই প্ৰশ্নৰ উত্তৰত ইছলামে এটা স্বৰ্ণালী নীতি প্ৰদান কৰিছে, সেয়া হ'ল যে কোনোৱে কাৰোবাৰ কোনো প্ৰকাৰৰ নিষ্ঠুৰতা বা অত্যাচাৰিতা প্ৰকাশ কৰিলে তাৰ ৰুদ্ধ কৰিব লাগে। যদি অন্যায় অত্যাচাৰ খ্ৰীষ্টান দেশে কৰিছে তেন্তে তাকো ৰুদ্ধ কৰিব লাগে।

এজন সাধাৰণ নাগৰিকে ব্যক্তিগত স্তৰত নিজৰ দেশৰ অন্যায় আৰু অত্যাচাৰক কেনেকৈ ৰুদ্ধ কৰিব পাৰিব? উত্তৰ অতি সহজ। বৰ্তমান যুগত প্ৰতিখন পশ্চিমা দেশত গণতন্ত্ৰ আছে। যদি কোনো ন্যায়প্ৰিয় নাগৰিকে নিজৰ চৰকাৰক অন্যায়পূৰ্ণভাবে ব্যৱহাৰ কৰা প্ৰত্যক্ষ কৰা হৈছে,তেন্তে তাৰ বিৰুদ্ধে মাত মাতিব পাৰে আৰু নিজৰ দেশক শুদ্ধ পথলৈ অনাৰ প্ৰচেষ্টা কৰিব পাৰে। তথাপি একাংশ লোকে ইয়াৰ বিৰুদ্ধেও মাত মাতিব পাৰে। যদি কোনো নাগৰিকে নিজৰ দেশৰ সাৰ্বভৌমত্বৰ ওপৰত আক্ৰমণ কৰা দেখে, তেন্তে তেওঁ নিজৰ দেশৰ চৰকাৰক উক্ত দিশলৈ ধ্যানাকৰ্ষণ কৰাৰ বাবে নিজৰ চিন্তা ব্যক্ত কৰিব লাগে। শান্তিপূৰ্ণ ভাবে বিৰোধীতা অথবা ক্ষোভ প্ৰদৰ্শন কৰা বিদ্ৰোহৰ পৰিভাষাৰ মাজত নপৰে। ইয়াৰ বিপৰীতে এজন নাগৰিকৰ নিজৰ দেশৰ প্ৰতি প্ৰকৃত ভাল পোৱাৰ ছবিখনহে দাঙি ধৰে। এজন ন্যায়প্ৰিয় নাগৰিকে কদাপি ইয়াক নিবিচাৰে যে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ত নিজৰ দেশ শিৰণত হওঁক অথবা অপমাণিত হওঁক। বস্তুতঃ তেওঁ নিজ দেশক কৰ্তব্যৰ দিশে ধ্যানাকৰ্ষণ কৰাই নিজৰ দেশপ্ৰেম আৰু দেশ বক্তিৰ প্ৰদৰ্শন কৰিব।

যিমান দূৰলৈকে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায় তথা তেওঁলোকৰ সংস্থাৰ

সম্পৰ্ক থাকে, ইছলামক এই শিক্ষা দিয়া হৈছে যে যদি কোনো দেশৰ ওপৰত অন্যায়পূৰ্ণভাবে আক্ৰমণ কৰা হয়, তেতিয়া শোষিত দেশ একত্ৰিত হৈ আক্ৰমণকাৰী দেশক বাধা দিব লাগে। যদি আক্ৰমণকাৰী দেশৰ শুভ বুদ্ধিৰ উদয় হয় আক্ৰমণ কৰাৰ পৰা আতৰি আহে তেন্তে প্ৰতিশোধ পৰায়ণ ভাবে অথবা এই পৰিস্থিতিত অনুচিত লাভ অৰ্জন কৰাৰ বাবে দণ্ড বা অন্যায়পূৰ্ণ প্ৰতিবন্ধকতা সৃষ্টি কৰাৰ বাবে নিৰ্ণয় ল'ব নালাগে। ইছলামী শিক্ষাৰ মূল এয়া যে শান্তিৰ প্ৰয়াস কৰক। হজৰত মোহাম্মদ (ছাঃ) য়ে ইমানলৈকে কৈছে যে মুছলমান সেইজন যাৰ লগত আৰু কথাৰে আনলোক সুৰক্ষিত হয়। যেনেকৈ মই প্ৰথমতে বৰ্ণনা কৰিছোঁ যে ইছলামে এই শিক্ষা দিছে যে আমি কেতিয়াও অন্যায় আৰু অত্যাচাৰত কাকো সহায় কৰিব নালাগে। এয়াই সেই সুন্দৰ আৰু নীতিপূৰ্ণ শিক্ষা যে যি এজন প্ৰকৃত মুছলমানক লাগে তেওঁ যিকোনো দেশৰে নাগৰিক হওঁক সন্মান আৰু আদৰৰ মাজেৰে প্ৰদান কৰা হয়। নিঃসন্দেহে সকলো সভ্য আৰু সত্য নাগৰিকে এনে শান্তিপূৰ্ণ তথা দয়াশীল লোকক নিজৰ সমাজৰ অংগ কৰাৰ বাবে কামনা কৰিব।

হজৰত মোহাম্মদ (ছাঃ)য়ে মুছলমানক নিজৰ জীৱন অতিবাহিত কৰাৰ বাবে এক অন্য সুন্দৰ শিক্ষা দিছে যে এক সঁচা মানৱতাবাদী আৰু এজন সৎ পুৰুষৰ সন্ধানত ব্যস্ত থাকিব লাগে। মহাপুৰুষে এই শিক্ষা দিছে যে এজন মুছলমানে যি'কোনো স্থানৰপৰা কোনো জ্ঞানৰ কথা বা কোনো উত্তম বিচাৰ অৰ্জন কৰে, তাক নিজৰ ব্যক্তিগত সম্পত্তি বুলি ভাবি গ্ৰহণ কৰিব লাগে। অৰ্থাৎ যি দৃঢ়তা আৰু সংকল্পৰে এজন ব্যক্তিয়ে নিজৰ সম্পদৰ ওপৰত অধিকাৰ প্ৰাপ্তিৰ প্ৰয়াস কৰে, ঠিক সেইদৰে মুছলমানক এই শিক্ষা দিয়া হৈছে পুণ্য বচনক আৰু উত্তম বিচাৰক য'তেই লাভ নকৰক, তাক অৰ্জন কৰাৰ যত্ন কৰিব লাগে। এনে সময়ত যদি কোনো প্ৰবাসী নাগৰিকে স্থানীয় সমাজৰ অংশ হোৱাৰ বাবে বহুতো শংকাৰ সৃষ্টি হৈছে, এয়া এক অতি সুন্দৰ আৰু সম্পূৰ্ণ মাৰ্গদৰ্শক সিদ্ধান্ত। মুছলমানক এই শিক্ষা দিয়া হৈছে যে স্থানীয় সমাজৰ লগত মিলিজুলি থকা আৰু পৰস্পৰৰ মাজত সন্মানৰ মনোভাৱ সৃষ্টিৰ বাবে আৱশ্যক যে প্ৰত্যেক সমাজৰ, ধৰ্মৰ , নগৰৰ আৰু দেশৰ নৈতিক মূল্যৰ জ্ঞান অৰ্জন কৰক। কেৱল জ্ঞান প্ৰাপ্ত হোৱাটো পৰ্যাপ্ত নহয় তথাপি মুছলমানে এনে মূল্যবোধক নিজৰ

ব্যক্তিগত জীৱনৰ অংগ কৰাৰ সম্পূৰ্ণ প্ৰয়াস কৰিব লাগিব। এয়া এক মাৰ্গদৰ্শক সিদ্ধান্ত। বাস্তৱত এই সিদ্ধান্তই পৰস্পৰৰ মাজত একতা, প্ৰেম তথা বিশ্বাসৰ ভাৱনাক জাগ্ৰত কৰে। নিঃসন্দেহে এগৰাকী প্ৰকৃত মুছলমানতকৈ অধিক শান্তিপ্ৰিয় কোন হ'ব পাৰে যি নিজৰ ধৰ্মীয় আৱশ্যকসমূহ পূৰণ কৰাৰ লগতে নিজৰ বা আন কোনোবা সমাজৰ উচ্চ নৈতিক মূল্যকো আত্মসাৎ কৰাৰ প্ৰচেষ্টা কৰে। এজন সঁচা মুছলমানতকৈ আন কোন শান্তি আৰু সুৰক্ষাৰ প্ৰচাৰ কৰিব পাৰে?

বৰ্তমান যুগৰ যোগাযোগ মাধ্যমৰ বাবে সমগ্ৰ বিশ্ব এখন গাঁৱত পৰিণত হৈছে। এই সন্দৰ্ভত মহানবী (ছাঃ)য়ে আজিৰে পৰা প্ৰায় **১৪০০** বছৰ আগতে ভৱিষ্যবাণী কৰিছিল যে এনে সময় আহিব যেতিয়া সম্গ্ৰ সংসাৰ এটা বৃত্তৰ পৰিধিৰ মাজত আহি পৰিব আৰু দুৰত্ববোৰ নাইকিয়া হৈ পৰিব। লগতে কৈছিল- আধুনিক আৰু তীব্ৰ সংসাৰৰ সম্পদৰ বাবে মানুহে সম্গ্ৰ বিশ্বখনক চাব পাৰিব। বাস্তৱত এয়া পৱিত্ৰ কোৰাণৰ ভৱিষ্যবাণী যাক মহানবী (ছাঃ)য়ে বিস্তাৰিত ভাবে ব্যাখা কৰিছিল। এই সন্দৰ্ভত মহানবী (ছাঃ)ৰ এই শিক্ষা যে যেতিয়া এনে যুগ আহিব তেতিয়া মানুহৰ কৰ্তব্য হ'ব যে এজনে আনজৰ লগত ভাল ব্যৱহাৰ কৰিব আৰু তেওঁলোকৰ ভাল জ্ঞানবোৰ আয়ত্ব কৰিব। ঠিক সেইদৰে যিদৰে নিজৰ হেৰোৱা সম্পত্তিৰ সন্ধান কৰা হয়। সাৰাংশ এয়া যে সকলো বিলাক সৎগুণক গ্ৰহণ কৰিব লাগে আৰু বেয়া কথাৰ পৰা আঁতৰি থাকিব লাগে। পৱিত্ৰ কোৰাণে এই আদৰ্শক স্পষ্ট কৰি ব্যাখা কৰিছে যে প্ৰকৃত মুছলমান সেইজন যি পুণ্যৰ উপদেশ দিয়ে আৰু পাপক বাধা দিয়ে। উপৰোক্ত সকলো কথাক সন্মুখত ৰাখি এনে কোনখন দেশ বা সমাজ আছে যি শান্তি প্ৰিয় মুছলমানক বা ইছলামক নিজৰ মাজত স্থান দিব নিবিচাৰিব অথবা স্বীকাৰ কৰিব নোৱাৰিব? যোৱা বছৰত মই বাৰ্লিনৰ মেয়ৰক লগ কৰাৰ সুবিধা লাভ কৰিছিলোঁ। মই তেওঁক এই কথা স্পষ্ট কৰি দিলোঁ যে ইছলামে এই শিক্ষা দিয়ে যে আমি যিকোনো দেশৰ ভালখিনিক এনেদৰে গ্ৰহণ কৰিব লাগিব যে সেয়া আমাৰ ব্যক্তিগত সম্পত্তি হয়। তেওঁ ইয়াৰ উত্তৰত ক'লে যদি আপুনি এই শিক্ষাক পালন কৰিব নিঃসন্দেহে সমস্ত বিশ্বই আপোনাৰ সৈতে সহযোগ কৰি আপোনাৰ সমৰ্থন কৰিব।

# মুছলমান পশ্চিমা সমাজৰ অংগ হ'ব....

মই ইয়াক শুনি অতি আচৰিত হোৱাৰ লগতে দুখ অনুভৱ কৰিছোঁ যে জাৰ্মানীৰ কিছু অংশত এনে লোক আছে যে যি দাবী কৰে মুছলমান আৰু আননালাগে ইছলামত জাৰ্মান সমাজৰ অংগ হোৱাৰ সামৰ্থ আছে। নিঃসন্দেহে এয়া সত্য যে যি ইছলাম উগ্ৰপন্থী অথবা সন্ত্ৰাসবাদীৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে তাত তেওঁলোকৰ যোগ্যতা নাথাকিব পাৰে, সেইসকল জাৰ্মানত কিয় বিশ্বৰ কোনো দেশৰ বা সমাজৰ অংগ হোৱাৰ যোগ্যতা নাই। এনে সময় অৱশ্যে আহিব যেতিয়া এনে উগ্ৰবাদী বিচাৰধাৰাক ইছলামীক দেশতো কঠোৰ বিৰোধ কৰা হ'ব। নিঃসন্দেহে সঁচা মুছলমান যাক মোহাম্মদ (ছাঃ)য়ে প্ৰস্তুত কৰিছে, সভ্য আৰু প্ৰকৃত লোকক সদায় নিজৰ ফালে আকৰ্ষিত কৰিব। বৰ্তমান যুগত ইছলামৰ বাস্তৱিক শিক্ষাক পুনৰ জীৱিত কৰাৰ কাৰণে পৰমাত্মাই মহানবীৰ আদৰ্শৰ অধীন কৰি হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে। বস্তুতঃ আমাৰ জামাতে ইছলামৰ বাস্তৱিক শিক্ষাক পালন কৰে আৰু প্ৰচাৰ কৰে।

এয়া স্পষ্ট যে কোনো ন্যায়প্ৰিয়জনে দাবী কৰিব নোৱাৰে ইছলামে কোনো আন সমাজৰ অংগ হ'ব নোৱাৰে। বাস্তৱত ইছলাম সেয়া যি পুণ্য আৰু সত্যৰ প্ৰচাৰ কৰে আৰু সকলো ধৰণৰ পাপ তথা অন্যায়ক নিষেধ কৰে। সেয়ে, এই প্ৰশ্ন অৰ্থহীন যে ইছলাম আন কোনো সমাজৰ অংগ হোৱাৰ বাবে সক্ষম নহয় তথাপি ইছলাম স্বাভাৱিক ৰূপত এক চুম্বকৰ দৰে যি সমাজক নিজৰ দিশে আকৰ্ষণ কৰে। ইছলামে এই শিক্ষা দিছে যে এজন ব্যক্তিয়ে কেৱল নিজৰ বাবে শান্তি কামনা কৰিলে নহ'ব তেওঁ সকলোৰে শান্তিৰ কামনা কৰিব লাগিব তথা প্ৰয়াস কৰিব লাগিব। সকলো প্ৰকাৰৰ প্ৰচেষ্টা কৰিব লাগিব। এই নিঃস্বাৰ্থ ভাবনা বিশ্বত শান্তি স্থাপন কৰাৰ পথ। কিয় কোনোবা এনে সমাজ আছে যি এনে শিক্ষাক প্ৰশংসা নকৰে আৰু এনেধৰণৰ বিচাৰধাৰাক স্বীকাৰ নকৰে? নিঃসন্দেহে কোনো সভ্য সমাজে নিজৰ মাজত পাপ আৰু অনৈতিকতাৰ প্ৰসাৰক কদাপি অনুমতি প্ৰদান নকৰে আৰু এনেধৰণৰ শান্তি আৰু সত্যতাৰ বিস্তাৰত কেতিয়াও বিৰোধিতা কৰিব নোৱাৰে।

ভালৰ পৰিভাষা কৰাৰ সময়ত সম্ভৱ যে এজন ধাৰ্মিক আৰু সাংসাৰিক ব্যক্তিৰ পৰিভাষাৰ মাজত বহুতো পাৰ্থক্য পৰিলক্ষিত হয়। ইছলামে সদগুণ আৰু সত্যতাক যিদৰে প্ৰচাৰ কৰে সেইবিলাকৰ ভিতৰত দুটা গুণ সকলোতকৈ মহত্বপূৰ্ণ যি ভালৰ ক্ষেত্ৰত সকলোদিশৰ পৰা উত্তম। এক

পৰমাত্মাৰ প্ৰতি কৰ্তব্য আৰু দ্বিতীয়তে মানৱতাৰ প্ৰতি কৰ্তব্য। প্ৰথম প্ৰকাৰৰ কৰ্তব্যৰ পৰিভাষাত এক ধাৰ্মিক আৰু সাংসাৰিক ব্যক্তিৰ মাজত পাৰ্থক্য থাকিব পাৰে কিন্তু দ্বিতীয় প্ৰকাৰত অৰ্থাৎ মানৱতাৰ প্ৰতি কৰ্তব্যত সন্দৰ্ভত কোনো পাৰ্থক্য থাকিব নোৱাৰে। পৰমাত্মাৰ প্ৰতি কৰ্তব্যৰ সম্পৰ্ক উপাসনাৰ লগত আছে আৰু সকলো ধৰ্মত এই বিষয়ত নিজ অনুগামীক মাৰ্গদৰ্শন কৰে। মানৱতাৰ প্ৰতি কৰ্তব্য সন্দৰ্ভত ধৰ্ম আৰু সমাজ দুয়োটাই মানৱক শিক্ষা দিছে। ইছলামে মানৱতাৰ প্ৰতি কৰ্তব্যৰ সন্দৰ্ভত অতি বিস্তাৰিত আৰু গভীৰ ভাবে শিক্ষা প্ৰদান কৰিছে আৰু এই সময়ত সকলো বিলাক বৰ্ণনা কৰাটো সম্ভৱ নহয়। তথাপিও ইছলামৰ দ্বাৰা স্থাপিত কিছুমান মহত্বপূৰ্ণ কৰ্তব্যক বৰ্ণনা কৰি যাম যি সমাজত শান্তি স্থাপিত কৰাৰ বাবে অতি আৱশ্যক।

ইছলামে এই শিক্ষা দিছে যে আমি আনলোকৰ ভাৱনাক আদৰ আৰু সন্মান কৰিব লাগে। ইয়াত আনৰ ধাৰ্মিক ভাৱনাক আৰু আন সমাজৰ সামাজিক বিষয়বোৰো সন্মিলিত হৈ আছে। এটা উপলক্ষত এজন ইহুদীয়ে যেতিয়া নিজৰ সৈতে এক মুছলমানৰ মাজত বিবাদৰ বৰ্ণনা মহানবী (ছাঃ)ৰ ওচৰত কৰিছিল আৰু তেওঁ ইহুদীৰ ধাৰ্মিক ভাৱনাক আদৰ কৰি তেওঁক সমৰ্থন দিছিল। এই ইহুদীৰ ভাৱনাক আদৰ কৰি মহানবী (ছাঃ)য়ে ইয়াক জানিও যে তেওঁ অন্তিম ধৰ্মবিধান প্ৰদানকাৰী, সেইজন মুছলমানক গালি পাৰি ক'লে যে তুমি ইয়াক দাবী কৰিব নালাগে হজৰত মোহাম্মদ (ছাঃ) আৰু মুছা (আঃ)তকৈ শ্ৰেষ্ঠ। এইদৰে মহানবী (ছা)য়ে আনৰ ভাৱনাক সন্মান প্ৰদান কৰি সমাজৰ মাজত শান্তিৰ স্থাপনা কৰিছিল।

ইছলামৰ আন এটা মহান শিক্ষা হ'লযে দুখীয়া আৰু জীৱনৰ মূল প্ৰয়োজনতাৰ পৰা বঞ্চিত লোকৰ অধিকাৰক সম্পূৰ্ণ ৰূপত বিস্তাৰিত কৰা। এই বিষয়ত ইছলামে এই শিক্ষা দিছে যে এনে আঁচনি প্ৰস্তুত কৰিব লাগে যে যাৰ দ্বাৰা সমাজৰ বঞ্চিতবৰ্গৰ জীৱনধাৰণৰ মানদণ্ড উচ্চ হ'ব পাৰে। আমি নিঃস্বাৰ্থ ভাৱনাৰে বঞ্চিতবৰ্গৰ সহায়ক কৰি তুলিব লাগে আৰু কোনো প্ৰকাৰে তেঁওলোকক শোষণ কৰিব নালাগে।

দুৰ্ভাগ্য যে আজি সমাজত মাথো বঞ্চিতবৰ্গৰ সহায়ৰ অৰ্থে মাথো দেখুৱাবলৈ আঁচনি প্ৰস্তুত কৰা হৈছে। কিন্তু বাস্তৱত এই সকলোবোৰ ঋণপ্ৰণালীত আধাৰিত

যিবোৰ সুদসব উভতাব লাগে। উদাহৰণস্বৰূপে বিদ্যাৰ্থীক শিক্ষা গ্ৰহণৰ বাবে ঋণ প্ৰদান কৰা হয় অথবা কোনোবা এজনে ব্যৱসায়ৰ বাবে ঋণ গ্ৰহণ কৰে, কিন্তু ঋণ পৰিশোধ কৰাৰ বাবে বহু বছৰ বহু দশক লাগিব পাৰে। যদি কেইবা বছৰৰ সংঘৰ্ষৰ পিছত কোনো বিত্তীয় সংকট উৎপন্ন হ'লে পুনৰ যেনে-তেনে নিজৰ পুৰণা অৱস্থালৈ উভতি আহে বা তাতকৈ বেয়ালৈ গতি কৰে। যোৱা কেইবছৰত বিশ্বৰ অধিকাংশ ত আৰ্থিক সংকটৰ গৰাহলৈ অহা বহুতো ঘটনা প্ৰত্যক্ষ কৰিছোঁ।

ইছলামৰ বিৰুদ্ধে সাধাৰণতে এই অভিযোগ উত্থাপন কৰা হয় যে নাৰীক ইছলামে ন্যায় আৰু সমতাৰ ব্যৱহাৰ নকৰে। কিন্তু অভিযোগ ভিত্তিহীন। ইছলামে নাৰীক সন্মান আৰু আদৰ প্ৰদান কৰি আহিছে। মই দুটা বা এটা উদাহৰণ দাঙি ধৰিম। যেতিয়া নাৰীক একক সম্পত্তি জ্ঞান কৰা হৈছিল, সেই সময়ত ইছলামে নাৰীৰ প্ৰতি বেয়া ব্যৱহাৰৰ কাৰণে ‘মুকলি' (স্বাধীনতা) গ্ৰহণ কৰাৰ অধিকাৰ প্ৰদান কৰিছে কিয়নো বিকশিত দেশসমূহত সম্প্ৰতি যোৱা শতিকাত নাৰীক এই অধিকাৰ বিধিসন্মত ৰূপত প্ৰদান কৰা হৈছে। ইয়াৰ অতিৰিক্ত ভাবে যদি কোনো নাৰীৰ মান-সন্মান অথবা অধিকাৰ নাছিল সেই সময়ত ইছলামে নাৰীক পৈত্তিক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰে। যিহেতু ইউৰোপীয় দেশবোৰত নাৰীক এই অধিকাৰ বৰ্তমান কিছু সময়ৰ পূৰ্বে প্ৰদান কৰা হৈছে। চুবুৰীয়াৰ অধিকাৰৰ সম্পৰ্কটো ইছলামে আমাক এই শিক্ষা দিয়ে যাক পৱিত্ৰ কোৰাণত বিস্তাৰিত ভাবে মাৰ্গদৰ্শন কৰা হৈছে চুবুৰীয়াৰ পৰিভাষাত কাক কাক সন্মিলিত কৰা হৈছে আৰু তেওঁলোকৰ অধিকাৰ কি ? চুবুৰীয়াত সেই সকল লোক সন্মিলিত যি আপোনাৰ লগত উঠা-বহা কৰে, আপোনাৰ কাষতে উঠা-বহা কৰে, আপোনাৰ পৰিচিত-অপৰিচিতজন। বাস্তৱত চুবুৰীয়াৰ পৰিভাষাৰ অন্তৰ্গত প্ৰায় ৪০ ঘৰ সোঁ-বাওঁৰে সন্মিলিত। যি আপোনাৰ লগত যাত্ৰা কৰে তেওঁ আপোনাৰ চুবুৰীয়া,আননালাগে তেওঁৰ প্ৰতি গুৰুত্ব দিয়াৰ বাবে আমাক নিদেৰ্শ প্ৰদান কৰা হৈছে। এই অধিকাৰৰ প্ৰতি ইমান গুৰুত্ব প্ৰদান কৰা হৈছে যে মহানবী (ছাঃ)ৰ মনত এনে চিন্তাধাৰা জাগ্ৰত হ'ব ধৰিলে চুবুৰীয়াকো কিয় সম্পতিৰ অধিকাৰ দিব নোৱাৰি। মহানবী (ছাঃ)য়ে ইয়াকো উল্লেখ কৰিছে এনে ব্যক্তি যাৰ দ্বাৰা তেওঁৰ চুবুৰীয়া সুৰক্ষিত নহয় মোমিন বা

মুছলমান বুলি ক'ব পৰা নাযায়। আনৰ ভালৰ কাৰণে আন এক আদেশ এই বুলি আছে যে সমাজৰ দুৰ্বল শ্ৰেণীৰ জীৱনৰ স্তৰ উন্নতি কৰাৰ কৰ্তব্য পূৰণৰ বাবে সকলো বৰ্গই পৰস্পৰ একগোটহৈ কাম কৰিব লাগে। বস্তুতঃ আহমদীয়া মুছলিম জামাতে এই কৰ্তব্যক পূৰণত নিজৰ ভূমিকা পালন কৰি বিশ্বৰ দুখীয়া আৰু বঞ্চিতবৰ্গৰ ক্ষেত্ৰত প্ৰাথমিক আৰু উচ্চ শিক্ষা ব্যৱস্থা কৰিছে। আমি বিদ্যালয়ৰ নিৰ্মাণ আৰু পৰিচালনা কৰি আহিছো আৰু উচ্চ শিক্ষাৰ বাবে ছাত্ৰবৃত্তি আৰু আন প্ৰকাৰৰ বিত্তীয় সাহায্য প্ৰদান কৰি আহিছো যাতে বঞ্চিত বৰ্গলোকৰ উন্নতি কৰি তেওঁলোকক স্বাৱলম্বি তথা আত্মনিৰ্ভৰ কৰি তুলিব পৰা যায়।

ইছলামৰ আন এক আদেশ এয়া যে তুমি নিজৰ সকলো প্ৰতিজ্ঞা আৰু প্ৰতিশ্ৰুতি পূৰণ কৰা। ইয়াত সেই সকলোবোৰ প্ৰতিশ্ৰুতি সন্মিলিত যিটো তোমালোকে এজনে-আনজনক দিয়া আৰু ইছলামৰ এই আদেশ যে এজন নাগৰিক হিচাপে নিজৰ দেশৰ প্ৰতি বিশ্বাসভাজন হোৱা যি প্ৰতিজ্ঞা কৰিছা তাক অনিবাৰ্য ভাবে পূৰণ কৰা। এই সম্পৰ্কক মই প্ৰথমতে উল্লেখ কৰিছোঁ। এইবিলাক সেইবোৰ তথ্য যিবোৰ আপোনালোকৰ সন্মুখত এই উদ্দেশ্য প্ৰস্তুত কৰা হৈছে যে এইবিলাকে আপোনাৰ ওপৰত সত্যক প্ৰতিফলিত কৰক যে ইছলামক এক অতি দয়া আৰু প্ৰেমৰ ধৰ্ম। অতি দুখৰ বিষয় যি প্ৰৱণতাই ইছলামে বিশ্ব শান্তিৰ শিক্ষা প্ৰদান কৰে ইছলামৰ বিৰোধীয়ে অথবা ইছলামক বাস্তৱিক শিক্ষাত অনভিজ্ঞ তেওঁ কঠুৰতাৰে ইছলামৰ বিৰুদ্ধে নিৰবিচ্ছন্ন অভিযোগ কৰি আহিছে। যেনেকৈ মই বৰ্ণনা কৰিছোঁ। বৰ্তমান যুগত আহমদীয়া মুছলিম জামাতে ইছলামৰ প্ৰকৃত আদেশসমূহ প্ৰচাৰ আৰু প্ৰদৰ্শন কৰি আহিছে। এই সত্যতাক সন্মুখতলৈ মই সেই সকল লোকক, যি মুছলমানৰ একাংশলোকৰ গতিবিধিৰ আধাৰত ইছলামৰ ওপৰত অভিযোগ উত্থাপন কৰে,এই অনুৰোধ কৰো যে নিঃসন্দেহে আপুনি এনে ব্যক্তিক জবাবদাহি কৰক কিন্তু ইছলামৰ প্ৰকৃত শিক্ষাক অপমাণিত অথবা বদনাম কৰিবলৈ এনে অনুচিত উদাহৰণক প্ৰয়োগ নকৰে যেন।

আপুনি এই বুলি নেভাবিব যে ইছলামৰ শিক্ষা জাৰ্মানী বা আন দেশৰ বাবে ক্ষতিকৰ হৈ উঠিব পাৰে। আপুনি এই বিষয়ে চিন্তিত হ'ব নালাগে

# মুছলমান পশ্চিমা সমাজৰ অংগ হ'ব....

কোনো মুছলমান জাৰ্মান সমাজৰ অভিন্ন অংগ হ'ব পাৰে বা নোৱাৰে। যেনেকৈ প্ৰথমতে বৰ্ণনা কৰিছোঁ ইছলামৰ এই বিশেষত্ব যে মুছলমানক এই শিক্ষা দিছে যে সকলো সদগুণক গ্ৰহণ কৰা। শেষতঃ নিঃসন্দেহ মুছলমান যিকোনো সমাজৰে অংগ হৈ জীৱন অতিবাহিত কৰিব পাৰে। যদি কোনোবাই ইয়াৰ বিপৰীত ব্যৱহাৰ কৰে তেন্তে সেয়া নাম মাত্ৰ মুছলমান, যিটো ইছলামৰ প্ৰকৃত শিক্ষা অনুসৰি নহয়। যদি মুছলমানে কোনো অনুচিত কাম কৰে অথবা মৰ্যাদা আৰু ধৰ্মৰ পৱিত্ৰতাৰ সিদ্ধান্ত সম্পৰ্কিত কোৰাণৰ শিক্ষাক অৱহেলা কৰে অথবা সদাচাৰৰ বিৰুদ্ধে আচৰণ কৰাৰ আদেশ দিয়া হয় যদি নিঃসন্দেহ তেওঁ এনেকুৱা কৰিব নোৱাৰে। এই বিষয়বোৰ সমাজৰ অংগ হৈ থকাৰ বাবে সম্পৰ্কিত নহয়,যদিও ব্যক্তিগত ধাৰ্মিক স্বতন্ত্ৰতাৰ লগত সম্পৰ্কিত।

ধৰ্মীয় স্বাধীনতাৰ উলংঘন বিষয়টো একমাত্ৰ মুছলমানে বিৰোধীতা নকৰে, সকলো সভ্য আৰু শিক্ষিত লোকে ইয়াৰ বিৰুদ্ধে মাত মাতিব আৰু মুকলি ভাবে ইয়াক ঘোষণা কৰে যে কোনো চৰকাৰে বা সমাজে কোনো ব্যক্তিৰ ধৰ্মীয় অধিকাৰক হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। মোৰ এই মিনতি যে জাৰ্মানী আৰু সকলো দেশৰ যি বাস্তৱত বিভিন্ন সংস্কৃতি আৰু ৰাষ্ট্ৰীয়তাৰ লগত সম্বন্ধ বজাই ৰাখিছে সেই ব্যক্তিয়ে বসবাস কৰা স্থানত সহনশীলতা আৰু পৰস্পৰৰ ভাৱনাক সন্মান কৰা উচ্চ আদৰ্শক প্ৰদৰ্শন কৰা। পৰমাত্মাই এনেদৰে পৰস্পৰৰ প্ৰেম, সহানুভূতি তথা শান্তিক প্ৰদৰ্শন কৰাজনকপথপ্ৰদৰ্শক কৰি তোলক। এইবিলাকে বিশ্বত চিৰ স্থায়ী শান্তি আৰু সুৰক্ষা স্থাপিত কৰিবলৈ সুনিশ্চিত মাধ্যম সিদ্ধ হৈ উঠিব যাৰ ফলস্বৰূপে বিশ্ব সেই বিনাশৰ পৰা সুৰক্ষিত হৈ পৰিব যাৰ দিশে পৰস্পৰ শান্তিৰ অভাৱৰ বাবে অগ্ৰসৰ হৈছে।

ভয়ংকৰ বিনাশৰ বিপদ আমাৰ ওপৰত বিৰাজিত। অন্ততঃ এই সৰ্বনাশৰ পৰা সুৰক্ষিত হোৱাৰ বাবে প্ৰত্যেক দেশ আৰু প্ৰতিজন ব্যক্তিয়ে লাগে তেওঁ ধাৰ্মীক হওঁক বা নহওঁক, অতি সাৱধানতাৰে আগবঢ়াৰ আৱশ্যকতা আছে। পৰমাত্মাই কৰক বিশ্বৰ প্ৰত্যেক ব্যক্তিয়ে এই প্ৰকৃত সত্যক উপলব্ধি কৰক। শেষত আপোনালোক সকলোকে পুনৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজি আপোনালোকে সময়লৈ ইয়ালৈ আহিল আৰু মোৰ কথা অতি মনযোগেৰে শুনিলে। আল্লাই আপোনালোকৰ ওপৰত কৃপা কৰক। আপোনালোকক বহুত বহুত ধন্যবাদ।



ISLAM—

A RELIGION OF PEACE AND COMPASSION

HOUSES OF PARLIAMENT

LONDON, UK, 2013








The Deputy Prime Minister, Rt. Hon. Nick Clegg in discussion with Ḥaḍrat Khalīfatul-Masīḥ V[aba], House of Commons, London, 11th June 2013



The Home Secretary, Rt. Hon. Theresa May MP with Ḥaḍrat Khalīfatul-Masīḥ V[aba]



The Shadow Foreign Minister Rt. Hon. Douglas Alexander with Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Rt. Hon. Ed Davey MP with Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Ḥaḍrat Khalīfatul-Masīḥ V[aba] received at the House of Commons by Rt. Hon. Ed Davey MP
London, 11th June 2013



Rt. Hon. Ed Davey MP escorts Ḥaḍrat Khalīfatul-Masīḥ V[aba] through Westminster Hall, House of Commons, London, 11th June 2013



Ḥaḍrat Khalīfatul-Masīḥ V[aba] delivering his historic speech to Parliamentarians, VIPs and diplomats at the House of Commons, London, 11th June 2013

# পৰিচয়

ইউ.কেত আহমদীয়া জামাতৰ প্ৰতিষ্ঠাৰ এশ বছৰ সম্পূৰ্ণ হোৱাৰ শুভক্ষণত লণ্ডন সংসদ ভৱনত **১১** জুন **২০১৩** চনত শতবৰ্ষ সমাৰোহ আয়োজনৰ উপলক্ষে বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ পঞ্চম (আইঃ))য়ে এক ভাষণ প্ৰদান কৰিছিল।

এই শতবৰ্ষৰ সমাৰোহত **৬৮** জন উচ্চ পদস্থ বিষয়া সন্মিলিত হৈছিল যাৰ **৩০** জন সাংসদ আৰু **১২** জন হাউচ অনলাৰ্ডছৰ সদস্য য'ত **৬** জন কেবিনেট মন্ত্ৰী আৰু **২** জন মন্ত্ৰী চামিল আছিল। বিভিন্ন টি.ভি চেনেলBBC, Sky TV আৰু ITV ৰ প্ৰতিনিধিয়ে এই সমাৰোহত সন্মিলিত হৈছিল। উপস্থিত সন্মানীয় লোকসকলৰ মাজত নিম্নলিখিত উচ্চ পদাধিকাৰীয়ো আছিল। সেইসকল—Secretary of State for Energy and Climate Change The Rt. Hon. Ed Davey MP, the Deputy Prime Minister The Rt. Hon. Nick Clegg MP, the Home Secretary The Rt. Hon. Theresa May MP, the Shadow Foreign Secretary The Rt. Hon. Douglas Alexander MP, theChairman of the Home Affairs Select Committee Rt. Hon. Keith Vaz MP and Member of Parliament for Mitcham and Morden Siobhain McDonaugh MP.

# ইছলাম—
# শান্তি আৰু দয়াৰ ধৰ্ম

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত।

সকলো সন্মানিত অতিথিবৰ্গ,

আছ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু— আপোনালোক সকলোৰোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

প্ৰথমতে মই এই অনুষ্ঠানত উপস্থিত হোৱা আহমদীয়া মুছলিম জামাতৰ সেই সকলো সতীৰ্থক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিম যি আমাৰ লগত মিত্ৰতা ৰক্ষা কৰি ঘনিষ্ঠ সম্পৰ্কক প্ৰদৰ্শন কৰি ইউ.কে আমাৰ জামাতৰ শতবৰ্ষ সম্পূৰ্ণ হোৱাত এই শতবৰ্ষৰ সমাৰোহৰ আয়োজন পাৰ্লিয়াণ্টে হাউচজত কৰিছে। মই সেই অতিথিকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিম যিসকলে আজি ইয়াত উপস্থিত হৈ এই সমাৰোহত নিশ্চিত ৰূপত মহত্বপূৰ্ণ আৰু সফল কৰি তুলিলে। মই ইয়াক জানিব পাৰি অতি আনন্দিত যে আপোনালোকৰ মাজত বহুতো লোক আছে যিকোনো সভা বা আন কাৰ্যত ব্যস্ত নহয়।

আপোনালোকৰ এই শুভ প্ৰয়াস আৰু ভাৱনাৰ প্ৰতি ধন্যবাদ আৰু প্ৰশংসা জ্ঞাপন কৰাৰ লগে লগে মই ইয়াকো ক'ব বিচাৰো মোৰ এয়া আন্তৰিক অভিলাস আৰু প্ৰাৰ্থনা যে এই বিশাল তথা সুন্দৰ ভৱনৰ সকলো বিভাগ আৰু ইয়াত কৰ্মৰত সকলো লোক নিজৰ দেশ তথা দেশৰ জনগণৰ প্ৰতি নিজৰ দায়িত্ব পূৰণ কৰা সকলৰ মাজৰ। মই এই আশা আৰু প্ৰাৰ্থনা কৰো আপোনালোক সকলো আন দেশৰ লগত মধুৰ সম্পৰ্কক সুদৃঢ় কৰি, ন্যায় দাবীক পূৰণ কৰি এনে নিৰ্ণয় কৰা সকলৰ মাজৰ হওঁক যি সকলো শ্ৰেণীৰ বা দলৰ হিতসাধনকাৰী হওঁক। যদি এই ভাৱনাক আপোন কৰি লোৱা হয় তেন্তে

ইয়াৰ ফলাফল অতি লাভদায়ক, অৰ্থাৎ— প্ৰেম, সহনুভূতি তথা ভ্ৰাতৃত্ববোধ জাগ্ৰত হ'ব যাৰ দ্বাৰা বিশ্ব বাস্তৱিক অৰ্থত শান্তি তথা সমৃদ্ধিৰ কেন্দ্ৰ হৈ পৰিব।

মোৰ এই ইচ্ছা আৰু চিন্তাধাৰাই সমগ্ৰ আহমদীয়া মুছলমানৰ চিন্তাধাৰাক প্ৰতিনিধিত্ব কৰে কিয়নো আমাৰ এই বিশ্বাস যে নিজৰ দেশৰ প্ৰতি আৰু সামগ্ৰিক ৰূপত সমগ্ৰ মানৱ জাতিৰ প্ৰতি প্ৰেম অতি আৱশ্যক। নিঃসন্দেহে আহমদী মুছলমানে এই বিশ্বাস কৰে যে নিজৰ দেশক ভালপোৱা ঈমানৰ এক অনিবাৰ্য অংগ কিয়নো ইছলামৰ প্ৰৱৰ্তক হজৰত মোহাম্মদ (ছাঃ) য়ে অতি দৃঢ়তাৰে ইয়াৰ শিক্ষা আৰু আদেশ দিছে। সেয়ে মই ইয়াক স্পষ্ট কৰিব বিচাৰো যে প্ৰত্যেক আহমদী মুছলমানে যি ইউ,কে ৰ নাগৰিক, লাগে তেওঁ ইউ.কে ত জন্ম হোৱা বা আন দেশৰ পৰা আহি নাগৰিকত্ব লাভ কৰিছে, তেওঁ পূৰ্ণতাৰে এই দেশৰ সম্প্ৰতি বিশ্বাসভাজন হওঁক আৰু এই দেশৰ প্ৰতি আন্তৰিকতাৰে ভালপোৱা প্ৰকাশ কৰে। সেয়াই কেৱল এই মহান দেশৰ উন্নতি আৰু সমৃদ্ধি কামনা কৰে।

আন দেশৰ পৰা আহি ইউ.কে ত বসবাস কৰা লোকসকলৰ সংখ্যা বহু অধিক আৰু এই দেশৰ মুঠ জনসংখ্যাৰ **১৪-১৫** শতাংশ। সেয়ে ব্ৰিটেইনৰ লোকসকলে আন দেশৰ পৰা অহা লোকক নিজৰ দেশত নাগৰিকত্ব তথা ব্ৰিটিছ সমাজ গঢ়া অংশ হিচাপে স্বীকাৰ কৰাত যি উদাৰতা আৰু সহিষ্ণুতা প্ৰদৰ্শন কৰিছে তাৰ বৰ্ণনা আৰু প্ৰশংসা নকৰাকৈ মই মোৰ ভাষণক আগবঢ়াব নোৱাৰো। এনেদৰে যিসকল লোক আন দেশৰ পৰা ইয়াত বসবাস কৰিবলৈ আহিলে সেইসকলৰ নৈতিক ভাবে এয়া অনিবাৰ্য কৰ্তব্য যে নিজকে এই দেশৰ বিশ্বাসভাজন নাগৰিক হিচাপে গঢ়ি তোলক আৰু সকলোধৰণৰ ব্যৱস্থা আৰু হিংসাক নিবাৰণ কৰাত চৰকাৰৰ প্ৰয়াসক সমৰ্থন কৰক। যিমানখিনিলৈকে আহমদীয়া মুছলিম জামাতৰ সম্বন্ধ সিহঁত যি কোনো দেশতে বসবাস নকৰক কিয় এই সিদ্ধান্ত পালন কৰে।

যিহেতু আপোনালোক জ্ঞাত যে এই সময়ত আমি ,ইউ.কে ত আহমদীয়া জামাতৰ স্থাপনাৰ শতবৰ্ষৰ সমাৰোহ আয়োজন কৰিছোঁ। যোৱা বছৰবিলাকৰ ইতিহাসৰ পৰা এই কথা প্ৰমাণিত হয় আৰু এই কথাৰ সাক্ষ্য প্ৰদান কৰে যে আহমদীয়া জামাতৰ সদস্যসকলে সদায় দেশৰ প্ৰতি

# ইছলাম শান্তি- আৰু দয়াৰ ধৰ্ম

বিশ্বাসভাজনতাৰ দাবীক পূৰণ কৰি আহিছে আৰু প্ৰতিখন চৰকাৰৰ উগ্ৰবাদীতা, বিদ্ৰোহ আৰু অৰস্থাৰ পৰা সদায় দুৰত্বত অৱস্থান গ্ৰহণ কৰি আহিছে। বাস্তৱত এই বিশ্বাসভাজনতা আৰু দেশপ্ৰেমৰ চিন্তাধাৰাৰ মূলতে হ'ল যে আহমদীয়া মুছলিম জামাত এক সঁচা ইছলামী জামাত। আমাৰ জামাত আন সকলো জামাততকৈ বিশেষ; কিয়নো আমি নিৰন্তৰ ইছলামৰ বাস্তৱিক তথা শান্তিপূৰ্ণ শিক্ষাৰে বিশ্বৰ লোকসকলক পৰিচিত কৰাই আহিছো আৰু সদায় প্ৰয়াস যে এই শিক্ষাক বাস্ত্ৱিক ইছলামৰ ৰূপত বিশ্বত স্বীকৃতি লাভ কৰিব পাৰো।

এই সংক্ষিপ্ত পৰিচয় শেষত মই মোৰ মূখ্য বিষয়ৰ ভাষণৰ মাজলৈ আহিছো। আমাৰ জামাতে শান্তি, প্ৰগতি, সমন্বয় আৰু একতাৰ পতাকাখন সদায় উচ্চ শিখৰত উত্তোলন কৰি আহিছে আৰু আমাৰ আদৰ্শ হ'ল 'প্ৰেম সকলোৰে বাবে, ঘৃণা কাৰোৰে প্ৰতি নহয়।' কিছু সংখ্যক আমাৰ পৰিচিত অমুছলমানলোকে যাৰ লগত মোৰ অতি ওচৰৰ সম্পৰ্ক আছে তেওঁলোকে এই বিষয়ে আচৰিত হৈ পৰে যে আহমদীয়া মুছলমান জামাতে ইছলামক নিজৰ শান্তি আৰু ভাতৃত্ববোধৰ সংবাদৰ সূত্ৰ বুলি উল্লেখ কৰে। তেওঁলোকৰ এই আচৰিত আৰু অসম্ভৱৰ কাৰণ এই যে অনুভৱ কৰে ইছলামৰ নাম মাত্ৰ বিদ্বান আৰু আন ইছলামী সম্প্ৰদায় সদায় পৃথক ৰূপত আচৰণ কৰে আৰু এক বেলেগ বাৰ্তাৰ সদায় প্ৰচাৰ কৰে।

এই পাৰ্থক্যতাক স্পষ্ট কৰিবলৈ মই ক'ব বিচাৰো যে আহমদীয়া মুছলমানে এই বিষয়ত বিশ্বাস ৰাখে যে বৰ্তমান যুগত' তৰোৱালৰ দ্বাৰা জিহাদ'ৰ চিন্তাধাৰা সদায় ভুল আৰু ইয়াক তিৰস্কাৰ কৰিব লাগে। ইয়াৰ বিপৰীতে কিছু ইছলামী বিদ্বানে এই চিন্তাধাৰাক প্ৰসাৰিত কৰে অথবা ইয়াক পালনো কৰে। তেওঁলোকৰ এই চিন্তাধাৰাৰ বাবে বিশ্বৰ বহুক্ষেত্ৰত মুছলমানৰ মাজত উগ্ৰবাদী আৰু সন্ত্ৰাসবাদী সংগঠনৰ জন্মৰ কাৰণ হৈ পৰিছে।

কেৱল এয়াই নহয় কিছুমান সংগঠনৰ জন্ম হৈছে, কিছুমান লোকে ব্যক্তিগত ৰূপত এই ভুল আৰু মিছা চিন্তাধাৰাৰ অনুচিত লাভ উঠাই তাৰ অনুৰূপ ব্যৱহাৰ কৰি আহিছে। লণ্ডনৰ ৰাজপথত এজন নিৰ্দোষী ব্ৰিটিছ চিপাহীক নিৰ্মম হত্যা এই বিচাৰধাৰাৰ পৰিণাম স্বৰূপ এক সতেজ উদাহৰণ। এই আক্ৰমণত ইছলামৰ বাস্তৱিক শিক্ষাৰ কোনো সম্পৰ্ক নাই, ইয়াৰ বিপৰীতে

ইছলামী শিক্ষাই এনে ঘটনাক ব্যাপক নিন্দা আৰু ভৎর্সনা কৰে। এনে ষড়যন্ত্রই ইছলামৰ বাস্তৱিক শিক্ষাক অধিক বিকৃত ৰূপত প্রস্তুত কৰা শিক্ষা, যাৰ প্রচাৰ কিছু নাম মাত্র মুছমানে নিজৰ নিকৃষ্ট স্বার্থৰ সিদ্ধিৰ বাবে কৰিছে। মই ইয়াকো ক'ব বিচাৰো যে কিছুমান স্থানীয় সম্প্রদায়ৰ প্রতিক্রিয়াও উচিত নাছিল তথা ইয়াৰ কাৰণে সমাজৰ শান্তি ভংগ হ'ব পাৰে।

আমাৰ এই বিৰ্তকৰ সমৰ্থত কি প্ৰমাণ আছে যে আমি যি ইছলামী শিক্ষা প্ৰস্তুত কৰিছোঁ সেয়া শুদ্ধ? বিচাৰ কৰাৰ যোগ্য এয়া যে তৰোৱাল বা বলপ্রয়োগৰ অনুমতি কেৱল সেই স্থিতিত দিয়া হ'ব যেতিয়া ইছলামৰ বিৰুদ্ধে ধাৰ্মিক যুদ্ধ আৰম্ভ হ'ব। বৰ্তমান যুগত কোনোৱে, লাগে সেয়া দেশ হওঁক অথবা ধৰ্ম হওঁক, ভৌতিক ৰূপত ইছলামৰ বিৰুদ্ধে ধৰ্মৰ আধাৰত আক্ৰমণ বা যুদ্ধ কৰা নাই। সেয়ে মুছলমানৰ বাবে এয়া ন্যায় সংগত নহয় যে কোনো আন সম্প্ৰদায়ৰ ওপৰত ধৰ্মৰ নামত আক্ৰমণ কৰক কিয়নো নিঃসন্দেহে এয়া পৱিত্ৰ কোৰাণ শিক্ষা উলংঘন।

পৱিত্ৰ কোৰাণে মাথো সেইসকল লোকৰ বিৰুদ্ধে বল প্ৰয়োগ কৰাৰ অনুমতি দিছে যে যিসকলে ইছলামৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিছে আৰু তৰোৱাল দাঙি লৈছে। আন এক মহত্বপূৰ্ণ বিন্দু এয়া যে যদি কোনো নাগৰিকে নিজৰ দেশ অথবা নিজৰ দেশবাসীক কোনো প্ৰকাৰৰ আঘাত বা ক্ষতি কৰে তেন্তে নিশ্চিত ৰূপত ইছলামৰ শিক্ষাক উলংঘন কৰা। হজৰত মোহাম্মদ (ছাঃ)ৰ বাণী যিকোনো নিৰ্দোষীৰ ৰক্তপাত কৰে তেওঁ মুছলমান নহয়। হজৰত মোহাম্মদ(ছাঃ) বিচাৰত এনে লোক দুৰ্বল ঈমান আৰু পাপী।

এতিয়া ইছলামৰ আন কিছুমান দিশৰ আলোকপাত কৰিম যাৰ দ্বাৰা এয়া প্ৰমাণিত হয় যে ইছলামৰ শিক্ষা কিমান বিশুদ্ধ তথা জ্ঞানৰ ওপৰত আধাৰিত। মই ইয়াক স্পষ্ট কৰিম যে কিছুমান নাম মাত্ৰ ইছলামী সংগঠনে ইছলামৰ যি ৰূপ প্ৰস্তুত কৰে সেয়া প্ৰকৃততে কোনো প্ৰকাৰৰ ধৰ্মৰ বাস্তৱিক শিক্ষাক প্ৰতিনিধিত্ব নকৰে। এয়া স্পষ্ট হৈ পৰিব তেওঁলোকে কেৱল নিজৰ স্বাৰ্থ পূৰণৰ বাবে ঘৃণা পূৰ্ণ গতিবিধিক ন্যায় সংগত বুলি প্ৰতিপন্ন কৰিবলৈ অনুচিত ৰূপত ইছলামৰ নাম প্ৰয়োগ কৰিছে।

ইছলামে সহনশীলতাৰ মহত্বৰ ওপৰত ইমান গুৰুত্ব প্ৰদান কৰিছে

যে ইয়াৰ সমতুল্য উদাহৰণ আনে কোনো ধৰ্মত পোৱাটো অসম্ভৱ। আন লোকৰ এয়া মত যে যেতিয়ালৈকে আন ধৰ্মক মিছা প্ৰমাণিত নকৰে, তেতিয়ালৈকে নিজৰ ধৰ্মৰ সত্যতাক প্ৰকাশ কৰিবলৈ সমৰ্থ নহয়, কিন্তু এই সন্দৰ্ভত ইছলামৰ মত একেবাৰে পৃথক কিয়নো ইছলামে এই শিক্ষা প্ৰদান কৰে যে ইছলাম এক সত্য ধৰ্ম যি সমস্ত মানৱ জাতিৰ কাৰণে প্ৰেৰণ কৰা হৈছে তথাপি বাস্তবিকতা এয়া যে পৰমাত্মাই সকলো অৱতাৰকে প্ৰত্যেক জাতি আৰু বিশ্বৰ প্ৰতিটো ভাগলৈ প্ৰেৰণ কৰিছিল। পৱিত্ৰ কোৰাণত ইয়াক স্পষ্ট ৰূপত বৰ্ণনা আছে। আল্লাহ-তালাই উল্লেখ কৰিছে যে সমস্ত অৱতাৰ তেওঁৰে প্ৰেম আৰু স্নেহৰ শিক্ষা দি প্ৰেৰণ কৰিছে। সেয়ে সকলো প্ৰকৃত মুছমানে ইয়াক স্বীকাৰ কৰিব লাগে।

কোনো আনধৰ্মত ইমান স্পষ্টতাৰে তথা উদাৰতাৰে সকলো ধৰ্মক প্ৰশংসা কৰা নাই যেনেকৈ ইছলামে কৰিছে। কিয়নো মুছলমানে ইয়াক বিশ্বাস কৰে যে সকলো জাতিত অৱতাৰ আহিছিল, সেয়ে তাক মিছা হোৱা বিচাৰ মনলৈ আনিব নোৱাৰি। সেয়ে মুছলমানে পৰমাত্মাৰ কোনো অৱতাৰকে অনাদাৰ, নিন্দা অথবা উপহাস কৰিব নোৱাৰে আৰু আন ধৰ্মালম্বীৰ ভাৱনাক আঘাত কৰিব নোৱাৰে। তথাপি দুখ এইযে কিছুমান অমুছলমান লোকৰ ব্যৱহাৰ ইয়াৰ সদায় বিপৰীত হয়। তেওঁলোকে ইছলামৰ প্ৰৱৰ্তক হজৰত মোহাম্মদ(ছাঃ)ক কলংক লগোৱা আৰু শোচনীয় ভাবে তেওঁক উপহাস কৰাৰ কোনো সুযোগে হাতৰ পৰা যাবলৈ নিদিয়ে আৰু এনেদৰে তেওঁলোকে মুছলমানৰ অনুভূতিত বেয়া ধৰণে আঘাত কৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে যেতিয়া কোনো কিছু তথ্য মুছলমানৰ অনুভূতিৰে ক্ৰিয়া কৰে, কিছু নাম মাত্ৰ মুছলমানে উত্তেজনা বশত আৰু অনুচিত ভংগীৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে যাৰ ইছলামৰ বাস্তৱিক শিক্ষাৰ লগত কোনো সম্বন্ধ নাথাকে। আপুনি ইয়াক অৱশ্যে অনুভৱ কৰিব যে কোনো আহমদী মুছলমানে কোনো উত্তেজনাত্মক স্থিতিত এনেধৰণৰ অজ্ঞানতাপূৰ্বক প্ৰতিক্ৰিয়া প্ৰদৰ্শিত নকৰে।

ইছলামৰ প্ৰৱৰ্তক হজৰত মোহাম্মদ (ছাঃ) আৰু পৱিত্ৰ কোৰাণৰ ওপৰত আন এটা অভিযোগ উত্থাপন কৰে যে তেওঁ উগ্ৰবাদৰ শিক্ষা দিছিল আৰু ইছলামক এই বাৰ্তা প্ৰচাৰ কৰাৰ বাবে বলপ্ৰয়োগ কৰাৰ বাবে উৎসাহিত

কৰিছিল। এই অভিযোগ বিবেচনা কৰাৰ বাবে তথা ইয়াৰ বাস্তৱিকতা জানিবলৈ স্বয়ং কোৰাণৰ অধ্যয়ন কৰিব লাগিব। সৰ্বশক্তিমান আল্লাই কৈছে—

'যদি তোমাৰ প্ৰভুৱে এনে ইচ্ছা কৰা হলে পৃথিৱীৰ সমগ্ৰ অধিবাসী নিশ্চয় বিশ্বাসী হ'লহেঁতেন;তেন্তে তুমি কি মানৱৰ প্ৰতি বল প্ৰয়োগ কৰিবা যেতিয়ালৈকে সিহঁত বিশ্বাসী নহয়?

এই আয়াতে স্পষ্ট ৰূপত উল্লেখ কৰে যে পৰমাত্মা যি সৰ্বশক্তিমান, সকলো লোকক এটা ধৰ্ম গ্ৰহণ কৰাৰ বাবে অতি সহজে বাধ্য কৰিব পাৰিলেহেঁতেন, কিন্তু তেওঁ সংসাৰৰ লোকক ইয়াৰ বিকল্প স্বাধীনতা প্ৰদান কৰে— ইচ্ছা কৰিলে ঈমান আনিব পাৰে নানানিবও পাৰে। সেয়ে যেতিয়া পৰমাত্মাই মানৱজাতিক যিকোনা বিকল্প গ্ৰহণ কৰাৰ বাবে স্বাধীনতা প্ৰদান কৰিছে তেন্তে হজৰত মোহাম্মদ(ছাঃ) অথবা তেওঁৰ কোনো অনুগামীয়ে কাৰোবাক মুছলমান হ'বলৈ কেনেকৈ বাধ্য কৰিব পাৰে?

সৰ্বশক্তিমান আল্লাই পৱিত্ৰ কোৰাণত ইয়াকো উল্লেখ কৰিছে— "................... সত্যতা তোমাৰ খোদাৰ ফালৰ পৰা আহিছে, সেয়ে যি বিচাৰে ঈমান আনক, যি নিবিচাৰে তাক অস্বীকাৰ কৰক।" ( অল-কহফ, ৩০)

এয়া ইছলামৰ বাস্তৱিকতা। এয়াই ইয়াৰ বাস্তৱিক শিক্ষা। যদি কোনোবা ব্যক্তিয়ে বিচাৰে তেওঁৰ ইছলামক স্বীকাৰ কৰাৰ স্বাধীনতা আছে, যদি তেওঁৰ মনে নিবিচাৰে অস্বীকাৰ কৰাৰো স্বাধীনতা আছে। সেয়ে ইছলামে উগ্ৰবাদ আৰু বল প্ৰয়োগৰ সম্পূৰ্ণৰূপে বিৰোধী, ইয়াৰ বিপৰীতে সমাজৰ প্ৰত্যেক স্তৰত শান্তি আৰু সমতাৰ সমৰ্থন কৰে।

ইছলামৰ কাৰণে এয়া অসম্ভৱ যে হিংসা আৰু বল প্ৰয়োগৰ শিক্ষা দিব কিয়নো ইছলাম শব্দৰ অৰ্থ শান্তিৰে বাস কৰা আৰু শান্তি প্ৰদান কৰা। তথাপি যেতিয়া আমাৰ ধৰ্মীয় চিন্তাধাৰাক উপহাস কৰা হয় তেন্তে আমি অতি কষ্ট আৰু দুখ অনুভৱ কৰো। হজৰত মোহাম্মদ (ছাঃ)ৰ সম্পৰ্কত যদি অলপো অপমানজনক শব্দ কোৱা হয় তেন্তে সি আমাৰ হৃদয়ক চিৰাচিৰ কৰি আহত কৰে।

ইছলামৰ প্ৰৱৰ্তক হজৰত মোহাম্মদ(ছাঃ) এ আমাৰ হৃদয়ত পৰমাত্মা

আৰু তেওঁৰ সৃষ্টিৰ প্ৰতি প্ৰেম ভাৱনা জাগ্ৰত কৰিছে। আপুনি আমাৰ হৃদয়ত সমস্ত মানৱজাতি আৰু সকলো ধৰ্মৰ প্ৰতি প্ৰেম আৰু সন্মানৰ ভাৱনা স্থাপিত কৰিছে। ইছলামৰ শান্তিপূৰ্ণ শিক্ষাৰ সম্পৰ্কত মই সেই উত্তৰৰ বাহিৰেও আন ডাঙৰ প্ৰমাণ কি দিব পাৰিম যি হজৰত মোহাম্মদ (ছাঃ)ৰ বিৰোধীয়ে দিছে যেতিয়া হজৰত মোহাম্মদ (ছাঃ)য়ে ইছলামৰ বাৰ্তা প্ৰেৰণ কৰিছিল। তেওঁ ইয়াক কোৱা নাই হজৰত মোহাম্মদ (ছাঃ)য়ে আমাক ইছলামৰ নিমন্ত্ৰণ দি কোনো প্ৰকাৰৰ অত্যাচাৰ অথবা অৰ্থনৈতিক কাৰ্য কৰিবলৈ শিক্ষা দিছিল, তথাপি তেওঁৰ উত্তৰ এয়া আছিল যে যদি তেওঁ ইছলামৰ শিক্ষাক স্বীকাৰ কৰে তেন্তে তেওঁৰ ধন-সম্পত্তিৰ ওপৰত অত্যাচাৰীলোকে আক্ৰমণ কৰি ল'ব আৰু তেওঁৰ প্ৰতিষ্ঠাও বিপদত পৰিব কিয়নো হজৰত মোহাম্মদ (ছাঃ)য়ে কেৱল শান্তি-সৌহাৰ্দ তথা সমন্বয়ৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ে ?। তেওঁ এই সংশয় প্ৰকট কৰিছে যে তেওঁ ইছলামক স্বীকাৰ কৰা হ'লে ফল স্বৰূপে শান্তিক আদৰি ল'লেহেঁতেন, তেন্তে যিকোনো লোকে,গোষ্ঠীয়ে আৰু আন জাতিয়ে ইয়াৰ অনুচিত লাভ অৰ্জন কৰি তেওঁক নষ্ট কৰি দিব। সাৰাংশ এয়া যে যদি ইছলামে হিংসাক প্ৰসাৰ কৰিলেহেঁতেন আৰু মুছলমানক যুদ্ধ কৰিবলৈ তথা তৰোৱাল ল'বলৈ শিক্ষা দিলেহেঁতেন তেন্তে বিধৰ্মীয়ে নিজৰ পালৰ পৰা এনে বিৰ্তক প্ৰকাশ নকৰিলেহেঁতেন। তেওঁ কদাপি নক'লেহেঁতেন ইছলাম এই কাৰণে স্বীকাৰ কৰিবনোৱাৰিলে কিয়নো ভয় আছিল যে ইছলামৰ শান্তিপূৰ্ণ শিক্ষাৰ ফলস্বৰূপে সাংসাৰিক লোকৰ দ্বাৰা তেওঁ সৰ্বনাশ হৈ পৰিব।

পৱিত্ৰ কোৰাণত বৰ্ণনা আছে যে সৰ্বশক্তিমান আল্লাহৰ এক গুণবাচক নাম 'ছালাম' যাৰ অৰ্থ হ'ল 'শান্তিৰ সূত্ৰ' তেন্তে তেওঁৰ শান্তি কেৱল এক বিশেষ সম্প্ৰদায়ৰ মাজত সীমিত নাথাকি সমস্ত সৃষ্টি আৰু সমস্ত মানৱ জাতিৰ ওপৰত আৰোপিত হ'ব লাগে। যদি পৰমাত্মাক শান্তি কেৱল কিছুমান লোকৰ সুৰক্ষাৰ বাবে আছিল তেন্তে এই অৱস্থাত তেওঁক সমস্ত সংসাৰৰ পৰমাত্মা ক'ব পৰা নাযায়। সৰ্বশক্তিমান পৰমাত্মাই ইয়াৰ উত্তৰ পৱিত্ৰ কোৰাণত এনেদৰে দিছে

"আৰু আমাক ৰছুলৰ সেই কথাৰ শপত। যেতিয়া তেওঁ কৈছিল হে মোৰ খোদা এই জাতিয়ে যে এনেকৈ যে ঈমান নানে। সেয়ে তেওঁলোকক এৰি

দিয়া আৰু কোৱা-‘ তোমাৰ ওপৰত আল্লাহৰ শান্তি হওঁক ‘আৰু তেওঁ শীঘ্ৰে জানিব।’

(অল-জুখৰুফঃ **৮৯-৯০**)

এই শব্দ কেইটাৰ পৰা ইয়াকে বুজিব পাৰি যে হজৰত মোহাম্মদ (ছাঃ)য়ে এনে শিক্ষা আনিছিল যি সমস্ত মানুহৰ বাবে দয়া আৰু শান্তিৰ সূত্ৰ আছিল আৰু ফলাফলঃ সমগ্ৰ মানৱ জাতিৰ বাবে শান্তিৰ মাধ্যম আছিল। উপৰোক্ত আয়াতৰ পৰা ইয়াকো অৱগত হ’ব পাৰি হজৰত মোহাম্মদ (ছাঃ)ৰ শান্তিৰ বাৰ্তাৰ উত্তৰ বিৰোধীয়ে কেৱল শিক্ষাক তিৰস্কাৰ কৰিছিল তদুপৰি মহানবী (ছাঃ)ক অপমান আৰু উপহাস কৰিছিল। বাস্তৱত ইয়াতকৈ আগবাঢ়ি গৈছিল আৰু তেওঁলোকে সম্পূৰ্ণ শত্ৰুতাৰে মহানবী (ছাঃ)ৰ বিৰোধ কৰিছিল, কলহ আৰু অশান্তিৰ পৰিৱেশ সূচনা কৰিছিল। বিৰোধীৰ এই গতিবিধি প্ৰত্যেক্ষ কৰি হজৰত মোহাম্মদ (ছাঃ)য়ে পৰমাত্মাক এই প্ৰাৰ্থনা কৰিলে যে ‘মই সিহঁতক শান্তি প্ৰদান কৰিব বিচাৰিছোঁ, কিন্তু সিঁহতে মোক শান্তি নিদিয়ে। ইয়াতকৈ বাঢ়িগৈ সিহঁতে মোক দুঃখ দিয়াৰ চেষ্টা কৰে।’

ইয়াৰ উত্তৰ পৰমাত্মাই সান্তনা প্ৰদান কৰি ক’লে—‘ যি সিহঁতে কৰিছে তাক উপেক্ষা কৰা আৰু তাৰ পৰা আঁতৰ হৈ যোৱা। তোমাৰ একমাত্ৰ কৰ্তব্য সংসাৰত শান্তিৰ প্ৰসাৰ কৰা আৰু তাৰ স্থাপন কৰা। তুমি সিহঁতৰ ঘৃণা আৰু সিহঁতৰ অত্যাচাৰৰ উত্তৰত মাথো ইয়াকে কোৱা ‘তোমালোকৰ ওপৰত শান্তি হওঁক’ আৰু সিহঁতক কৈদিয়া যে—‘ মই তোমালোকৰ বাবে শান্তি আনিছো।’

এনেদৰে হজৰত মোহাম্মদ (ছাঃ)য়ে আজীৱন বিশ্বত শান্তিৰ প্ৰচাৰ কৰিছিল। হজৰত মোহাম্মদ (ছাঃ)ৰ এয়াই মহান উদ্দেশ্য আছিল। নিঃসন্দেহে এদিন অৱশ্যে এনেকুৱা দিন আহিব যেতিয়া সংসাৰৰ লোকে এই তথ্যক বুজি ল’ব আৰু স্বীকাৰ কৰিব যে আপুনি কোনো ধৰণৰ উগ্ৰবাদৰ শিক্ষা দিয়া নাই। তেওঁলোকৰ এই অনুভৱ হ’ব আপুনি হজৰত মোহাম্মদ (ছাঃ)ক কেৱল শান্তি, প্ৰেম আৰু সহানুভূতিৰ সংবাদলৈ আহিছিল। ইয়াৰ অতিৰিক্ত এয়া যে যদি এই মহান অৱতাৰৰ অনুগামীয়ে অত্যাচাৰী আৰু অন্যায়ৰ প্ৰতি প্ৰেমপূৰ্বক নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে তেন্তে নিঃসন্দেহে সেই লোকে যি ইছলামৰ জ্যোতিৰ্ময় শিক্ষাক আক্ষেপ কৰে, এদিনাখন ইছলামৰ সত্যতা আৰু সুন্দৰতাক স্বীকাৰ কৰি ল’ব।

# ইছলাম শান্তি- আৰু দয়াৰ ধৰ্ম

আহমদীয়া মুছলিম জামাতে এই শিক্ষাক পালন আৰু অনুকৰণ কৰে। এই সহানুভূতি, সহনশীলতা আৰু দয়াত আধাৰিত সেই শিক্ষা যাক আমি সমস্ত বিশ্বত প্ৰচাৰ আৰু প্ৰসাৰ কৰো। আমি দয়া আৰু উদাৰতাৰ সেই ঐতিহাসিক আৰু অদ্বিতীয় আদৰ্শক পালন কৰো যাৰ প্ৰদৰ্শন হজৰত মোহাম্মদ (ছাঃ)য়ে বহু ছৰ অত্যন্ত কষ্ট আৰু পীড়া দায়ক যন্ত্ৰণা আৰু অত্যাচাৰক সহ্য কৰাৰ লগতে মক্কাৰ পথত এজন বিজেতাৰ ৰূপত প্ৰৱেশ কৰাত কৰিছিল। বহু বছৰলৈকে আপুনি আৰু আপোনাৰ অনুগামীৰ জীৱনৰ মূল আৱশ্যকতা- আহাৰ আৰু পানীৰ পৰা বঞ্চিত কৰা গৈছিল আৰু ফলস্বৰূপে তেওঁলোকে এটা সময়ত বহুদিনলৈকে ভোকৰ যন্ত্ৰণা সহ্য কৰিব লগা হৈছিল। আপোনাৰ বহু অনুগামীৰ ওপৰত আক্ৰমণ কৰা হ'ল, কিছুমানক অতি নিৰ্দয়তাৰে হত্যা কৰা হ'ল যাৰ কল্পনা কৰিব নোৱাৰি। ইমানলৈকে যে মুছলমান বৃদ্ধ, মহিলা আৰু শিশুক এৰি দিয়া হোৱা নাছিল, তেওঁলোকৰ লগতো নিৰ্দয়তাৰ ব্যৱহাৰ কৰা হৈছিল যেতিয়া হজৰত মোহাম্মদ(ছাঃ) য়ে বিজয়ী হৈ মক্কাত পুনৰ প্ৰৱেশ কৰিছিল আপুনি কোনো প্ৰকাৰৰ প্ৰতিশোধ লোৱা নাছিল। ইয়াৰ বিপৰীতে আপুনি এই ঘোষণা কৰিছিল যে ' আপোনালোক কাকো মই কোনো ধৰণৰ দণ্ড প্ৰদান নকৰো কিয়নো মই আপোনালোক সকলোকে ক্ষমা কৰি দিছোঁ। মই প্ৰেম আৰু শান্তিৰ দূত। মোৰ আল্লাহৰ এই গুণৰ সৰ্বাধিক জ্ঞান আছে যে সেয়া ' শান্তি সূত্ৰ হয়'- অৰ্থাৎ আল্লাই শান্তি প্ৰদান কৰে। মই আপোনালোকৰ অতীতৰ সকলো অত্যাচাৰক ক্ষমা কৰি দিছো আৰু আপোনালোকক শান্তি আৰু সুৰক্ষাৰ জমানত দিও। আপোনালোকে স্বাধীন ভাবে মক্কাত বসবাস কৰিব পাৰে আৰু নিজৰ ধৰ্মক বাধাহীন ভাবে পালন কৰিব পাৰে। কাকো কোনো ধৰণৰ হেঁচা বা বাধ্য কৰা নহ'ব।"

মক্কাৰ কিছুমান কট্টৰ বিৰোধীয়ে দণ্ডৰ ভয়ত মক্কা ত্যাগ কৰি পলাই গৈছিল কিয়নো তেওঁলোকে জানিছিল যে তেওঁলোকে মুছলমানক অত্যাচাৰ কৰা সকলো সীমাক অতিক্ৰম কৰিছিল। কিন্তু যেতিয়া সেই কাফিৰৰ সম্পৰ্কীয়ই দয়া আৰু প্ৰেমৰ এনে অদ্বিতীয় উদাহৰণ আৰু সৌহাৰ্দৰ এনে অভূতপূৰ্ব প্ৰদৰ্শন দেখিলে তেওঁলোকক উভতি আহিবলৈ সংবাদ পঠালে। যেতিয়া তেওঁলোকক জনোৱা হ'ল যে হজৰত মোহাম্মদ (ছাঃ)য়ে শান্তি

আৰু সুৰক্ষা প্ৰদান কৰোঁতা আৰু তেওঁলোক মক্কালৈ উভতি আহিল। যিসকলে ইয়াৰ আগতে ইছলামক কটু আৰু কঠোৰ বিৰোধী আছিল, তেওঁলোকে নিজেই হজৰত মোহাম্মদ (ছাঃ)ৰ দয়া আৰু উদাৰতাক প্ৰত্যেক্ষ ৰূপত অনুভৱ কৰি তেওঁলোকে সততাৰে ইছলামক স্বীকাৰ কৰিলে।

যিবিলাক মই বৰ্ণনা কৰিলোঁ সেইবিলাক লিখিত ইতিহাসৰ অংশ আৰু অধিকাংশ অমুছলমান ইতিহাসবিদ আৰু Orientalists য়ে এই সত্যতাক দাঙি ধৰিছে। এয়া ইছলামৰ বাস্তৱিক শিক্ষা আৰু হজৰত মোহাম্মদ (ছাঃ)ৰ মহান আদৰ্শ। সেয়ে ইছলাম আৰু ইয়াৰ প্ৰৱৰ্তকৰ বিৰুদ্ধে হিংসাৰ ভাৱ প্ৰদৰ্শন কৰা তথা তেওঁৰ বিৰুদ্ধে এই ধৰণৰ অভিযোগ উত্থাপন কৰাটো ঘোৰ অন্যায়। ইয়াত কোনো সন্দেহ নাই য'তেই এনে ধৰণৰ অভিযোগ কৰা হয়, মই অতি দুখ আৰু কষ্ট অনুভৱ কৰো।

মই পুনৰ ইয়াক ক'ব বিচাৰো বৰ্তমান যুগত কেৱল আমাৰ জামাতে-আহমদীয়া মুছলিম জামাতেহে ইছলামৰ বাস্তৱিক আৰু শান্তিপূৰ্ণ শিক্ষাক অনুসৰণ আৰু পালন কৰি আহিছে। মই ইয়াকো পুনৰ ক'বলৈ বিচাৰো যে কিছুমান সন্ত্ৰাসবাদী সংগঠনে অথবা কিছুমান ব্যক্তিৰ দ্বাৰা যি ঘৃণাপূৰ্ণ আৰু অপকৰ্ম কৰি থকা হৈছে তাৰ সৈতে ইছলামৰ বাস্তৱিক শিক্ষাৰ কোনো সম্পৰ্ক নাই।

প্ৰকৃত ন্যায়ৰ ভিত্তিপূৰ্ণ সিদ্ধান্ত এয়া যে কোনো সম্প্ৰদায় অথবা ব্যক্তি বিশেষে ন্যস্ত স্বাৰ্থৰ বাবে কোনো ধৰ্মৰ শিক্ষাক সংযুক্ত কৰিব নালাগে। এনে গতিবিধিক কোনো ধৰ্ম অথবা তাৰ প্ৰৱৰ্তকে অন্যায়পূৰ্ণ ভাবে নিন্দা কৰাৰ বাবে এক আহিলা হিচাপে অনুচিত প্ৰয়োগ কৰিব নালাগে। সময়ৰ অতি আৱশ্যকতা যে বিশ্ব-শান্তি আৰু একতাক স্থাপন কৰাৰ কাৰণে সকলোকে পৰস্পৰ সন্মান আৰু এজনে আনজনৰ ধৰ্মক সন্মান কৰাৰ মনোভাৱ প্ৰদৰ্শন কৰিব লাগে। অন্যথা ইয়াৰ পৰিণাম অতি ভয়ানক হ'ব।

আজি সংসাৰ এখন বিশ্ব-গ্ৰামলৈ পৰিণত হ'ল। সেয়ে পৰস্পৰ শ্ৰদ্ধা আৰু সন্মানৰ অভাবে আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে সংগঠিত হোৱা বিফলতাৰ কাৰণে একমাত্ৰ স্থানীয় অঞ্চল, চহৰ অথবা দেশৰ ক্ষতি কৰিব। তথাপি ইয়াৰ ফলস্বৰূপে বস্তুতঃ বিশ্ব এক ভয়ানক বিনাশৰ মাজত সোমাই পৰিব। যোৱা

# ইছলাম শান্তি- আৰু দয়াৰ ধৰ্ম

দুখন বিশ্ব যুদ্ধৰ বিধ্বংসকাৰী পৰিণামৰ বিষয়ে আমি সকলো অৱগত। কিছুমান দেশৰ গতিবিধি এনেধৰণৰ যে যি তৃতীয় বিশ্ব যুদ্ধৰ সূচক।

যদি তৃতীয় বিশ্বযুদ্ধ আৰম্ভ হয় তেন্তে পশ্চিমীয়া দেশত ইয়াৰ দূৰগামী আৰু বিনাশকাৰী পৰিণামে বেয়া ধৰণে প্ৰভাম্বিত কৰিব। আমি আমাৰ প্ৰজন্মক যুদ্ধৰ ভয়ানক আৰু বিনাশকাৰী পৰিণামৰ পৰা সুৰক্ষিত থোৱাৰ প্ৰয়াস কৰিব লাগে।

স্পষ্ট যে সকলোতকৈ ভয়ানক যুদ্ধ পৰমাণু যুদ্ধ হ'ব আৰু এই সময় সংসাৰ যাৰ দিশে আগবাঢ়িছে, নিঃসন্দেহ সেয়া এক পৰমাণু যুদ্ধ আৰম্ভণীৰ বতৰা। এই বিনাশকাৰী পৰিণামক বাধা দিবলৈ আমি ন্যায়, একতা তথা অখণ্ডতা আৰু সত্যবাদীতাৰ পথক আকোৱালী ল'ব লাগিব আৰু সংগঠিত ৰূপত সেই গোটক দমন কৰিব লাগিব যি ঘৃণাৰ প্ৰচাৰ কৰি বিশ্ব-শান্তিৰ সৰ্বনাশ কৰিব বিচাৰে।

মই এই আশা আৰু প্ৰাৰ্থনা কৰো যে সৰ্বশক্তিমান পৰমাত্মা মহাশক্তিক নিজৰ কৰ্তব্যৰ এই সম্বন্ধক ন্যায়পূৰ্ণ ভংগীৰে পালন কৰাৰ সামৰ্থ প্ৰদান কৰক- আমীন। মোৰ ভাষণ সমাপ্ত কৰাৰ পূৰ্বে মই আপোনালোকক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো যে আপোনালোক সকলো সময় উলিয়াই আৰু চেষ্টা কৰি ইয়াত উপস্থিত হ'ল। পৰমাত্মাই আপোনালোকক কৃপা কৰক। আপোনালোক সকলোকে অশেষ ধন্যবাদ।



# WORLD PEACE—
# THE CRITICAL NEED OF THE TIME

NEW ZEALAND NATIONAL PARLIAMENT
WELLINGTON , NEW ZEALAND, 2013







Hon. Kanwaljit Singh Bakshi (MP) receiving the HolyQur'an from Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Iranian ambassador Seyed Majid Tafreshi Khameneh meeting Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Det. Rakesh Naidoo meeting Ḥaḍrat Khalīfatul-Masīḥ V[aba] in representation of the Commissioner of Police New Zealand



Ḥaḍrat Khalīfatul-Masīḥ V[aba] leading silent prayers at the conclusion of the official function in the Grand Hall, New Zealand Parliament



Dr. Cam Calder MP meeting Ḥaḍrat Khalīfatul-Masīḥ V[aba]



Ḥaḍrat Khalīfatul-Masīḥ V[aba] delivering the keynote address at the Grand Hall, in the New Zealand Parliament. 4th Nov 2013



Hon. Kanwaljit Singh Bakshi (MP) with Ḥaḍrat Khalīfatul-Masīḥ V[aba] and his entourage in front of the New Zealand Parliament

# পৰিচয়

বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ পঞ্চম (আইঃ))য়ে দিনাংক ৪ নৱেম্বৰ ২০১৩ চনত বাঁলিংটনস্থিত নিউজিলেণ্ডৰ ৰাষ্ট্ৰীয় পাৰ্লিয়ামেণ্টত এক ঐতিহাসিক ভাষণ প্ৰদান কৰিছিল। সংসদৰ সাংসদ, ৰাজদূত, শিক্ষাবিদ তথা বিভিন্ন ক্ষেত্ৰৰ লগতে সম্পৰ্কিত গণ্যমান্য অতিথিসকল উপস্থিত থকা সভাত হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে এই বিষয়ত নিজৰ বিশ্লেষণ দাঙি ধৰে বিশ্বৰ বিভিন্ন অংশত তীব্ৰ গতিত বৃদ্ধি হোৱা বিবাদ আৰু উত্তেজনালৈ লক্ষ্য ৰাখি বিশ্ব শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে ন্যায়ৰ অতি আৱশ্যকতা আছে। তেওঁৰ মূখ্য ভাষণৰ লগতে আন আন উচ্চ পদস্থসকলেও সভাক সম্বোধন কৰে। উক্ত সভাত সাংসদ Kanwaljit Singh Bakshi য়ে কয়, ‘ আমাৰ অতি সৌভাগ্য যে হজৰত মিৰ্জা মছৰুৰ আহমদে নিউজিলেণ্ডৰ সংসদত উপস্থিত হৈছে আৰু আমাক তেওঁৰ জ্ঞান আৰু চিন্তাধাৰাৰে অৱগত হোৱাৰ সুবিধা প্ৰদান কৰিলে। সাংসদ Dr. Rajen Prasadয়ে কয়, ‘ নিউজিলেণ্ডৰ পাৰ্লিয়ামেণ্টত হজৰত চাহেবক আদৰণি জনাবলৈ পাই আমি অতি আনন্দ অনুভৱ কৰিছোঁ। মোক সদায় এই কথাই সদায় আকৰ্ষিত কৰি  আহিছে যে আহমদীয়ে কেনেদৰে এখন ৰাষ্ট্ৰৰ নাগৰিক হিচাপে নিজৰ জীৱন অতিবাহিত কৰি নিজৰ শান্তিৰ বাৰ্তা পালন কৰে। সভাৰ শেষত হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ পঞ্চম (আল্লাহ আপোনাৰ সহায়ক হওঁক) য়ে বিভিন্ন উচ্চপদস্থ লোক য’ত ইৰাণ আৰু ইজৰাইলৰ ৰাষ্ট্ৰদূত আছিল তেওঁলোককো লগ কৰে। Kanwaljit Singh Bakshi সাংসদে হুজুৰক সংসদ ভৱন পৰিভ্ৰমণ কৰায়।

# সম্প্ৰতি জটিল সন্ধিক্ষণত বিশ্বশান্তিৰ অতি আৱশ্যকতা

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম করুণাময় পৰম দানশীল আল্লাহৰ নামত।

সকলো সন্মানিত অতিথিবৰ্গ

আছছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু— আপোনালোক সকলৰোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

সৰ্বপ্ৰথমতে মই এই শুভক্ষণত সেই সকলো লোকক বিশেষকৈ মাননীয় সাংসদ Kanwaljit Singh Bakshi ৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰি ক'ব বিচাৰিছোঁ যিসকলে এই সভাখনৰ আয়োজন কৰিলে আৰু আপোনালোকৰ সন্মুখত মোক কিবা এটা কোৱাৰ সুযোগ প্ৰদান কৰিলে। তদুপৰি মই আপোনালোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো যিসকলে মোৰ বিশ্লেষণ শুনাৰ বাবে ইয়াত উপস্থিত হৈছে।

কোনো সন্দেহ নাই যে এই সংসদ ভৱনত দেশৰ উন্নতি আৰু বিকাশৰ বাবে বিভিন্ন নীতি আৰু আঁচনি তথা আইন ৰচনা কৰাৰ কাৰণে বিভিন্ন ৰাজনীতিজ্ঞ আৰু সাংসদ সদস্য নিয়মিত ভাবে একগোট হয়। ইয়াৰ অতিৰিক্ত মোৰ বিশ্বাস যে বহুতো ধৰ্ম নিৰপেক্ষ বা ভৌতিকবাদী নেতাই ইয়াত উপস্থিত হৈ নিজৰ জ্ঞান, কৌশল আৰু অতীতৰ অভিজ্ঞতাৰ আধাৰত আপোনালোকক সম্বোধন কৰিছে। কিন্তু কেতিয়াও কোনো ধৰ্মীয় সম্প্ৰদায়ৰ বিশেষকৈ এক মুছলিম সম্প্ৰদায়ৰ প্ৰধানে আপোনালোকক সম্বোধন কৰা নাই। সেয়ে বিশ্বখ্যাত আহমদীয়া মুছলিম জামাত প্ৰকৃততে যি ইছলামী সংগঠন যাৰ একমাত্ৰ উদ্দেশ্য ইছলামৰ প্ৰকৃত শিক্ষাক প্ৰচাৰ আৰু প্ৰসাৰ কৰা, এই সংগঠনৰ মুখ্যজনক সম্বোধন কৰাৰ সুবিধা প্ৰদান কৰি আপোনালোকে আপোনালোকৰ বিশাল হৃদয়ৰ আৰু উচ্চ স্তৰীয় সহনশীলতা সংকেত তথা প্ৰমাণ দাঙি ধৰিছে। সেয়ে আপোনালোকৰ এই দয়াপূৰ্ণ ব্যৱহাৰৰ বাবে মই আপোনালোকৰ ঋণী।

# বিশ্ব সংকট তথা শান্তিৰ পথ

ধন্যবাদৰ এই শব্দৰ উপৰিও এতিয়া মই মোৰ ভাষণৰ মুখ্য বিষয়লৈ আহো। মই ইছলামৰ সুন্দৰ শিক্ষাৰ সম্পৰ্কত কিছু কথা বৰ্ণনা কৰিম। মই সেইবোৰ সমস্যা, যিবিলাক মোৰ বিচাৰত বৰ্তমান সময়ত অতি জৰুৰী অৰ্থাৎ বিশ্বত শান্তি স্থাপন কৰিবলৈ কিছুমান কথা উল্লেখ কৰিম। আপোনালোকৰ মাজত অধিকাংশ লোক, ধৰ্মনিৰপেক্ষ ৰাজনীতিজ্ঞ নিজা নিজা স্তৰত আৰু চৰকাৰে ৰাজহুৱা স্তৰত ধৰ্মনিৰপেক্ষ দৃষ্টিভংগীৰে শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে সদায় প্ৰচেষ্টা কৰি আহিছে। আপোনালোকৰ প্ৰয়াস শুভেচ্ছাৰে প্ৰেৰিত আৰু আপোনালোকৰ এই প্ৰয়াসে কিছু সফলতা লাভ কৰিছে। এনেদৰে আপোনালোকৰ চৰকাৰে যোৱা বছৰত বিশ্ব শান্তি আৰু ঐক্যতা স্থাপন কৰাৰ বাবে বহুকেইটা পৰামৰ্শ প্ৰদান কৰিছিল।

সন্দেহ নাই যে বিশ্বৰ বৰ্তমান পৰিস্থিতি অতি সংকটপূৰ্ণ যি সমগ্ৰ বিশ্বৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। যিসময়ত বিশ্বৰ মূল সংকেত আৰবীয় দেশসমূহত উৎপন্ন হৈছে আৰু প্ৰতিজন বুধিয়ক লোকে ইয়াক ভালদৰে অৱগত যে এনে বিবাদ অথবা সংকেত কেৱল সেই ক্ষেত্ৰতে সীমিত হৈ নাথাকে। ইয়াত কোনো শংকা নাই যে কোনো চৰকাৰ আৰু তেওঁলোকৰ প্ৰজাৰ মাজত বিবাদ বৃদ্ধি হৈ আন্তঃৰাষ্ট্ৰীয় ৰূপ ধাৰণ কৰে। মই দেখি আহিছো যে বিশ্বৰ মহাশক্তি প্ৰথমৰে পৰা দুটা ভাগত বিভক্ত হৈ পৰিছে। এটা ভাগে চিৰিয়া চৰকাৰক সমৰ্থন কৰে, আনটো ভাগে বিদ্ৰোহীৰ সমৰ্থন কৰিবলৈ আগবাঢ়ি আহিছে। স্পষ্টৰূপত এই পৰিস্থিতি কেৱল মাত্ৰ মুছলমান দেশৰ বাবেই গভীৰ বিপদৰ বিষয় এনে নহয়, বিশ্বৰ শীৰ্ষ সকলো দেশৰ বাবে অতি এক সংকতৰ বাৰ্তা।

যোৱা শতিকাত হোৱা দুখন বিশ্ব যুদ্ধৰ হৃদয়-বিদাৰক পৰিণামক আমি কেতিয়াও পাহৰিব নোৱাৰো। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ ফলত হোৱা বিস্তৃত বিনাশক কেতিয়াও পাহৰিব নোৱাৰি। কেৱল পৰম্পৰাগত অস্ত্ৰৰ প্ৰয়োগৰ দ্বাৰাই বিশাল জনসংখ্যাৰ বহু স্থান আৰু চহৰ পূৰ্ণৰূপত বিধ্বস্ত হৈ পৰিল আৰু লাখ লাখ লোকৰ মৃত্যু হ'ল। ইয়াৰোপৰি দ্বিতীয় বিশ্বযুদ্ধত বিশ্বই সম্পূৰ্ণ বিনাশৰ ঘটনাও দেখিলে য'ত জাপানৰ বিৰুদ্ধে পৰমাণু বোমা প্ৰয়োগ কৰা হ'ল যি এনে সৰ্বনাশ কৰিলে যাৰ প্ৰভাৱ শুনিলেই মানুহৰ বুকু কপি

উঠে। হিৰোছিমা, নাগাছাকিৰ সংগ্ৰাহলয় এই সম্পূৰ্ণ সৰ্বনাশ আৰু ভয়াবহ স্থিতিৰ স্মৰণৰ বাবে পৰ্যাপ্ত।

দ্বিতীয় বিশ্ব যুদ্ধত এক অনুমান অনুসৰি ৭০মিলিয়ন লোকৰ মৃত্যু হয়, য'ত ৪০ মিলিয়ন সাধাৰণ নাগৰিক আছিল। এনেদৰে সেনাৰ সদস্যতকৈ সাধাৰণ নাগৰিকে জীৱন দিব লগা হয়। যুদ্ধৰ পিছৰ কু-প্ৰভাৱ ইয়াতকৈ ভয়াবহ আছিল অৰ্থাৎ যুদ্ধৰ পিছত মৃত্যু হোৱা লোকৰ সংখ্যা লাখৰ অধিক আছিল। পৰমাণু বোমা নিক্ষেপ কৰাৰ পিছত বহু বছৰৰলৈকে বিকিৰণৰ ভয়াবহ প্ৰভাবৰ বাবে নৱজাত শিশু আক্ৰান্ত হৈছিল। বৰ্তমান সময়ত বিশ্বৰ কিছুমান সৰু দেশেও পৰমাণু অস্ত্ৰ অৰ্জন কৰিছে আৰু তেওঁলোকৰ নেতা অতি উত্তেজিক স্বভাৱৰ। এনে লাগে যে তেওঁলোকে নিজৰ কাম কৰিব যাওঁতে বিনাশৰ দিশত একেবাৰে উদাসহীন।

যদি আমি আজি পৰমাণু যুদ্ধৰ সূচনাৰ কল্পনা কৰো তেন্তে যি চিত্ৰ ভাহি উঠিব তাক দেখি এজন অত্যন্ত ভয়ভীত হৈ কঁপি উঠিব। বৰ্তমান যিবোৰ পৰমাণু বোমা সৰু সৰু দেশবোৰৰ হাতত আছে দ্বিতীয় বিশ্বযুদ্ধত প্ৰয়োগ কৰা বোমাতকৈ বহুগুণে শক্তিশালী।

আজি বৰ্তমান সংসাৰ এনে দমনীয় অৱস্থা যে এফালে শান্তি স্থাপনৰ কথা কোৱা হয় আনফালে অহংকাৰী প্ৰবৃত্তিত গ্ৰস্ত আৰু দম্ভ তথা উদণ্ডতাৰ প্ৰভাবধীন মদমত্ত। প্ৰতিখন শক্তিশালী ৰাষ্ট্ৰই নিজৰ শ্ৰেষ্ঠতা আৰু শক্তিৰ প্ৰমাণ দিবলৈ যথেষ্ট চেষ্টা কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত বিশ্বত স্থায়ী শান্তিৰ বাবে স্থাপন কৰা তথা ভৱিষ্যতে যুদ্ধৰ সম্ভাৱনাক ৰোধ কৰাৰ কাৰণে বিশ্বই একগোট হৈ এক সংগঠনৰ জন্ম দিলে যাক সংযুক্ত ৰাষ্ট্ৰৰ সংজ্ঞা দিয়া হ'ল। কিন্তু এনে লাগিছে যেনেদৰে লীগ অফ নেশ্বনচ (ৰাষ্ট্ৰসংঘ) দুৰ্ভাগ্যজনক ভাবে নিজৰ উদ্দেশ্যত বিফল হ'ল, সেইদৰে সংযুক্ত ৰাষ্ট্ৰ সংঘৰ আদৰ আৰু সন্মান দিনক-দিনে হ্ৰাস হৈ আহিছে। যদি ন্যায়ৰ দাবীক পূৰণ কৰিব নোৱাৰে তেন্তে শান্তি স্থাপনাৰ বাবে যিমানেই সংগঠন জন্ম দিয়া নহওঁক, সকলোবোৰ প্ৰয়াস বিফল হ'ব।

মই এতিয়া লীগ অৱ নেশ্বনচ বিফলতাক বৰ্ণনা কৰিলোঁ। প্ৰথম বিশ্ব যুদ্ধৰ পিছত বিশ্ব শান্তিৰ সুৰক্ষাৰ একমাত্ৰ উদ্দেশ্যে ইয়াক গঠন কৰা

হৈছিল কিন্তু ই দ্বিতীয় বিশ্ব যুদ্ধৰ অশুভ আগমনক যাৰ সম্পৰ্কত মই আগতে উল্লেখ কৰিছোঁ ইয়াৰ কাৰণে কিমান বিনাশ আৰু হানি হ'ল তাক ৰোধ কৰাত বিফল হয়। এই যুদ্ধত নিউজিলেণ্ডতো কিছু লোকৰ মৃত্যু হৈছিল। কোৱা হয় যে প্ৰায় **১১০০০**লোক যিসকল সৈনিক আছিল, এই যুদ্ধত মৃত্যু হৈছিল। নিউজিলেণ্ড যুদ্ধৰ কেন্দ্ৰৰ পৰা নিলগত হোৱাৰ কাৰণে সাধাৰণ নাগৰিকৰ প্ৰাণ নগ'ল কিন্তু যেনেকৈ মই প্ৰথমতে বৰ্ণনা কৰিছোঁ সামূহিক ৰূপত সৈনিকতকৈ নিৰ্দোষী নাগৰিকে নিজৰ প্ৰাণ বিসৰ্জন দিব লগা হৈছিল। অলপ চিন্তা কৰক সাধাৰণ নিৰীহ লোক য'ত অসংখ্য মহিলা আৰু শিশুও আছিল, বিনা কোনো অপৰাধত অকাৰণে অকাল মৃত্যুক সাৱতি ল'ব লগা হ'ল।

সেই কাৰণে আপুনি দ্বিতীয় বিশ্ব যুদ্ধত প্ৰত্যক্ষ ভাবে প্ৰবাম্বিত দেশৰ নাগৰিকৰ হৃদয়ত যুদ্ধৰ নামতেই স্বাভাৱিক ঘৃণাক দেখা পাব। বস্তুতঃ দেশপ্ৰেম আৰু দেশ ভক্তিৰ এই দাবী যে যদি দেশৰ ওপৰত কোনো আক্ৰমণ হয় তেন্তে এজন সাধাৰণ নাগৰিকৰ কৰ্তব্য হ'ল যে তেওঁ দেশৰ ৰক্ষা আৰু স্বাধীনতাৰ বাবে সকলো প্ৰকাৰৰ বলিদান দিবলৈ সাজু থাকক। তথাপি,যদি বাৰ্তালাপৰ মাধ্যমেৰে আৰু ৰাজনৈতিক স্তৰত বিবাদক শান্তিপূৰ্ণ আৰু মৈত্ৰীপূৰ্ণভংগীৰে সমাধান সম্ভৱ হয় তেতিয়া অকল মৃত্যু তথা বিনাশক আমন্ত্ৰণ কৰিব নালাগে। প্ৰাচীন কৰাল যুদ্ধত মূলতে সৈনিকৰ মৃত্যু হৈছিল আৰু নাগৰিকৰ সামান্য হানি হৈছিল। কিন্তু আজি যুদ্ধৰ আহিলাৰ বাবে উৰা জাহাজেৰে বোমা বৰ্ষণ, বিষাক্ত গেছ আৰু ৰাসায়নিক অস্ত্ৰ অন্তৰ্ভুক্ত আৰু যেনেকৈ মই কৈছো যে সকলোতকৈ বিনাশকাৰী বোমা, পৰমাণু বোমাৰ প্ৰয়োগৰ বিপুল সম্ভাৱনা আছে। এই দৃষ্টিত বৰ্তমান যুদ্ধ প্ৰাচীন যুদ্ধতকৈ একেবাৰে পৃথক, কিয়নো বৰ্তমান যুদ্ধত সম্পূৰ্ণ মানৱ জাতিক ধৰণীৰ পৰা বিলুপ্ত কৰাৰ শক্তি বিদ্যমান। এই সম্পৰ্কত শান্তি স্থাপনাৰ বাবে পৱিত্ৰ কোৰাণৰ অনুপম শিক্ষাক বৰ্ণনা কৰিব বিচাৰিছোঁ। পৱিত্ৰ কোৰাণত লেখা আছে—

" আৰু পূণ্য আৰু পাপ সমান হ'বনোৱাৰে। তুমি বেয়াৰ উত্তৰ বহু ভালকৈ দিয়া। ইয়াৰ পৰিণাম প্ৰকাশ হ'ব যে সেই ব্যক্তি যাৰ আৰু তোমাৰ মাজত শত্ৰুতা থাকে, তোমাৰ ভাল ব্যৱহাৰ দেখি তোমাৰ অন্তৰংগ বন্ধু হৈ পৰিব।"

(চুৰাঃ হা মীম চিজদা আয়াত **৩৫**)

# সম্প্ৰতি জটিল সন্ধিক্ষণত.....

অৰ্থাৎ পৱিত্ৰ কোৰাণে এই শিক্ষা দিয়ে যে পৰস্পৰ শত্ৰুতা আৰু বিবাদক যথা সম্ভৱ সমাপ্ত কৰি দিব লাগে আৰু বাৰ্তালাপৰ মাধ্যমেৰে তাৰ সমাধান কৰিব লাগে। যদি আপুনি দয়াৰে আৰু বুজাবুজিৰে আলোচনা কৰে তেন্তে নিশ্চিত ৰূপত আনৰ ওপৰত ইয়াৰ ধণাত্মক তথা সুখপদৰ প্ৰভাব পৰিব আৰু এই ঘৃণা আৰু ক্ষোভ অমূলক মাধ্যম হৈ পৰিব।

নিঃসন্দেহে আমি বৰ্তমান যুগত আমি নিজকে অতি উন্নত আৰু সভ্য জ্ঞান কৰো। মই বিভিন্ন আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংস্থাৰ গঠন কৰিছোঁ যি শিশুক স্বাস্থ্য সুবিধা আৰু বিদ্যা উপলব্ধ কৰে আৰু মাতৃৰ বাবেও স্বাস্থ্যৰ সুবিধাৰ ব্যৱস্থা কৰে। এনেদৰে আন অসংখ্য উপকাৰমূলক আৰু ধৰ্মীয় সংস্থা আছে যাৰ স্থাপন মানৱজাতিৰ প্ৰতি সহানুভূতি তথা দয়াৰ আধাৰত হৈছে।

ইমান বিলাক কৰাৰ পাছতো আমি বৰ্তমানৰ অতি প্ৰয়োজনতাৰ ওপৰত বিবেচনা কৰিব লাগে আৰু ধ্যান দিব লাগে আমি নিজৰ ফালৰ পৰা আনলোকক কেনেকৈ বিনাশ আৰু ধ্বংসৰ পৰা সুৰক্ষিত কৰিব পাৰো। আমি ইয়াক মনত ৰাখিব লাগে যে আজিৰে পৰা তথা সাত দশকৰ আগৰ তুলনাত বৰ্তমান সময়ৰ বিশ্ব বহু সংক্ষিপ্ত হৈ পৰিছে। ষাঠি বা সত্তৰ বছৰৰ আগতে নিউজিলেণ্ড এখন দুৰ্গম দেশ বুলি ভবা হৈছিল যি এছিয়া আৰু ইউৰোপৰ পৰা বহু নিলগত আছিল। কিন্তু আজি এই দেশ বিশ্ব সম্প্ৰদায়ৰ এক অভিন্ন অংগ। অৰ্থাৎ যুদ্ধৰ পৰিস্থিতিত কোনো দেশ বা ক্ষেত্ৰ সুৰক্ষিত নহয়।

আপোনাৰ নেতা আৰু ৰাজনীতিক আপোনাৰ দেশৰ ৰক্ষক। দেশক সুৰক্ষা আৰু তাৰ নিৰন্তৰ প্ৰগতি, বিকাশ আৰু ভালৰ কাৰণে তেওঁলোকৰ উত্তৰ দায়িত্ব আছে। অৰ্থাৎ তেওঁলোকৰ বাবে আৱশ্যক যে এই গুৰুত্বপূৰ্ণ তথ্যক সদায় মনত ৰাখিব লাগে যে স্থানীয় যুদ্ধৰ দ্বাৰা বিনাশ আৰু ধ্বংস বহু দূৰলৈ সিঁচৰিত হৈ পৰে। আমি এই কথা পৰমাত্মাক ধন্যবাদ দিব লাগে তেওঁ সম্প্ৰতি কিছু মহাশক্তিক বিবেক আৰু বুদ্ধি প্ৰদান কৰিলে। যাৰ ফলস্বৰূপে তাত এই সময় আহি গ'ল যে বিশ্বৰ সম্ভাব্য সৰ্বনাশৰ পৰা বাচি থকাৰ বাবে যুদ্ধ বন্ধ কৰাৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰধানকৈ ৰুছৰ ৰাষ্ট্ৰপতিয়ে কিছু মহাশক্তিৰ ছিৰিয়াৰ ওপৰত আক্ৰমণ ৰোধ কৰাৰ বাবে যথেষ্ট চেষ্টা কৰে। তেওঁ স্পষ্ট ৰূপত কয় যে লাগেকোনোবা দেশ সৰু হওঁক বা ডাঙৰ হওঁক

সমান ব্যৱহাৰ কৰিব লাগে। তেওঁ ইয়াকো ক'লে যদি ন্যায়ৰ দাবীক পূৰণ কৰা নহয় আৰু যদি আনদেশে নিজা নিজা স্তৰত যুদ্ধত সন্মিলিত হৈ পৰে তেন্তে সংযুক্ত ৰাষ্ট্ৰসংঘৰ সেই দুৰ্ভাগ্যপূৰ্ণ ক্ষতি হৈ পৰিব যিদৰে জাতিসংঘৰ হৈছিল। মোৰ এই বিশ্বাস তেওঁৰ বিশ্লেষণ একেবাৰে সময় অনুসৰি হৈছে। যদিও মই তেওঁৰ সকলো নীতিক সমৰ্থন নকৰো। কিন্তু ভাল বুজি উঠা কথাবোৰ স্বীকাৰ কৰিব লাগিব। যদি তেওঁ এখোজ আগবাঢ়ি ক'লেহেঁতেন সংযুক্ত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পাঁচ স্থায়ী সদস্যৰ ভেটো প্ৰদানৰ যি অধিকাৰ আছে, তাক চিৰদিনৰ বাবে সমাপ্ত কৰি দিয়ক কিয়নো বিশ্বৰ সকলো দেশৰ মাজত প্ৰকৃত ন্যায় আৰু সমতা স্থাপিত হওঁক।

যোৱা বছৰ ৱাশ্বিংটন ডিছিৰ কেপিটেল হাউচত এটা ভাষণ প্ৰদান কৰাৰ বাবে মই সুবিধা লাভ কৰিছিলোঁ। উক্ত সভাত বহুকেইগৰাকী ছেনেটৰ, কংগ্ৰেছৰ সদস্য, বিশেষ সমালোচক আৰু বিভিন্ন বৰ্গৰ লোক উপস্থিত আছিল। মই স্পষ্ট ৰূপত তেওঁলোকক ক'লো যে ন্যায়ৰ দাবী তেতিয়া পূৰণ হ'ব যেতিয়া সকলো বৰ্গ আৰু লোকৰ লগত সমান ব্যৱহাৰ কৰা হ'ব। মই স্পষ্টকৈ উল্লেখ কৰিছিলোঁ যদি আপোনালোকে সৰু আৰু ডাঙৰ,ধনী আৰু দুখীয়া দেশৰ পাৰ্থক্যক গুৰুত্ব দিয়ে আৰু ভেটোৰ অন্যায়পূৰ্ণ শক্তি বজাই ৰাখিব বিচাৰে ইয়াৰ ফলাফল স্বৰূপে নিশ্চয় অশান্তি আৰু চিন্তা বাস্তৱত প্ৰকট হ'ব ধৰিব।

সেয়ে বিশ্বখ্যাত মুছলিম জামাতৰ প্ৰধান হোৱাৰ বাবে মোৰ এয়া কৰ্তব্য যে মই শান্তি স্থাপনৰ বাবে বিশ্বৰ ধ্যান আকৰ্ষণ কৰো। মই ইয়াক নিজৰ কৰ্তব্য বুলি জ্ঞান কৰো। ইছলামৰ অৰ্থই হ'ল শান্তি আৰু সুৰক্ষা। যদিও কিছুমান দেশে ঘৃণাপূৰ্ণ সন্ত্ৰাসবাদী গতিবিধিক উৎসাহিত কৰে অথবা ইয়াৰ পালন কৰি আহিছে সেয়ে ইয়াৰ পৰা এই ধাৰণা সৃষ্টি হ'ব নালাগে ইছলামৰ শিক্ষাই অশান্তি আৰু সংঘৰ্ষৰ বৃদ্ধি কৰে। মই অলপতে পৱিত্ৰ কোৰাণৰ এটা আয়াত বৰ্ণনা কৰিছিলোঁ তাত এই শিক্ষা দিয়া হৈছে কিদৰে শান্তি স্থাপিত কৰিব পৰা যায়।

তদুপৰি ইছলামৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছাঃ) য়ে নিজ অনুগামীক ছালাম কৰিবলৈ অৰ্থাৎ সদায় শান্তিৰ সংবাদ প্ৰচাৰ কৰিবলৈ শিক্ষা দিছে।

# সম্প্ৰতি জটিল সন্ধিক্ষণত.....

আমি হজৰত মহম্মদ (ছাঃ) ৰ পৱিত্ৰ আচৰণৰ পৰা অৱগত হৈছো যে আপুনি অমুছলমান সকলো হয় তেওঁলোক ইহুদী, খ্ৰীষ্টান হওঁক অথবা আন ধৰ্মৰ বা আস্থাক পালন কৰা হওঁক তেওঁলোককো ছালাম জনাইছিল। আপুনি এনেকুৱা এই কাৰণে কৰিছিল কিয়নো আপুনি বুজিছিল যে সকলো লোক পৰমাত্মাৰ সৃষ্টিৰ অংশ আৰু আল্লাৰ এক গুণবাচক নাম 'শান্তিৰ দূত' হয় আৰু তেওঁ সম্পূৰ্ণ মানৱজাতিৰ বাবে শান্তি আৰু সুৰক্ষা বিচাৰে।

মই শান্তিৰ সন্দৰ্ভত কিছুমান ই ছলামী শিক্ষাক বৰ্ণনা কৰিছিলোঁ কিন্তু মই এয়া স্পষ্ট কৰিব বিচাৰো যে সময়ৰ অভাৱৰ কাৰণে মই কিছু অংশৰ আলোচনা কৰিলোঁ। প্ৰকৃততে ইছলামৰ সকলো লোকৰ বাবে শান্তি তথা সুৰক্ষাৰ শিক্ষা আৰু উপদেশৰে পৰিপূৰ্ণ। ন্যায় স্থাপিত কৰাৰ সম্পৰ্কত ইছলামৰ কি শিক্ষা আছে?

চুৰা **৫** ৰ আয়াত সংখ্যা **৯** ত আল্লাহ তালাই কৈছে—ঃ

"হে বিশ্বাসীসকল, আল্লাহৰ কাৰণে ন্যায় সাক্ষী দিয়াত তোমালোক দৃঢ় হৈ থাকিবা; আৰু কোনো সম্প্ৰদায়ৰ বিদ্বেষ ভাবে যেন ন্যায় পথৰ পৰা তোমালোকক বিচলিত হ'বলৈ উদগনি নিদিয়ে; তোমালোক ন্যায় বিচাৰ কৰিবা -সেয়ে ধৰ্মপ্ৰচাৰৰ অধিক ওচৰ; আৰু আল্লাহলৈ ভয় ৰাখি চলিবা; নিশ্চয় তোমালোকে যি কাৰ্য্যকে কৰা আল্লাই সেই সম্বন্ধে সম্পূৰ্ণৰূপে জ্ঞাত।"

উপৰোক্ত আয়াতত পৱিত্ৰ কোৰাণত ন্যায়ৰ উচ্চতম মাণদণ্ডক ৰেখাঙ্কিত কৰা হৈছে। এই আদেশে সেইসকল লোকৰ বাবে শংকাৰ কোনো সম্ভাৱনা নাথাকে যি নিজকে মুছলমান বুলি উল্লেখ কৰাৰ পিছতো অত্যাচাৰ কৰে। এই আদেশ সেইসকল লোকৰ বাবে আলোচনাৰ সম্ভাৱনাক সমাপ্ত কৰে যি ইছলামক এক উগ্ৰপন্থী আৰু হিংসাবাদী ধৰ্মৰ ৰূপত দাঙি ধৰে। পৱিত্ৰ কোৰাণে এই শিক্ষা দিয়ে যে তুমি ন্যায় কৰা তথাপি সমতাৰ আদেশ দি ইয়াক কয় যে—ঃ

"হে বিশ্বাসীসকল, কেৱল আল্লাহৰ কাৰণে সাক্ষী হৈ ন্যায়ৰ ওপৰত তোমালোকে দৃঢ় ৰূপে স্থিতি লোৱা,যদিও সেই সাক্ষ্যদান নিজৰ নাইবা পিতৃ-মাতৃৰ আৰু আত্মীয়স্বজনৰ বিৰুদ্ধেও যায়;ধনীয়েই হওক বা নিৰ্ধনীয়েই হওক,(তোমালোকে ন্যায় সাক্ষ্য দিবা) কিয়নো উভয়ৰ নিমিত্তে আল্লাহ

(তোমালোকতকৈ) অধিক মনোযোগী; গতিকে তোমালোকে নিকৃষ্ট আকাঙ্খাৰ অনুসৰণ নকৰিবা,যাতে তোমালোক ন্যায় বিচাৰ কৰিবলৈ অক্ষম নোহোৱা; আৰু যদি তোমালোকে (সত্যক)বিকৃত কৰা নাইবা তাৰ পৰা বিৰত হোৱা, তেন্তে (জানি থবা) তোমালোকে যি কাৰ্য্য কৰা আল্লাই তাক নিশ্চয় ভালকৈ জানে।

(চুৰা নিছা ঃ**১৩৬**)

সেয়ে, এয়া সেই সিদ্ধান্তৰ ওপৰত আধাৰিত ন্যায়ৰ মানদণ্ড যাৰ দ্বাৰা সমাজৰ নিম্ন স্তৰৰ পৰা কেন্দ্ৰ কৰি আন্তঃৰাষ্ট্ৰীয় স্তৰ লৈকে আৰু সমগ্ৰ বিশ্বতে শান্তি স্থাপিত কৰিব পৰা যায়। ইতিহাসে এই কথাৰ সাক্ষ্য প্ৰদান কৰে যে ইছলামৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছাঃ) য়ে এই শিক্ষাক পালন কৰিছিল আৰু বিশ্বৰ কোণে কোণে প্ৰসাৰিত কৰিছিল। এতিয়া বৰ্তমান যুগত হজৰত মহম্মদ (ছাঃ)ৰ সঁচা প্ৰেমিক হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী আল্লাহিছালাম যি আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাপকে এই শিক্ষাক প্ৰচাৰ কৰাৰ কাৰণে বহুত সংঘৰ্ষ কৰিলে আৰু আপোনাৰ অনুগামীক শান্তিৰ প্ৰচাৰ কৰাৰ শিক্ষা প্ৰদান কৰিলে। আপোনাৰ অনুগামীক এই শিক্ষাও প্ৰদান কৰিলে যে পৰমাত্মাৰ প্ৰতি আৰু সৃষ্টিৰ প্ৰতি কৰ্তব্য পালন কৰোঁতে মানৱজাতিক ধ্যানাকৰ্ষণ কৰা। এই কাৰণে আহমদীয়া জামাতে আল্লাহৰ প্ৰতি আৰু তেওঁৰ সৃষ্টিৰ প্ৰতি কৰ্তব্য পালনৰ মহত্বত তথা ন্যায়ৰ উচ্চ মানদণ্ড স্থাপিত কৰাৰ আৱশ্যকতাৰ বাবে সকলোলোকক প্ৰৱল উপদেশ দিয়ে যে বিশ্ব শান্তি আৰু সৌহাৰ্দৰ কেন্দ্ৰ হৈ পৰিব পাৰে।

এই শব্দকেইটাৰে মোৰ ভাষণ সমাপ্ত কৰিছোঁ আৰু মোক আমন্ত্ৰণ কৰা আৰু ইয়াত উপস্থিত হৈ মোৰ ভাষণ শুনাৰ বাবে আপোনালোকক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।



# WORLD PEACE & SECURITY—THE CRITICAL ISSUES OF OUR TIME

DUTCH NATIONAL PARLIAMENT
BINNENHOF, THE HAGUE, NETHERLANDS, 2015





Ḥaḍrat Khalīfatul-Masīḥ V[aba] at a special session of the Standing Committee for Foreign Affairs at the Netherlands National Parliament.



Members of the Standing Committee for Foreign Affairs at the Netherlands National Parliament with Ḥaḍrat Khalīfatul-Masīḥ V[aba]




Ḥaḍrat Khalīfatul-Masīḥ V[aba] delivering his historic address at a special session of the Standing Committee for Foreign Affairs at the Netherlands National Parliament.



Ḥaḍrat Khalīfatul-Masīḥ V[aba] answering a question about a range of political and religious issues.

# পৰিচয়

দিনাংক **৬-১০-২০১৫** খ্ৰীঃত বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ প্ৰধান হজৰত মিৰ্জা মছৰূৰ  আহমদ খলিফাতুল মছীহ পঞ্চম (আল্লাহ আপোনাৰ সহায়ক হওঁক)য়ে হলেণ্ডৰ ৰাজধানী ‘হেগ’ত নেদাৰলেণ্ডৰ ৰাষ্ট্ৰীয় সংসদত বৈদেশিক বিষয়ত কাৰ্যকৰী সমিতিৰ বিশেষ সভাত এশৰো অধিক অতিথি আৰু সন্মানীয় লোকসকলৰ সন্মুখত এক ঐতিহাসিক ভাষণ প্ৰদান কৰিছিল। আয়োজনৰ আৰম্ভণীতে মিষ্টাৰ ৰেন বোমালয়ে সংসদত হুজুৰৰ আগমনক কেন্দ্ৰ কৰি অভিনন্দন জ্ঞাপন কৰি সমিতিৰ সদস্যসকলৰ লগত পৰিচয় কৰি দিয়ে। তদুপৰি তেওঁ আন আন দেশৰ সংসদৰ সদস্য, বিভিন্ন দেশৰ ৰাজদূত, আল্‌বানিয়া, ক্ৰোছিয়া, মোন্টিনিগ্ৰো,স্পেন তথা ছুইডেনৰ প্ৰতিনিধিসকলকো অভিনন্দন জ্ঞাপন কৰে।

# বিশ্ব শান্তি আৰু সুৰক্ষা বৰ্তমান যুগৰ ভয়ংকৰ সমস্যাবোৰ

দিনাংক **৬-১০-২০১৫** খ্ৰীঃত হলেণ্ডৰ সংসদত প্ৰদান কৰা ভাষণ।

বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত।

সকলো সন্মানিত অতিথিবৰ্গসকল,

আছ্ছালামু আলাইকুম ওৰা ৰাহমাতুল্লাহি ওৰা বাৰাকাতুহু— আপোনালোক সকলোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

সৰ্বপ্ৰথমতে মই এই শুভক্ষণত আয়োজক সমিতিৰ হৃদয়তাৰে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ যিসকলে আজি মোক ইয়াত ভাষণ দিয়াৰ বাবে আমন্ত্ৰণ জনালে।

আজি আমি দেখিছো যে কিছুমান সমস্যাক আমাৰ সময়ৰ সকলোতকৈ গুৰুত্বপূৰ্ণ সমস্যা হিচাপে উদিত কৰা হৈছে। উদাহৰণস্বৰূপে গ্ল'বৈল ৱাৰ্মিংগ আৰু ঋতু পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিয়া হৈছে তথা কিছুমান এনে সমস্যা যিবিলাকে ডাঙৰ বিবাদ আৰু বিশ্বৰ অৰ্থ ব্যৱস্থাৰ পৰিস্থিতিৰ বাবে অতি চিন্তাৰ কাৰক হৈ পৰিছে। মনোযোগেৰে পৰ্যালোচনা কৰিলে বিশ্ব শান্তি আৰু সুৰক্ষা বৰ্তমান যুগৰ আটাইতকৈ ডাঙৰ সমস্যা হৈ পৰিছে। নিঃসন্দেহে বিগত দিনবিলাকত বিশ্ব অনিয়ন্ত্ৰিত আৰু ভয়াবহ হৈ পৰিছে। সাম্প্ৰতিক পৰিস্থিতিত কিছুমান সম্ভব্য কাৰক আছে, যিবিলাকৰ ভিতৰত এটা সেই আৰ্থিক সংকট হয় যি বিশ্বৰ বহুকেইটা ক্ষেত্ৰক প্ৰভাম্বিত কৰিছে।

আন এটা কাৰক ন্যায় আৰু সুবিচাৰৰ অভাৱ, যাক প্ৰদৰ্শন কৰাটো কিছুমান চৰকাৰে মাথো নিজৰ প্ৰজাসকলৰ বাবেই নহয় আন জাতিৰ বাবে বৈধ কৰি তুলিছে। আন এটা কাৰণ এয়াও যে কিছুমান ধৰ্মীয় গুৰুৱে নিজৰ দায়িত্বক উচিত স্তৰত প্ৰয়োগ কৰা নাই আৰু ব্যক্তিগত স্বাৰ্থৰ বিশালতম তথা উত্তম

স্বাৰ্থত প্ৰাথমিকতা প্ৰদান কৰি আহিছে। যিমানলৈকে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰশ্ন,বিবাদৰ অন্যতম কাৰক ধনী আৰু দুখীয়া দেশসমূহৰ মাজত পৰস্পৰ মতভেদ আছে। দেখিবলৈ পোৱা গৈছে যে শক্তিশালী দেশে দুখীয়া দেশৰ প্ৰাকৃতিক সম্পদৰ দ্বাৰা নিজৰ সম্পত্তিত বৈধ অধিকাৰ প্ৰদান কৰাৰ অবিহনে লাভবান হৈছে।

সেয়ে বিশ্ব শান্তিত অশান্তিৰ কাৰণৰ এক দীঘলীয়া সূচী আছে যাৰ কিছু বৰ্ণনা এতিয়া মই কৰিছোঁ। কাৰণ যি নহওঁক মোৰ বিশ্বাস আছে যে বিশ্বত শান্তিৰ অভাৱ বৰ্তমান যুগৰ সকলোতকৈ প্ৰধান সমস্যা । সম্ভৱ এয়া যে এই বিষয়ত আপোনালোকৰ মাজৰ কিছুমান লোকে ক'ব যে সৰ্বাধিক অস্থিৰতাৰ স্বীকাৰ মুছলিম দেশবিলাক হৈছে আৰু এয়া যে শান্তিৰ অভাৱৰ শিপাডালে মুছলিম জগত অশান্তিত জড়িত হৈ আছে।

সম্ভৱ আপোনালোকৰ কিছুমান লোকে এইদৰে ভাবিছে যে মই নিজেই দেখুন এটা বিশ্বখ্যাত মুছলিম জামাতৰ অৰ্থাৎ আহমদীয়া মুছলিম জামাতৰ প্ৰধান হয় সেই কাৰণে মইও এই বৰ্তমান পৰিস্থিতিৰ কিছু সীমালৈকে উত্তৰদায়ী। সম্ভৱ আপোনলোকে ইয়াকো ভাবিছে যে দেশত বিপ্লৱ আৰু সন্ত্ৰাসবাদ উত্থানৰ ওপৰত বিশ্বাসী এনে উপাদানবোৰৰ অস্তিত্ব প্ৰকৃত পক্ষত ইছলামী শক্তিৰ পৰা লোৱা হৈছে, গতিকে, এই ঘৃণা আৰু অশান্তিৰ লগত ইছলামক যুক্ত কৰাটো বহু ডাঙৰ অন্যায় হৈছে।

ইয়াত ধৰ্মৰ ইতিহাসৰ ওপৰত বিস্তৃত বাৰ্তালাপ কৰাটো অভীষ্ট নহয় তথাপি ইয়াক অৱশ্যে ক'ব বিচাৰিম যে যদি সকলো ধৰ্মৰ ইতিহাসৰ ওপৰত সামান্য দৃষ্টি নিক্ষেপ কৰা হয় তেন্তে অৱগত হ'ব পাৰি যে সময়ৰ লগত সকলো ধৰ্মৰ অনুগামীয়ে নিজৰ মূল শিক্ষাৰ পৰা আঁতৰ হৈ গৈছে, যাৰ কাৰণে আন্তৰিক মতভেদ আৰু ধাৰ্মিক আধাৰত গোষ্ঠীবাদৰ জন্ম হৈছে, বহুত অত্যাচাৰ কৰা হ'ল আৰু বহুলোকৰ প্ৰাণ গ'ল। এই বাস্তৱিকতাৰ প্ৰতি দৃষ্টি ৰাখি মই পূৰ্ণ হৃদয়তাৰে ইয়াক স্বীকাৰ কৰিছোঁ যে সময়ৰ লগত মুছলমানেও ইছলামৰ বাস্তৱিক শিক্ষাৰ পৰা আঁতৰ হৈ পৰিল। ইয়াৰ ফলস্বৰূপে নিৰাশা আৰু প্ৰতিযোগিতাৰ জন্ম হৈছিল, যাতে সৰ্বাধিক অতিৰিক্ত পৰিণামত সাম্প্ৰদায়িকতা, আতংক আৰু অন্যায়ৰ ৰূপত প্ৰকাশ হৈছে। তথাপি এজন সত্য মুছলমান

হোৱাৰ দৃষ্টিকোণৰ পৰা ইছলামৰ দুৰ্দশাক দেখি মোৰ ঈমান কম হৈ নপৰে। এই কাৰণে যে চৈধ্যশ বছৰতকৈ অধিক সময়ৰ পূৰ্বে ইছলামৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছাঃ)য়ে ভৱিষ্যদ্বাণী কৰিছিল যে লাহে লাহে ইছলামী শিক্ষাত ঋণাত্মক প্ৰভাৱ পৰিব আৰু মুছলমানে নৈতিক সংকটৰ দিশত প্ৰৱেশ কৰিব। পুনৰ হজৰত মহম্মদ (ছাঃ)য়ে এই বুলিও ভৱিষ্যদ্বাণী কৰিলে যে আধ্যাত্মিক অন্ধকাৰৰ এই ক্ষণত খোদা তা'লাই এজন সংস্কাৰকক মহম্মদ মছীহ আৰু ইমাম মাহদী হিচাপে অৱতৰণ কৰিব যি মানৱতাক ইছলামৰ বাস্তৱিক তথা শান্তি প্ৰিয় শিক্ষাৰ দিশে উভতাই আনিব। হজৰত মহম্মদ (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি হজৰত মছীহ মাওউদ আলেহিছাল্লাম য়ে ইছলামৰ বাস্তৱিক আৰু সম্পূৰ্ণ শান্তিক পৰিপূৰ্ণ শিক্ষাৰ দিব্য জ্ঞান প্ৰদান কৰিলে। সেয়ে, আমি আহমদীয়া মুছলমান বৰ্তমান যুগৰ অশান্তি আৰু অস্বস্তিৰ উপাদানবিলাকত সন্মিলিত নহয়, অথচ আমি সেই লোক যি বিশ্বত শান্তি স্থাপনৰ ইচ্ছুক।

আমি সেইসকল যি বিশ্বৰ পৰিস্থিতিৰ চিকিৎসা কৰাৰ বাবে আগ্ৰহী, আমি সেইসকল যি মানৱতাক একগোট কৰিব বিচাৰো, আমি সেইসকল যি সকলো প্ৰকাৰৰ ঘৃণা আৰু শত্ৰুতাক প্ৰেম আৰু সহনশীলতালৈ পৰিৱৰ্তন কৰিব বিচাৰো আৰু নিঃসন্দেহ আমি সেই সকল লোক হয় যি বিশ্বত শান্তি স্থাপন কৰাৰ বাবে সকলো সম্ভৱ প্ৰয়াস কৰাৰ যত্ন কৰে। এজন ধৰ্মীয় প্ৰচাৰক হিচাপে মই ক'ব বিচাৰো যে পৰস্পৰ অভিযোগ তথা পৰস্পৰে বিবাদত লিপ্ত হোৱাৰ পৰিৰ্ৱতে আমি বাস্তৱিক আৰু স্থায়ী বিশ্ব-শান্তি স্থাপনৰ বাবে প্ৰস্তুতি লোৱাৰ প্ৰয়োজন।

এই সন্দৰ্ভত জামাত আহমদীয়াৰ প্ৰৱৰ্তকে আমাক এটা সুন্দৰ সিদ্ধান্তৰ সৈতে পৰিচিত কৰি উল্লেখ কৰিছিল যে মানৱ জাতিৰ কাৰণে আৱশ্যক হৈছে যে তেওঁলোকে যথা সম্ভৱ প্ৰয়াসৰ দ্বাৰা খোদা তা'লাৰ বিশেষত্বৰ দিশবোৰ নিজৰ মাজত জাগ্ৰত কৰক আৰু তাক অনুকৰণ কৰাৰ বাবে যথেষ্ট ৰূপত যত্ন কৰক।

তেখেত (আঃ)য়ে উল্লেখ কৰিছে—

মানৱজাতিৰ স্থায়ী মংগল আৰু কল্যাণৰ কাৰণে এয়া এক অনিবাৰ্য বিষয় আৰু নিঃসন্দেহ মানৱতাৰ সাংসাৰিক আৰু আধ্যাত্মিক কল্যাণ আৰু উন্নতি

খোদা তা'লাৰ বিশেষত্বৰ প্ৰতি পৰ্যালোচনা কৰাৰ ওপৰত নিৰ্ভৰশীল কিয়নো তেওঁৰ উত্তম বিশেষত্বৰ মাজত সকলো প্ৰকাৰৰ শান্তি গুপ্ত হৈ আছে। এই বাস্তৱিকতা পৱিত্ৰ কোৰাণৰ প্ৰথম আয়াতত প্ৰকাশ হৈছে, য'ত বৰ্ণনা কৰা হৈছে যে, আল্লাই সমগ্ৰ জগতৰ ৰব্ব (প্ৰতিপালক) হয়। অৰ্থাৎ তেওঁ প্ৰতিজন মানৱৰ তথা সম্পূৰ্ণ সৃষ্টিৰ ৰব্ব, অন্নদাতা আৰু পূৰ্ণতা প্ৰদানকাৰী। তেওঁ মাথো মুছলমানৰে প্ৰতিপালক নহয় যিহেতু তেওঁ খ্ৰীষ্টান, ইহুদী তথা হিন্দুসকলৰো তথা সকলো জাতিৰ প্ৰতিপালক হয়, লাগে সেয়া যিকোনো ধৰ্মৰে অথবা আস্থাৰ প্ৰতি সম্পৰ্ক ৰাখক।

খোদা তা'লাৰ নিজৰ সৃষ্টিৰ প্ৰতি প্ৰেম আৰু সহানুভূতি অদ্বিতীয় আৰু অনুপম হয়, তেওঁ ৰহমান ( কৃপাময়) আৰু ৰহিম (দয়াময়) হয় আৰু শান্তিৰ উৎস হয়। সেয়ে, যেতিয়া ইছলামে মুছলমানৰ পৰা এয়া খোজে যে তেওঁ নিজেই খোদা তা'লাৰ বিশেষত্বক উদিত কৰাৰ প্ৰয়াস যেন কৰে তেন্তে এয়া কোনো মুছলমানৰ কাৰণে সম্ভৱে নহয় যে তেওঁ কাৰোবাৰ ক্ষতিৰ কাৰণ হৈ পৰিব, তথাপি বাস্তৱিক মুছলমানৰ ঈমানে ইয়াক বাধ্য কৰিছে যে তেওঁ মানৱ জাতিক প্ৰেম কৰক আৰু প্ৰতিজন মানুহৰ লগত সন্মান, সহানুভূতি আৰু সহমৰ্মিতাৰ ব্যৱহাৰ কৰক।

এটা প্ৰশ্ন বাৰে বাৰে কৰা হয় যে যদি ইছলাম শান্তিৰ ধৰ্ম তেন্তে পৱিত্ৰ কোৰাণে যুদ্ধৰ অনুমতি কিয় দিছে? এয়া প্ৰয়োজন যে এই অনুমতিটোৰ ঠিক আগৰ আৰু পিছৰ প্ৰসংগত যি মই মাথো ব্যাখা কৰিছোঁ তাৰ জেউতিত বুজা উচিত। স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাই মৌলিক আৰু মূল লক্ষ্য। ইয়াক অৰ্জন কৰাৰ বাবে সতৰ্কতাৰ প্ৰয়োজন হয়। এইদৰে যেতিয়া খোদা তা'লাই যুদ্ধৰ অনুমতি প্ৰদান কৰিলে তেন্তে মাথো এই অনুমতি কেৱল শান্তিক বজাই থোৱাৰ বাবে তথা প্ৰতিৰক্ষাত্মক উপায় হিচাপে। সেয়ে, এয়া বহুত ডাঙৰ অন্যায় যে কিছুমান সম্প্ৰদায় তথা লোকে পৱিত্ৰ কোৰাণ আৰু ইছলামৰ প্ৰৱৰ্তক ছল্লাল্লাহু আলেহি ওৱাছাল্লামৰ প্ৰতি অন্যায় আৰু অত্যাচাৰক সংযোগ কৰে। পৱিত্ৰ কোৰাণ তথা হজৰত মহম্মদ (ছঃ)ৰ জীৱন চৰিত্ৰক নিৰপেক্ষ ভাবে অধ্যয়ন কৰিলে ইয়াক অৱগত হ'ব যে ইছলামে কোনো প্ৰকাৰৰ আতংকবাদ বা ৰক্তপাতক সদায় বিৰোধীতা কৰি আহিছে।

# বিশ্ব শান্তি আৰু সুৰক্ষা বৰ্তমান....

সময়ৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বৰ্ণনা কৰাৰ ক্ষেত্ৰত মই অপৰাগ তথাপি মই ইয়াত ইছলামৰ কিছু বুনিয়াদী শিক্ষাৰ বৰ্ণনা কৰিব বিচাৰিছোঁ যি নিঃসন্দেহ ইয়াক প্ৰতিপন্ন কৰিব যে ইছলাম এক শান্তিপূৰ্ণ ধৰ্ম হয়। যেনেকৈ মই এতিয়া উল্লেখ কৰিছোঁ যে এটা অভিযোগ ইয়াকো উত্থাপন কৰা হয় যে ইছলাম আতংকবাদ আৰু কাজিয়া-বিবাদৰ সমৰ্থক হয়, কিন্তু এই অভিযোগ বাস্তৱিকতাৰ সম্পূৰ্ণ বিৰোধ। পৱিত্ৰ কোৰাণৰ চুৰা আল বাকাৰৰ আয়াত **১৯১** ত আল্লাই কৈছে যে—

যিকোনো যুদ্ধ কেৱল সেই স্থিতিত বৈধ হ'ব পাৰে যে সেয়া প্ৰতিৰক্ষাত্মক দৃষ্টিৰে যুঁজ কৰা হৈছে। এই কথা পুনৰাবৃৰ্ত্তি চুৰা আলহজৰ আয়াত ৪০ ত স্পষ্ট ৰূপত বৰ্ণনা কৰা হৈছে যে, যুদ্ধৰ অনুমতি কেৱল তেওঁক দিয়া হৈছে যাৰ ওপৰত আক্ৰমণ কৰা হৈছে আৰু যাৰ ওপৰত যুদ্ধ জাপি দিয়া হৈছে তথা আল্লাহ তা'লাই য'ত ইছলামী চৰকাৰক যুদ্ধৰ অনুমতি দিছে সেয়া কেৱল এই পৰিস্থিতিত দিছে যে ধৰ্মীয় উদ্দেশ্য আৰু বিচাৰ ধাৰাৰ স্বতন্ত্ৰতা স্থাপন হওঁক। সেয়ে চুৰা আল বাকাৰাৰ আয়াত **১৯৪** ত আল্লাতা'লাই মুছলমানক আদেশ দিছে যে কোনো এনে ক্ষেত্ৰত যুদ্ধৰ অনুমতি নাই য'ত ধৰ্মীয় সহিষ্ণুতাৰ পৰিৱেশ থাকে। সেই কাৰণে কোনো মুছলমান দেশ, সংগঠন বা সদস্যক এই অধিকাৰ প্ৰদান কৰা হোৱা নাই যে তেওঁ কোনো চৰকাৰ বা তাৰ জনসাধাৰণৰ বিৰুদ্ধে কোনো ধৰণৰ অত্যাচাৰ, যুদ্ধ আৰু আইন উলংঘা কৰাৰ অংশ হওঁক। সম্পূৰ্ণ স্পষ্ট কথা যে ইউৰোপ আৰু পশ্চিমীয়া দেশৰ চৰকাৰৰ ভেটি ধৰ্মত নাই আৰু এয়া কোনো মুছলমানৰ কাৰণে বৈধ নহয় যে তেওঁ আইনক উলংঘা কৰি বা চৰকাৰৰ বিৰুদ্ধে আতংকবাদ বিস্তাৰ কৰিব বা কোনো ধৰণৰ বিৰোধকাৰী হ'ব। ইছলামৰ বাস্তৱিক শিক্ষা এয়া যে যদি কোনো অমুছলিম দেশত বসবাস কৰা কোনো ব্যক্তিয়ে অনুভৱ কৰে যে তেওঁ ধৰ্মীয় স্বাধীনতা লাভ কৰা নাই তেন্তে তেওঁৰ এই অধিকাৰ নাই যে তেওঁ আইনৰ উলংঘা কৰাৰ বাবে উদ্যত হ'ব, যিহেতু তেওঁ কৰিব লাগিব যে তেওঁ এনে কোনো স্থানলৈ হিজৰত (প্ৰব্ৰজন) কৰক য'ৰ পৰিস্থিতি অনুকুল হয়।

পৱিত্ৰ কোৰাণৰ চুৰা আন-নহলৰ আয়াত **১২৭** ত ইছলামী চৰকাৰক আদেশ প্ৰদান কৰা হৈছে যে যদি তেওঁলোকৰ ওপৰত কেতিয়াবা আক্ৰমণ

হৈ যায় তেন্তে তেওঁলোকে কেৱল নিজৰ প্ৰতিৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি যথাযথ উত্তৰ দিয়ে। সেয়ে, পৱিত্ৰ কোৰাণৰ শিক্ষা অতি স্পষ্ট যে শাস্তিৰ মূল অপৰাধ অনুসৰি হ'ব লাগে, তাতকৈ অধিক কেতিয়াও নহয়।

চুৰা আনফালৰ আয়াত **৬২** ত আল্লাহ তা'লাই বৰ্ণনা কৰিছে যে যদি তোমাৰ শত্ৰুৱে তোমাক বেয়া উদ্দেশ্যৰে তোমাৰ ওপৰত আক্ৰমণ কৰাৰ বাবে উদ্যত হয় কিন্তু পিছত পুনৰ উপেক্ষা কৰি মিত্ৰতাৰ হাত আগবঢ়াই তেন্তে সেই প্ৰস্তাৱক শীঘ্ৰে স্বীকাৰ কৰি পৰস্পৰে শান্তিপূৰ্ণ মিত্ৰতাৰ দিশে আগবাঢ়িব এই কথালৈ গুৰুত্ব নিদি যে তেওঁৰ উদ্দেশ্য কি আছে।

পৱিত্ৰ কোৰাণৰ এই শিক্ষা আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা স্থাপনৰ বাবে এক স্বৰ্ণীল সিদ্ধান্ত হয়। আজিৰ বিশ্বত বহুতো উদাহৰণ আছে য'ত কিছুমান দেশে কেৱল কল্পনাৰ ওপৰত আধাৰিত কোনো দেশৰ কাল্পনিক অত্যাচাৰৰ বিৰুদ্ধে আতংকবাদৰ কাৰ্যপ্ৰণালী গ্ৰহণ কৰিছে। বুজিব পৰা গৈছে যে ধৰি লোৱা হ'ল তেওঁলোকে এই সিদ্ধান্তক পালন কৰিছে যে ' শত্ৰুৰ ওপৰত আক্ৰমণ কৰক যেন সিহঁতে উদ্যোগ ল'ব নোৱাৰে।' ইছলামৰ শিক্ষা এয়া যে শান্তি স্থাপনাৰ কোনো কোনো সুযোগক নষ্ট কৰিব নালাগে লাগে সেই আশা বহু কল্পনাৰ মাজত সোমাই থকা নহওঁক কিয়। পৱিত্ৰ কোৰাণৰ চুৰা আল মাইদাৰ আয়াত **৯** ত আল্লাহ তা'লাই বৰ্ণনা কৰিছে যে কোনো জাতিৰ শত্ৰুতাই তোমাক এই বিষয়ে উচটনি দিয়ে যে তুমি তেওঁলোকৰ সৈতে ন্যায় বিচাৰ নকৰিবা। ইছলামে শিক্ষা দিয়ে যে পৰিস্থিতি লাগে যেনেকুৱাই প্ৰতিকূল নহওঁক ন্যায় আৰু সুবিচাৰৰ পথ ত্যাগ কৰিব নালাগে। যুদ্ধৰ স্থিতিত ন্যায় আৰু সুবিচাৰৰ স্থাপনা বহুতো মহত্বপূৰ্ণ তথা যুদ্ধৰ ফলত বিজেতাৰ বাবে আৱশ্যক যে তেওঁলোকে ন্যায়ৰ মাজেৰে আগবাঢ়ক। লগতে কেতিয়াও অনুচিত অত্যাচাৰ কৰোতা নহওঁক।

কিন্তু আজি আমি বিশ্বত সহনশীলতাৰ এনে উচ্চ নৈতিক মানদণ্ড দেখিবলৈ নোপোৱা হৈছোঁ, তথাপি যুদ্ধৰ সমাপ্তিৰ পিছত বিজেতা দেশে এনে প্ৰতিবন্ধকতা আৰু নিষেধাজ্ঞা প্ৰদান কৰে যি পৰাজিত দেশৰ বাবে উন্নতিৰ সম্ভৱনাক সম্পূৰ্ণৰূপে সীমিত কৰি সেই জাতি স্বাধীনতা আৰু অধিকাৰক অৱৰোধ কৰি দিয়ে। এনে কাৰ্যপদ্ধতি আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক ক্ষতি কৰাৰ

কাৰণ হৈ পৰিছে আৰু ইয়াৰ পৰিণামস্বৰূপে অসন্তোষ আৰু ঋণাত্মক প্ৰভাৱৰ বাহিৰে অতিৰিক্ত একো নহয়। বাস্তৱিকতা এয়া যে স্থায়ী শান্তি তেতিয়ালৈকে স্থাপিত হ'ব নোৱাৰে যেতিয়ালৈকে সমাজৰ প্ৰতিটো স্তৰত ন্যায় স্থাপনা নহয়। ইছলামৰ এই গুৰুত্বপূৰ্ণ শিক্ষা আমাক চুৰা' আল আনফাল'ৰ আয়াত **৬৮** ত পোৱা যায় যে মুছলমানৰ বাবে উচিত নহয় যে যুদ্ধ বন্দীক যুদ্ধ ক্ষেত্ৰৰ পৰা বাহিৰলৈ নিয়া হয়।সেয়ে হিংসাৰ দ্বাৰা বিপ্লৱ অনাৰ সিদ্ধান্তত যিসকল বিশ্বাসী, তথা সন্ত্ৰাসবাদী সংগঠন যি অকাৰণে বন্দীসকল লৈ গৈছে তেওঁলোকে ইছলামী শিক্ষাৰ বিৰুদ্ধে আচৰণ কৰি আহিছে। প্ৰাপ্ত তথ্য অনুসৰি তেওঁলোকে কেৱল বন্দী কৰি লৈ যোৱাই নহয়, তেওঁলোকৰ ওপৰত কঠোৰ অত্যাচাৰো কৰি আহিছে।

সন্ত্ৰাসবাদী সংগঠনৰ এই কাৰ্য-পদ্ধতি অতি নিন্দনীয়। আনহাতে পৱিত্ৰ কোৰাণৰ শিক্ষা এয়া যে যদি যুদ্ধত বন্দী কৰি লোৱা কোনো যুক্তি থাকে তেতিয়াও তেওঁলোকৰ লগত নম্ৰতাৰে ব্যৱহাৰ কৰিব লাগে আৰু অতিশীঘ্ৰে তেওঁলোকক মুকলি কৰি দিব লাগে।

শান্তি স্থাপন কৰা আন এক সোণালী সিদ্ধান্ত চুৰা আল হুজুৰাতৰ আয়াত **১০** ত এই বৰ্ণনা দিয়া হৈছে যে- যদি দুখন দেশৰ মাজত কোনো বিবাদৰ সূত্ৰপাত ঘটে তেন্তে কোনো তৃতীয় দেশ বা গোটে মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰি বিবাদক পৰস্পৰ সন্ধিৰ দ্বাৰা সমিধান কৰাৰ প্ৰয়াস কৰিব লাগে। পৰস্পৰৰ সমিধানৰ স্থিতিত দুই পক্ষৰ মাজৰ কোনো পক্ষই যদি অবৈধ স্তৰত সমিধানৰ চৰ্তক অৱহেলা কৰে তেন্তে আন পক্ষ একগোট হৈ অত্যাচাৰীৰ বাবে বাধা হৈ পৰিব লাগে, লাগে তাৰ বাবে বলপ্ৰয়োগে কৰিব লগা নহওঁক কিয়। তথাপি যদি অত্যাচাৰী পক্ষ সদস্য স্থিৰৰ হৈ পৰে তেন্তে তেওঁলোকক ভৎৰ্সনা কৰা বা তেওঁলোকৰ ওপৰত প্ৰতিবন্ধকতা প্ৰয়োগ কৰাৰ বাহিৰে তেওঁলোকক এখন স্বাধীন দেশ তথা স্বাধীন সমাজৰ স্তৰত উন্নতি কৰাৰ বাবে অনুমতি প্ৰদান কৰিব লাগে। বৰ্তমান যুগত এই সিদ্ধান্ত বহু গুৰুত্বপূৰ্ণ বিশেষকৈ মহাশক্তিবোৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠন যেনে ইউ এন অ'ৰ বাবে।

বিশ্বশান্তি স্থাপনাৰ প্ৰক্ৰিয়াত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত যি সাংসাৰিক স্তৰত ধাৰ্মিক স্বাধীনতাৰ পৰিৱেশ স্থাপনা কৰাৰ বাবে নিশ্চয়তা প্ৰদান কৰে।

# বিশ্ব সংকট তথা শান্তিৰ পথ

পৱিত্ৰ কোৰাণৰ চুৰা 'আলহজ্জ'ৰ আয়াত ৪১ ত বৰ্ণনা কৰা হৈছে। উল্লেখ কৰিছে- যদি যুদ্ধৰ অনুমতি প্ৰদান কৰা নহয় তেন্তে মচজিদৰ অতিৰিক্ত কালিছা, গীৰ্জা,মন্দিৰ তথা আন ধৰ্মৰ উপাসনা গৃহ সকলো ভয়ংকৰ বিপদৰ স্বীকাৰ হ'লহেতেন। সেয়ে, য'ত ইছলামে বল প্ৰয়োগৰ অনুমতি প্ৰদান কৰিছে তাত কেৱল ইছলামকে নহয় যদিও ধৰ্মৰ সমতাঃ সুৰক্ষা উপলদ্ধ কৰাৰ উদ্দেশ্যৰে আছিল। প্ৰকৃততে এয়া যে ইছলামে সকলো ধৰ্মৰ কাৰণে স্বাধীনতা, সবিষ্ণুতা আৰু সুৰক্ষাৰ নিশ্চয়তা দিয়ে তথা সকলো সদস্যক নিজৰ ইচ্ছাৰ ধৰ্ম বা আস্থাক পালন কৰাৰ অধিকাৰ প্ৰদান কৰে। মই আপোনালোকৰ সন্মুখত পৱিত্ৰ কোৰাণৰ শিক্ষাৰ পৰা কিছু বিন্দু প্ৰস্তুত কৰিছোঁ যি সমাজৰ প্ৰতিটো স্তৰৰ তথা বিশ্বৰ প্ৰতিটো ভাগৰ একতা, অভিমতত সহমত সৃষ্টি কৰাৰ পথ মুকলি কৰে। এয়া সেই স্বৰ্ণীল সিদ্ধান্ত যি পৱিত্ৰ কোৰাণে শান্তি স্থাপন কৰাৰ উদ্দেশ্য বিশ্বৰ লোকসকলক প্ৰদান কৰিছিল। এয়া সেই শিক্ষা যাৰ ওপৰত ইছলামৰ পয়গম্বৰ ছাল্লাল্লাহু আলেহি ওৱাছছালাম আৰু আপোনাৰ চাহাবাই ব্যৱহাৰিক আদৰ্শক প্ৰস্তুত কৰিছিল। সাৰাংশ হিচাপে পুনৰ বৰ্ণনা কৰিছোঁ যে বিশ্বৰ শান্তি আৰু সুৰক্ষাৰ অতি আৱশ্যকতা আছে। এয়াই আমাৰ যুগৰ তৎকালীন আৰু আৱশ্যক সমস্যা হয়। সকলো দেশৰ তথা সকলো গোষ্ঠীৰ ধৰ্ম অথবা কোনো নামত হোৱা অত্যাচাৰ আতংক আৰু অন্যায়ক বাধা-নিষেধৰ কাৰণে একগোট হৈ পৰিব লাগে। ইয়াত কিছুমান ধৰ্মৰ হাঁহি ঠাট্টাও সন্মিলিত হৈ আছে, যাৰ পৰিণাম স্বৰূপে উদ্বেগ আৰু হস্তক্ষেপ হোৱাৰ সম্ভাৱনা আছে তথা এনে ঘৃণীয় কাৰ্যকৰ্তাৰ পৰীক্ষা হ'ল পছন্দ সম্প্ৰদায় তথা ধৰ্মক ন্যায়সংগত কৰা।

ইয়াৰ বাহিৰেও আমাক লাগে যে আমি সকলো গোষ্ঠীকয় দেশৰ প্ৰতি ন্যায় ব্যৱহাৰ কৰা আৰু সেইবিলাকৰ সহযোগ কৰা কিয়নো প্ৰতিখন দেশে নিজৰ যোগ্যতা চিনি পাওঁক আৰু উন্নতিৰ পথত চলিব পৰা হওঁক। ঈৰ্ষা আৰু ঘৃণাৰ বৰ্তমান পৰিৱেশ ধনৰ লোভৰ পৰিণাম। এই সন্দৰ্ভতো পৱিত্ৰ কোৰাণত স্বৰ্ণীল সিদ্ধান্তৰ বৰ্ণনা কৰা হৈছে যে লোভৰ হাতেৰে কোনো আনৰ সামগ্ৰীক হস্তগত কৰিব নালাগে। এই শিক্ষা পালন কৰাৰ দ্বাৰাও বিশ্ব-শান্তিৰ উন্নতিপ্ৰাপ্ত কৰিব পৰা যায়। সমাজৰ প্ৰতিটো স্তৰত ন্যায়ৰ পথ পূৰ্ণ কৰাৰ আৱশ্যক আছে কিয়নো প্ৰতিজন ব্যক্তিৰ ৰং তথা পুষ্টত বিভেদ কৰাৰ অবিহনে

নিজৰ ভৰিত সন্মান আৰু মৰ্যাদাৰে থিয় হ'ব পাৰে। আজি আমি উন্নতি লাভ কৰা দেশৰ উন্নতিশীল দেশত পুঁজি নিৱেশ কৰাৰ আগ্ৰহ বৃদ্ধি হোৱা দেখিবলৈ পাইছো। আৱশ্যক আছে যে ন্যায়ৰ প্ৰদৰ্শন কৰক আৰু কেৱল প্ৰাকৃতিক সম্পদ তথা কম মূল্যৰ পাৰিশ্ৰমিকৰ নিজৰ ৰাষ্ট্ৰৰ কল্যাণ আৰু লাভৰ কাৰণে প্ৰয়োগ কৰি অহা নাই। তেওঁলোকে এই দেশবিলাকৰ পৰা পোৱা লাভৰ প্ৰায়ঃ সেই দেশতে পুনৰ পুঁজি বিনিয়োগ হিচাপে প্ৰয়োগ কৰিব লাগে যাতে স্থানীয় লোকসকলৰ উন্নতি তথা সমৃদ্ধিৰ দিশে আগবাঢ়িব পাৰে। যদি উন্নতিপ্ৰাপ্ত দেশে এই দুখীয়া দেশবোৰক সহায় কৰাৰ উদ্দেশ্য এনে কৰিলে কেৱল মাত্ৰ সেই দুখীয়া দেশৰে লাভ হ'ব এনে নহয়, ইয়াৰ লাভ দুয়োপক্ষৰে হ'ব। ইয়াৰ দ্বাৰা পৰস্পৰে বিশ্বাসৰ পৰিৱেশ স্থাপিত হ'ব আৰু বৰ্তমানৰ নিৰাশ আৰু উদ্বেগ কম হৈ পৰিব। ইয়াৰ পৰা এই প্ৰভাৱৰো নিৰাৰণ হ'ব যে মহাশক্তিৰো স্বাৰ্থ আছে আৰু এয়া যে ইয়াৰ পৰা স্থানীয় বৰ্তমান আৰ্থিক স্থিতিত সংস্কাৰ হ'ব আৰু বিশ্ব-স্তৰত জীৱিকাৰ সম্পৰ্কীয় তথা বৰ্তমান স্থিতিত সংস্কাৰৰ জন্ম হ'ব।

ইয়াৰ পৰা নিঃসন্দেহে বিশ্ব স্তৰত প্ৰেম, ভাতৃত্ববোধ আৰু মিত্ৰতাৰ পৰিৱেশক জন্ম দিব, ইয়াতকৈ অধিক এয়া যে এনে কাৰ্য পদ্ধতি বিশ্বশান্তিৰ স্থাপনৰ ভেটি হিচাপে পৰিগণিত হ'ব। যদি এতিয়া এই দিশলৈ গুৰুত্ব নিদিয়ে তেন্তে বিশ্বৰ বৰ্তমান পৰিস্থিতিৰৰ পৰিণাম বিশ্ব-যুদ্ধ হ'ব, যাৰ কুপ্ৰভাৱ উত্তৰ প্ৰজন্মলৈকে বিয়পি পৰিব আৰু আমাৰ প্ৰজন্মই আমাক ক্ষমা নকৰিব।

এই শব্দৰ সৈতে আপোনালোকৰ পৰা আজ্ঞা বিচাৰিছোঁ। আল্লাহ তা'লাই বিশ্বত প্ৰকৃত শান্তি স্থাপন কৰক। বহুত ধন্যবাদ।




# THE KEYS TO PEACE IN A TIME OF GLOBAL DISORDER

TOKYO, JAPAN, 2015





Ḥaḍrat Khalīfatul-Masīḥ V[aba] leading silent prayer at a special reception in Tokyo, Japan.





Ḥaḍrat Khalīfatul-Masīḥ V[aba] watering a plant at a special reception in Tokyo, Japan.



Ḥaḍrat Khalīfatul-Masīḥ V[aba] delivering keynote address at a special reception in Tokyo, Japan.

# পৰিচয়

দিনাংক **২৩** নৱেম্বৰ **২০১৫** খ্ৰীঃত বিশ্বখ্যাত আহমদীয়া মুছলিম জামাতৰ প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ্ পঞ্চম (আল্লাহ্ আপোনাৰ সহায়ক হওঁক)য়ে হিল্টন হোটেল উদাইবা,টকিঅ'ত আপোনাৰ সন্মানাৰ্থে আয়োজন কৰা এক সমাৰোহত বিশেষ ভাষণ প্ৰদান কৰিছিল। এই আয়োজনত **৬০** জনৰো অধিক অতিথিয়ে অংশ গ্ৰহণ কৰিছিল। এই উপলক্ষে সন্মানীয় হুজুৰে সত্তৰ বছৰৰ আগৰ হিৰোছিমা আৰু নাগাছাকি হোৱা আনৱিক বোমাৰ আক্ৰমণৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ইয়াৰ আগতে দুজন বক্তা মিষ্টাৰ মাইক ছাতা ইউছিকী, চেয়াৰমেন, টকিঅ' গ্ৰুপ অৱ ইণ্ডষ্ট্ৰিৰ আৰু **২০১১** চনৰ ভুমিকম্পৰ সময়ত সৰ্বাধিক প্ৰভাৱিত হোৱা বিষয় 'টোহোকো'ৰ সৈতে সম্বন্ধ ৰখা মিষ্ট এণ্ডিছীনি চিয়ে ভাষণ প্ৰদান কৰে।

# বিশ্বৰ অশান্তিত শান্তিৰ চাবি-কাঠি

দিনাংক **২৩-১১-২০১৫** খ্ৰীঃ স্থান ঃ হিল্টন হোটেল, টকিঅ' জাপান

তাছাহুদ তাউজুৰ পিছত হজৰত আমিৰুল মুমিনীন খলিফাতুল মছীহ পঞ্চম (আইঃ)য়ে অতিথি সকলক সম্বোধন কৰি কয়,
বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম— পৰম করুণাময়,পৰম দানশীল আল্লাহৰ নামত।

আছছালামু আলাইকুম ওৰা ৰাহমাতুল্লাহি ওৰা বাৰাকাতুহু— আপোনালোক সকলোৰোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

এই ক্ষণত সৰ্বপ্ৰথমতে মই সকলো অতিথিগণক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ যি আজিৰ এই আয়োজনৰ বাবে আমাৰ নিমন্ত্ৰণক স্বীকাৰ কৰিলে। আমি অতি ভংয়কৰ আৰু উপদ্ৰৱে পৰিপূৰ্ণ যুগত বসবাস কৰি আছোঁ য'ত বিশ্বৰ পৰিস্থিতিত উদ্বেগৰ বহু ডাঙৰ কাৰণ হৈ পৰিছে, বিশ্বক নিজৰ আয়ত্তলৈ আনি মতভেদ তথা অশান্তি, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ বাবে এক বিপদ হৈ পৰিছে।

মুছলিম জগতৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে বহুতো দেশত চৰকাৰে নিজৰ নাগৰিকসকলৰ লগত অত্যাচাৰপূৰ্ণ অৰাজকতাত গ্ৰস্ত হৈ আছে। অবিশেষ অত্যাচাৰ আৰু ৰক্তপাততে এইদেশসমূহৰ কাঠামোক বিধ্বস্ত কৰি তুলিছে। পৰিণাম স্বৰূপে সন্ত্ৰাসবাদী সংগঠনৰ শাসনত উদ্ভৱ হোৱা ৰিক্ততাৰ অনুচিত লাভ অৰ্জন কৰি কিছুমান স্থান দখল কৰি নিজৰ নাম মাত্ৰ চৰকাৰ গঠন কৰি লৈছে। সেইবোৰে অতি হিংস্ৰ পশুৰ দৰে কাৰ্যপ্ৰণালীৰ দ্বাৰা কেৱল নিজৰ দেশতে অমানবীয় অত্যাচাৰ নিজৰ দেশতে অব্যাহত থোৱা নাই, বৰং তেওঁলোকৰ শিপা ইউৰোপলৈকে উপনীত হৈছে, যাৰ এক উদাহৰণ অলপতে পেৰিছৰ আক্ৰমণত কৰা অত্যাচাৰ আৰু শোষণ আছিল।

পূব ইউৰোপলৈ লক্ষ্য কৰিলে ৰাছিয়া, ইউক্ৰেন তথা কিছুমান আন আন ইউৰোপীয় দেশৰ মাজত পৰস্পৰ অত্যাচাৰ বৃদ্ধি হ'বলৈ ধৰিছে। ইয়াৰ অতিৰিক্ত এক আমেৰিকান যুদ্ধপতিত চীন সাগৰত গৈ ওলাই পৰিলে আমেৰিকা

আৰু চীনৰ মাজতো উদ্বেগ বৃদ্ধি হৈছে। পুনৰ আপোনালোকে অৱগত যে চীন আৰু জাপানৰ মাজত বিবাদিত দ্বীপত চীনা দূতবাস সম্পৰ্কীয় উদ্বেগ আছে।

ভাৰত আৰু পাকিস্তানৰ মাজত কাশ্মীৰ সমস্যা মতভেদৰ এক স্থায়ী কাৰণ হৈ পৰিছে আৰু ইয়াত উন্নয়নৰ কোনো উপায় নাই। একেদৰে ইজৰাইল আৰু ফিলিস্তানৰ উদ্বেগে প্ৰদেশৰ শান্তি ধ্বংস কৰি পেলাইছে।

আফ্ৰিকাত কিছুমান উগ্ৰপন্থী সংগঠনে কিছুমান ক্ষেত্ৰ নিজৰ দখলৈ নিছে আৰু অধিকাৰ লাভ কৰি বিশাল স্তৰত ধ্বংস আৰু অনিষ্টৰ শাসন চলাইছে। এইবিলাক বহুতো সমস্যাৰ মাজত কিছুমান সমস্যাক বৰ্ণনা কৰা হৈছে, যাৰ সন্মুখীন হৈছে এই বিশ্ব। আনহাতে বিশ্বত অশান্তি আৰু উদ্বেগ বিয়পি পৰাৰ বহুতো উদাহৰণ আছে।

সেয়ে আমি একমাত্ৰ সিদ্ধান্তত উপনীত হৈছোঁ যে এই মুহূৰ্তত বিশ্ব নিপীড়ন আৰু অশান্তিৰ কৱলত। আধুনিক যুগৰ কাজিয়া-বিবাদৰ স্তৰ আগৰ যুগৰ কাজিয়া বিবাদতকৈ বহুত ব্যাপক। বিশ্বৰ কোনো ক্ষেত্ৰৰ কোনো পৰস্পৰ কাজিয়া স্থানীয় স্তৰতে সীমিত হৈ নাথাকে যদিও প্ৰভাৱ আৰু পৰিণাম বহু দূৰলৈ বিয়পি পৰে।

সাধাৰণ মিডিয়াৰ আধুনিক আৰু দ্ৰুতগামী মাধ্যমে বিশ্বক এখন গ্লবেল ভিলেজলৈ ৰূপান্তৰ কৰিছে। আগৰ দিনত যুদ্ধ সম্পৰ্কীত সংগঠনৰ মাজতে সীমিত ৰাখিবলৈ সম্ভৱ হৈছিল, কিন্তু এতিয়া প্ৰতিখন কাজিয়া আৰু যুদ্ধৰ পৰিণাম বাস্তৱিক ৰূপত বিশ্ব স্তৰত প্ৰতিফলিত হয়। প্ৰকৃততে মই কেইবা বছৰৰ পৰা বিশ্বক সৰ্তক কৰি আহিছোঁ যে এই বাস্তৱিকতাক অৱগত হওঁক যে এতিয়া কোনো এখন দেশত হোৱা যুদ্ধ বিশ্বৰ আন এখন দেশৰ শান্তি আৰু সুখত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

বিংশ শতিকাত হৈ যোৱা দুয়োখন বিশ্ব যুদ্ধলৈ যদি দৃষ্টি নিক্ষেপ কৰো তেন্তে জ্ঞাত হ'ব পৰা যায়যে সেই সময়ত উপলব্ধ যুদ্ধৰ অস্ত্ৰ বৰ্তমান সময়ৰ অস্ত্ৰ-শস্ত্ৰৰ তুলনাত ইমান আধুনিক তথা ঘাতক নাছিল। ইয়াৰ পিছতো কোৱা হৈছে যে কেৱল দ্বিতীয় বিশ্বযুদ্ধতে সাত কোটি লোকৰ প্ৰাণহানি হৈছিল, যাৰ অধিকাংশ লোক নিৰীহ নাগৰিক আছিল। সেয়ে প্ৰতিটো যুগৰ বিনাশ

আৰু অনিষ্টৰ সম্ভাৱনাক কল্পনা কৰাটো কঠিন হৈ পৰে। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত আমেৰিকাৰ আনৱিক অস্ত্ৰৰ শক্তি আধুনিক সময়ৰ নিউক্লিয়াৰৰ তুলনাত একো নাছিল। সম্প্ৰতি, নিউক্লিয়াৰ অস্ত্ৰ কেৱল মহাশক্তি বুলি কোৱা দেশৰ ওচৰতে জমা আছে এনে নহয় কিছুমান সৰু দেশৰো আছে। য'ত বিশ্বৰ মহাশক্তিয়ে এই অস্ত্ৰসমূহক কেৱল প্ৰতিৰক্ষাৰ সম্বল হিচাপে থৈছে, তাত এই কথাৰ কোনো নিশ্চয়তা নাই যে সৰু দেশবিলাকেও ইয়াকে কৰিব। লগতে আমি ইয়াক বিশ্বাস কৰিব নোৱাৰো যে তেওঁলোকে ইয়াক প্ৰয়োগ নকৰিব। সেয়ে, ইয়াত কোনো সন্দেহ নাই যে বিশ্ব বিনাশৰ মুখত উপনীত হৈছে।

দ্বিতীয় বিশ্ব মহাযুদ্ধৰ অন্তিম পৰ্যায়ত আপোনালোকৰ জাতিয়েও এক অকল্পনীয় বিনাশ আৰু অনিষ্ট সহ্য কৰিব লগা হৈছিল, যেতিয়া আপোনালোকৰ লাখ লাখ নাগৰিকক নিৰ্দয়তাৰে বধ কৰা হৈছিল তথা আপোনালোকৰ দুখন চহৰক এনে নিউক্লিয়াৰ আক্ৰমণে ধূলিসাৎ কৰি দিয়া হৈছিল যে য'ত মানৱতাও লজ্জিত। এনে ভয়ংকৰ দুৰ্ঘটনাৰ অৱলোকন তথা অনুভৱৰ মাজৰে পাৰহৈ জাপানী জাতিয়ে কেতিয়াও ভাবিব নোৱাৰে যে এনে আক্ৰমণ জাপানত নতুবা বিশ্বৰ কোনো দেশত পুনৰ হওঁক। আপোনালোক সেইসকল লোক যি নিউক্লিয়াৰ যুদ্ধৰ বিনাশকাৰী প্ৰভাৱৰ সৈতে ভালদৰে পৰিচিত, আপোনালোক সেই সকল যি জানে যে এনে ঘাতক অস্ত্ৰৰ পৰা সৃষ্টি হ'ব লগা ভয়াবহ পৰিণাম কেৱল এটা জাতিৰ মাজতে সীমিত নহয়, আহিব লগা প্ৰজন্মলৈকে বিস্তাৰিত হৈ থাকিব, আপোনালোক সেই সম্প্ৰদায় যি নিউক্লিয়াৰ অস্ত্ৰ অতুলনীয় কুপৰিণামৰ সাক্ষী প্ৰদান কৰিব পাৰে। সেই কাৰণে জাপানীতকৈ অধিক কোনো সম্প্ৰদায় নাই যি বিশ্বশান্তি তথা সুৰক্ষাৰ গুৰুত্ব চিনিব পাৰে।

এয়া ধন্যবাদৰ ক্ষণ যে জাপানে সেই পৰিস্থিতিৰ মাজেৰে আহি আজি এক অতি উন্নতি প্ৰাপ্ত সম্প্ৰদায় হয় আৰু সেয়ে অতীতক সন্মুখত ৰাখি জাপানে বিশ্বশান্তি স্থাপন কৰাৰ ক্ষেত্ৰত নিজৰ ভূমিকা পালন কৰক। যদিও এয়া দুখজনক বিষয় যে দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পিছত জাপানৰ ওপৰত এনে প্ৰতিবন্ধকতা আৰু নিষিদ্ধতা লগোৱা হ'ল যে পৰিণাম স্বৰূপে আপোনালোকৰ সম্প্ৰদায়ে আন্তঃৰাষ্ট্ৰীয় আহ্বানৰ কঠোৰতাত কোনো বিশেষ

ব্যৱস্থা ল'বলৈ নোৱাৰে তথাপি আপোনালোকৰ দেশ এতিয়াও আন্তঃৰাষ্ট্ৰীয় সমস্যা আৰু ৰাজনীতিক বিষয়ত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেইকাৰণে আপোনালোকে আপোনালোকৰ প্ৰভাৱ তথা গভীৰতাক উত্তম ৰূপত কাৰ্যত প্ৰয়োগ কৰি সম্প্ৰদায় আৰু দেশৰ মাজত শান্তি স্থাপিত কৰিবলৈ প্ৰয়াস কৰিব লাগে।

এই বছৰতে ইতিহাসৰ সেই নিৰ্মম যেতিয়া দিনে সত্তৰ বছৰত অতিক্ৰম কৰিলে হিৰোছিমা আৰু নাগাছাকিৰ ওপৰত আনৱিক বোমা নিক্ষেপ কৰি আপোনালোকৰ সম্প্ৰদায়ক বিনাশ আৰু ধ্বংসৰ সত্য চিত্ৰণ কৰাৰ উদ্দেশ্য যাদুঘৰ নিৰ্মাণ কৰিছে আৰু এতিয়াও আনৱিক বোমাৰ কিছু প্ৰভাৱ এতিয়াওঁ বিৰাজিত। সেই কাৰণে জাপানী সম্প্ৰদায় কাজিয়া-বিবাদৰ কুপ্ৰভাৱক বুজিবলৈ পাৰে যেনেকৈ মই সংকেতিক স্তৰত বৰ্ণনা কৰিছোঁ যে আপোনালোকৰ ওপৰত অতিবাহিত হোৱা সেই ট্ৰেজেদীৰ এটা অংশ এয়াও যে যুদ্ধৰ ফলত জাপানৰ ওপৰত আনাৱশ্যাক আৰু অন্যায়পূৰ্ণ প্ৰতিবন্ধকতা প্ৰয়োগ কৰে। বহু দশক অতিবাহিত হোৱাৰ লগে লগে এই প্ৰতিবন্ধকতা প্ৰয়োগ কৰা হয়। কেইবাদশক অতিবাহিত হোৱাৰ লগে লগে এই প্ৰতিবন্ধকতাই যুদ্ধৰ বিনাশকাৰী প্ৰভাৱক স্থানীয় ভাৱে স্মৰণ কৰাৰ কৰিছিল সম্ভৱ।

জাপানত আনৱিক আক্ৰমণৰ সময়ত দ্বিতীয় খলিফা, যি সেই সময়ত ইমাম জামাত আহমদীয়া আছিল, তেওঁ ইয়াৰ তীব্ৰ নিন্দা কৰি উল্লেখ কৰিছিল—

" আমাৰ ধাৰ্মিক আৰু নৈতিক শিক্ষাই আমাৰ পৰাও দাবী কৰে যে আমি বিশ্বৰ সন্মুখত ঘোষণা কৰো যে আমি এই অপব্যয় কৰ্ম আৰু ৰক্তপাতক কোনো পৰিস্থিতিতে উচিত বুলি ভাবিব নোৱাৰো। মোৰ ইয়াৰ প্ৰতি কোনো গুৰুত্ব নাই যে কিছুমান চৰকাৰে মোৰ এই বক্তব্যক অপ্ৰিয় দৃষ্টিৰে লক্ষ্য কৰিব।"

হজৰত খালিফাতুল মছীহ দ্বিতীয় (ৰাঃ) য়ে ইয়াৰ উপৰিও উল্লেখ কৰিছিল যে তেওঁ ভৱিষ্যতে কাজিয়া-বিবাদত কোনো হ্ৰাস হোৱা দেখা পোৱা নাই। আজি সেই সৰ্তকতা পূৰ্ণৰূপত উচিত চিহ্নিত হোৱা দেখা গৈছে, যদিও তৃতীয় বিশ্বযুদ্ধৰ কোনো নিয়মীয়া ঘোষণা নকৰিলেও বাস্তৱত এই সময়ত এখন বিশ্বযুদ্ধৰ সম্ভাৱনা দেখা গৈছে। সমগ্ৰ বিশ্বৰ পুৰুষ, নাৰী তথা শিশুলৈকে

হৃদয়বিদাৰক অত্যাচাৰৰ লক্ষ্য কৰি লোৱা হৈছে আৰু হত্যা কৰা হৈছে।

যিমানলৈকে আমাৰ সম্পৰ্ক আছে তেন্তে মুছলিম জামাত আহমদীয়াই সদায় সকলো প্ৰকাৰৰ অত্যাচাৰ আৰু অন্যায়ৰ নিন্দা কৰি আহিছে, লাগে সেয়া বিশ্বৰ কোনো অংশত হওঁক, কিয়নো ইছলামী শিক্ষাৰ দাবী যে আমি অন্যায়ৰ বিৰুদ্ধে মাত মাতো নিপীড়িত, নিৰ্যাতিত সকলৰ সহায় কৰক। মই এতিয়া বৰ্ণনা কৰিছোঁ যে হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ) য়ে কিদৰে কোনো বাধা-বিঘিনি নোহোৱাকৈ জাপানত হোৱা পৰমাণু আক্ৰমণৰ নিন্দা কৰিছিল। তদুপৰি এয়া যে এজন প্ৰসিদ্ধ তথা খ্যাতিপ্ৰাপ্ত আহমদীয়া মুছলমান যি বিশ্ব স্তৰত বহুতো প্ৰভাৱ আৰু গুৰুত্ব আছে, জাপান আৰু ইয়াৰ জনসাধাৰণক সহায় কৰাৰ বাবে দৃঢ় সংকল্প লৈছে। মোৰ ইংগিত ছাৰ চৌধুৰী জাফৰুল্লাহ খান চাহাবৰ দিশে যি বহুতো আন্তঃৰাষ্ট্ৰীয় মুখ্য পদত অধীস্থ হোৱাৰ উপৰিও পাকিস্তানৰ প্ৰথম বৈদেশিক মন্ত্ৰী আছিল আৰু পিছত সংযুক্ত ৰাষ্ট্ৰৰ সাধাৰণ সংসদৰ সভাপতিও আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছতেই তেওঁ কিছুমান চৰকাৰৰ ফালৰ পৰা জাপানৰ প্ৰতি অন্যায়পূৰ্বক প্ৰতিবন্ধকতা ঘোষণা কৰাত ঘোৰ নিন্দা কৰিছিল। **১৯৫১** খ্ৰীঃত ছানফ্ৰান্সিকোত হোৱা শান্তি সমাৰোহত পাকিস্তানী প্ৰতিনিধি মণ্ডলৰ মুখ্য প্ৰতিনিধি হিচাপে চৌধুৰী জাফৰুল্লাহ খান চাহেবে কৈছিল—

" জাপানৰ লগত শান্তি স্থাপনাৰ ভেটি ন্যায় আৰু মিলনত থোৱা হওঁক, নহয় অত্যাচাৰ আৰু অন্যায়ৰ প্ৰতি। ভৱিষ্যতে জাপানে নিজৰ ৰাজনীতিক আৰু সমাজিক স্থিতি সংস্কাৰত এক অতি আৱশ্যকীয় ভূমিকা পালন কৰিব যি উন্নতিৰ স্পষ্ট নিশ্চয়তা আছে আৰু যি জাপানৰ শান্তিপ্ৰিয় দেশৰ শাৰীত সমানে স্থান দিব পাৰে।"

তেওঁৰ ভাষণত পৱিত্ৰ কোৰাণৰ শিক্ষা আৰু ইছলামৰ পয়গম্বৰ (ছাঃ)ৰ চুন্নতৰ জেউতিত আছিল। ইছলামৰ এই বাস্তৱিক শিক্ষাৰ আধাৰ বুলি উল্লেখ কৰি তেওঁ কৈছিল যে কোনো যুদ্ধৰ বিজয়ীয়ে কেতিয়াও প্ৰতিদ্বন্দ্বিৰ ওপৰত এনে অনুচিত প্ৰতিবন্ধকতা লগাব নালাগে যি ভৱিষ্যতে তেওঁলোকৰ উন্নতি আৰু সমৃদ্ধিত বাধা হ'ব।

চৌধুৰী জফৰুদ্দিন খান চাহেবে এই ঐতিহাসিক বক্তব্য জাপানৰ

সমৰ্থনত দিছিল কিয়নো এজন আহমদী মুছলমান হিচাপে তেওঁ কেৱল পাকিস্তান চৰকাৰৰ প্ৰতিনিধিয়ে নাছিল যিহেতু তাতকৈ অধিক তেওঁ ইছলামৰ সৰ্বোৎকৃষ্ট শিক্ষাক প্ৰতিনিধিত্ব কৰিছিল।

যেনেকৈ মই প্ৰথমতে বৰ্ণনা কৰিছোঁ যে আপোনালোক সেই সম্প্ৰদায় হয় যি কাজিয়া-বিবাদৰ কুপৰিণামক আন কোনো সম্প্ৰদায়তকৈ অধিক বুজিব পাৰে। সেয়ে, জাপানী চৰকাৰক সকলো সম্ভৱ উপায় তথা সকলো স্তৰত সকলো প্ৰকাৰৰ অমানবীয় ব্যৱহাৰ, অত্যাচাৰ আৰু অন্যায়ৰ তুলনা কৰি তাক নিবাৰণ কৰিব লাগে। তেওঁলোকে কৰিব লাগে যে এই কথাৰ বাবে যত্নৱান হওঁক যি পশুৰ দৰে আক্ৰমণ তেওঁলোকৰ ওপৰত হ'ল সেয়া কেতিয়াওঁ, ক'তো পুনৰ হ'ব নালাগে।

য'ত কেতিয়াবা যুদ্ধৰ ক'লা ডাৱৰ দেখা যায়, জাপানী নেতাসকলে তথা জনসাধাৰণৰ উত্তেজনা কম কৰিবলৈ আৰু শান্তি স্থাপন কৰিবলৈ নিজৰ ভূমিকা পালন কৰিব লাগে। য'ৰলৈকে ইছলামৰ সম্পৰ্ক আছে, কিছুমানলোকৰ দৃষ্টিত এয়া এক অত্যাচাৰী আৰু আতংকবাদী ধৰ্ম হয়। তেওঁলোকে নিজৰ বিবেচনাৰ বুনিয়াদ এই কথাৰ ওপৰত নিৰ্ভৰ কৰে যে ইছলামী জগতত কাজিয়া-বিবাদ আৰু আতংকবাদৰ যুগৰ ফলাফলস্বৰূপ।

তথাপি তেওঁলোকৰ দৃষ্টিকোণ সম্পূৰ্ণ ৰূপে বাস্তৱিকতাৰ বিৰুদ্ধে হয়। বাস্তৱত ইছলামৰ শান্তিপ্ৰিয় শিক্ষাৰ বিশ্বৰ ইতিহাসত কোনো তুলনা নাই। সেইকাৰণে হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ) আৰু চৌধুৰী মহম্মদ জাফৰুল্লাহ খান চাহেব (ৰাঃ) য়ে নিজৰ সম্প্ৰদায়ৰ ওপৰত হৈ থকা অত্যাচাৰৰ বিৰুদ্ধে শক্তিশালী বক্তব্য প্ৰকাশ কৰিছিল।

এতিয়া মই ইছলামৰ বাস্তৱিক শিক্ষাক সংক্ষিপ্তৰূপত বৰ্ণনা কৰিব বিচাৰিছোঁ। ইছলামৰ এক দৃঢ় সিদ্ধান্ত এয়া যে যিকোনো যুদ্ধৰ কোনো উচিত কাৰণ হ'ব নোৱাৰে যি ভৌগোলিক, ৰাজনৈতিক আধাৰত বা প্ৰাকৃতিক সম্প্ৰদায়ত অধিকাৰ কৰি আৰ্থিক লাভ অৰ্জন কৰাৰ উদ্দেশ্য কৰা হয়। ইয়াৰ অতিৰিক্ত পৱিত্ৰ কোৰাণৰ চুৰা আন-নহলৰ আয়াত **১২৭** ত আল্লাহ তা'লাই বৰ্ণনা কৰিছে যে যুদ্ধৰ পৰিস্থিতিত কোনো দণ্ডমূল অপৰাধ অনুসৰি কোনো বৈধ সীমাক অতিক্ৰম কৰি নহয়। পৱিত্ৰ কোৰাণৰ শিক্ষা হৈছে যে যুদ্ধৰ ক্ষণত ক্ষমা কৰি দিয়া আৰু ধৈৰ্য্য প্ৰদৰ্শন কৰাটো উত্তম হ'ব।

# বিশ্ব অশান্তিত-শান্তিৰ চাবি-কাঠি

একেদৰে পৱিত্ৰ কোৰাণৰ চুৰা ‘ আনফাল’ৰ আয়াত ৬২ ত বৰ্ণনা কৰিছে যে দুটা সদস্যপক্ষৰ সম্পৰ্কত তিক্ততা আহি গ’লে আৰু যুদ্ধৰ প্ৰস্তুতি আৰম্ভ হৈ পৰিলে যদি কোনো সদস্যপক্ষই বুজাবুজি কৰিবলৈ বিচাৰে যদি দ্বিতীয় সদস্য পক্ষৰ অনিবাৰ্য যে তেওঁ প্ৰস্তাৱক আদৰি লওঁক আৰু আল্লাহৰ ওপৰত ভৰসা ৰাখে। পৱিত্ৰ কোৰাণে কৈছে— কোনো এক সদস্য পক্ষৰ আন সদস্য পক্ষৰ উদ্দেশ্যত কু-ধাৰণা ৰাখিব নালাগে তথাপি সদায় বিবেচনা আৰু পৰস্পৰে বুজাবুজি কৰাৰ মাৰ্গৰ সন্ধান কৰিব লাগে। কোৰাণৰ এই সিদ্ধান্ত আন্তঃৰাষ্ট্ৰীয় শান্তিৰ স্থাপনা কৰাৰ বাবে এক মূল সিদ্ধান্ত হয়।

চুৰা আল মাইদাৰ আয়াত **৯** ত আল্লাহ তা’লাই উল্লেখ কৰিছে যে-কোনো সম্প্ৰদায় বিদ্বেষভাৱে যেন ন্যায় পথৰ পৰা তোমালোকক বিচলিত হ’বলৈ উদগনি নিদিয়ে; তোমালোকে ন্যায় বিচাৰ কৰিবা; কিয়নো ইছলামে ইয়াক শিকাইছেযে কোনো পৰিস্থিতিত, লাগে যেনেকুৱা কঠিনতাই সন্মুখত আহঁক ন্যায় আৰু সুবিচাৰৰ দাৱীক দৃঢ়তাৰে ধৰি ৰখা। নিঃসন্দেহে ন্যায়হে হ’ব যি সম্পৰ্কত ভালৰ কাৰণে হয় আৰু অসফল হোৱাৰ অৱকাশ তথা যুদ্ধৰ কাৰণক আঁতৰ কৰাৰ কাৰণ হ’ব পাৰে। চুৰা ‘আন্নুৰ’ৰ আয়াত **৩৪** ত পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে যে যদি যুদ্ধৰ বাবে কয়েদীক মুকলি কৰাৰ বাবে তেওঁলোকৰ ওপৰত কোনো অৰ্থদণ্ড লগায়,তেন্তে চৰ্ত উচিত হ’ব লাগে যাতে তাক সুবিধাপূৰ্বকভাবে আদায় কৰিব পাৰে। লগতে যদি তাক অংশকালীন ভাবে আদায় কৰা হয় সেয়া উত্তম হ’ব।

শান্তি স্থাপন কৰা এক স্বৰ্ণীল সিদ্ধান্ত যি চুৰা ‘আলহুজুৰাত’ৰ আয়াত **১০** ত এয়াও বৰ্ণনা কৰা হৈছে যে-যদি দুটা গোটৰ মাজত টনা-আজোৰা হয় তেন্তে তৃতীয় পক্ষই বা মধ্যস্থত্বকাৰীয়ে মাটি প্ৰদান কৰা উচিত তথা পাৰস্পৰিক শান্তি প্ৰতিষ্ঠাত চেষ্টা কৰা উচিত। পৰস্পৰৰ বুজাবুজিৰ পৰিস্থিতিত দুই সদস্য পক্ষৰ পৰা কোনোবাই যদি অবৈধভাবে বুজাবুজিৰ চৰ্তৰ বিৰুদ্ধে কাম কৰে তেন্তে আন সদস্যই একগোটহৈ অত্যাচাৰীৰ বাবে বাধা হৈ পৰিব লাগে, লাগে তাৰ কাৰণে বলৰ প্ৰয়োগ কৰিব লগা নহওঁক কিয়। তথাপি যদি অত্যাচাৰী সদস্য পক্ষই বাধা দিবলৈ যায় তেন্তে তেওঁলোকৰ ওপৰত প্ৰতিবন্ধকতা লগোৱাৰ বিপৰীতে তেওঁলোকক এক স্বাধীন সম্প্ৰদায় দেশ আৰু স্বাধীন সমাজৰ ফালৰ

পৰা উন্নতি কৰাৰ বাবে অনুমতি দিব লাগে। বৰ্তমান সময়ত এই সিদ্ধান্তই বহুতো গুৰুত্ব লাভ কৰিছে। বিশেষকৈঃ মহাশক্তি আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ উদাহৰণ ইউ এম অ'ৰ বাবে। যদি এই মূল্যত আজ্ঞা পালন আৰম্ভ কৰি দিয়া হয় তেন্তে বিশ্বত বাস্তৱিক শান্তি আৰু ন্যায় স্থাপিত হ'ব পাৰে তথা অনাৱশ্যক অসন্তোষ আৰু বিফলতাৰ অনুভৱ নিজেই নাইকিয়া হৈ পৰিব।

একেদৰে আন বহুতো কোৰাণৰ আদেশ আছে যি বিশ্বত শান্তি স্থাপিত কৰাত তথা কাজিয়া-বিবাদক নিষেধৰ দিশে মাৰ্গদৰ্শন কৰে। আমাৰ ৰহমান আৰু ৰহিম খোদাই শান্তিৰ চাবি-কাঠি এইকাৰণে প্ৰদান কৰিছে কিয়নো তেওঁ বিচাৰে যে তেওঁৰ সৃষ্টিত পৰস্পৰৰ মাজত একতাৰ পৰিৱেশ থাকক আৰু সকলো প্ৰকাৰৰ ঘৃণা আৰু বিদ্বেষ নাইকিয়া হওঁক।

সেয়ে, এই কথাৰ সৈতে মই আপোনালোক সকলোকে নিবেদন কৰিছোঁ যে নিজৰ শক্তি আৰু ক্ষমতাক প্ৰয়োগ কৰোঁতে বিশ্বৰ শান্তি আৰু পৰস্পৰৰ একতাৰ বাবে প্ৰয়াস কৰক। আমাৰ সামজিক দায়িত্ব যে বিশ্বৰ যি স্থানতে নাথাকক অশান্তি আৰু উদ্বেগত আমি ন্যায়ৰ বাবে নিনাদ কৰিম আৰু শান্তি স্থাপিত কৰিবলৈ প্ৰয়াস কৰিম যাতে আমি তেনেধৰণৰ ভয়ংকৰ যুদ্ধৰ পৰা সুৰক্ষিত থাকো যি আজি সত্তৰ বছৰে যুঁজ কৰি অহা হৈছে, যাৰ বিনাশকাৰী প্ৰভাৱ কেইবাদশকলৈকে বিয়পি আছিল যদিও আজি ইয়াক অনুভৱ কৰিব পৰা যায়। তথাপি সীমিত স্তৰত এক বিশ্বযুদ্ধৰ আৰম্ভণী হৈ পৰিছে। কিন্তু আমাক লাগে যে আমি নিজৰ দায়িত্বক যথা সময়ত পালন কৰো এনে নহওঁক যে কেনেবাকৈ তাৰ প্ৰভাৱ বিশ্বক নিজৰ মাজত কৰায়ত্ব কৰি তেজ বোৱাই দিয়া ঘাতক অস্ত্ৰৰ পুনৰ প্ৰয়োগৰ দ্বাৰা আমাৰ উত্তৰ প্ৰজন্মক নিঃশেষ কৰি দিব।

সেয়ে আঁহক, সকলোৱে লগ লাগি নিজৰ দায়িত্বক পালন কৰো। বিৰোধী সংগঠন গঠন কৰাৰ সলনি আমি সকলো একগোট হৈ পৰস্পৰৰ সহযোগ কৰোঁ।এতিয়া আমাৰ ওচৰত কোনো উপায় নাই। কিয়নো যদি তৃতীয় মহাযুদ্ধ নিয়মিত ৰূপত আৰম্ভ হৈ পৰে তেন্তে তাৰ পৰিণাম স্বৰূপে হ'ব লগা বিনাশ আৰু ধ্বংসৰ যি প্ৰক্ৰিয়া সেয়া কল্পনাৰো অসম্ভৱ। নিঃসন্দেহে এনে স্থিতিত অতীতৰ যুদ্ধক ইয়াৰ তুলনাত বহুতো সাধাৰণ অনুভৱ হ'ব।

# বিশ্ব অশান্তিত-শান্তিৰ চাবি-কাঠি

মোৰ দোৱা যে বিশ্বই এই স্থিতিৰ কঠোৰতাক বুজি উঠক। ইয়াৰ আগতে পলম হৈ নপৰক, মানৱ জাতিয়ে খোদা তা'লাৰ ওচৰত শিৰণত কৰি তেওঁলোকৰ অধিকাৰ তথা সকলোৰে অধিকাৰক ভোগ কৰক।

আল্লাহ তা'লাই তেওঁলোকক বুজনি আৰু বিবেক প্ৰদান কৰক যি ধৰ্মৰ নামত অশান্তিৰ পৰিৱেশৰ সৃষ্টি কৰিছে তথা তেওঁলোকক যি নিজৰ আৰ্থিক উন্নতিৰ কাৰণে ভৌগোলিক তথা ৰাজনৈতিক যুদ্ধ কৰিছে। আশা তেওঁলোকৰ জ্ঞান হৈ পৰক যে তেওঁলোকৰ উদ্দেশ্য কিমান অনুচিত আৰু বিনাশকাৰী হয়। খোদাই কৰক যে বিশ্বৰ সকলো ক্ষেত্ৰত চিৰস্থায়ী শান্তি স্থাপন হওঁক। আমিন।

এই নিবেদনৰ সৈতে মই আপোনালোকক পুনৰ এবাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যে আপোনালোক এই আয়োজনত সমৱেত হ'ল। বহুত ধন্যবাদ।

# Letters to the World Leaders

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

# হিজ হোলিনেছ পোপ ষোড়শ বেনেডিক্টলৈ পত্র

# Letter to His Holiness Pope Benedict the XVI

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

بسم الله الرحمن الرحيم
نحمده و نصلی علی رسوله الکریم
وعلی عبده المسیح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

৩১অক্টোবৰ ২০১১ বৰ্ষ

হিজ হোলিনেছ পোপ ষোড়শ বেনেডিক্ট,

মোৰ দোৱা এই যে আল্লাহ তালাই আপোনাৰ ওপৰত তেওঁৰ অনুগ্ৰহ আৰু কল্যাণ বৰ্ষণ কৰক।

নিখিল বিশ্ব আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰধান হিচাপে মই হিজ হোলিনেছ পোপলৈ পৱিত্ৰ কোৰাণৰ বাণী প্ৰেৰণ কৰিছোঁ ঃ

'তুমি কোৱা, 'হে আহ্‌লে কিতাবতোমালোকে এনে এক কথাত (একমত) হোৱা, যি আমাৰ মাজত আৰু তোমাৰ মাজত অভিন্ন( আৰু সেয়া হ'ল এয়া), আমি যেন আল্লাহৰ বাহিৰে আন কাৰোৰে ইবাদত নকৰো আৰু তেওঁৰ লগত কাকো জড়িত নকৰো। লগতে আল্লাহক বাদ দি আমি নিজকে এজনে আনজনৰ যেন প্ৰভু-প্ৰতিপালকৰূপে গ্ৰহণ নকৰো।'

ইছলামৰ আজি বিশ্বৰ শেনদৃষ্টিত, আৰু প্ৰায়ে ইয়াক ঘৃণাৰ অভিযোগৰ লক্ষ্য স্থলত পৰিণত কৰা হৈছে। অৱশ্যে যিসকলে এই অভিযোগবোৰ কৰি থাকে, তেওঁলোকে ইছলামৰ প্ৰকৃত শিক্ষাক কেন্দ্ৰ কৰি কোনো অনুসন্ধান নকৰাকৈ এনেদৰে কৰি থাকে। দুৰ্ভাগ্যজনক ভাবে কিছুমান মুছলিম সংগঠনে, কেৱল নিজা স্বাৰ্থ সিদ্ধিৰ বাবে ইছলামক সম্পূৰ্ণ ভুল আংগিকত উপস্থাপন কৰিছে। ইয়াৰ ফলত পশ্চিমা আৰু অমুছলিম দেশসমূহৰ মানুহৰ হৃদয়ত মুছলমানৰ প্ৰতি অনাস্থ বৃদ্ধি এনে পৰ্যায়ত উপনীত যে, অনেক উচ্চ শিক্ষিত ব্যক্তিয়েও ইছলামৰ প্ৰতিষ্ঠাতা মহানবী হজৰত মোহাম্মদ (ছাঃ)ৰ বিৰুদ্ধে ভিত্তিহীন অভিযোগ উত্থাপন কৰি আহিছে।

# বিশ্ব সংকট তথা শান্তিৰ পথ

প্ৰত্যেক ধৰ্মৰ উদ্দেশ্য হ'ল মানুহক খোদা তা'লাৰ ওচৰলৈ নিয়া আৰু মানবীয় মূল্যবোধ প্ৰতিষ্ঠা কৰা। কোনোদিন কোনো ধৰ্মৰ প্ৰৱৰ্তকে তেওঁৰ অনুগামীসকলক আনৰ অধিকাৰ হৰণ বা নিষ্ঠুৰ আচৰণৰ শিক্ষা দিয়া নাই। সেয়ে মুষ্টিমেয় বিপথগামী মুছলমানৰ আচৰণক ইছলাম বা ইয়াৰ পৱিত্ৰ প্ৰতিষ্ঠাতা মহম্মদ (ছাঃ) ৰ ওপৰত আক্ৰমণৰ আহিলা হিচাপে গ্ৰহণ কৰা উচিত নহয়। ইছলামে আমাক সকলো ধৰ্মৰ অৱতাৰসকলক সন্মান কৰাৰ শিক্ষা দিয়ে আৰু ইয়াৰ বাবে পৱিত্ৰ বাইবেল বা পৱিত্ৰ কোৰাণত উল্লেখিত সকলো অৱতাৰৰ ওপৰত বিশ্বাস ৰখা সকলো মুছলমানৰ বাবে আৱশ্যক। লগতে ইয়াৰ মাজত যীশু খ্ৰীষ্ট (আঃ) পৰ্যন্ত সকলো অৱতাৰ অন্তৰ্ভুক্ত। আমি মহানৱী হজৰত মোহাম্মদ (ছাঃ)ৰ নগণ্য দাস, আৰু সেয়ে তেওঁৰ ওপৰত আক্ৰমণসমূহে গভীৰ ভাবে মৰ্মাহত আৰু ক্ষুব্ধ হৈ পৰে, কিন্তু মই বিশ্বৰ সন্মুখত তেওঁৰ অনুপম গুণাৱলী আৰু পৱিত্ৰ কোৰাণৰ সুন্দৰ শিক্ষাক অধিক ব্যাপক ভাবে উপস্থাপন কৰাৰ মাজেৰে ইয়াৰ উত্তৰ প্ৰদান কৰি আহিছো।

যদি ক'ৰবাত কোনোৱে শিক্ষা অনুসৰণৰ দাবী কৰে অথচ সঠিক ভাবে সেই শিক্ষাৰ অনুসৰণ নকৰে তেতিয়া সেই ব্যক্তি ইয়াৰ বাবে দায়ী, সেই শিক্ষা নহয়। ইছলাম শব্দৰ অৰ্থই শান্তি, সৌহাৰ্দ, নিৰাপত্তা। 'ধৰ্মৰ বিষয়ত কোনো বল প্ৰয়োগ কৰিব নালাগে'— এয়া পৱিত্ৰ কোৰাণৰ স্পষ্ট আদেশ। প্ৰথম পৃষ্ঠাৰ পৰা শেষ পৃষ্ঠালৈকে কোৰাণত ভালপোৱা, সহমৰ্মিতা, শান্তি, বিবাদ নাইকিয়া কৰা আৰু ত্যাগস্পৃহাৰ শিক্ষা দিয়ে। পৱিত্ৰ কোৰাণে বাৰে বাৰে কৈছে যে, যি ব্যক্তি সৎকৰ্মপৰায়ণতাক অৱলম্বন নকৰে তেওঁ আল্লাহতা'লাৰ পৰা বহু নিলগত। গতিকে যদি কোনোবাই ইছলামক ৰক্তপাতৰ শিক্ষাই পূৰ্ণ এক চৰমপন্থী আৰু সহিংস ধৰ্ম হিচাপে উপস্থাপন কৰে, গতিকে তেওঁৰ এনেধৰণৰ চিত্ৰৰ লগত প্ৰকৃত ইছলামৰ কোনো সম্পৰ্ক নাই।

আহমদীয়া মুছলিম সম্প্ৰদায়ে কেৱলমাত্ৰ প্ৰকৃত ইছলামক অনুশীলন কৰে আৰু কেৱলমাত্ৰ সৰ্বশক্তিমান খোদাৰ সন্তুষ্টিৰ বাবে কাম কৰে। যদি কোনো গীৰ্জা বা আন কোনো উপাসনালয়ত নিৰাপত্তাৰ প্ৰয়োজনে দেখা দিয়ে, তেন্তে তেওঁলোকে আমাৰ লগত তেওঁৰ হাত কান্ধত কান্ধ মিলাই থিয় হোৱা দেখিবলৈ পাব। যদি কোনো বাণী আমাৰ মছজিদৰ পৰা ধ্বনিত হয়, তেন্তে সেয়া হ'বযে

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

আল্লাহ সৰ্বশ্ৰেষ্ঠ আৰু হজৰত মোহাম্মদ (ছাঃ) আল্লাহৰ প্ৰেৰিত ৰছুল।

এটা বিষয় যি বিশ্বৰ শান্তি নষ্ট কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে সেয়া হ'ল, কিছুমান মানুহে ভাবে যে যিহেতু তেওঁলোক বুদ্ধিমান, উচ্চ শিক্ষিত আৰু (তথাকথিত) মুক্ত সমাজৰ অংশ, সেয়েহে ধৰ্ম প্ৰৱৰ্তকসকলক তাচ্ছিল্য আৰু বিদ্ৰূপ কৰাৰ স্বাধীনতা তেওঁলোকৰ আছে। সমাজত শান্তি বজাই ৰখাৰ বাবে আৱশ্যক যে এজনৰ হৃদয়ত আনজনৰ প্ৰতি সকলো প্ৰকাৰৰ বৈৰীতাৰ অনুভূতি আঁতৰ কৰা আমাৰ সহনশীলতাৰ মাত্ৰা বৃদ্ধি কৰা। ইয়াত প্ৰয়োজন হৈছে যে, আমি, এজনে আনজনৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান ৰক্ষাৰ্থে দণ্ডায়মান হোৱা। বিশ্ববাসী আজি অস্থিৰতা আৰু অস্বস্তিৰ মাজত সময় অতিবাহিত কৰিছে। ইয়াৰ ফলত আমাৰ ওপৰত দায়িত্ব আহি পৰে যে ভালপোৱা আৰু সৌহাৰ্দৰ পৰিৱেশ সৃষ্টি কৰি আমি উৎকণ্ঠা আৰু ভীতিক আঁতৰ কৰি আৰু আমাৰ আশে-পাশে থকা মানুহৰ প্ৰতি যেন আমাৰ ভালপোৱা আৰু শান্তিৰ বাৰ্তা প্ৰদান কৰো যেন আমি আগৰ কোনো সময়তকৈ অধিক সম্প্ৰীতিৰ সৈতে আৰু ভালপোৱাৰ জীৱন যাপন কৰিবলৈ শিকিছো যাতে আমাৰ মানবীয় মূল্যবোধসমূহক যথাযথ ভাবে চিহ্নিত কৰিব পাৰো।

আজি পৃথিৱীত ক্ষুদ্ৰ পৰ্যায়ত যুদ্ধ-বিগ্ৰহৰ সূত্ৰপাত হৈছে আৰু আনফালে বহিশক্তিবোৰে দাবী কৰিছে যে তেওঁলোকে শান্তি প্ৰতিষ্ঠাৰ চেষ্টা কৰিছে। এয়া আৰু গোপন বিষয় নহয় যে বাহিৰত আমাক এটা কথা কোৱা হয়, কিন্তু পৰ্দাৰ আঁৰত প্ৰকৃত পক্ষত তেওঁলোকৰ উদ্দেশ্য আৰু নীতিৰ বাস্তবায়নৰ বাবে কাম কৰি থাকে। এই অৱস্থাত বিশ্বত শান্তি প্ৰতিষ্ঠা সঁচাকৈ সম্ভৱ নে সেয়াই প্ৰশ্ন। পৰিতাপৰ বিষয়, যদি আমি বিশ্বৰ বৰ্তমান পৰিস্থিতি গভীৰ ভাবে পৰ্যবেক্ষণ কৰো, আমি দেখিছো যে আনএখন বিশ্বযুদ্ধৰ পটভূমি ইতিমধ্যেই ৰচনা হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যদি এনে পথ অৱলম্বন কৰিলেহেঁতেন যি সমতাৰ মাজেদি ন্যায়বিচাৰৰ ফালে আমাক লৈ গ'লহেঁতেন, গতিকে আমি বিশ্বৰ বৰ্তমান পৰিস্থিতি দেখিব লগা নহ'লহেঁতেন, ইয়াত এতিয়া পুনএটি অগ্নিশিখাপৰিবেষ্টিত হৈ পৰিছে। ইয়াত অধিক সংখ্যক দেশৰ হাতত নিউক্লিয়াৰ অস্ত্ৰ থকাত পৃথিৱীত পাৰস্পৰিক আক্ৰোশ আৰু শত্ৰুতা বৃদ্ধি হৈছে আৰু আজিৰ পৃথিৱী ধ্বংসৰ উপকূলত উপস্থিত হৈছে। আজি যদি গণধ্বংসী মাৰণাস্ত্ৰ

বিস্ফোৰিত হয়, পৰৱৰ্তী বহুবোৰ প্ৰজন্মই তেওঁলোকৰ ওপৰত স্থায়ী প্ৰতিবন্ধিতা বা পংগুত্ব আৰোপ কৰাৰ বাবে আমাক কোনো দিনে ক্ষমা নকৰিব। এতিয়াও সময় আছে যে, বিশ্ববাসীয়ে তেওঁলোকৰ স্ৰষ্টা আৰু তেওঁৰ অপৰিহীম সৃষ্টিৰ অধিকাৰৰ প্ৰতি মনোযোগী হ'বলৈ আৰম্ভ কৰে।

মোৰ বিশ্বাস যে এতিয়া বিশ্বৰ অগ্ৰগতিৰ ওপৰত দৃষ্টি নিৰন্ধ নকৰি, এয়া প্ৰয়োজন তথা অত্যাৰশ্যকীয় যে আমি জৰুৰী ভিত্তিত বিশ্বক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰাৰ লক্ষ্যৰে আমাৰ প্ৰচেষ্টাত গতি সঞ্চাৰ কৰা। মানৱজাতিৰ বাবে নিজৰ স্ৰষ্টা চিনি পোৱাটো আৱশ্যক কিয়নো মানৱতা জীয়াই ৰখা একমাত্ৰ এটাই নিশ্চয়তা দানকাৰী নতুবা এই পৃথিৱীত দ্ৰুত আত্মাহুতিৰ দিশে অগ্ৰসৰ হৈছে। আজি যদি কোনোৱে প্ৰকৃত শান্তি স্থাপনত সফল হ'ব বিচাৰে, তেন্তে তাৰ বাবে আন দোষ খুচৰি থকাতকৈ নিজৰ ভিতৰৰ দানৱক নিয়ন্ত্ৰণ কৰাটো অধিক প্ৰয়োজন। নিজৰ পাপ বা সীমালংঘনসমূহ দূৰ কৰি সেই ব্যক্তিৰ উচিত ন্যায়ৰ এক অনুপম দৃষ্টান্ত দাঙি ধৰা। মই বাৰে বাৰে বিশ্ববাসীক মনত পেলাই আছো যে আনৰ প্ৰতি এই অতিৰিক্ত বৈৰীতা মানবীয় মূল্যবোধসমূহক সম্পূৰ্ণ বিনষ্ট কৰিছে, যাৰ ফলত বিশ্বক নিশ্চিহ্ন হোৱাৰ পথত আগবাঢ়িছে।

যিহেতু বিশ্বত আপোনাৰ এক প্ৰভাৱশালী কণ্ঠস্বৰ আছে, মই আপোনাক আৰু বিস্তৃত পৰিসৰত বিশ্ববাসীক জনোৱাৰ বাবে তাগিদা কৰো যে খোদা তা'লাৰ প্ৰতিষ্ঠিত স্বাভাৱিক যি ভাৰসাম্য, তাৰ মাজত অন্তৰায় সৃষ্টি কৰি নিজৰ ধ্বংসৰ ফালে দ্ৰুতগতিত আগবাঢ়ি গৈছে। এই বাণী পূৰ্বৰ যিকোনো সময়তকৈ বিস্তৃত পৰিসৰত আৰু পূৰ্বাপেক্ষা অনেক অধিক গুৰুত্বৰে দূৰ-দিগন্তলৈ প্ৰেৰণ কৰাটো আৱশ্যক।

বিশ্বৰ সকলো ধৰ্মৰ বাবে ধৰ্মীয় সম্প্ৰীতিৰ প্ৰয়োজন আৰু বিশ্বৰ সকলো মানুহৰ বাবে ভালপোৱা, সৌহাৰ্দ আৰু ভ্ৰাতৃত্বৰ প্ৰেৰণা সৃষ্টি প্ৰয়োজন। মোৰ প্ৰাৰ্থনা এই যে আমি সকলোৱে যেন নিজ নিজ দায়িত্ব অনুধাৱন কৰি শান্তি আৰু সম্প্ৰীতি প্ৰতিষ্ঠাৰ আৰু এই জগতত আমাৰ স্ৰষ্টাক পৰিচয় কৰাই দিয়াৰ প্ৰক্ৰিয়াত নিজ ভূমিকা পালন কৰিব পাৰো। আমাৰ নিজৰ হাতত দোৱাৰ অস্ত্ৰ আছে আৰু আমি সদায় আল্লাহৰ ওচৰত সহায় প্ৰাৰ্থনা কৰো যে পৃথিৱীৰ ধ্বংসক যেন ৰোধ কৰে। মই দোৱা কৰো যে ধ্বংসযজ্ঞ আমাৰ বাবে অপেক্ষা

কৰক আৰু আমি তাৰ সুৰক্ষা কৰিব পাৰো।

আপোনৰ শুভকামনাৰে..



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# Letter to the Prime Minister of Israel
# ইজৰাইলৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

بسم الله الرحمن الرحيم
نَحْمَدُهٗ وَ نُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو النّاصــــر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

**২৬ ফেব্ৰুৱাৰী ২০১২ বৰ্ষ**

হজ এক্সিলেন্সী মিষ্টাৰ বেনজামিন নেতানিয়াহু
ইজৰাইলৰ প্ৰধানমন্ত্ৰী
জেৰুজালেম
প্ৰিয় প্ৰধান মন্ত্ৰী মহোদয়,

মই সম্প্ৰীতি ইজৰাইলৰ ৰাষ্ট্ৰপতি হিজ এক্সিলেন্সী ছিমন পেৰেজলৈ বিশ্বৰ উদীয়মান ভয়াবহ পৰিস্থিতি সম্পৰ্কত এখন পত্ৰ প্ৰেৰণ কৰিছোঁ। যি দ্ৰুত গতিত পট পৰিৱৰ্তন হ'ব ধৰিছে মই অনুভৱ কৰিছোঁ আপোনালৈও মোৰ বাৰ্তা প্ৰেৰণ কৰা প্ৰয়োজন, যিহেতু আপোনাৰ দেশৰ চৰকাৰৰ প্ৰধান আপুনিয়ে। আপোনাৰ জাতিৰ ইতিহাসৰ লগত নবুয়ত আৰু ঐশী বাণীৰ নিগূঢ় সম্পৰ্ক আছে। নিশ্চিত ভাবে বনী ইজৰাইলৰ নবীসকলে আপোনাৰ জাতিৰ ভৱিষ্যত সম্পৰ্কত অত্যন্ত স্পষ্ট ভৱিষ্যবাণী কৰি গৈছে। নবীসকলৰ শিক্ষাৰ প্ৰতি অবাধ্যতা আৰু তেওঁলোকৰ ভৱিষ্যবাণীসমূহৰ প্ৰতি উদাসীনতাৰ ফলস্বৰূপে বনী ইজৰাইলৰ জাতিক বহু কষ্ট আৰু পৰীক্ষাৰ সন্মুখীন হ'ব লগা হৈছে। যদি আপোনাৰ জাতিৰ নেতৃবৰ্গ নবীসকলৰ আনুগত্যত অবিচল থাকিলেহেঁতেন তেন্তে বহুবিধ দুৰ্ভাগ্যজনক আৰু প্ৰতিকূল পৰিস্থিতিৰ চিকাৰ হোৱাৰ পৰা ৰক্ষা পোৱাৰ সম্ভাৱনা আছিল। গতিকে আপোনাৰ দায়িত্ব আৰু আন সকলোতকৈ অধিক যে, আপোনাৰ নবীসকলৰ ভৱিষ্যবাণীসমূহ আৰু আদেশৱালীৰ প্ৰতি দৃষ্টি দিব।

মই আজি সেই প্ৰতিশ্ৰুত মছীহ আৰু ইমাম মাহদী (আঃ) ৰ খলিফা হিচাপে আপোনালোকক সম্বোধন কৰিছোঁ, যাক মহানবী হজৰত মোহাম্মদ (ছাঃ)ৰ

সেৱকৰূপে পঠোৱা হৈছিল আৰু মহানবী (ছাঃ)ৰ মুছা(আঃ)ৰ বন্ধুত্ব বনী ইজৰাইলৰ ভ্ৰাতৃকুলত মানৱজাতিৰ প্ৰতি দয়া স্বৰূপে প্ৰেৰণ কৰা হৈছিল।(ডিউটেৰোনামি **১৮ঃ১৮**) সেয়ে খোদাৰ বাণী আপোনালোকক মনত পেলাই দিয়াটো মোৰ দায়িত্ব। মোৰ প্ৰত্যাশা এয়া যে, আপোনালোক সেইসকলৰ মাজত অন্তৰ্ভৰ্ক্ত হ'ব। যি খোদাৰ আহ্বানত গুৰুত্ব দিয়ে আৰু যি সঠিক পথ লাভত সফল হয়, সেই পথত যি আকাশসমূহ আৰু পৃথিৱীৰ অধিপতি, সু-মহান খোদাৰ হেদায়াৎৰ লগত সংগতিপূৰ্ণ হয়।

আমি আজিকালি সংবাদত এনেধৰণৰ খবৰ শুনিবলৈ পাই থাকো যে, আপোনালোকে ইৰাণৰ ওপৰত আক্ৰমণৰ প্ৰস্তুতি গ্ৰহণ কৰিছে। অথচ কেনে বিশ্বযুদ্ধৰ পৰিণতিৰ ভয়াবহতাৰ আপোনালোক চাক্ষুষ সাক্ষী। বিগত বিশ্বযুদ্ধত বহু মিলিয়ন সংখ্যাত যেনেকৈ মানুহৰ মৃত্যু হৈছিল, তেনেকৈ লাখ লাখ ইহুদীৰো প্ৰাণহানি হৈছে। প্ৰধানমন্ত্ৰী হিচাপে আপোনাৰ ৰাষ্ট্ৰৰ লোকৰ জীৱন ৰক্ষা কৰাটো আপোনাৰ দায়িত্ব। বিশ্বৰ বৰ্তমান পৰিস্থিতিত এই দিশৰ নিৰ্দেশনা কৰিছে যে কোনো বিশ্ব যুদ্ধত কেৱল দুখন দেশৰ মাজত সংঘটিত নহ'ব, বৰঞ্চ জোটসমূহ গঠিত হ'ব। এখন বিশ্বযুদ্ধৰ সূচনাৰ যি আশংকা বিৰাজমান সেয়া অতি গুৰুতৰ। মুছলমান খ্ৰীষ্টান আৰু ইহুদী সকলৰো জীৱন ইয়াত বিপন্ন। যদি এনে যুদ্ধৰ সূচনা হয় তেন্তে সেয়া মানৱতা ধ্বংসৰ এক পৰ্যায়ক্ৰমিক ধাৰাৰ ৰূপ ল'ব। ভৱিষ্যত প্ৰজন্মসমূহে এই দুৰ্যোগৰ ফল ভোগ কৰিব। এয়া এই কাৰণে যে, এনেধৰণৰ যুদ্ধত নিঃসন্দেহে পাৰমাণৱিক সমৰাস্ত্ৰ ব্যৱহৃত হ'ব।

গতিকে, আপোনালোকৰ ওচৰত মোৰ আবেদন এই বিশ্বক এখন বিশ্বযুদ্ধৰ কৰাল গ্ৰাসৰ দিশৰ ফালে নিয়াৰ পথত নেতৃত্ব নিদিব, পৃথিৱীক এক বিশ্বজনীন ধ্বংসযজ্ঞৰ ৰক্ষাৰ বাবে আপোনালোকে সৰ্বোচ্চ প্ৰয়াস গ্ৰহণ কৰিব। বিৰোধসমূহক বলপ্ৰয়োগেৰে নিৰসন নকৰি, আপোনালোকৰ প্ৰয়াস হোৱা উচিত যেন আলোচনাৰ মাধ্যমেৰে এইবিলাক নাইকিয়া হৈ পৰে, যেন আমাৰ ভৱিষ্যত প্ৰজন্মসমূহক প্ৰতিবন্ধকতা আৰু জন্মগত ত্ৰুটিসমূহ 'উপহাৰ' দিয়াৰ পৰিৱৰ্তে আমি আমাৰ আগন্তুক প্ৰজন্মক এক উজ্বল ভৱিষ্যৎ উপহাৰ দিব পাৰো।

মই মোৰ দৃষ্টিভংগীক আপোনালোকৰ শিক্ষাৰ পৰা পোৱা নিম্নোক্ত উদ্ধৃতিবোৰৰ দ্বাৰা স্পষ্ট কৰাৰ চেষ্টা কৰিম, যিটো প্ৰথম জবুৰৰ পৰা লোৱাঃ 'তুমি দুৰাচাৰৰ বিষয়ে ৰুষ্ট নহ'বা,অধৰ্মচাৰীসকলৰ প্ৰতি ঈৰ্ষা নকৰিবা। কিয়নো ঘাহৰ দৰে

শীঘ্ৰে ছিগি পৰিব, হৰিৎ তৃণৰ ন্যায় ম্লান হ'ব। সদায় প্ৰভুক বিশ্বাস কৰিবা আৰু সদাচৰণ কৰিবা, নিজৰ ভূমিত বাস কৰিবা আৰু পশুক নিৰাপদ পশুচাৰণ ক্ষেত্ৰত চৰাবা। লগতে সদায় প্ৰভুতে আনন্দত মতলীয়া হৈ থাকা, তেওঁ তোমাৰ মনোবাসনা পূৰ্ণ কৰিব। তোমাৰ জীৱন পথৰ ভাৰ সদায় প্ৰভুত অৰ্পণ কৰা। তাৰ ওপৰত নিৰ্ভৰ কৰা, তেওঁ কৰ্ম সাধন কৰিব। তেওঁ দীপ্তিৰ ন্যায়ৰে তোমাৰ ন্যায়পৰায়ণতাক স্পষ্ট কৰিব তথা বিচাৰক মধ্যহ্নৰ ন্যায়ত প্ৰকাশ কৰিব। সদায় প্ৰভুত অটল থাকা আৰু তেওঁৰ কৰুণাৰ বাবে অপেক্ষা কৰা যি আপোন পথত কৃতকাৰ্য হয়, তাৰ বিষয়ে যি ব্যক্তিয়ে কুসংকল্প কৰে, তাৰ বিষয়ে ৰুষ্ট নহ'বা। ক্ৰোধ নিবৃত কৰা, কোপ ত্যাগ কৰা, ৰুষ্ট নহ'বা, হ'লে কেৱল দুষ্কৰ্ম কৰিব। কাৰণ দুৰাচাৰী উচ্ছিন্ন হ'ব, কিন্তু যি সদায় প্ৰভুৰ অপেক্ষাত তাকে তেওঁৱে দেশৰ অধিকাৰী হ'ব। লগতে ক্ষণ কালৰ পিছত দুষ্ট লোক আৰু নাথাকে। গতিকে হয়, যদিও তুমি তাৰ স্থান তত্ত্ব কৰিবা, কিন্তু সি আৰু নাই। কিন্তু মৃদুশীলসকল দেশৰ অধিকাৰী হ'ব তথা তেওঁলোকে শান্তিৰ বাহুল্যত আনন্দ কৰিব (জবুৰ, **৩৭ ঃ১-১১)**

একেদৰে তৌৰাতত আমি পাওঁ—

'তোমাৰ মোনাত এটা সৰু- এটা ডাঙৰ দুই ধৰণৰ বাট্‌খাৰা নাথাকিব। তোমাৰ ঘৰত এটা সৰু এটা ডাঙৰ, দুই ধৰণৰ পৰিমাপপাত্ৰ নাথাকক। তুমি যথাৰ্থ আৰু ন্যায়ৰ বাট্‌খাৰা ৰাখিবা, যথাৰ্থ আৰু ন্যাৰ্য পৰিমাপ পত্ৰ ৰাখিবা, যেন তোমাৰ ঈশ্বৰ ইয়াহুবা তোমাক যি দিয়ে, তাত তোমাৰ আয়ু বৃদ্ধি হওক। কাৰণ এই কামত যিয়ে কুটিলতা কৰে,তেন্তে এই সকলোবোৰ তোমাৰ পৰমেশ্বৰ ইয়াহুবাৰ দৃষ্টিত ঘৃণনীয় ( ডিউটেৰোনামী ২৫ঃ **১৩-১৬)**

গতিকে বিশ্ব নেতৃবৰ্গ আৰু বিশেষকৈ আপোনালোকৰ উচিত, বলপ্ৰয়োগেৰে শাসনৰ ধাৰণা পৰিত্যাগ কৰক আৰু দুৰ্বলৰ ওপৰত অত্যাচাৰ কৰাৰ পৰা বিৰত থাকক। ইয়াৰ বিপৰীতে ন্যায় আৰু শান্তিৰ বিস্তাৰ আৰু প্ৰসাৰৰ প্ৰাণপণ চেষ্টা কৰক। এনেদৰে কৰাৰ ফলত আপোনালোক নিজেও শান্তিত থাকিব, আপোনালোকৰো শান্তি বৃদ্ধি হ'ব আৰু বিশ্বত শান্তি প্ৰতিষ্ঠিত হ'ব।

মোৰ প্ৰাৰ্থনা এই যে আপুনি আৰু আন আন বিশ্ব নেতৃবৃন্দ মোৰ বাৰ্তাক অনুধাবন কৰিব, আপোনালোকৰ অৱস্থান আৰু মৰ্যাদা উপলব্ধি কৰিব আৰু

আপোনালোকৰ দায়িত্বসমূহ পালন কৰিব।
আপোনালোকৰ শুভ কামনাৰে



মিৰ্জা মছৰূৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ

# Letter to the President of the Islamic Republic of Iran

وَاجْعَلْ لِیْ مِنْ لَّدُنْکَ سُلْطٰناً نَّصِیْراً
اِنَّا فَتَحْنَا لَکَ فَتْحًا مُّبِیْنًا

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نَحْمَدُہٗ وَ نُصَلِّی عَلٰی رَسُوْلِہِ الْکَرِیْمِ
وعلیٰ عبدہِ المسیح الموعود
خدا کے فضل اور رحم کے ساتھ
ھوالنّاصــــر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

৭ মাৰ্চ ২০১২ বৰ্ষ

হিজ এক্সিলেন্সী
ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ ৰাষ্ট্ৰপতি
মাহমুদ আহমেদিনেজাদ
তেহৰান

প্ৰিয় ৰাষ্ট্ৰপতি মহোদয়,

আছছালামু আল্লাইকুম ওৱা ৰহমাতুল্লাহি ওৱা বাৰাকাতুহু

বিশ্বত যি আশংকাজনক পৰিস্থিতি উদ্ভৱ হৈছে তাৰ পোহৰত মই অনুভৱ কৰিছোঁ যেমোৰ পক্ষৰ পৰা আপোনালৈ লেখাটো আৱশ্যক, যিহেতু আপুনি ইৰাণৰ ৰাষ্ট্ৰপতি, সেয়ে আপুনি সেই সিদ্ধান্তসমূহ গ্ৰহণৰ কৰ্তৃত্ব ৰাখক যি আপোনাৰ জাতি আৰু বিস্তৃত পৰিসৰত সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ ওপৰত প্ৰভাব পেলাব। বিশ্বত বৰ্তমান অতি উত্তেজনা আৰু অস্থিৰতাই বিৰাজ কৰিছে। কোনো কোনো এলেকাত ক্ষুদ্ৰ পৰ্যায়ত যুদ্ধ-বিগ্ৰহৰ সূত্ৰপাত হৈছে, আনফালে পৰমাণু শক্তিবোৰ শান্তি প্ৰতিষ্ঠাৰ নামত নানা ভূমিকাত অৱতীৰ্ণ হৈছে। প্ৰত্যেক দেশে দেশে তেওঁলোকৰ কৰ্মকাণ্ডত আন কোনো দেশক সমৰ্থন কৰিছে বা বিৰোধিতা কৰিছে, গতিকে ন্যায়ৰ দাবীক পূৰ্ণ কৰা হোৱা নাই। পৰিতাপৰ

# বিশ্ব সংকট তথা শান্তিৰ পথ

বিষয় যে যদি আমি বিশ্বৰ বৰ্তমান পৰিস্থিতিক গভীৰ ভাবে পৰ্যাবেক্ষণ কৰো, আমি দেখো যে আন এখন বিশ্বযুদ্ধৰ পটভূমি ইতিমধ্যে ৰচিত হৈছে। ইমান অধিক সংখ্যক দেশৰ হাতত নিউক্লিয়াৰ মাৰাণাস্ত্ৰ থকাত পৃথিৰীত পাৰস্পৰিক আক্ৰোশ আৰু শত্ৰুতা বাঢ়ি গৈছে। এনে পৰিস্থিতিত তৃতীয়খন বিশ্বযুদ্ধ প্ৰায় নিশ্চিত ভাবে আমাৰ সন্মুখত উপস্থিত। যিমানখিনি আপুনি অৱগত যে নিউক্লিয়াৰ মাৰণাস্ত্ৰৰ সহজপ্ৰাপ্যতাৰ কাৰণে সম্ভাব্য তৃতীয় বিশ্বযুদ্ধ এক পাৰমাণবিক যুদ্ধ হ'ব। ইয়াৰ চুড়ান্ত ফলাফল হ'ব ভয়াবহ আৰু এনেধৰণৰ যুদ্ধৰ সম্ভাব্য দীৰ্ঘম্যাদী প্ৰভাবত ভৱিষ্যৎ প্ৰজন্মসমূহ প্ৰতিবন্ধী আৰু বিকলাংগ হিচাপে জন্ম গ্ৰহণ কৰিব।

মোৰ বিশ্বাস যে সেই মহানবী মোহাম্মদ (ছাঃ) ৰ অনুসাৰী হিচাপে যি পৃথিৰীত শান্তি স্থাপনৰ বাবে আৰ্বিভূত হৈছিল আৰু যিজনে আছিল ৰাহমাতুল্লিল আলামীন- সমগ্ৰ জাতিৰ বাবে দয়া, আমি বিশ্বৰ এনে পৰিণতি কামনা নকৰো আৰু কৰিবও নোৱাৰো। এই কাৰণে আপোনাৰ প্ৰতি মোৰ অনুৰোধ যে যিহেতু ইৰাণও বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ শক্তি, এখন তৃতীয় বিশ্বযুদ্ধক প্ৰতিহত কৰাত নিজ ভূমিকা পালন কৰাটো ইয়াৰ কৰ্তব্য। এয়া অনস্বীকাৰ্য সত্য যে ডাঙৰ ডাঙৰ শক্তিবোৰৰ কথাত আৰু কামত বা শত্ৰু-মিত্ৰৰ লগত আচৰণত দ্বৈততা থাকে। তেওঁলোকৰ অন্যায়-অবিচাৰৰ ফলত বিশ্বত অস্থিৰতা আৰু ক্ষোভৰ সঞ্চাৰ হৈছে। কিন্তু মই ইয়াকো অস্বীকাৰ কৰিব নোৱাৰো যে, কিছু কিছু মুছলমান গোষ্ঠীয়ে অসংগত আচৰণ কৰে, এনে আচৰণ যি ইছলামৰ শিক্ষাৰ পৰিপন্থী। বিশ্বৰ ডাঙৰ ডাঙৰ শক্তিবোৰে ইয়াক অজুহাত হিচাপে ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে নিজৰ স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ দুৰ্বল আৰু দুখীয়া মুছলমান দেশবোৰত অন্যায় হস্তক্ষেপ কৰিছে। গতিকে, মই আপোনাক পুনৰ অনুৰোধ কৰিছোঁ যে বিশ্বক তৃতীয় বিশ্বযুদ্ধৰ পৰা ৰক্ষা কৰাৰ বাবে আপোনাৰ সকলো প্ৰচেষ্টা আৰু সৰ্ব শক্তি প্ৰয়োগ কৰা উচিত। পৱিত্ৰ কোৰাণে মুছলমানসকলক এই শিক্ষা দিয়ে যে, কোনো জাতিৰ লগত শত্ৰুতাই যেন ন্যায়সংগত আচৰণ কৰাৰ পৰা দ্বিধাগ্ৰস্ত নকৰে। চুৰা আল মাইদাত আল্লাহ তা'লাই আমাক আদেশ দিয়ে —

'পুনৰ মচজিদ হাৰামত তোমালোকক ( প্ৰৱেশ কৰাত) কোনো জাতিৰ বাধা

দিয়াৰ (কাৰণে সৃষ্ঠি)শত্ৰুতাৰ যেন সীমালঙঘনত তোমালোকক প্ৰৰোচিত নকৰে। লগতে তোমালোকৰ পূণ্য আৰু সহযোগৰ ক্ষেত্ৰত পৰস্পৰৰ সহযোগিতা কৰা তথা পাপ আৰু সীমালঙঘনত পৰস্পৰক সহযোগিতা নকৰিবা। আৰু আল্লাহৰ আহ্বান অৱলম্বন কৰা। নিশ্চয় আল্লা শাস্তি প্ৰদানত কঠোৰ ।(চুৰা মাইদা আয়াত, ৩)

একেদৰে পৱিত্ৰ কোৰাণত একেটা চুৰাত আমি মুছলমানৰ বাবে এই আদেশ লাভ কৰো—

‘হে বিশ্বাসীসকল,আল্লাহৰ কাৰণে ন্যায় সাক্ষী দিয়াত তোমালোক দৃঢ় হৈ থাকিবা; আৰু কোনো সম্প্ৰদায়ৰ বিদ্বেষভাবে যেন ন্যায় পথৰ পৰা তোমালোকক বিচলিত হ’বলৈ উদগনি নিদিয়ে -সেয়ে ধৰ্মপৰায়ণতাৰ অধিক ওচৰ; আৰু আল্লাহলৈ ভয় ৰাখি চলিবা;নিশ্চয় তোমালোকে যি কাৰ্য্যকে কৰা আল্লাই সেই সম্বন্ধে সম্পূৰ্ণৰূপে জ্ঞাত। (৫ঃ৯)

অৰ্থাৎ কেৱল মাত্ৰ শত্ৰুতা আৰু ঘৃণাৰ কাৰণে কোনো এটা জাতিক বিৰোধীতা কৰা উচিত নহয়। মই স্বীকাৰ কৰো যে ইজৰাইলে সীমা লঙঘন কৰি থাকে আৰু তেওঁলোকৰ চকু ইৰাণৰ ওপৰত। নিশ্চয় যদি কোনো দেশে আপোনাৰ দেশৰ বিৰুদ্ধে সীমা লঙঘন কৰে, নিজৰ প্ৰতিৰক্ষাৰ ন্যায়সঙ্গত অধিকাৰ আপোনালোকৰ আছে। গতিকে যিমান দূৰ সম্ভৱ বিৰোধসমূহ কূটনৈতিক ভাবে আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰা উচিত। আপোনালোকৰ ওচৰত মোৰ বিনীত অনুৰোধ যে, শক্তি প্ৰয়োগৰ পৰিৱৰ্তে বিৰোধসমূহ ৰোধ কৰাৰ প্ৰয়াসত সংলাপক ব্যৱহাৰ কৰক। যি কাৰণে মই আপোনালোকক এই অনুৰোধ কৰিছোঁ সেয়া এই যে, মই খোদা তা’লাৰ সেই মনোনীত ব্যক্তিৰ উত্তৰসূৰী যি এই যুগত হজৰত মোহাম্মদ (ছাঃ)ৰ প্ৰকৃত দাস হিচাপে আৰ্বিভূত হৈছিল তথা যি প্ৰতিশ্ৰুত মছীহ ও ইমাম মাহদী হোৱাৰ দাৱীও কৰে। তেওঁৰ লক্ষ্যই আছিল আমাৰ প্ৰভু, পথপ্ৰদৰ্শক, ৰাহমাতুল্লিল আলামীন জগতৰ প্ৰতি ৰহমত স্বৰূপ প্ৰেৰিত মহানৱী (ছাঃ)ৰ প্ৰদৰ্শিত পথত মানৱ জাতিক খোদা তালাৰ ওচৰ চপোৱা আৰু মানুহৰ অধিকাৰ প্ৰতিষ্ঠা কৰা। আল্লাহ তা’লা মুছলিম উম্মাহক এই অনুপম সুন্দৰ শিক্ষা বুজাৰ তৌফিক দান কৰক।

ওৱাছছালাম।

আপোনাৰ শুভ কামনাৰে,



মির্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ
# Letter to the President of the United States of America

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

৮ মাৰ্চ ২০১২বৰ্ষ

ৰাষ্ট্ৰপতি বাৰাক ৰবামা
মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি
দ্যা হোৱাইট হাউচ
১৬০০ পেনছিলভেনিয়া এভিনিউ এন ডব্লিউ
ৱাশিংটন ডি. ছি

প্ৰিয় ৰাষ্ট্ৰপতি মহোদয়,

বিশ্বৰ উদীয়মান উদ্বেগজনক পৰিস্থিতিৰ আলোকত মই অনুভৱ কৰিছোঁ যে আপোনালৈ মই পত্ৰ লিখাটো প্ৰয়োজন, যিহেতু আপুনি এনে এখন দেশ যাক বিশ্বৰ এটা বৃহৎ শক্তি-মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আৰু এই কাৰণে এনে সিদ্ধান্তবোৰ লোৱাৰ কৰ্তৃত্ব আপোনাৰ আছে যিবোৰ আপোনাৰ দেশ আৰু বিস্তৃত পৰিসৰত সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ ওপৰত প্ৰভাৱ পেলায়।
বিশ্ব বৰ্তমানত অতি বিক্ষুব্ধ আৰু অস্থিৰ অৱস্থা বিৰাজ কৰিছে। কোনো কোনো এলেকাত ক্ষুদ্ৰ পৰ্যায়ত যুদ্ধ-বিগ্ৰহৰ সূত্ৰপাত হৈছে। দুৰ্ভাগ্যজনক ভাবে, এইবোৰ সংঘৰ্ষত আক্ৰান্ত অঞ্চলবোৰত বৃহৎ শক্তিবোৰে তেওঁলোকৰ শান্তি স্থাপনৰ প্ৰচেষ্টাত আশানুৰূপ সাফল্য লাভত ব্যৰ্থ হৈছে। বিশ্বজুৰি মই দেখিছো যে প্ৰায় প্ৰত্যেক দেশে আন কোনো দেশৰ পক্ষে বা বিপক্ষে বিভিন্ন ভাবে সক্ৰিয় হৈছে, গতিকে ন্যায়ৰ দাৱীক পূৰ্ণ কৰা হোৱা নাই। পৰিতাপৰ বিষয় যে, যদি

# বিশ্ব সংকট তথা শান্তিৰ পথ

আমি বিশ্বৰ বৰ্তমান পৰিস্থিতি পৰ্যবেক্ষণ কৰো, আমি দেখিবলৈ পাওঁ যে এখন বিশ্বযুদ্ধৰ পটভূমি ইতিমধ্যে ৰচিত হৈছে। ডাঙৰ-সৰু অধিক সংখ্যক দেশৰ হাতত নিউক্লিয়াৰ মাৰাণাস্ত্ৰ থকাত ৰাষ্ট্ৰ ৰাষ্ট্ৰৰ আক্ৰোশ আৰু সংঘাত বাঢ়ি গৈছে। এই অৱস্থাত তৃতীয় বিশ্বযুদ্ধৰ শংকা নিঃসন্দেহে আমাৰ সন্মুখত উপনীত হৈ পৰিছে। এনেধৰণৰ যুদ্ধত নিশ্চিত ভাবে পাৰমাণৱিক মাৰাণাস্ত্ৰ ব্যৱহাৰ হ'ব আৰু সেয়ে আমি বস্তুতঃ পক্ষে বিশ্বক ভয়াবহ ধ্বংসৰ দিশে ধাৱমান হোৱা দেখিবলৈ পাইছো। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যদি এনে পথ অৱলম্বন কৰা হৈছিল যে আমি সমতাৰ মাজেৰে ন্যায় বিচাৰৰ দিশে লৈ যাব লাগিব, য'ত এক পুনৰায় অগ্নিশিখাৰ পৰিবেষ্টিত হৈ পৰিছে।

সিমানখিনি আমি সকলো অৱগত যে মূল বিষয়বোৰে পৃথিৱীক দ্বিতীয় বিশ্বযুদ্ধৰ দিশে ধাবিত কৰিছিল সেয়া হ'ল 'লীগ অৱ নেছনছ'ৰ ব্যৰ্থতা আৰু অৰ্থনৈতিক শোচনীয়তা, যাৰ সূচনা হৈছিল **১৯৩২** চনত। আজি শীৰ্ষস্থানীয় অৰ্থনীতিবিদসকলে কয় যে, বৰ্তমান অৰ্থনৈতিক সংকটৰ লগতে **১৯৩২**চনৰ পৰিস্থিতিৰ অনেক সাদৃশ্য আছে। আমি লক্ষ্য কৰিছোঁ যে ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাৱলীৰ কাৰণে সৰু সৰু দেশৰ মাজত যুদ্ধৰ সূচনা হৈছে আৰু দেশবোৰৰ মাজত আভ্যন্তৰীণ দ্বন্দ্ব আৰু অসন্তোষ ব্যাপক ভাবে বিয়পি পৰিছে। পৰিণাম ইয়াৰ ফলত এনে শক্তিসমূহ তাত ৰাষ্ট্ৰীয় ক্ষমতালৈ আহিব যি আমাক এখন বিশ্বযুদ্ধৰ দিশেলৈ নিব। যদি সৰু সৰু দেশবোৰত ৰাজনৈতিক বা কূটনৈতিক প্ৰক্ৰিয়াত বিৰোধসমূহৰ নিস্পত্তি সম্ভৱ নহয়, ইয়াৰ ফলস্বৰূপে বিশ্বত নতুন মেৰুকৰণ আৰু গ্ৰুপিংৰ উদ্ভৱ হ'ব। এয়া হ'ব তৃতীয় এক বিশ্বযুদ্ধৰ পূৰ্বলক্ষণ। সেয়ে মোৰ বিশ্বাস যে আজি, বিশ্বৰ উন্নতিৰ দিশে মনোনিৱেশ নকৰি, এয়া অধিক গুৰুত্বপূৰ্ণ আৰু অত্যাবশ্যকীয় যে আমি এই ধ্বংসৰ হাতৰ পৰা বিশ্বক ৰক্ষাৰ বাবে জৰুৰী ভিত্তিত আমি আমাৰ প্ৰচেষ্টা শক্তিশালী কৰা। মানৱজাতিৰ বাবে আশু প্ৰয়োজন তেওঁলোকৰ সেই একক খোদাক চিনি পোৱা, যি আমাৰ সৃষ্টিকৰ্তা, কিয়নো একমাত্ৰ মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ নিশ্চয়তা দান কৰিব পাৰে নতুবা বিশ্বত ক্ৰমাগত দ্ৰুতগতিত আত্মহননৰ পথত অগ্ৰসৰ হৈ থাকিব। আপুনি আৰু সকলো বিশ্বনেতালৈ মোৰ আবেদন যে বলপ্ৰয়োগেৰে অন্য জাতিক দমনৰ সলনি আপোনালোকে কূটনীতি, সংলাপ আৰু প্ৰজ্ঞাৰ

পথক অৱলম্বন কৰক। যুক্তৰাষ্ট্ৰ ন্যায় বিশ্বৰ ডাঙৰ ডাঙৰ শক্তি আজি উচিত শান্তিৰ প্ৰতিষ্ঠাৰ লক্ষ্যত নিজ ভূমিকা পালন কৰা। সৰু সৰু দেশৰ কোনো আচৰণক বিশ্বৰ সম্প্ৰীতি বিনষ্ট কৰাৰ কোনো অজুহাত হিচাপে ব্যৱহাৰ কৰাটো উচিত নহ'ব। বৰ্তমান কেৱল যুক্তৰাষ্ট্ৰ আৰু ডাঙৰ ডাঙৰ শক্তিবোৰ একমাত্ৰ নিউক্লিয়াৰ অস্ত্ৰৰ অধিকাৰী নহয়, বৰঞ্চ আজি তুলনামূলক ভাবে সৰু দেশৰ হাততো এনেধৰণ গণবিধ্বংসী মাৰাণাস্ত্ৰ বিদ্যমান, য'ত যিসকল ক্ষমতাত আছে তেওঁলোকৰ একাংশ এনে যুদ্ধবাজ নেতা যি কোনো ধৰণৰ চিন্তা বা বিবেচনাৰে কাম নকৰে। সেয়ে আপোনালোকৰ প্ৰতি মোৰ অনুৰোধ বিশ্বৰ ডাঙৰ-সৰু শক্তিবোৰে যেন তৃতীয় বিশ্বযুদ্ধৰ সূচনা নকৰে তাৰ বাবে আপোনাৰ সৰ্বশক্তি প্ৰয়োগ কৰিব। আমাৰ মনত এই বিষয়ত কোনো সন্দেহৰ অৱকাশ থকা উচিত নহয় যে আমি ইয়াত ব্যৰ্থ হৈ পৰো তেনেহ'লে এনেধৰণৰ যুদ্ধৰ ক্ষয়-ক্ষতি কেৱল এছিয়া, ইউৰোপ আৰু দুই আমেৰিকা মহাদেশৰ দুখীয়া দেশবোৰৰ মাজতে সীমাৱদ্ধ থাকিব, আমাৰ পৰৱৰ্তী প্ৰজন্মই আমাৰ কৰ্মৰ বীভৎস পৰিণতি বহন কৰিব লাগিব আৰু বিশ্বজুৰি প্ৰতিবন্ধী আৰু বিকলাংগ শিশুৰ জন্ম হৈ থাকিব। তেওঁলোকে কোনো দিনে সেই সকল পূৰ্বসূৰীক ক্ষমা নকৰিব যি বিশ্বক সৰ্বগ্ৰাসী বিপৰ্যয়ৰ দিশেলৈ নিছে। কেৱল মাত্ৰ আমাৰ ক্ষুদ্ৰ স্বাৰ্থকলৈ ব্যস্ত নাথাকি আমাৰ পৰৱৰ্তী প্ৰজন্মৰ কথা চিন্তা কৰা উচিত আৰু সিহঁতৰ বাবে এক উজ্বল ভৱিষ্যৎ গঢ়াৰ লক্ষ্যত সংগ্ৰাম কৰা। খোদা তা'লাই আপোনাক আৰু সকলো বিশ্বনেতাক এই বাৰ্তা অনুধাবনৰ সুযোগ দান কৰাক

আপোনাৰ শুভ কামনাৰে,



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# কানাডাৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ

# Letter to the Prime Minister of Canada

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ


بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK


৮ মাৰ্চ ২০১২বৰ্ষ

মি. ষ্টিফেন হাৰপাৰ
কানাডাৰ প্ৰধানমন্ত্ৰী
অটোৱা, অণ্টাৰিৱ

প্ৰিয় প্ৰধানমন্ত্ৰী মহোদয়,

বিশ্বৰ উদীয়মান উদ্বেগজনক পৰিস্থিতিৰ আলোকত মই অনুভৱ কৰিছোঁ যে আপোনালৈ মই পত্ৰ লিখাটো প্ৰয়োজন, যিহেতু আপুনি কানাডাৰ প্ৰধানমন্ত্ৰী আৰু এই কাৰণে এনে সিদ্ধান্তবোৰ লোৱাৰ কৰ্তৃত্ব আপোনাৰ আছে যিবোৰ আপোনাৰ দেশ আৰু বিস্তৃত পৰিসৰত সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ ওপৰত প্ৰভাব পেলায়।

বিশ্ব বৰ্তমানত অতি বিক্ষুব্ধ আৰু অস্থিৰ অৱস্থা বিৰাজ কৰিছে। কোনো কোনো এলেকাত ক্ষুদ্ৰ পৰ্যায়ত যুদ্ধ-বিগ্ৰহৰ সূত্ৰপাত হৈছে। দুৰ্ভাগ্যজনক ভাবে, এইবোৰ সংঘৰ্ষত আক্ৰান্ত অঞ্চলবোৰত বৃহৎ শক্তিবোৰে তেওঁলোকৰ শান্তি স্থাপনৰ প্ৰচেষ্টাত আশানুৰূপ সাফল্য লাভত ব্যৰ্থ হৈছে। বিশ্বজুৰি মই দেখিছো যে প্ৰায় প্ৰত্যেক দেশে আন কোনো দেশৰ পক্ষে বা বিপক্ষে বিভিন্ন ভাবে সক্ৰিয় হৈছে, গতিকে ন্যায়ৰ দাবীক পূৰ্ণ কৰা হোৱা নাই। পৰিতাপৰ বিষয় যে, যদি আমি বিশ্বৰ বৰ্তমান পৰিস্থিতি পৰ্যবেক্ষণ কৰো, আমি দেখিবলৈ পাওঁ যে এখন বিশ্বযুদ্ধৰ পটভূমি ইতিমধ্যে ৰচিত হৈছে। ডাঙৰ-সৰু অধিক সংখ্যক দেশৰ হাতত নিউক্লিয়াৰ মাৰাণাস্ত্ৰ থকাত ৰাষ্ট্ৰৰ আক্ৰোশ আৰু সংঘাত বাঢ়ি গৈছে।

# বিশ্ব সংকট তথা শান্তিৰ পথ

এই অৱস্থাত তৃতীয় বিশ্বযুদ্ধৰ শংকা নিঃসন্দেহে আমাৰ সন্মুখত উপনীত হৈ পৰিছে। এনেধৰণৰ যুদ্ধত নিশ্চিত ভাবে পাৰমাণৱিক মাৰাণাস্ত্ৰ ব্যৱহাৰ হ'ব আৰু সেয়ে আমি বস্তুতঃ পক্ষে বিশ্বক ভয়াবহ ধ্বংসৰ দিশে ধাৱমান হোৱা দেখিবলৈ পাইছো। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যদি এনে পথ অৱলম্বন কৰা হৈছিল যে আমি সমতাৰ মাজেৰে ন্যায় বিচাৰৰ দিশে লৈ যাব লাগিব, য'ত পুনৰায় এক অগ্নিশিখাৰ পৰিবেষ্টিত হৈ পৰিছে।

আমি সকলোৱে অৱগত যে যিখিনি মূল বিষয়ে পৃথিৱীক দ্বিতীয় বিশ্বযুদ্ধৰ দিশে ধাবিত কৰিছিল। সেয়া হ'ল 'লীগ অৱ নেছ্নছ'ৰ ব্যৰ্থতা আৰু অৰ্থনৈতিক শোচনীয়তা, যাৰ সূচনা হৈছিল **১৯৩২** চনত। আজি শীৰ্ষস্থানীয় অৰ্থনীতিবিদসকলে কয় যে, বৰ্তমান অৰ্থনৈতিক সংকটৰ লগতে **১৯৩২** চনৰ পৰিস্থিতিৰ অনেক সাদৃশ্য আছে। আমি লক্ষ্য কৰিছোঁ যে ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাৱলীৰ কাৰণে সৰু সৰু দেশৰ মাজত যুদ্ধৰ সূচনা হৈছে আৰু দেশবোৰৰ মাজত আভ্যন্তৰীণ দ্বন্দ্ব আৰু অসন্তোষ ব্যাপক ভাবে বিয়পি পৰিছে। পৰিণাম ইয়াৰ ফলত এনে শক্তিসমূহ তাত ৰাষ্ট্ৰীয় ক্ষমতালৈ আহিব যি আমাক এখন বিশ্বযুদ্ধৰ দিশেলৈ নিব। যদি সৰু সৰু দেশবোৰত ৰাজনৈতিক বা কূটনৈতিক প্ৰক্ৰিয়াত বিৰোধসমূহৰ নিস্পত্তি সম্ভৱ নহয়, ইয়াৰ ফলস্বৰূপে বিশ্বত নতুন মেৰুকৰণ আৰু গ্ৰুপিংৰ উদ্ভৱ হ'ব। এয়া হ'ব তৃতীয় এক বিশ্বযুদ্ধৰ পূৰ্বলক্ষণ। সেয়ে মোৰ বিশ্বাস যে আজি, বিশ্বৰ উন্নতিৰ দিশে মনোনিৱেশ কৰি এয়া অধিক গুৰুত্বপূৰ্ণ আৰু অত্যাবশ্যকীয় যে আমি এই ধ্বংসৰ হাতৰ পৰা বিশ্বক ৰক্ষাৰ বাবে জৰুৰী ভিত্তিত আমি আমাৰ প্ৰচেষ্টা শক্তিশালী কৰা। মানৱজাতিৰ বাবে আশু প্ৰয়োজন তেওঁলোকৰ সেই একক খোদাক চিনি পোৱা, যি আমাৰ সৃষ্টিকৰ্তা, কিয়নো একমাত্ৰ মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ নিশ্চয়তা দান কৰিব পাৰে নতুবা বিশ্বত ক্ৰমাগত দ্ৰুতগতিত আত্মহননৰ পথত অগ্ৰসৰ হৈ থাকিব। আপুনি আৰু সকলো বিশ্বনেতালৈ মোৰ আবেদন যে বলপ্ৰয়োগেৰে অন্য জাতিক দমনৰ সলনি আপোনালোকে কূটনীতি, সংলাপ আৰু প্ৰজ্ঞাৰ পথক অৱলম্বন কৰক। যুক্তৰাষ্ট্ৰ ন্যায় বিশ্বৰ ডাঙৰ ডাঙৰ শক্তি আজি উচিত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যত নিজ ভূমিকা পালন কৰা। সৰু সৰু দেশৰ কোনো আচৰণক বিশ্বৰ সম্প্ৰীতি বিনষ্ট কৰাৰ কোনো অজুহাত হিচাপে ব্যৱহাৰ

কৰাটো উচিত নহ'ব। বৰ্তমান কেৱল যুক্তৰাষ্ট্ৰ আৰু ডাঙৰ ডাঙৰ শক্তিবোৰ একমাত্ৰ নিউক্লিয়াৰ অস্ত্ৰৰ অধিকাৰী নহয়, বৰঞ্চ আজি তুলনামূলক ভাবে সৰু দেশৰ হাততো এনেধৰণ গণবিধ্বংসী মাৰাণাস্ত্ৰ বিদ্যামান, য'ত যিসকল ক্ষমতাত আছে তেওঁলোকৰ একাংশ এনে যুদ্ধবাজ নেতা যি কোনোধৰণৰ চিন্তা বা বিবেচনাৰে কাম নকৰে। সেয়ে আপোনালোকৰ প্ৰতি মোৰ অনুৰোধ বিশ্বৰ ডাঙৰ-সৰু শক্তিবোৰে যেন তৃতীয় বিশ্বযুদ্ধৰ সূচনা নকৰে তাৰ বাবে আপোনাৰ সৰ্বশক্তি প্ৰয়োগ কৰিব। আমাৰ মনত এই বিষয়ত কোনো সন্দেহৰ অৱকাশ থকা উচিত নহয় যে আমি ইয়াত ব্যৰ্থ হৈ পৰো তেনেহ'লে এনেধৰণৰ যুদ্ধৰ ক্ষয়-ক্ষতি কেৱল এছিয়া, ইউৰোপ আৰু দুই আমেৰিকা মহাদেশৰ দুখীয়া দেশবোৰৰ মাজতে সীমাৱদ্ধ থাকিব, আমাৰ পৰৱৰ্তী প্ৰজন্মই আমাৰ কৰ্মৰ বীভৎস পৰিণতি বহন কৰিব লাগিব আৰু বিশ্বজুৰি প্ৰতিবন্ধী আৰু বিকলাংগ শিশুৰ জন্ম হৈ থাকিব। তেওঁলোকে কোনো দিনে সেই সকল পূৰ্বসূৰীক ক্ষমা নকৰিব যি বিশ্বক সৰ্বগ্ৰাসী বিপৰ্যয়ৰ দিশেলৈ নিছে। কেৱল মাত্ৰ আমাৰ ক্ষুদ্ৰ স্বাৰ্থকলৈ ব্যস্ত নাথাকি আমাৰ পৰৱৰ্তী প্ৰজন্মৰ কথা চিন্তা কৰা উচিত আৰু সিহঁতৰ বাবে এক উজ্বল ভৱিষ্যৎ গঢ়াৰ লক্ষ্যত সংগ্ৰাম কৰা। খোদা তা'লাই আপোনাক আৰু সকলো বিশ্বনেতাক এই বাৰ্তা অনুধাবনৰ সুযোগ দান কৰক

আপোনাৰ শুভ কামনাৰে



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# হাৰামাইন শৰীফাইন (দুই পৱিত্ৰ স্থান)ৰ তত্ত্বাবধায়ক চৌদি আৰৱ ৰাজতন্ত্ৰ বাদশ্বাহলৈ পত্ৰ

Letter to The Custodian of
the Two Holy Places
the King of the kingdom of
Saudi Arabia

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ


MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK


**২৮ মাৰ্চ ২০১২ বৰ্ষ**

হাৰামাইন শৰীফাইন (দুই পৱিত্ৰ স্থান)ৰ তত্বাৱধায়ক
চৌদি আৰৱ ৰাজতন্ত্ৰৰ বাদশ্বাহ
আব্দুল্লাহ বিন আব্দুল আজীম আল চাউদ
ৰিয়াদ, চৌদি আৰৱ

সন্মানিত বাদশ্বাহ আব্দুল্লাহ,

আছছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহে ওৱা বাৰাকাতুহু।

আজি মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপনৰ উদ্দেশ্য আপোনালৈ পত্ৰ লিখি আছো, কিয়নো হাৰামাইন শৰীফাইন (দুই পৱিত্ৰ)ৰ তত্ত্বাধায়ক আৰু চৌদি আৰৱৰ বাদশ্বাহ হিচাপে মুছলিম উম্মাহৰ মাজত আপুনি অতি উচ্চ আসনত অধিষ্ঠিত। লগতে এই কাৰণে যে, ইছলামৰ দুই পৱিত্ৰতম স্থান-মক্কা আল-মুকাৰৰমা আৰু মদিনা আল-মুনাওৱাৰা- যাক ভালপোৱা মুছলমানৰ ঈমান অংশ, আপোনাৰ দেশত অৱস্থিত। এই বিলাক আধ্যাত্মিক উন্নতিৰো কেন্দ্ৰ লগতে মুছলমানৰ বাবে অত্যন্ত সন্মানিত। ইয়াৰ পোহৰত সকলো মুছলমান আৰু সকলো মুছলিম চৰকাৰে আপোনাক মৰ্যাদাৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰে। এই মৰ্যাদা দাৱী কৰে যে, এফালে মুছলিম উম্মাহকক সঠিক ভাবে দিক নিৰ্দেশনা দিয়া আপোনাৰ দায়িত্ব আৰু আনফালে মুছলমান দেশসমূহৰ মাজত পাৰস্পৰিক শান্তি আৰু সৌহাৰ্দৰ এক পৰিৱেশ সৃষ্টিৰ বাবে আপোনালোকে সংগ্ৰাম কৰা উচিত। আপোনালোকে

এই প্ৰয়াসক থকা উচিত যেন মুছলমানৰ মাজত পাৰস্পৰিক ভালপোৱা আৰু সহমৰ্মিতা গঢ়ি উঠে আৰু তেওঁলোকে যেন ইয়াৰ তাৎপৰ্য সম্পৰ্কত আলোকিত হয়।

رُحَمَآءُ بَيۡنَهُمۡ

(অৰ্থাৎ ঃএজনে আনজনৰ সহমৰ্মিতাত)
সৰ্বোপৰি, সমগ্ৰ মানৱজাতিৰ কল্যাণৰ উদ্দেশ্য সম্‌গ্ৰ বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে আপোনাৰ শক্তি প্ৰয়াসী হোৱা উচিত। আহমদীয়া মুছলিম জামা'তৰ প্ৰধান আৰু প্ৰতিশ্ৰুত মছীহ আৰু ইমাম মাহদী (আঃ)ৰ খলিফা হিচাপে মোৰ অনুৰোধ এই যে আহমদীয়া মুছলিম জামা'ত আৰু ইছলামৰ আন আন সম্প্ৰদায়ৰ মাজত পৰস্পৰ মতভেদ বিদ্যমান যদিও বিশ্বশান্তি প্ৰতিষ্ঠাৰ প্ৰয়াসত আমি ঐক্যবদ্ধ হোৱা উচিত। ইছলামৰ প্ৰকৃত শিক্ষা যি ভালপোৱা আৰু শান্তিৰ ওপৰত প্ৰতিষ্ঠিত, এই সম্পৰ্কত বিশ্বক অৱগত কৰাৰ বাবে আমি সৰ্বাত্মক চেষ্টা কৰা উচিত। ইয়াৰ মাধ্যমেৰে পশ্চিমা বিশ্বৰ তথা সমগ্ৰ পৃথিৱীৰ মানুহৰ মনত ইছলাম সম্পৰ্কত যি ভুল ধাৰণাবোৰ একগোট হৈ আছে, সেইবিলাক আঁতৰ কৰিবলৈ আমি সক্ষম হ'ম। কোনো জাতিৰ শত্ৰুতাই আমাক ন্যায়সংগত আচৰণ কৰাৰ পৰা বিৰত ৰখা উচিত নহয়। আল্লাহ তালাই পৱিত্ৰ কোৰাণৰ চুৰা আল-মাইদাৰ 3 নং আয়াতত কৈছে—

وَلَا يَجۡرِمَنَّكُمۡ شَنَاٰنُ قَوۡمٍ اَنۡ صَدُّوۡكُمۡ عَنِ الۡمَسۡجِدِ الۡحَرَامِ اَنۡ
تَعۡتَدُوۡا ۘ وَتَعَاوَنُوۡا عَلَى الۡبِرِّ وَالتَّقۡوٰى ۖ وَلَا تَعَاوَنُوۡا عَلَى الۡاِثۡمِ وَالۡعُدۡوَانِ ۖ
وَاتَّقُوا اللّٰهَ ؕ اِنَّ اللّٰهَ شَدِيۡدُ الۡعِقَابِ ۝٣
[5ঃ3]

'আৰু যি দলে তোমালোকক পৱিত্ৰ মছজিদলৈ যোৱাত বাধা দিছিল সেই দলৰ শত্ৰুতাই যেন তোমালোকক সীমালঙঘন কৰিবলৈ উচটাই নিদিয়ে, আৰু ন্যায়পৰায়ণতা আৰু ধৰ্মপৰায়ণতা আৰু ধৰ্মশীলতাত তোমালোক পৰস্পৰৰ সহায় কৰিবা,কিন্তু পাপ আৰু অন্যায় আচৰণত পৰস্পৰ সহায় নকৰিবা; আৰু আল্লাহৰ ভয় ৰাখি চলিবা; শাস্তি দিয়াত আল্লাহ নিশ্চয় কঠোৰ।

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

এয়া সেই কেন্দ্ৰীয় নীতি যাক আমি সকলো সময়তে মনত ৰাখিব লাগিব যেন ইছলামৰ ইমান সুন্দৰ চিত্ৰ বিশ্বৰ সন্মুখত উপস্থাপনৰ যি দায়িত্ব আমাৰ ওপৰত ন্যস্ত সেয়া আমি সঠিক বাবে পালন কৰিব পাৰো। সমগ্ৰ বিশ্বত মুছলমান সকলৰ হৃদয়ত নিভাঁজ ভালপোৱা আৰু গভীৰ সহানুভূতিৰ পৰাই মই এই ক্ষেত্ৰত আপোনাৰ ভূমিকা ৰখাৰ বাবে আপোনাক আহ্বান জনাইছোঁ।

আজি আমি পৃথিৱীত দেখি থাকো কিছু সংখ্যক ৰাজনীতিবিদ আৰু তথাকথিত পণ্ডিত ব্যক্তিয়ে মহানবী (ছাঃ)ৰ অৱমাননাৰ উদ্দেশ্য চৰিতাৰ্থ কৰাৰ বাবে তেওঁলোকে পৱিত্ৰ কোৰাণৰ শিক্ষাৰ সম্পূৰ্ণ বিকৃত ব্যাখা উপস্থাপনৰ চেষ্টা কৰি আহিছে। তদুপৰি, ফিলিস্তান আৰু ইজৰাইলৰ সংঘাতময় পৰিস্থিতিৰ দিনক দিনে অৱনতি হৈছে আৰু ইজৰাইলৰ আৰু ইৰাণৰ মাজত সহিংসতা এনে উচ্চ পৰ্যায়ত উপনীত হৈছে যে তেওঁলোকৰ সম্পৰ্ক গুৰুতৰ ভাবে বিচ্ছিন্ন হৈছে। এনে পৰিস্থিতিয়ে দাবী কৰে যে মুছলিম উম্মাহৰ গুৰুত্বপূৰ্ণ নেতা হিচাপে আপুনি আৰু বিৰোধীসমূহৰ ন্যায় আৰু সমতাৰ সৈতে নিষ্পতিৰ বা সৰ্বাত্মক প্ৰচেষ্টা গ্ৰহণ কৰিব। ইছলামৰ বিৰুদ্ধে ঘৃণা যেতিয়াই য'ত আত্মপ্ৰকাশ নকৰক কিয় তাক দূৰীকৰণৰ বাবে আহমদীয়া মুছলিম জামাতে সাধ্যানুসৰি সৰ্বোচ্চ চেষ্টা কৰি যাব। কিন্তু যিদিনালৈকে সমগ্ৰ মুছলিম উম্মাহ ঐক্যবদ্ধ হৈ এই বিষয়ত উদ্যোগী নহয় তেন্তে সিমান দিনে শান্তি প্ৰতিষ্ঠা হ'ব নোৱাৰে।

সেয়ে এই বিষয়ত সৰ্বোচ্চ উদ্যোগ গ্ৰহণ কৰিব এয়াই মোৰ অনুৰোধ। যদি পৰিণামত তৃতীয় বিশ্বযুদ্ধ নিৰ্ধাৰিত হয়, তেতিয়াও আমি অন্তত চেষ্টা কৰা উচিত যে তাৰ সূচনা কোনো মুছলিম দেশৰ পৰা নহওঁক। বিশ্বৰ যিকোনো স্থানত অৱস্থিত মুছলমান দেশ বা মুছলিম ব্যক্তিয়ে আজি অথবা ভৱিষ্যতে কেতিয়াও এনে এক বিশ্বজোৰা ধ্বংসযজ্ঞৰ সূত্ৰপাত কৰাৰ দায়িত্ব ল'ব নিবিচাৰিব যাৰ দীৰ্ঘ ম্যাদী ফলাফল হিচাপে পৰৱৰ্তী প্ৰজন্মসমূহ বিকলাংগ আৰু প্ৰতিবন্ধী হৈ জন্ম লাভ কৰিব। কিয়নো আজি যদি বিশ্বযুদ্ধ সূত্ৰপাত হয় সেয়া নিশ্চিত ভাবে নিউক্লিয়াৰ মাৰাণাস্ত্ৰৰ দ্বাৰা সংঘটিত হ'ব। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ দুখন চহৰত যেতিয়া নিউক্লিয়াৰ বোমা নিক্ষেপ কৰা হৈছিল তেতিয়াৰ পাৰমাণৱিক যুদ্ধৰ সৰ্ববিধ্বংসী ভয়াবহতাৰ এটা ৰেঙঁণি মাথো আমি প্ৰত্যক্ষ কৰিছোঁ।

গতিকে, হে চৌদি আৰবৰ বাদশ্বাহ বিশ্বক নিশ্চিহ্ন হোৱাৰ পৰা ৰক্ষা কৰাৰ বাবে আপোনাৰ সৰ্বশক্তি আৰু প্ৰভাৱক নিয়োজিত কৰক। সৰ্বশক্তিমান আল্লাহ তা'লাই সাহাৰ্য আৰু উদ্ধাৰকাৰী শক্তি আপোনাৰ সংগী কৰি দিয়ক, আমীন। আপোনাৰ সমগ্ৰ মুছলিম বিশ্বৰ বাবে দোৱাৰে।

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾

"তুমি আমাক সৰল সুদৃঢ় পথত পৰিচালিত কৰা" (**১:৬**)

ওৱাছছালাম



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# গণপ্ৰজাতন্ত্ৰী চীনৰ ষ্টেট কাউন্সিলাৰ প্ৰিমিয়াৰলৈ পত্ৰ

# Letter to the Premier of the State Council of the People's Republic of China

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

وَاجْعَلْ لِیْ مِنْ لَّدُنْكَ سُلْطٰنًا نَّصِيْرًا
اِنَّا فَتَحْنَا لَكَ فَتْحًا مُّبِيْنًا

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نَحْمَدُہٗ وَ نُصَلِّیْ عَلٰی رَسُوْلِهِ الْكَرِيْمِ
وعلٰی عبدهِ المسیح الموعود
خدا کے فضل اور رحم کے ساتھ
ھوالنّاصــــر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

**৯** এপ্ৰিল **২০১২** বৰ্ষ

হিজ এক্সিলেন্সী
গণপ্ৰজাতন্ত্ৰী চীনৰ ষ্টেট কাউন্সিলৰ প্ৰিমিয়াৰ
মিষ্টাৰৱেন জিয়াবাও
ঝংনানহাই, চীন

প্ৰিয় মহোদয়,

মই এই পত্ৰ আপোনালৈ আহমদীয়া মুছলিম জামাতৰ এজম প্ৰতিনিধিৰ মাৰফত প্ৰেৰণ কৰিছোঁ। তেওঁ আমাৰ ইজৰাইলৰ কাবাবীৰ সম্প্ৰদায়ৰ প্ৰেছিডেণ্ট আৰু চীনত সংখ্যালঘু সম্প্ৰদায় বিষয়ক মন্ত্ৰীৰ আমন্ত্ৰণত চীনলৈ গৈছে। চীনৰ সংখ্যালঘু সম্প্ৰদায়ৰ বিভাগীয় উপমন্ত্ৰীসহ এক চীনা প্ৰতিনিধিৰ দলে কাবাবীয়ে আমাৰ মিছন হাউছ দৰ্শনৰ বাবে আগমনকালত চীনা কৰ্মকৰ্তাৰ লগত পৰিচয় হৈছিল।

আহমদীয়া মুছলিম সম্প্ৰদায়ৰ সেই উদ্দেশ্য যাক দৃঢ়ভাবে বিশ্বাস কৰা হয় যে, সেই মছীহ আৰু সংস্কাৰক, যাক এই যুগত মুছলমানৰ পথ প্ৰদৰ্শনৰ বাবে মাহদী ৰূপত, খ্ৰীষ্টানৰ পথ প্ৰদৰ্শনৰ মছীহ ৰূপে আৰু সমগ্ৰ মানৱজাতিৰ সংশোধনৰ বাবে সংস্কাৰকৰূপে আৰ্বিভূত হোৱাৰ কথা আছিল তেওঁ মহানবী হজৰত মোহাম্মদৰ (ছাঃ)ৰ ভৱিষ্যবাণী অনুযায়ী আগমন ঘটিছে। তেওঁ ভাৰতৰ

কাদিয়ানত জন্মগ্ৰহণ কৰিছে আৰু তেওঁৰ নাম হজৰত মিৰ্জা গোলাম আহমদ (আঃ)। **১৮৮৯** চনত তেওঁ সৰ্বশক্তিমান খোদাতা'লাৰ আদেশত আহমদীয়া মুছলিম জামাতৰ ভেটি স্থাপন কৰে। **১৯০৮** চনত তেওঁ যেতিয়া মৃত্যুবৰণ কৰে, সিমান দিনে লাখ লাখ মানুহে এই জামাতত প্ৰৱেশ কৰে। তেওঁৰ মৃত্যুৰ পিছত পুনৰায় খিলাফত প্ৰতিষ্ঠিত হয়। বৰ্তমান পঞ্চম খলিফাৰ যুগ চলিছে আৰু মই প্ৰতিশ্ৰুত মছীহৰ পঞ্চম খলিফা।

আমাৰ শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ আৰু মৌলিক বিষয় হ'ল যে, এই যুগত ধৰ্ম যুদ্ধৰ অৱসান ঘটিব। তদুপৰি আমি বিশ্বাস কৰো যে কোনো যদি কিবা শিক্ষাৰ প্ৰচাৰ কৰে আৰু প্ৰসাৰত আগ্ৰহী হয়।তেন্তে সেয়া কেৱলমাত্ৰ ভালপোৱা, সৌহাৰ্দ আৰু ভ্ৰাতৃত্ববোধৰ স্পৃহাৰে আৰু এইধৰণৰ পৰিৱেশ হোৱা উচিত তেওঁ যেন শান্তি, বুজাবুজি আৰু সম্প্ৰীতিৰ উৎসত পৰিণত হয়। এই গুৰুত্বপূৰ্ণ দৃষ্টিভংগী যি ইছলামৰ প্ৰকৃত শিক্ষাৰ ভিত্তিত প্ৰতিষ্ঠিত, আহমদীয়া মুছলিম সম্প্ৰদায়ে সমগ্ৰ পৃথিৱীত প্ৰচাৰ আৰু প্ৰসাৰ কৰিছে। আজি বিশ্বৰ দুই শতাধিক দেশত বহু মিলিয়ন অনুগামীৰ মাজত এই সম্প্ৰদায়ে প্ৰসাৰতা লাভ কৰিছে।

মই আপোনাক এই বাৰ্তাটো প্ৰেৰণ কৰিব বিচাৰো যে, বিশ্ব আজি এক অত্যন্ত বিপজ্জনক সময়ৰ মাজেৰে আগবাঢ়িছে। অনুভৱ হয় যে, আমি দ্ৰুতগতিত এখন বিশ্বযুদ্ধৰ দিশে অগ্ৰসৰ হৈছোঁ। আপুনি এক বৃহৎ শক্তিশালী দেশৰ শাসক। এই বিশ্বৰ জনসংখ্যাৰ এক অতি বৃহৎ অংশ আপোনাৰ শাসনাধীনত বসবাস কৰে। ৰাষ্ট্ৰসংঘৰ প্ৰয়োজনৰ সময়ত ভেটো প্ৰদানৰ অধিকাৰও আপোনাৰ আছে। গতিকে এই প্ৰেক্ষাপটত আপোনাৰ ওচৰত মোৰ অনুৰোধ যে ধ্বংস আমাৰ সন্মুখত ওলমি আছে সেয়ে বিশ্বক তাৰ পৰা ৰক্ষাৰ কৰাৰ বাবে আমাৰ সৰ্বশক্তি নিয়োগ কৰা উচিত।

চীনত বিপ্লৱ সংঘটিত হোৱাৰ পিছত বহু উন্নতি আৰু পৰিৱৰ্তন হৈছিল। মাননীয় মাও ছেতুং যি আপোনাৰ জাতিৰ মহান নেতা আছিল, উচ্চ নৈতিকমানৰ ভেটি ৰচনা কৰিছিল, যাক অন্য ভাষাত মানবীয় মূল্যবোধৰ সৰ্বোচ্চ মান হিচাপে বৰ্ণনা কৰিব পৰা যায়। যদিও আপোনালোক খোদাৰ অস্তিত্বত বিশ্বাসী নহয় আৰু আপোনালোকৰ নীতিসমূহ নৈতিকতাৰ ভিত্তিত প্ৰতিষ্ঠিত, মই স্পষ্ট কৰিব বিচাৰো যে আমাৰে খোদা, যি সেই খোদা যাৰ পৰিচয় ইছলাম ধৰ্মই দাঙি

ধৰিছে আৰু সমগ্ৰ মানৱজাতিৰ পথ প্ৰদৰ্শনৰ বাবে পৱিত্ৰ কোৰাণ অৱতীৰ্ণ কৰিছে আৰু কোৰাণত সেইসকলো নৈতিক গুণাৱলীৰ শিক্ষা দিয়া হৈছে যিবিলাক আপোনালোকে অৱলম্বন কৰি থাকে বৰঞ্চ ইয়াৰ বাহিৰেও অধিক অতিৰিক্ত নৈতিক দিকনিদেৰ্শনা ইয়াত সন্নিবিষ্ট হৈ আছে। মানৱ জাতি বৰ্তি থকাৰ মাধ্যম আৰু মানবীয় প্ৰমূল্যবোধৰ প্ৰতিষ্ঠাৰ পদ্ধতি সম্পৰ্কত অনুপম সুন্দৰ শিক্ষাসমূহ ইয়াত আছে। যদি বিশ্বত বিশেষকৈ মুছলিম বিশ্বত কোৰাণৰ শিক্ষাক অৱলম্বন কৰে, তেন্তে তাৰ সকলো সমস্যা আৰু বিৰোধৰ নিষ্পত্তি হ'ব তথা শান্তি আৰু সম্প্ৰীতিৰ পৰিমণ্ডল সৃষ্টি হ'ব।

আজি আহমদীয়া মুছলিম সম্প্ৰদায়ে বিশ্বজুৰি এই লক্ষ্যত অগ্ৰসৰ হোৱাৰ প্ৰয়াসত নিয়োজিত হৈছে। আমাৰ 'শান্তি সন্মিলন'ত আৰু বিভিন্ন বিশিষ্ট শ্ৰেণীৰ তথা সৰ্বস্তৰৰ মানুহৰ মাজৰ পৰা বিভিন্ন গোটৰ লগত আমাৰ যি সভাসমূহ হৈ থাকে, তাত আমি বিশ্বৰ এই অপৰিহাৰ্য লক্ষ্য সম্পৰ্কত স্মৰণ কৰি থাকো। আমাৰ দোৱা এই যে, বিশ্বৰ নেতৃবৃন্দ যেন প্ৰজ্ঞাৰসৈতে আচৰণ কৰে আৰু বিভিন্ন দেশৰ আৰু জাতিৰ মাজত ক্ষুদ্ৰ পৰিসৰত বিদ্যমান পাৰস্পৰিক শত্ৰুতাবোৰ বিস্ফোৰিত হৈ এক বিশ্বজনীন সংঘাতত পৰিণত হোৱাৰ সুযোগ নাইকিয়া কৰা। আপোনাৰ ওচৰতো আমাৰ অনুৰোধ যে বিশ্বত এক বিশাল শক্তি হিচাপে আপোনালোকে বিশ্বত শান্তি প্ৰতিষ্ঠাত আপোনালোকৰ ভূমিকা পালন কৰিব। এখন বিশ্বযুদ্ধৰ ভয়াবহ পৰিণতিৰ পৰা বিশ্বক ৰক্ষা কৰক, কিয়নো যদি এনেধৰণৰ যুদ্ধ সূত্ৰপাত ঘটে তাৰ সমাপ্তি ঘটিব পাৰমাণৱিক অস্ত্ৰৰ মাজেৰে। এয়া খুব সম্ভৱ যে ইয়াৰ ফল স্বৰূপে বিশ্বৰকোনো কোনো দেশৰ বা এলেকাৰ কিছু অংশ ভূ-পৃষ্ঠৰ পৰা নিশ্চিহ্ন হৈ যাব। এখন পাৰমাণৱিক যুদ্ধৰ ক্ষয়-ক্ষতি আৰু প্ৰতিক্ৰিয়া কেৱল তাৰ তৎকালীন ধ্বংসযজ্ঞৰ মাজতেই সীমাৱদ্ধ নাথাকে বৰঞ্চ এক দীৰ্ঘম্যাদী প্ৰভাৱত ভৱিষ্যৎ প্ৰজন্মসমূহ বিকলাংগ বা ত্ৰুটিযুক্ত হৈ জন্ম লাভ কৰিব। অৰ্থাৎ মানৱজাতিক এইধৰণৰ ভীতিপ্ৰদ পৰিণতিৰ পৰা ৰক্ষা কৰাৰ বাবে নিজ সৰ্বশক্তি, যোগ্যতা আৰু সম্পদ ব্যয় কৰক। পৰিণামত এইধৰণৰ কাম আপোনাৰ জাতিৰ বাবে কল্যাণকৰ হ'ব। আমাৰ দোৱা যে বিশ্বৰ সৰু-ডাঙৰ সকলো দেশে এই বাণী অনুধাবন কৰক।

শুভেচ্ছা আৰু দোৱাৰ সৈতে

আপোনাৰ শুভকামনাত,



মির্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# যুক্তৰাজ্যৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ
# Letter to the Prime Minister of The United Kingdom

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

واجعل لى من لدنك سلطنا نصيرا
إنا فتحنا لك فتحا مبينا

بسم الله الرحمن الرحيم
نَحْمَدُهُ وَ نُصَلِّى عَلَى رَسُوْلِهِ الكَرِيْمِ
وعلى عبدهِ المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هوالنّاصـــر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

**১৫** এপ্ৰিল **২০১২** বৰ্ষ

গ্ৰেট ব্ৰিটেইন আৰু উত্তৰ আয়াৰলেণ্ড যুক্তৰাজ্যৰ প্ৰধানমন্ত্ৰী
ৰাইট অনাৰেবল ডেভিড কেমেৰণ
**১০** ডাউনিং ষ্ট্ৰীট, লণ্ডন, যুক্তৰাজ্য
এছ.ডব্লিউ

প্ৰিয় প্ৰধান মন্ত্ৰী মহোদয়,

বিশ্ব বৰ্তমান যি বিপজ্জক আৰু সংকটময় পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিছে ,তাৰ আলোকত আপোনালৈ পত্ৰ লেখাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ যুক্তৰাজ্যৰ প্ৰধানমন্ত্ৰী হিচাপে এনে সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব আপোনাৰ আছে যিবোৰে আপোনাৰ দেশ আৰু বৃহত্তৰ পৰিসৰত সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ ওপৰত প্ৰভাব পেলাব। আজি বিশ্বৰ বাবে শান্তিৰ প্ৰয়োজন অত্যাধিক, কিয়নো বিশ্বজুৰি যুদ্ধ জিলিকনি দেখা গৈছে। বিভিন্ন দেশৰ মাজত ক্ষুদ্ৰপৰিসৰৰ সংঘাতবোৰ আজি বিশ্বজনীন সংঘাতত পৰিণত হোৱাৰ ভাবুকি বহন কৰিছে।
আমি দেখিছো যে আজিৰ বিশ্বৰ অৱস্থা অৰ্থনৈতিক আৰু ৰাজনৈতিক উভয় দিশৰ পৰাই **১৯৩২** চনৰ পৰিস্থিতিৰ লগত অনেক সাদৃশ্য আছে। যিবোৰ একগোট কৰিলে ঠিক সেই চিত্ৰ সন্মুখত ভাহি উঠিব যি দ্বিতীয় বিশ্বযুদ্ধ সূচনালগ্নৰ প্ৰাকক্ষণত বিৰাজ কৰিছিল। যদি এই স্ফুলিংগবোৰ প্ৰকৃত অগ্নিশিখাত পৰিণত হয়, তেন্তে আমি তৃতীয় বিশ্বযুদ্ধৰ ভয়াবহ দৃশ্যাৱলী প্ৰত্যক্ষ কৰিম।

# বিশ্ব সংকট তথা শান্তিৰ পথ

সৰু-ডাঙৰ বহুবোৰ দেশৰ হাতত নিউক্লিয়াৰ অস্ত্ৰ থকাত এনে যুদ্ধত নিঃসন্দেহে পাৰমাণৱিক সমৰাস্ত্ৰ ব্যৱহৃত হ'ব। আজিৰ যিবোৰ সমৰাস্ত্ৰ আছে সেইবিলাক ইমান বিধ্বংসী যে ইয়াৰ ফলত প্ৰজন্মৰ পিছত প্ৰজন্মৰ শিশু মাৰাত্মক জেনেটিক আৰু শাৰীৰিক ত্ৰুটিৰে জন্ম লাভৰ আশংকা আছে। জাপান বিশ্বৰ একক দেশ যি পাৰমাণৱিক যুদ্ধৰ বীভৎস পৰিণাম প্ৰত্যক্ষ কৰিছে যেতিয়া দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত নিউক্লিয়াৰ বোমা তেওঁলোকৰ ওপৰত ব্যৱহৃত হৈছিল আৰু দুখন চহৰ নিশ্চিহ্ন কৰি দিয়া হৈছিল। অথচ সেই সময় যি নিউক্লিয়াৰ বোমা ব্যৱহাৰ কৰা হৈছিল যাৰ ফলত ব্যাপক ধ্বংসযজ্ঞ সংঘটিত হৈছিল সেইবোৰতকৈ আজি কোনো সৰু দেশৰ হাতত থকা পাৰমাণৱিক অস্ত্ৰতকৈ বহু কম শক্তিশালী আছিল। গতিকে এয়া বৃহৎ শক্তিবোৰৰ দায়িত্ব যে একগোটহৈ আলোচনাত বহি মানৱতাক ধ্বংসৰ কৱলৰ পৰা উদ্ধাৰৰ উপায় অৱলম্বন কৰা।

যি বিষয়ত বহু ভীতিৰ সঞ্চাৰ কৰে তাৰ এই বাস্তৱতা যে, সৰু সৰু দেশৰ হাতত যিবোৰ নিউক্লিয়াৰ সমাৰাস্ত্ৰ আছে সেয়া সেইসকল যুদ্ধবাজ লোকৰ হাত গৈ পৰিব পাৰে যি নিজৰ কামৰ পৰিণতিৰ সম্পৰ্কত কোনো চিন্তা কৰিবলৈ সক্ষম নহয় বা এই বিষয় কোনো শংকা নকৰে। যদি ডাঙৰ ডাঙৰ শক্তিবোৰে ন্যায়ৰ সৈতে আচৰণ নকৰে আৰু ক্ষুদ্ৰতৰ দেশবোৰৰ অভিযোগ-অস্থিৰতাৰ নিৰসন নকৰে, তেনেহ'লে এই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গতি কৰিব আৰু পৰৱৰ্তী যি ধ্বংসযজ্ঞ আহিব সেয়া আমাৰ অনুমান আৰু কল্পনাৰ অগোচৰ হ'ব। আননালাগে বিশ্বৰ সংখ্যাগৰিষ্ঠ লোক, যি শক্তিশালী, তেওঁলোকেও ধ্বংসযজ্ঞৰ দ্বাৰা পৰিবেষ্টিত হৈ পৰিব।

সেয়ে, এয়া মোৰ আন্তৰিক কামনা আৰু দোৱা যে আপুনি আৰু বিশ্বৰ সকলো ডাঙৰ দেশৰ নেতৃবৃন্দ এই ভীতিপ্ৰদ বাস্তৱতাক অনুধাৱন কৰিব আৰু এই বাবে আগ্ৰাসী নীতি অৱলম্বন আৰু বল প্ৰয়োগত নিজ লক্ষ্য আৰু উদ্দেশ্য সিদ্ধিৰ পৰিৱৰ্তে আপোনালোকে এনে নীতিসমূহ অৱলম্বনৰ অপ্ৰাণ চেষ্টা কৰক যি ন্যায়ৰ প্ৰসাৰ আৰু স্থায়িত্ব নিশ্চিত কৰিব। যদি আমি ওচৰৰ অতীতৰ দিশে চকু দিওঁ ব্ৰিটেনে বহু দেশৰ ওপৰত শাসন কৰিছিল ,ন্যায় আৰু ধৰ্মীয় স্বাধীনতাৰ উচ্চ মান স্থাপন কৰিছে, বিশেষকৈ পাক-ভাৰত উপমহাদেশত।

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

যেতিয়া আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতাই মহামান্য ৰাণী ভিক্টোৰিয়াক তেওঁৰ হীৰক জয়ন্তীত অভিনন্দন বাৰ্তা পঠিয়াইছিল আৰু তেওঁক ইছলামৰ দাৱাত দিয়া হৈছিল, তেওঁ বিশেষকৈ দোৱা কৰিছিল যেন বিট্ৰিছ চৰকাৰক ন্যায় আৰু সমতাৰে শাসনৰ কাৰণে উদাৰ হ'বলৈ পুৰস্কৃত কৰে। তেওঁ ব্ৰিটিছ চৰকাৰক ন্যায়-নীতি আৰু ধৰ্মীয় স্বাধীনতাৰ মূলনীতিৰ বাবে ভূয়সী প্ৰশংসা কৰিছিল। আজিৰ পৃথিৱীত উপমহাদেশৰ ওপৰত ব্ৰিটিছ চৰকাৰৰ শাসন নাই কিন্তু ধৰ্মীয় স্বাধীনতাৰ মূলনীতি এতিয়াও ব্ৰিটিছ সমাজ আৰু আইনত গভীৰ ভাবে প্ৰোথিত, যাৰ মাধ্যমেৰে যাৰ মাধ্যমত ইয়াত প্ৰত্যেক ব্যক্তিক ধৰ্মীয় স্বাধীনতা আৰু সমান অধিকাৰ প্ৰদান কৰা হয়। এই বছৰ মহামাণ্য ৰাণী দ্বিতীয় এলিজাবেথৰ হীৰক জয়ন্তী উদ্‌যাপিত হৈছে, যাৰ ফলত বিশ্বৰ সন্মুখত ব্ৰিটেনৰ ন্যায়-নীতি আৰু সততাৰ মান উপস্থাপনৰ এক সুযোগ ব্ৰিটেইনে লাভ কৰিছে। আহমদীয়া মুছলিম সম্প্ৰদায়ৰ ইতিহাসে সাক্ষ্য দিয়ে যে আমি সকলো সময়তে এই ন্যায়-নীতিক কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ যেতিয়াই ব্ৰিটেইনে তাক প্ৰদৰ্শন কৰিছে আৰু আমাৰ প্ৰত্যাশা এই যে ভৱিষ্যতেও ব্ৰিটিছ চৰকাৰৰ মৌলিক চৰিত্ৰৰ লগত ন্যায়-নীতি সকলো সময়তে অটুট থাকিব। কেৱল ধৰ্মীয় ক্ষেত্ৰত নহয় বৰঞ্চ সকলো ক্ষেত্ৰত আপুনি আপোনাৰ জাতিৰ অতীত গুণাৱলী কেতিয়াও পাহৰি নাযাব আৰু বৰ্তমান বিশ্বৰ পৰিস্থিতিত বিশ্বজুৰি শান্তি প্ৰতিষ্ঠাত ব্ৰিটেনে নিজৰ ভূমিকা পালন কৰিব।

এটাই মোৰ অনুৰোধ যে, প্ৰত্যেক স্তৰত আৰু প্ৰত্যেক আংগিকত আমি ঘৃণাৰ জুইক নিৰ্বাপিত কৰাৰ সৰ্বোচ্চ প্ৰয়াস ল'ব লগা হয়। কেৱল মাত্ৰ যদি আমাৰ এই চেষ্টাত সফল হ'ব পাৰো তেন্তে আমি অনাগত প্ৰজন্মসমূহৰ বাবে উজ্বলতাৰ ভৱিষ্যতৰ নিশ্চয়তা দিব পাৰো। কিন্তু যদি এই কামত ব্যৰ্থ হৈ পৰো, তেন্তে আমাৰ মনত কোনো সন্দেহ থকাৰ অৱকাশ নাই যে নিউক্লিয়াৰ যুদ্ধৰ কাৰণে সৰ্বত্ৰ আমাৰ পৰৱৰ্তী প্ৰজন্মসমূহে আমাৰ কৰ্মৰ ভয়াবহ পৰিণাম বহন কৰিব লাগিব আৰু পৃথিৱীক এক বিশ্বজনীন বিপৰ্যয়লৈ নিয়াৰ বাবে তেওঁলোকে কেতিয়াও অগ্ৰজসকলক ক্ষমা নকৰিব। মই লগতে স্মৰণ কৰিছোঁ বিট্ৰেইন সেইখন দেশৰ অন্যতম যি উন্নত আৰু উন্নয়নশীল বিশ্বত প্ৰভাৱ ৰাখিব পাৰে আৰু ৰাখি আহিছে। সেয়ে ব্ৰিটেইন আৰু অন্যান্য বৃহৎ শক্তিৰ উচিত বিশ্ব শান্তি প্ৰতিষ্ঠাৰ ভূমিকা গ্ৰহণ কৰা । সৰ্বশক্তিমান খোদাই আপোনালোকক

আৰু আন আন বিশ্ব নেতৃবৃন্দক এই বাৰ্তা অনুধাবনৰ সুযোগ দান কৰক।

শুভেচ্ছা আৰু দোৱাৰে

আপোনাৰ শুভকামনাত



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# জাৰ্মানীৰ চেন্সেলৰলৈ পত্ৰ
# Letter to The Chancellor of Germany

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نحمده و نصلی علی رسوله الکریم
وعلی عبده المسیح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

১৫ মাৰ্চ ২০১২বৰ্ষ

হাৰ এক্সিলেন্সী
জাৰ্মানীৰ চেন্সেলৰ
এনেজেলা মাৰ্কেল
বুডেছকানছজলেৰামট
উইলি-ব্ৰাণ্ডট- এছটি আৰ-১
১০৫৫৭বাৰ্লিন
চেন্সেলৰ মহোদয়,

বিশ্বৰ উদীয়মান আৰু অত্যন্ত উদ্বেগজনক পৰিস্থিতিৰ আলোকত মই অনুভৱ কৰিছোঁ যে আপোনালৈ পত্ৰ লিখাটো প্ৰয়োজন। বিশ্বৰ উল্লেখযোগ্য ক্ষমতা আৰু প্ৰভাৱৰ অধিকাৰী এখন দেশ জাৰ্মানীৰ চেন্সেলৰ হিচাপে এনে সিদ্ধান্তবোৰ লোৱাৰ কৰ্তৃত্ব আপোনাৰ আছে যিবোৰ আপোনাৰ দেশ আৰু বিস্তৃত পৰিসৰত সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ ওপৰত প্ৰভাৱ পেলাব। আজি যেতিয়া বিশ্ব বিভিন্ন গোটত বিভক্ত হৈ পৰিছে, চৰমপন্থা বাঢ়ি গৈছে আৰু আৰ্থিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতিৰ ক্ৰমান্বয়ে অৱনতি ঘটিছে, সেয়ে অতি প্ৰয়োজন সকলো প্ৰকাৰৰ বিদ্বেষ নিৰ্মূল কৰি শান্তিৰ ভেটি ৰচনা কৰা। এয়া মাথো তেতিয়াই সম্ভৱ যেতিয়া এটা এটাকৈ প্ৰত্যেকৰে প্ৰতিটো আবেগ-অনুভূতিৰ প্ৰতি সন্মান জ্ঞাপন কৰা হ'ব। আনহাতে, যিহেতু এক যথাযথ ভাবে সততাৰ আৰু সদিচ্ছাৰ

লগত বাস্তবায়িত হোৱা নাই, সেয়ে বিশ্বৰ পৰিস্থিতি দ্রুত নিয়ন্ত্রণৰ বাহিৰলৈ গৈছে। আমি দেখিছো যে অধিকাংশ দেশে ন্যায়ৰ দাৱীক পূৰণ কৰা নাই আৰু ইয়াৰ ফলত আনএখন বিশ্বযুদ্ধৰ পটভূমি ৰচনা হৈছে। অগণিত সৰু-ডাঙৰ দেশ আজি নিউক্লিয়াৰ শক্তিৰ অধিকাৰী। সেয়ে যদি তৃতীয় বিশ্বযুদ্ধ আৰম্ভ হয় গতিকে সম্ভাৱনা অতি বেছি যে সেয়া সনাতন অস্ত্রৰ দ্বাৰা সংঘটিত নহ'ব বৰঞ্চ পাৰমাণৱিক অস্ত্রৰ তাত ব্যৱহৃত হ'ব। এখন নিউক্লিয়াৰ যুদ্ধত যি ধ্বংসযজ্ঞ সাধিত হ'ব সেয়া হ'ব অত্যন্ত ভয়াবহ আৰু ইয়াৰ প্ৰভাৱ কেৱল সেই মূহূৰ্তৰ ধ্বংসলীলাতে সীমাৱদ্ধ নাথাকে বৰঞ্চ পৰৱৰ্তী প্ৰজন্মসমূহ আৰু দীৰ্ঘম্যাদী কুফল ভোগ কৰিব তথা গুৰুতৰ শাৰিৰীক, জেনেটিক ক্রুটিলৈ শিশুৱে জন্ম লাভ কৰিব।

সেয়ে মোৰ বিশ্বাস যে বিশ্ব শান্তি প্ৰতিষ্ঠা কৰিব বিচাৰিলে, প্ৰকৃত ন্যায় প্ৰতিষ্ঠা কৰা প্ৰয়োজন, লগতে সকলো মানুহৰ অনুভূতি আৰু ধৰ্মীয় আচাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা উচিত। মই স্বীকাৰ কৰো যে বহু পশ্চিমা দেশে অনুগ্ৰহ কৰি তেওঁলোকৰ নিজ নিজ দেশত দুখীয়া আৰু অনুন্নত দেশৰ মানুহৰ স্থায়ী বসবাসৰ অনুমতি দিছে আৰু তেওঁলোকৰ মাজত মুছলমানসকলো আছে। সন্দেহ নাই যে, সংখ্যালঘু কিছু তথাকথিত মুছলমান আছে যি অত্যন্ত অসংগত আচৰণ কৰি আছে আৰু সি পশ্চিমা জাতিসমূহৰ মানুহৰ মনত অনাস্থাৰ জন্ম দিয়ে। কিন্তু এটা কথা স্পষ্ট হোৱা উচিত যে তেওঁলোকৰ আচৰণৰ লগত ইছলামৰ সামান্যতমও সম্পৰ্ক নাই। একেদৰে চৰমপন্থীসকলে প্ৰকৃত অৰ্থত সেই মহানবী (ছাঃ)ক ভালপোৱা নাই যি পৃথিৱীত শান্তি, সম্প্ৰীতি আৰু বুজাবুজিৰ বাণী কঢ়িয়াই আনিছিল। অৱশ্যে মুষ্টিমেয় কিছু বিভ্ৰান্ত লোকৰ আচৰণক আমাৰ ধৰ্মৰ প্ৰতি আপত্তি উত্থাপনৰ আৰু সংখ্যাগৰিষ্ঠৰ আন্তৰিক আৰু নিৰ্দোষ মুছলমানসকলৰ অনুভূতিত আঘাত দিয়াৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। কোনো সমাজত শান্তি এটা দ্বিমুখী প্ৰক্ৰিয়া বা ইয়াক তেতিয়াই প্ৰতিষ্ঠা কৰা সম্ভৱ যেতিয়া সকলো পক্ষ সমবেত ভাবে পাৰস্পাৰিক বুজাবুজিৰ লক্ষ্যত কাম কৰে। কিন্তু, পশ্চিমা সমাজৰ মানুহৰ অন্তৰত বিদ্যমান অনাস্থাৰ কাৰণে জাতিয়ে জাতিক আৰু মানুহে মানুহক সম্পৰ্ক উন্নতিৰ পৰিৱৰ্তে কিমান অমুছলিমৰ প্ৰতিক্ৰিয়াত দিনক দিনে অৱনতি হৈছে আৰু সেয়ে মুছলিম আৰু অমুছলিম বিশ্বৰ মাজত দূৰত্ব বৃদ্ধিৰ কাৰণে হৈছে।

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

মই লক্ষ্য কৰিছোঁ যে কিছুমান মুছলমান গোষ্ঠীৰ বিভ্ৰান্ত আচৰণৰ অজুহাতত সততা আৰু ন্যায়ৰ পৰিৱৰ্তে কিছু কিছু বৃহৎ শক্তিৰ নিজস্ব স্বাৰ্থোদ্ধাৰতাক প্ৰাধান্য দিয়া হয়। বিশ্বৰ শক্তিশালী দেশবোৰৰ কোনো কোনোৱে বিশেষ কিছু দেশৰ অৰ্থ আৰু সম্পদত নিজৰ সহজ প্ৰৱেশাধিকাৰ বজাই ৰাখিবলৈ আৰু তেওঁলোকৰ প্ৰতিদ্বন্দ্বী দেশসমূহে যেন সেই একেদৰে সম্পদৰ পূৰ্ণ প্ৰৱেশাধিকাৰ লাভ নকৰে তাক নিশ্চিত কৰাত আগ্ৰহী। ইয়াৰ বাবে যি সিদ্ধান্ত লোৱা বহু সময়ত ইয়াৰ বাবেই বিশ্বশান্তি প্ৰতিষ্ঠা বা মানুহক সহায় নকৰে। আনএটা ডাঙৰ বিষয় যি বিশ্বৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ অন্তৰালত কাম কৰিছে সেয়া হ'ল চলিত অৰ্থনৈতিক সংকট যি আমাক আনএখন বিশ্বযুদ্ধৰ দিশে আগবঢ়াই দিছে। যদি সততা প্ৰদৰ্শন কৰা হ'লহেঁতেন তেনেহলে এই দেশবিলাকৰ কোনো এক ন্যায়সংগত বুজাবুজিৰ ভিত্তিত যথাযথ শিল্প আৰু অৰ্থনৈতিক সম্পৰ্ক প্ৰতিষ্ঠাৰ মাধ্যমে এটা আনটোৰ ওচৰ চাপি ন্যায়সংগত ভাবে উপকৃত হ'ব পাৰিলেহেঁতেন। তেওঁলোকে আনৰ সম্পদত অন্যায় ভাবে নিজ অধিকাৰ প্ৰতিষ্ঠাৰ চেষ্টা নকৰিলেহেঁতেন বৰঞ্চ একেলগে বহি পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত এটাই আনটোক সহায় কৰাৰ চেষ্টা কৰিলেহেঁতেন। সংক্ষেপত ক'বলৈ গ'লে বিশ্বত বিদ্যমান বিশৃংখলাৰ মূলতে এটা সাৰ্বজনীন কাৰণ আছে, সেয়া হ'ল ন্যায়ৰ সম্পূৰ্ণ অনুপস্থিতি যি ব্যাপক অস্থিৰতা আৰু ক্ষোভৰ সঞ্চাৰ কৰিছে।

সেয়ে মোৰ অনুৰোধ এখন বিশ্বযুদ্ধ সূচনাৰ পৰা ৰক্ষাৰ বাবে আপোনালোকে আপোনালোকৰ সৰ্বোচ্চ প্ৰচেষ্টা পৰিচালিত কৰিব। সন্মুখত উপস্থিত ভয়াবহ ধ্বংসযজ্ঞৰ পৰা বিশ্বক বচাবলৈ সমস্ত শক্তি, সম্পদ আৰু প্ৰভাৱক নিয়োজিত কৰক। বিভিন্ন প্ৰতিবেদনৰ সংবাদ অনুসৰি জাৰ্মানীয়ে ইজৰাইলক তিনিখন আধুনিক চাবমেৰিণ প্ৰদান কৰিব যিবোৰ নিউক্লিয়াৰ অস্ত্ৰেৰে সজ্জিত হ'ব পাৰে। এজন জাৰ্মান অধ্যাপকে কৈছে যে এনেধৰণৰ সিদ্ধান্তই ইজৰাইলৰ আৰু ইৰাণৰ মাজত বিদ্যমান উত্তেজনাকেই কেৱল বৃদ্ধি কৰিব। আমি মনত ৰাখিব লাগিব যে কেৱল বিশ্বৰ ডাঙৰ শক্তিবোৰে নিউক্লিয়াৰ অস্ত্ৰৰ অধিকাৰী নহয়, তুলনামূলক ভাবে সৰু বহুদেশৰ হাততো আজি পাৰমাণৱিক অস্ত্ৰ বিদ্যমান। যি অধিক উদ্বেগজনক সেয়া এই যে, এইবিলাক সৰু সৰু দেশৰ কোনো কোনো নেতা যুদ্ধবাজ আৰু ব্যৱহৃত এনেধৰণৰ অস্ত্ৰ ব্যৱহাৰৰ পৰিণতি

সম্পৰ্কত বেপৰোৱা। গতিকে পুনৰ এটাই আপোনালোকৰ ওচৰত মোৰ বিনীত অনুৰোধ যে বিশ্বশান্তি প্ৰতিষ্ঠাৰত আপোনালোক সৰ্বোচ্চ প্ৰয়াস গ্ৰহণ কৰিব। যদি আমি ইয়াত ব্যৰ্থ হে পৰো কোনো সন্দেহ নাই যে এক নিউক্লিয়াৰ সংঘাতৰ ফলত ব্যাপক ধ্বংস সাধিত হ'ব, ফলস্বৰূপে প্ৰজন্মৰ পিছত প্ৰজন্ম ত্ৰুটিয়ে জন্মগ্ৰহণ কৰিব, যি কেতিয়াও এনেধৰণৰ বিশ্বজনীন দুৰ্ভোগৰ দিশে নিয়াৰ বাবে তেওঁলোকৰ পূৰ্বসূৰীসকলক ক্ষমা নকৰিব। সৰ্বশক্তিমান খোদাই আপোনাক আৰু সকলো বিশ্বৰ নেতৃবৃন্দক এই বাৰ্তা অনুধাবনৰ সুযোগ দান কৰক।

শুভেচ্ছা আৰু দোৱাৰে
আপোনাৰ শুকামনাৰে



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# ফৰাচী প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ

# Letter to The President of the French Republic

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ


واجعل لي من لدنك سلطانا نصيرا
انا فتحنا لك فتحا مبينا

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هوالناصر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK


১৬মে ২০১২ বৰ্ষ

ফৰাচী প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি
হিজ এক্সিলেন্সী ফ্ৰাছোৱা আলান্দে
পেলেইজ দ্যা 1এলিছী
৫৫ ৰূ দু ফাৰবুৰ্ঘ ছত-অনৰে
৭৫০০৮ পেৰিছ, ফ্ৰান্স

ৰাষ্ট্ৰপতি মহোদয়,

প্ৰথমতে ফ্ৰান্সৰ নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাত মই আপোনাক এই সুযোগতে অভিনন্দন জ্ঞাপন কৰিছোঁ। এয়া নিঃসন্দেহ এটা বিশাল দায়িত্ব যি আপোনাৰ ওপৰত অৰ্পিত হৈছে, সেয়ে মই আশা কৰোঁ আৰু দোৱা কৰিছোঁ যেন ফ্ৰান্সৰ জনগণৰ লগতে সমগ্ৰ পৃথিৱী যেন আপোনাৰ নেতৃত্ব কল্যাণমণ্ডিত হয়। বিশ্বত দ্ৰুত অৱনতিশীল পৰিস্থিতিৰ আলোকত, মই সম্প্ৰতি আপোনাৰ পূব'’সূৰী ৰাষ্ট্ৰপতি নিকোলাছ চাৰ্কোষিলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিলোঁ। সেই পত্ৰত মই ৰাষ্ট্ৰপতি চাৰ্কোষিক এজন বিশ্বনেতা হিচাপে ন্যায়ক সন্মুখত ৰাখি আগবঢ়াৰ ক্ষেত্ৰত তেওঁৰ দায়িত্বৰ কথা মনত পেলাই দিছিলোঁ আৰু তেওঁক অনুৰোধ কৰিছিলোঁ যেন এখন বিশ্বযুদ্ধৰ সম্ভাৱনাক প্ৰতিহত কৰি তেওঁ যেন সমস্ত শক্তি আৰু প্ৰভাৱক নিয়োজিত কৰে। মই অনুভৱ কৰিছোঁ যে ফ্ৰান্সৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি হিচাপে আপোনাক মোৰ এই সংবাদ জনোৱাৰ প্ৰয়োজন, কিয়নো

# বিশ্ব সংকট তথা শান্তিৰ পথ

বৰ্তমান এনে সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব আপোনাৰ হাতত অৰ্পিত হৈছে যিবোৰে আপোনাৰ দেশ আৰু বৃহত্তৰ পৰিসৰত সমগ্ৰ বিশ্বৰ ওপৰত প্ৰভাব পেলাব। মই বিশ্বাস কৰো যে, বিশ্বৰ চৰকাৰসমূহ বৰ্তমান বিশ্বৰ পৰিস্থিতিকলৈ চৰমভাবে উদ্বিগ্ন হোৱা উচিত। জাতিসমূহৰ মাজত অন্যায়-অবিচাৰ আৰু সংঘাতসমূহৰ পৰিসৰ বাঢ়ি বাঢ়ি এক বিশ্বজনীন সংঘাতত উপনীত হোৱাৰ উপক্ৰম হৈছে। বিগত শতাব্দীত দুখন বিশ্বযুদ্ধ সংঘটিত হৈছে। প্ৰথম বিশ্বযুদ্ধৰ পিছত 'লীগ অৱ নেছনছ' প্ৰতিষ্ঠিত হৈছিল, কিন্তু ন্যায়ৰ দাবীক পূৰ্ণ নকৰাত, তাৰ ফলস্বৰূপে দ্বিতীয় বিশ্বযুদ্ধৰ সূত্ৰপাত হয়, যাৰ পৰিণতি আছিল আণৱিক বোমাৰ ব্যৱহাৰ। পৰৱৰ্তীত মানৱাধিকাৰ সংৰক্ষণ আৰু বিশ্ব শান্তিৰ ৰক্ষাৰ উদ্দেশ্য ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা হয়। গতিকে যুদ্ধসমূহ এৰাই চলাৰ বাবে বিভিন্ন উদ্যোগ গ্ৰহণ কৰা হৈছে তথাপি আজি আমি দেখিছো এখন তৃতীয় বিশ্বযুদ্ধৰ ভেটি ইতিমধ্যে ৰচনা হৈছে। সৰু-ডাঙৰ উল্লেখযোগ্য সংখ্যক দেশ আজি আণৱিক বোমাৰ অধিকাৰী। যি উদ্বেগজনক সেয়া এই যে নিউক্লিয়াৰ অস্ত্ৰ অধিকাৰী কোনো কোনো ক্ষুদ্ৰতৰ শক্তি এনে অস্ত্ৰৰ ব্যৱহাৰৰ ভয়াবহ পৰিণতি সম্পৰ্কত অজ্ঞ আৰু দায়িত্বহীন। এয়া অবান্তৰ নহয় যে যদি নিউক্লিয়াৰ অস্ত্ৰৰ ব্যৱহাৰ হয়, তেতিয়া ইয়াৰ ভয়াবহ ফলাফল তৎক্ষণাৎ প্ৰকাশ হ'ব আৰু সেই দিনাখন হ'ব কেয়ামত সদৃশ। যি অস্ত্ৰ আজি বিদ্যমান সেইবোৰ ইমান ব্যাপক বিধ্বংসী যে ইয়াৰ ফলস্বৰূপে শিশুবোৰ প্ৰজন্মৰ পিছত প্ৰজন্ম মাৰাত্মক জেনেটিক বা শাৰিৰীক ত্ৰুটিলৈ জন্ম গ্ৰহণ কৰিব পাৰে। উল্লেখ কৰা হৈছে যে সেই একক দেশ যি আণৱিক যুদ্ধৰ ভয়াবহ ধ্বংসযজ্ঞ প্ৰত্যক্ষ কৰিছে, সেয়া জাপানে, যদিও সাতটা দশক অতিবাহিত কৰিছে নৱজাত শিশুৰ মাজত ইয়াৰ কুপ্ৰভাৱ আজিও পৰিলক্ষিত হয়।

সেয়ে মোৰ এটি বিনীত অনুৰোধ যে মুছলিম আৰু অমুছলিম বিশ্বৰ মাজত বিদ্যমান শত্ৰুতা আৰু অনাস্থাক নিৰ্বাপিত কৰাত আপুনি আপোনাৰ সৰ্বোচ্চ প্ৰয়াস অৱলম্বন কৰক। ইছলামৰ শিক্ষাসমূহ আৰু ৰীতি-নীতি য়ে কোনো কোনো ইউৰোপীয় দেশে উল্লেখযোগ্য আপত্তি প্ৰদৰ্শন কৰে আৰু ইয়াৰ ওপৰত বিধি-নিষেধ আৰোপ কৰা হৈছে লগতে অন্যান্য সকলে এনেধৰণৰ কিবা এটা কৰাৰ কথা বিবেচনা কৰি আছে। কিছু কিছু চৰমপন্থী মুছলিমৰ মনত ইতিমধ্যে

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

পাশ্চত্যৰ প্ৰতি যি বিদ্বেষ আছে সেই বিলাকে তেওঁলোকক এই ধৰণৰ পদক্ষেপৰ প্ৰতিক্ৰিয়াত অসংযত আচৰণ কৰাৰ পথলৈ নিব পাৰে, যাৰ ফলশ্ৰুতিত ধৰ্মীয় অসহিষ্ণুতা আৰু বিৰোধিতাই অধিক বৃদ্ধি লাভ কৰিছে। অথচ ইছলাম এটা শান্তিপূৰ্ণ ধৰ্ম যি আমাক অন্যায় প্ৰতিৰোধটো অন্যায়ৰ পথ অৱলম্বনৰ শিক্ষা নিদিয়ে। আমি, আহমদীয়া মুছলিম সম্প্ৰদায়, এই নীতি অৱলম্বন কৰো বা আমাৰ সকলো বিষয়ৰ শান্তিপূৰ্ণ সমাধান বিশ্বাস কৰো।

দুঃখজনক ভাবে, মই লক্ষ্য কৰিছোঁ যে মুছলিম সম্প্ৰদায়ৰ এক সংখ্যালঘু অংশই ইছলামৰ এক সম্পূৰ্ণ বিকৃত চিত্ৰ উপস্থাপন কৰে আৰু তেওঁলোকে বিভ্ৰান্ত বিশ্বাসৰ অনুসৰণৰ আচৰণ কৰি থাকে। 'সমগ্ৰ মানৱতাৰ বাবেই ৰহমত(দয়া)' মহানবী হজৰত মোহাম্মদ (ছাঃ) ৰ ভাল পোৱাৰ স্বাৰ্থত মই ক'ব বিচাৰো যে, এইবিলাকক প্ৰকৃত ইছলাম বুলি বিশ্বাস নকৰিব আৰু এনেধৰণৰ বিভ্ৰান্ত আচৰণক সংখ্যা গুৰু শান্তিপূৰ্ণ মুছলমানৰ অনুভূতিত আঘাত হনাৰ অনুজ্ঞাপত্ৰ হিচাপে ব্যৱহাৰ নকৰিব। সম্প্ৰতি এক নিৰ্দয় পাষাণ ব্যক্তিয়ে ফ্ৰান্সত বিনা কাৰণত কেইবাজনো ফৰাচী সৈনিকক গুলি কৰি হত্যা কৰে আৰু ইয়াৰ কিছুদিন পিছত বিদ্যালয়ত প্ৰৱেশ কৰি তিনিটা নিষ্পাপ ইহুদী শিশুক আৰু তেওঁলোকৰ এজন শিক্ষকক হত্যা কৰে। এইধৰণৰ নৃশংসতা আন মুছলিম দেশবোৰত নিয়মিত সংঘটিত হৈছে আৰু এইবিলাক ঘটনাই ইছলামৰ বিৰোধীসকলক তেওঁলোকৰ বিদ্বেষ প্ৰকাশৰ সুযোগ দিছে আৰু বৃহত্তৰ পৰিসৰত তেওঁলোকৰ উদ্দেশ্য পৰিতাৰ্থ কৰাৰ বাবে এক অজুহাত প্ৰদান কৰিছে। এজন মুছলমান হিচাপে মই ইয়াক স্পষ্ট কৰিব বিচাৰো যে ইছলাম কোনো প্ৰকাৰে, কোনোধৰণৰ নিষ্ঠুৰতা আৰু নিপীড়নৰ কোনো অনুমতি নিদিয়ে। পৱিত্ৰ কোৰাণত বিনা কাৰণত এজন নিৰীহ ব্যক্তিক হত্যা কৰা সমগ্ৰ মানৱজাতিক হত্যা কৰা সমতুল্য বুলি গণ্য কৰিছে। এয়া এনে নিৰ্দেশ যি পূৰ্ণাংগ আৰু ইয়াৰ মাজত কোনো ব্যতিক্ৰম নাই। কোৰাণত আৰু কোৱা হৈছে যে যদি কোনো দেশ বা জাতিয়ে তোমাৰ লগত শত্ৰুতা পোষণ কৰে তথাপিও তেওঁলোকৰ লগত পৰিপূৰ্ণ ন্যায়সংগত আচৰণ কৰাৰ পৰা তোমালোক বিৰত নাথাকিবা। শত্ৰুতা আৰু বিৰোধে তোমালোকক প্ৰতিশোধপৰায়ণ প্ৰতিক্ৰিয়া প্ৰকাশৰ পথত যেন অগ্ৰসৰ নকৰে। যদি তুমি বিৰোধসমূহৰ সৰ্বোত্তম সমাধান কামনা কৰা গতিকে বন্ধুত্বপূৰ্ণ সমাধান বিচাৰিবলৈ প্ৰয়াসী হোৱা। মই এই বিষয়টোত

কৃতজ্ঞতাৰে অনুভৱ কৰো যে অনেক পশ্চিমা দেশে দুখীয়া বা স্বল্পোন্নত দেশসমূহৰ মানুহক তেওঁলোকৰ দেশত বসতি স্থাপনৰ সদয়ে অনুমতি প্ৰদান কৰিছে, যিসকলৰ মাজত মুছলমানো অন্তৰ্ভুক্ত। নিশ্চিত ভাবেই আপোনালোকৰ দেশতো অনেক মুছলমান বাস কৰে আৰু তেওঁলোক আপোনালোকৰ নাগৰিক হয়। এনেধৰণৰ অধিকাংশই আইনৰ প্ৰতি অনুগত আৰু আন্তৰিক। তদুপৰি, ইছলামে স্পষ্ট ঘোষণা কৰে যে দেশপ্ৰেম ঈমানৰ অংগ। আহমদীয়া মুছলিম সম্প্ৰদায়ে বিশ্বত এই নীতি অৱলম্বন কৰি ইছলামীক শিক্ষাক প্ৰচাৰ-প্ৰসাৰ কৰি আহিছে। আপোনালোকৰ প্ৰতিও আমাৰ বাণী এটাই যে যদি ইছলামৰ এই প্ৰকৃত শিক্ষাক সৰ্বত্ৰে বিয়পাব বিচাৰে, তেন্তে প্ৰত্যেকে নিজ দেশৰ প্ৰতি ভালপোৱা আৰু শান্তি প্ৰতিষ্ঠাৰ দায়িত্ব, বিশ্বৰ দেশে দেশে দৃঢ়ভাবে প্ৰতিষ্ঠিত কৰিব। আপোনালোকৰ প্ৰতি তথা সকলো বিশ্বনেতাৰ প্ৰতি মোৰ বিনীত অনুৰোধ এয়া যে অন্যান্য দেশক বলপ্ৰয়োগেৰে পদানত কৰাৰ পৰিবৰ্তে আপোনালোকে কূটনীতি, সংলাপ আৰু প্ৰজ্ঞাৰ ব্যৱহাৰ কৰক। ফ্ৰান্সয়ে ন্যায়ৰ ক্ষেত্ৰত ডাঙৰ ডাঙৰ শক্তিবোৰক শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যত ভূমিকা গ্ৰহণ কৰা উচিত। সৰু সৰু দেশৰ আচৰণক বিশ্ব শান্তি বিঘ্নিত কৰা ভিত্তি হিচাপে তাক ব্যৱহাৰ কৰা উচিত নহয়। গতিকে বিশ্বৰ সৰু-ডাঙৰ শক্তিবোৰে তৃতীয় এক বিশ্বযুদ্ধত লিপ্ত হোৱাৰ পৰা বিৰত থকাৰ বাবে সৰ্বোচ্চ প্ৰয়াসী হোৱাৰ সন্দৰ্ভত আপোনাক পুনৰ স্মৰণ কৰিব বিচাৰো। আমাৰ মনত কোনো সন্দেহৰ অৱকাশ নাই যে যদি আমি এই দায়িত্ব পালনত ব্যৰ্থ হৈ পৰো, তেতিয়া এনে ক্ষয়-ক্ষতি আৰু ধ্বংসযজ্ঞ কেৱল এছিয়া, ইউৰোপ আৰু আমেৰিকাৰ দুখীয়া দেশবোৰৰ মাজতেই সীমাৱদ্ধ হৈ নাথাকে, বৰঞ্চ আমাৰ ভৱিষ্যত প্ৰজন্ময়েও আমাৰ কৃতকৰ্মৰ ভয়াবহ পৰিণতি বহন কৰি যাব আৰু বিশ্বজুৰি সৰ্বত্ৰ শিশুবোৰ জন্মগত ত্ৰুটিলৈ জন্মগ্ৰহণ কৰিব। মোৰ দোৱা এই যে বিশ্বৰ নেতৃবৰ্গ প্ৰজ্ঞাৰ সৈতে আচৰণ কৰিব আৰু বিভিন্ন দেশ তথা জাতিৰ মাজত ক্ষুদ্ৰ পৰিসৰত বিদ্যমান সংঘাত তথা শত্ৰুতাক বিস্ফোৰিত কৰি এক বিশ্বজনীন সংঘাতৰ পৰা বিৰত থাকিব। আল্লাহ তা'লাই আপোনাক আৰু সকলো বিশ্ব নেতৃক, এই বিষয়টো অনুধাৱনৰ সুযোগ দান কৰক।

শুভেচ্ছা আৰু দোৱাৰে

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

আপোনাৰ শুভকামনাৰে



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# যুক্তৰাজ্য আৰু কমনৱেলথ অঞ্চলৰ মহামাণ্য ৰাণীলৈ পত্ৰ

# Letter to Her Majesty the Queen of the united Kingdom and commonwealth Realms

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK


১৯ এপ্ৰিল ২০১২ বৰ্ষ

হাৰ মেজেষ্টি ৰাণী দ্বিতীয় এলিজাবেথ
যুক্তৰাজ্য আৰু কমনৱেলথ অঞ্চলৰ ৰাণী
ৱাকিংহাম পেলেছ
লণ্ডন এছ ডব্লিউ 1A 1AA
যুক্তৰাজ্য

ইউআৰ মেজেষ্টি,

আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰধান হিচাপে আৰু বিশ্বব্যাপী আহমদীয়া মুছলিম সম্প্ৰদায়ৰ বহু মিলিয়ন অনুগামীৰ পক্ষৰ পৰা হীৰক জয়ন্তীৰ এই শুভক্ষণত মহামান্য ৰাণীক মই আমাৰ হৃদয়ৰ নিবৃত কোণৰ পৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। আমি এই উৎসৱত অংশ লোৱাৰ সুযোগ লাভ কৰি মহান আল্লাহ তা'লাৰ প্ৰতি বিশেষ ভাবে কৃতজ্ঞ। বিশেষকৈ আহমদী মুছলমানসকলৰ মাজত যি যুক্তৰাজ্যৰ নাগৰিক সেইসকল এই হীৰক জয়ন্তী উপলক্ষে উৎফুল্ল আৰু গৰ্বিত। অৰ্থাৎ তেওঁলোকৰ পক্ষৰ পৰাও মহাৰাণীৰ প্ৰতি আন্তৰিক আৰু উষ্ণ অভিনন্দন জনাইছোঁ। খোদা তা'লা আমাৰ মহানুভৱ ৰাণীৰ অন্তৰ সুখী আৰু পৰিতৃপ্ত ৰাখক।

# বিশ্ব সংকট তথা শান্তিৰ পথ

মই মহান খোদা তা'লা যি আকাশ আৰু পৃথিৱী সৃজন কৰিছে আৰু আমাৰ জীৱনধাৰণৰ বাবে অলেখ কল্যাণৰ দ্বাৰা পৰিপূৰ্ণ কৰিছে, যেন সদায় আমাৰ ৰাণীক শান্তি আৰু নিৰাপত্তাত ৰাখক যাৰ উদাৰ শাসনৰ মাজত অনেক সাৰ্বভৌম আৰু কমনৱেলথ দেশক বেষ্টন কৰক। যিদৰে হাৰমেজেষ্টিত ল'ৰা-বুঢ়া সকলো প্ৰজাই ভালপাই, শ্ৰদ্ধা কৰে, মোৰ দোৱা এই যে খোদা তা'লাৰ ফিৰিস্তাই যেন তেওঁক সেইদৰে ভালপাবলৈ আৰম্ভ কৰে। সৰ্বশক্তিমান মহান খোদাই যিদৰে তেওঁক দুনিয়াৰ প্ৰাচুৰ্য দান কৰিছে ঠিক সেইদৰে তেওঁৰ ওপৰত গণনাতীত আধ্যাত্মিক আশীস আৰু কল্যাণ বৰ্ষণ কৰক। এই আশীসৰ সুবাদ এনে হওঁক যে এই মহান জাতিৰ সকলো নাগৰিক সৰ্বোচ্চ খোদাক চিনি পোৱাৰ সৌভাগ্য লাভ কৰক আৰু পাৰস্পৰিক ভালপোৱা আৰু সৌহাৰ্দৰে বসবাস কৰক। জাতি, ধৰ্ণ, বৰ্ণ আৰু মত নিৰ্বিশেষে যুক্তৰাজ্যত সকলো নাগৰিক এজনে আনজনক শ্ৰদ্ধা আৰু সন্মান কৰক, এনে পৰ্যায়ত যি এই আচৰণৰ সুপ্ৰভাব আৰু ইতিবাচক প্ৰতিক্ৰিয়া যেন এই দেশৰ সীমা পাৰ হৈ বিশ্বৰ আন দেশৰ অধিবাসীসকলৰ মাজতো বিয়পি পৰক। যি বিশ্বৰ অধিকাংশ আজি যুদ্ধ, বিশৃংখলা আৰু মৰা-মৰিত লিপ্ত তাৰ পৰিৱৰ্তে এই বিশ্বত ভালপোৱা আৰু বন্ধুত্ব শান্তিৰ নীড়লৈ পৰিণত হওঁক। মোৰ দৃঢ় বিশ্বাস বিশ্বৰ এই ক্ৰান্তিকালীন পতনোম্মুখ পৰিস্থিতিৰ উত্তৰণত মহাৰাণীৰ প্ৰজ্ঞা আৰু প্ৰয়াসে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

যোৱা শতাব্দীত দুটা বিশ্বযুদ্ধ সংঘটিত হৈছিল য'ত কোটি কোটি প্ৰাণহানি হৈছিল। আজি যদি জাতিসমূহৰ মাজত বিদ্যমান বিৰোধবোৰ ক্ৰমাগত বাঢ়ি থাকে, আন এখন বিশ্বযুদ্ধৰ সূত্ৰপাতৰ দিশে আমাক লৈ যাব। কোনো বিশ্বযুদ্ধত নিউক্লিয়াৰ অস্ত্ৰ ব্যৱহাৰৰ সম্ভাৱনাৰ অৰ্থই হ'ল বিশ্বই ইয়াক অবৰ্ণনীয় ভয়াবহ ধ্বংসযজ্ঞ প্ৰত্যেক্ষ কৰিব। খোদাই এনে দুৰ্যোগ সংঘটিত হোৱাৰ পৰা ৰক্ষা কৰক আৰু বিশ্ববাসীৰ মাজত প্ৰজ্ঞা আৰু শুভ চিন্তাৰ উদয় কৰক। হাৰ মেজেষ্টিৰ প্ৰতি মোৰ বিনীত নিবেদন এই যে, হীৰক জয়ন্তীৰ আনন্দঘন উৎসৱক ইয়াৰ বাবে কামত লগাব, মানৱ জাতিৰ প্ৰতি অনুগ্ৰহ স্বৰূপ, ডাঙৰ-সৰু সমস্ত জাতিৰ মানুহক স্মৰণ কৰিব যে তেওঁলোকে সকলো উচিত পাৰস্পৰিক ভালপোৱা,শান্তি আৰু সৌহাৰ্দৰে বসবাস কৰে। এই প্ৰেক্ষাপটত, হীৰক জয়ন্তীৰ

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

এই শুভক্ষণত মই হাৰ মেজেষ্টিক বিশ্বলৈ এই বাৰ্তা প্ৰেৰণ কৰাৰ অনুৰোধ কৰো যে সকলো ধৰ্মৰ অনুসাৰীগণ আৰু যি খোদাক বিশ্বাস নকৰে তেওঁলোকেও সকলো সময়ত এজনে আনজনৰ ধৰ্মৰ বিশ্বাসৰ অনুভূতিক সন্মান কৰা উচিত। আজি বিশ্বত ইছলাম সম্পৰ্কত বিভ্ৰান্তি বিয়াপায়। এহাতে এইবিলাক শান্তি-প্ৰিয় মুছলমানসকলক মৰ্মাহিত কৰে, আনফালে অমুছলিমৰ হৃদয়ত ইছলাম সম্পৰ্কত ঘৃণা আৰু অনাস্থা গঢ়ি তুলিব। সেয়ে বিশ্বৰ সকলো ধৰ্মৰ অনুগামী তথা বিশ্বৰ মানৱতাৰ প্ৰতি এটি অসাধাৰণ অনুগ্ৰহ আৰু দয়া হ'ব যদিহে হাৰ মেজেষ্টিয়ে সকলো ধৰ্মমত আৰু তেওঁলোকৰ অনুগামীসকলৰ প্ৰতিশ্ৰদ্ধাশীল হোৱাৰ বিষয়ে সকলোকে পৰামৰ্শ দিয়ে। মহান খোদাই আমাৰ ৰাণীক এই উদ্দেশ্য পূৰণত নিজ সাহায্য আৰু শক্তি দান কৰক।

যিদৰে মই পত্ৰৰ আৰম্ভণীতে উল্লেখ কৰিছোঁ মই বিশ্বব্যাপী আহমদীয়া সম্প্ৰদায়ৰ প্ৰধান। এই কাৰণে সংক্ষেপত আমাৰ সম্প্ৰদায়ৰ পৰিচিত তুলি ধৰিবলৈ বিচাৰো। আহমদীয়া মুছলিম সম্প্ৰদায়ে দৃঢ় ভাবে বিশ্বাস কৰে যে সেই প্ৰতিশ্ৰুত মছীহ আৰু সংস্কাৰক, মহানবী হজৰত মোহাম্মদ (ছাঃ) তথা অন্যান্য পূৰ্ববৰ্তী নবীসকলৰ ভৱিষ্যবাণী অনুযায়ী যাৰ এই যুগত আৰ্বিভাৱ নিৰ্ধাৰিত হৈছিল তেওঁ কাদিয়ানৰ হজৰত মিৰ্জা গোলাম আহমদৰ বাহিৰে আন কোনো নহয়। **১৮৮৯** চনত তেওঁ পৱিত্ৰ আৰু সৎকৰ্মপৰায়ণ এক সম্প্ৰদায়-আহমদীয়া মুছলিম জামাত প্ৰতিষ্ঠা কৰে। এই সম্প্ৰদায় প্ৰতিষ্ঠাৰ অন্তৰালত তেওঁৰ উদ্দেশ্য আছিল মানুহ আৰু খোদাৰ মাজত সম্পৰ্ক গঢ়ি তোলা আৰু মানুহক এজনৰ আনজনৰ অধিকাৰ আদায়ৰ পথত উদ্বুদ্ধ কৰা, যেন তেওঁলোকে পাৰস্পৰিক শ্ৰদ্ধা আৰু সম্প্ৰীতিৰে বসবাস কৰিব পাৰে। **১৯০৮** চনত হজৰত মিৰ্জা গোলাম আহমদ(আঃ) ইন্তেকাল হয় তেতিয়া তেওঁৰ অনুগামীৰ সংখ্যা আছিল প্ৰায় ৪,০০,০০০(চাৰি লাখ)। তেওঁৰ মৃত্যুৰ পিছত ঐশী পৰিকল্পনাত খিলাফতৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয় আৰু বৰ্তমান এই অধম বান্দা প্ৰতিশ্ৰুত মছীহৰ পঞ্চম খলিফা। এনেদৰে আহমদীয়া মুছলিম সম্প্ৰদায় বিশ্বজুৰি ইয়াৰ সংস্থাপকৰ উদ্দেশ্যক পূৰণ কৰাৰ লক্ষ্যত আগবাঢ়ি গৈছে। আমাৰ বাৰ্তা হ'ল ভালপোৱা আৰু ভ্ৰাতৃত্ববোধ আৰু আমাৰ মূলমন্ত্ৰ 'ভালপোৱাই সকলোৰে বাবে,ঘৃণা নাই কাৰোৰে বাবে'। নিশ্চিত ভাবে ইছলামৰ অনুপম সুন্দৰ শিক্ষাৰ সাৰাংশ ই ধাৰণ কৰে।

ইয়াত এয়া উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে, এয়া আছিল এক শুভদৈৱক্ৰম যে আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতাৰ যুগত হাৰ মেজেষ্টি ৰাণী ভিক্টোৰীয়াৰ হীৰক জয়ন্তী উদ্‌যাপিত হৈছে। সেই সময়ত আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতাই 'ৰাণীৰ বাবে উপহাৰ' (তোহফায়ে কায়ছাৰীয়া) শিৰোণামত এখন গ্ৰন্থ লেখিছিল, যাতে তেওঁ ৰাণী ভিক্টোৰীয়াৰ এক অভিনন্দন বাৰ্তা প্ৰেৰণ কৰিব পাৰে। তেওঁৰ বাণীত হজৰত মিৰ্জা গোলাম আহমদে ৰাণীক তেওঁৰ হীৰক জয়ন্তীত ভাৰত উপমহাদেশত তেওঁৰ শাসনাধীন প্ৰজাগণৰ ন্যায়বিচাৰ আৰু ধৰ্মীয় স্বাধীনতাৰে শান্তিত বসবাস কৰিব পাৰে তাকে অভিনন্দন জনাইছিল। তেওঁ ইছলামৰ সুন্দৰ শিক্ষাক উপস্থাপন কৰে আৰু তেওঁৰ আৰ্বিভাৱ আৰু দাৱীৰ উদ্দেশ্য বিস্তাৰিত ভাবে ব্যাখা কৰে। যদিও আজি ব্ৰিটিছ চৰকাৰ বিভিন্ন প্ৰেক্ষাপটত সকলো ধৰ্মৰ মানুহক ইয়াত বসবাস কৰাৰ সুযোগ দিছে, তেওঁলোকক সমান অধিকাৰ প্ৰদান কৰিছে, ধৰ্মপালনৰ স্বাধীনতা আৰু ধৰ্মীয় মত প্ৰকাশৰ আৰু প্ৰচাৰৰ স্বাধীনতা দিছে সেয়া ব্ৰিটেইনৰ সহিষ্ণুতা অতি উচ্চ মান সাব্যস্ত কৰাৰ বাবে যথেষ্ট।

আজি যুক্তৰাষ্ট্ৰত হাজাৰ হাজাৰ আহমদী মুছলমানে বাস কৰিছে। তেওঁলোকৰ বহুতে নিজ দেশৰ অত্যাচাৰৰ পৰা ৰক্ষাৰ বাবে দেশত্যাগ কৰি ইয়াত আশ্ৰয়ৰ আবেদন কৰিছে। হাৰ মেজেষ্টিৰ উদাৰ শাসনত (ইয়াত) তেওঁলোকে এক শান্তিপূৰ্ণ জীৱন উপভোগ কৰিছে, য'ত তেওঁলোকে ন্যায়বিচাৰ আৰু ধৰ্মৰ স্বাধীনতা লাভ কৰিব। এই অনুগ্ৰহৰ বাবে মই পুনৰ এই মহান ৰাণীৰ প্ৰতি অন্তৰৰ পৰা মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিম। মই মোৰ পত্ৰ শেষ কৰিম হাৰ মেজেষ্টিৰ বাবে নিম্নোক্ত দোৱাৰে, যাৰ মূলত, সেই একে দোৱা যি আহমদীয়া মুছলিম সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতাই মেজেষ্টি ৰাণী ভিক্টোৰীয়াৰ বাবে কৰিছিলঃ

" হে শক্তিশালী মহান খোদা, তোমাৰ অনুগ্ৰহ আৰু আশীসে আমাৰ সন্মানিত ৰাণীক চিৰকাল আনন্দত ৰাখিবা, যিদৰে তেওঁৰ অনুগ্ৰহশীল আৰু ন্যায়পৰায়ণতা শাসনত আমি আনন্দৰে বসবাস কৰিছোঁ। হে সৰ্বশক্তিমান খোদা তেওঁৰ প্ৰতি অনুগ্ৰহশীল আৰু স্নেহশীল হওঁক, যিদৰে তেওঁৰ উদাৰ আৰু মহানুভৱ শাসনত আমি শান্তিত আৰু সমৃদ্ধিৰে বসবাস কৰিছোঁ।"

ইয়াৰোপৰি এয়া মোৰ দোৱা যে খোদা তা'লাই আমাৰ সন্মানিত ৰাণীক তেওঁৰ

সন্তুষ্টিৰ পথত হেদায়ৎ দান কৰক। সৰ্বশক্তিমান খোদা হাৰ মেজেষ্টিৰ বংশধৰসকলক পথ প্ৰদৰ্শন কৰক যেন তেওঁলোকে সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব পাৰে আৰু আনকো পথ দেখুৱাৰ তৌফিক দান কৰক। ন্যায়বিচাৰ আৰু স্বাধীনতা সদায় ব্ৰিটিছ্ ৰাজতন্ত্ৰৰ মূলনীতি হিচাপে অটুট থাকক। মই পুনৰ হাৰ মেজেষ্টিক এই মহানন্দৰ উৎসৱ উপলক্ষে অন্তৰৰ পৰা অভিনন্দন জনাইছোঁ। আমাৰ মহান ৰাণীক আমাৰ হৃদয় নিবৃত কোণৰ পৰা আন্তৰিক অভিনন্দন।

শুভেচ্ছা আৰু দোৱাৰে

আপোনাৰ শুভকামনাৰে



মিৰ্জা মছৰুৰ আহমদ,

আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,

বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ সৰ্বময় নেতালৈ পত্ৰ

# Letter to The supreme leader of the Islamic republic of Iran

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

بسم الله الرحمن الرحيم
نحمده و نصلي على رسوله الكريم
وعلى عبده المسيح الموعود
خدا کے فضل اور رحم کے ساتھ
هو الناصر

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

১৪ মে ২০১২ বৰ্ষ

ইছলামী প্ৰজাতন্ত্ৰ ইৰাণৰ সৰ্বময় নেতা
আয়াতুল্লাহ চৈয়দ আলী হোছেনী খুমেনী
তেহৰাণ, ইৰাণ

সন্মানিত আয়াতুল্লাহ,

আছছালামু আলায়কুম ওৱা ৰাহমাতুল্লাহে ওৱা বাৰাকাতুহু। সৰ্বশক্তিমান আল্লাহে আপোনাক ইৰাণত ইছলামৰ সেৱা কৰাৰ সুযোগ প্ৰদান কৰিছে আৰু বৰ্তমান ইৰাণ চৰকাৰো আপোনাৰ অভিভাবকত্বত পৰিচালিত হয়। ইয়াকে দাবী কৰে যে আমি ইছলামৰ সঠিক চিত্ৰ বিশ্বৰ সন্মুখত দাঙি ধৰাৰ বাবে সৰ্বোচ্চ চেষ্টা কৰো। মুছলমান হিচাপে বিশ্বক শান্তি, পাৰস্পৰিক সৌহাৰ্দ আৰু সম্প্ৰীতিৰে বসবাসৰ শিক্ষা দিয়াৰ বাবে আমি প্ৰয়াসী হোৱা উচিত। বিশেষকৈ মুছলমান নেতাসকলৰ এই দিশত জৰুৰী দৃষ্টি দিয়া আৱশ্যক। এই বাবে আপোনাৰ প্ৰতি মোৰ আবেদন যে বিশ্বত শান্তি প্ৰতিষ্ঠাত আপোনাৰ চৰকাৰৰ দায়িত্বৰ প্ৰতি তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিব। যদি ইৰাণৰ ওপৰত আক্ৰমণ হয় তেতিয়া তেওঁলোকৰ অধিকাৰ আছে দেশ ৰক্ষাত আত্মৰক্ষামূলক ব্যৱস্থা লোৱা, কিন্তু আগ্ৰাসনক উচতনি দিয়া আৰু কোনো সংঘাতত প্ৰথমতে অগ্ৰসৰ হোৱা ইয়াৰ বাবে সমীচিন নহ'ব। বৰঞ্চ এক প্ৰচেষ্টা লোৱা উচিত যে ধৰ্মীয় মতবিৰোধ উপেক্ষা কৰি সাধাৰণ মূল্যবোধৰ ভিত্তিত ঐক্যবদ্ধ হোৱা।

এয়া সেই পদ্ধতি যি আমি ইছলামৰ ইতিহাসৰ অৱলম্বনত দেখিবলৈ পাওঁ। মই আপোনাৰ প্ৰতি এই কাৰণে পত্ৰ প্ৰেৰণ কৰিছোঁ যে মই সেই প্ৰতিশ্ৰুত মছীহ আৰু ইমাম মাহদী (আঃ)ৰ প্ৰতি ঈমান আনোতা, তেওঁৰ উত্তৰসূৰী তথা খলিফা। এই যুগত যাৰ ভৱিষ্যবাণী কৰিছিল মহানৱী হজৰত মোহাম্মদ (ছাঃ)। তেওঁ যি সম্প্ৰদায় প্ৰতিষ্ঠা কৰে সেয়া আহমদীয়া মুছলিম জামাত নামে পৰিচিত। আল্লাহৰ কৃপাত আজি এই জামাত বিশ্বৰ ২০০ খন দেশত বিয়পি পৰিছে আৰু বিশ্বজুৰি বহু মিলিয়ন নিবেদিতপ্ৰাণ অনুসাৰী ইয়াত চামিল হৈছে। আমাৰ একনিষ্ঠ বাসনা যে বিশ্বক পাৰস্পৰিক ভালপোৱা আৰু শান্তিৰে বসবাসৰ পথ নিৰ্দেশ কৰা। এই উদ্দেশ্য আমি সদায় সৰ্বস্তৰত মানুহৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো। এই কাৰণে মই সম্প্ৰতি ইজৰাইলৰ প্ৰধানমন্ত্ৰী, যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আৰু অন্যান্য নেতাৰ প্ৰতি পত্ৰ প্ৰেৰণ কৰিছোঁ। এই বিষয়ে পোপ যোড়শ বেনেডিক্টকো মই লেখিছোঁ।

এখন ইছলামিক ৰাষ্ট্ৰৰ আধ্যাত্মিক নেতা হিচাপে, মই আশা কৰো যে আপুনি একমত হ'ব যে যদি সকলো মুছলিম উম্মাহ ঐক্যবদ্ধ হয় আৰু একেলগে কাম কৰে, তেতিয়া বিশ্বশান্তি প্ৰতিষ্ঠা সম্ভৱ। আমাৰ পাৰস্পৰিক শত্ৰুতা আৰু অভিযোগসমূহক অৰ্থহীনভাবে ইন্ধন দিয়াটো আমাৰ উচিত নহ'ব, বৰঞ্চ শান্তি আৰু সম্প্ৰীতি প্ৰতিষ্ঠাৰ সুযোগৰ সন্ধানত আমি থকা উচিত। উপৰোক্ত কাৰোৱে লগত শত্ৰুতা বা বিৰোধ থাকিলে সেয়াও ন্যায় বিবৰ্জিত হোৱা উচিত নহয়। এই শিক্ষা আমাক

পৱিত্ৰ কোৰাণে দিয়া।

" হে বিশ্বাসীসকল ! আল্লাহৰ কাৰণে ন্যায় সাক্ষী দিয়াত তোমালোকে দৃঢ় হৈ থাকিবা; আৰু কোনো সম্প্ৰদায়ৰ বিদ্বেষভাৱে যেন ন্যায় পথৰ পৰা তোমালোকক বিচলিত হ'বলৈ উদগনি নিদিয়ে;তোমালোকে ন্যায় বিচাৰ কৰিবা সেয়ে ধৰ্মপৰায়ণতাৰ অধিক ওচৰ; আৰু আল্লাহলৈ ভয় ৰাখি চলিবা; নিশ্চয় তোমালোকে যি কাৰ্যকে কৰা আল্লাই সেই সম্বন্ধে সম্পূৰ্ণৰূপে জ্ঞাত" [5:9]

আল্লাহে সকলো মুছলিম উম্মাহক আৰু সকলো মুছলিম চৰকাৰক আমাৰ বাণী অনুধাবনৰ তৌফিক দিয়ক, যেন তেওঁলোকে বিশ্বত শান্তি প্ৰতিষ্ঠাত নিজৰ নিজৰ দায়িত্ব পালনৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিব পাৰে।

# বিশ্বৰ নেতৃবৃন্দলৈ পত্ৰ

এই মানৱজাতিৰ প্ৰতি আমাৰ ভালপোৱা, যি সমগ্ৰ মুছলিম উম্মাহৰ বাবে ভালপোৱাৰ পৰা উদ্ভূত লগতে এই বিষয়টোও যে 'সমগ্ৰ মানৱজাতিৰ প্ৰতি ৰহমত'ৰ উম্মতৰ মই এজন সদস্য, যি মোক এই চিঠি লিখিবলৈ অনুপ্ৰাণিত কৰে। আল্লাই বিশ্বৰ নেতৃবৃন্দক মোৰ কথাবোৰ বুজাৰ তৌফিক দান কৰক আৰু বিশ্বত শান্তি প্ৰতিষ্ঠাত তেওঁলোকে সক্ৰিয় ভূমিকা পালন কৰক। অন্যথা যদি কোনো এখন দেশৰ টনাটনিত আৰু বিবেচনাহীনতাত দুখন দেশৰ মাজত পূৰ্ণাংগ যুদ্ধৰ সূত্ৰপাত কৰে, তেতিয়া সেইধৰণৰ সংঘাত সেই দুখন দেশৰ মাজত সীমাৱদ্ধ নাথাকে বৰঞ্চ যুদ্ধৰ অগ্নিশিখাই সম্পূৰ্ণ পৃথিৱীকে আগুৰি পেলাব। গতিকে অতি সম্ভৱ যে এখন বিশ্বযুদ্ধৰ সূচনা হ'ব যি গতানুগতিক অস্ত্ৰৰে যুঁজ নহ'ব বৰঞ্চ পাৰমাণৱিক অস্ত্ৰৰে যুঁজ হ'ব। এখন নিউক্লিয়াৰ যুদ্ধৰ ফলাফল ইমান বীভৎস আৰু প্ৰলয়ংকাৰী হ'ব যে ইয়াৰ পৰৱৰ্তী প্ৰভাৱ কেৱল সেইসময়ৰ পৃথিৱীত যি বসবাস কৰিছে তাৰ মাজতেই সীমাৱদ্ধ হৈ নাথাকে। এনে যুদ্ধৰ দীৰ্ঘম্যাদী ফলাফল ভৱিষ্যৎ প্ৰজন্মসমূহে বিকলাংগ আৰু ক্ৰটিযুক্ত জন্ম লাভৰ ভয়াবহ 'উপহাৰ' লাভ কৰিব। এই কাৰণে কোনো দেশে নিজকে ধ্বংসৰ পৰা সম্পূৰ্ণ নিৰাপদ বুলি ভাবিলোৱা উচিত নহ'ব। গতিকে পুনৰ এবাৰ আল্লাহ আৰু তেওঁৰ ৰছুল (ছাঃ)ৰ নামত আৰু মানৱতাৰ প্ৰতি সহানুভূতি আৰু ভালপোৱাৰ তাগিদাত মই আপোনালোকক বিশ্বত শান্তি প্ৰতিষ্ঠাত আপোনালোকৰ ভূমিকা পালন কৰাৰ অনুৰোধ কৰিছোঁ?

শুভেচ্ছা আৰু দোৱাৰে

ওৱাছছালাম

আপোনাৰ শুভকামনাৰে



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# ৰুছৰ ৰাষ্ট্ৰপতিলৈ পত্ৰ
# Letter to The President of the Russian Federation

واجعل لی من لدنك سلطناً نصيراً
انا فتحنا لك فتحاً مبيناً

MIRZA MASROOR AHMAD
HEAD OF THE AHMADIYYA COMMUNITY
IN ISLAM

بسم الله الرحمن الرحیم
نَحْمَدُہٗ وَ نُصَلِّی عَلٰی رَسُوْلِہِ الْکَرِیْمِ
وعلٰی عبدہِ المسیح الموعود
خدا کے فضل اور رحم کے ساتھ
ھوالنّاصــــر

16 Gressenhall Road
Southfields, London
SW18 5QL, UK

**১৮** ছেপ্টেম্বৰ **২০১৩** বৰ্ষ

মহামহিম ব্লাদিমীৰ পুটিন
ৰাষ্ট্ৰপতি ৰুছ
ÎS÷ɮò, **২৩** ইলিয়ংকা, ষ্ট্ৰীট
মস্কো **১০৩১৩২** ৰুছ

প্ৰিয় ৰাষ্ট্ৰপতি,

মই আপোনালৈ এই পত্ৰ আহমদীয়া মুছলিম জামাতৰ প্ৰধান হোৱাৰ বাবে লিখিবলৈ লৈছোঁ। এই জামাতে শান্তিপ্ৰিয় আৰু শান্তিক উৎসাহিত কৰে, বিশ্বৰ **২০৪**দেশত স্থাপিত হৈছে।

বিশ্বৰ বৰ্তমান পৰিস্থিতিক সন্মুখত ৰাখি মই বিভিন্ন ভাষণৰ মধ্যেমেৰে বিশ্বলোকসকলক পৰমাত্মাৰ প্ৰতি তেওঁলোকৰ কৰ্তব্য আৰু মানৱতাৰ প্ৰতি তেওঁলোকৰ দায়িত্বৰ দিশে ধ্যানাকৰ্ষণ কৰি আহিছো। মই এই কথাত অতি দুখিত যে মই আপোনাৰ লগত কথা পতাৰ সুযোগ পোৱা নাই, কিন্তু ছিৰিয়াৰ বৰ্তমান চিন্তাজনক পৰিস্থিতিত মই এই সিদ্ধান্ত গ্ৰহণ কৰিলোঁ যে মই আপোনালৈ চিঠি প্ৰেৰণ কৰো আৰু আপুনি যুদ্ধ-ক্ষেত্ৰৰ পৰিৱৰ্তে বাৰ্তালাপৰ দ্বাৰা সমস্যাক সমাধান কৰাৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ সন্মতি প্ৰকাশৰ প্ৰয়াস আপুনি যি প্ৰয়াস কৰি আহিছে তাৰ কাৰণে আপোনাক ধন্যবাদ আৰু প্ৰশংসাৰ পাত্ৰ।

# বিশ্ব সংকট তথা শান্তিৰ পথ

যিকোনো প্ৰকাৰৰ আক্ৰমণে কেৱল এই ক্ষেত্ৰতে যুদ্ধ বিয়পাই দিব তথাপি বিশ্বযুদ্ধত পৰিণত হোৱাৰ প্ৰৱল সম্ভাৱনা দেখা যায়। এখন পশ্চিমীয়া সংবাদ পত্ৰ আপোনাৰ এটা লেখনি পঢ়ি মই অতি প্ৰসন্ন হ'লো য'ত আপুনি এই কথাত প্ৰধানকৈ উল্লেখ কৰিছে যে আক্ৰমণ কৰাটো অতি বিনাশকাৰী হ'ব আৰু ইয়াৰ পৰিণাম স্বৰূপে বিশ্বযুদ্ধৰ সম্ভাৱনাই দেখা দিব। আপোনাৰ এই সংকল্পৰ কাৰণে মহাশক্তিয়ে আক্ৰমণ পথ পৰিহাৰ কৰি সন্মতি আৰু সন্ধিৰ মাৰ্গ গ্ৰহণ কৰিছে আৰু এই সমস্যাৰ ৰাজনৈতিক সমাধান কৰাৰ সন্মতি ব্যক্ত কৰিছে। নিশ্চয় মোৰ এই বিশ্বাস যে এই সন্মতিয়ে বিশ্বক এক মহাবিনাশকাৰী তথা ধ্বংসকাৰী স্থিতিৰ পৰা ৰক্ষা কৰিব। মই বিশেষকৈ আপোনাৰ এই সিদ্ধান্ত সন্মত যে যদি বিশ্বৰ দেশবোৰে নিজা নিজা স্তৰত আৰু একপক্ষীয় নিৰ্ণয় গ্ৰহণ নকৰে তেন্তে সংযুক্ত ৰাষ্ট্ৰৰো সেই নিঃশেষ হ'ব যিটো লীগ অৱ নেছন (জাতিসংঘ)ৰ হৈছিল অৰ্থাৎ ই বিফল হৈছিল। নিঃসন্দেহে এতিয়া যুদ্ধৰ ফিৰিঙতিক জগাই তোলা হৈছিল কিন্তু প্ৰসন্নতা এই কথাত যে এই শিক্ষা এতিয়া কিছু সীমালৈকে শান্ত হৈ পৰিল। যি ধণাত্মক প্ৰয়াস এতিয়ালৈকে কৰা হ'ল ভগৱানে কৰক যুদ্ধৰ সম্ভাৱনা পূৰ্ণমাত্ৰাত সমাপ্ত হৈ পৰক। ভগৱানে কৰক বিশ্বৰ মহাশক্তিয়ে সৰু দেশক ৰক্ষা কৰক,তাৰ সন্মান কৰক আৰু তেওঁলোকৰ উচিত অধিকাৰ প্ৰদান কৰক, একমাত্ৰ এয়া কেৱল নিজা ভেটো শক্তি প্ৰয়োগতে ব্যস্ত নাৰাখিব।

শান্তি স্থাপনাৰ বাবে আপোনাৰ প্ৰয়াসক ধন্যবাদ দিয়াৰ বাবে মই পত্ৰ লেখিবলৈ তৎপৰ হৈ পৰিলো। মোৰ প্ৰাৰ্থনা যে এই প্ৰয়াস অস্থায়ী নহওঁক তথাপি মোৰ বিশ্বাস আৰু মোৰ প্ৰাৰ্থনা আপুনি সদায় শান্তি স্থাপনৰ বাবে প্ৰয়াসৰত হৈ থাকিব। পৰমাত্মাই আপোনাৰ উদ্দেশ্যপূৰ্তিত সামৰ্থ প্ৰদান কৰক।

বিশ্ব শান্তিৰ বাবে যেতিয়াই মই সুবিধা লাভ কৰো তেতিয়াই মই লোকসকলৰ ধ্যান এই দিশত কেন্দ্ৰিত কৰাৰ চেষ্টা কৰো যে ন্যায়ৰ আধাৰিত বিশ্বশান্তি স্থাপিত হওঁক। মোৰ কিছু ভাষণ 'বিশ্ব সংকট তথা শান্তি পথ' নামৰ গ্ৰন্থত প্ৰকাশিত হৈছে যাক উপহাৰ হিচাপে আপোনালৈ প্ৰদান কৰিছোঁ।

শুভকামনা আৰু প্ৰাৰ্থনাৰে



মিৰ্জা মছৰুৰ আহমদ,
আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা,
বিশ্বব্যাপী আহমদীয়া মুছলিম জামাতৰ ইমাম,

# PUBLISHERS NOTE

Please note that, in the translation that follows, words given in parentheses ( ) are the words of the Promised Messiah[as]. If any explanatory words or phrases are added by the translator for the purpose of clarification, they are put in square brackets [ ]. Footnotes given by the publishers are marked [Publishers]. All references, unless otherwise specified, are from the English translation of the Holy Quran by Ḥaḍrat Maulav ī Sher Ali[ra].

The following abbreviations have been used. Readers are urged to recite the full salutations when reading the book:

- sa *ṣallallāhu alaihi wa sallam*, meaning may peace and blessings of Allah be upon him, is written after the name of the Holy Prophet Muhammad[sa].
- as *alaihis-salām*, meaning may peace be on him, is written after the name of Prophets other than the Holy Prophet Muhammad[sa].
- ra *raḍiyallāhu anhu/anhā/anhum*, meaning may Allah be pleased with him/her/them, is written after the names of

the Companions of the Holy Prophet Muhammad[sa] or of the Promised Messiah[as]

aba ayyadahullahu Ta'ala binasrihil-'Aziz, meaning 'may Allah the Almighty help him with his powerful support,' is written after the name of the present Head of the Ahmadiyya Muslim Jama'at, Hadrat Mirza Masroor Ahmad, Khalifatul-Masih V[aba].

In transliterating Arabic words we have adopted the following system established by the Royal Asiatic Society.

ا at the beginning of a word, pronounced as a, i, u preceded by a very slight aspiration, like h in the English word honour.

ث th, pronounced like th in the English word thing.

ح h, a guttural aspirate, stronger than h.

خ kh, pronounced like the Scotch ch in loch.

ذ dh, pronounced like the English th in that.

ص s, strongly articulated s.

ض d, similar to the English th in this.

ط t, strongly articulated palatal t.

ظ z, strongly articulated z.

ع ', a strong guttural, the pronunciation of which must be learnt by the ear

غ gh, a sound approached very nearly in the r grasseye in French, and in the German It requires the muscles of the throat to be in the 'gargling' position whilst pronouncing it.

ق q, a deep guttural k sound.

ء ', a sort of catch in the voice.

Short vowels are represented by:

*a* for ——— (like *u* in *bud*)
*i* for ——— (like *i* in *bid*)
*u* for ——— (like *oo* in *wood*)

Long vowels by:

*ā* for ——— or ! (like *a* in *father*);
*ī* for J ——— or ——— (like *ee* in *deep*);
*ū* for D——— (like *oo* in *root*);

Other:

*ai* for J ——— (like *i* in *site*);
*au* for D——— (resembling *ou* in *sound*)

The consonants not included in the above list have the same phonetic value as in the principal languages of Europe. While the Arabic A is represented by *n*, we have indicated the Urdu B as *ń*. Curved commas are used in the system of transliteration, for 9 , for H

We have not transliterated Arabic words which have become part of English language, e.g. Islam, Quran, Hadith, Mahdi, jihad, Ramadan and ummah. The Royal Asiatic Society rules of transliteration for names of persons, places and other terms, could not be followed throughout the book as many of the names contain non-Arabic characters and carry a local transliteration and pronunciation style which in itself is also not consistent either.

**The Publishers**

# GLOSSARY

**Ahmadiyya Muslim Jamāat** The Community of Muslims who have accepted the claims of Ḥaḍrat Mirza Ghulam Ahmad[as] of Qadian as the Promised Messiah and Mahdi. The Community was established by Ḥaḍrat Mirza Ghulam Ahmad[as] in 1889, and is now under the leadership of his fifth *khal īfah* Ḥaḍrat Mirza Masroor Ahmad (may Allah be his help). The Community is also known as **Jam āat-e-Ahmadiyya**. A member of the Community is called an **Aḥmadī Muslim** or simply an **Aḥmadī**.

**Al-Imam al-Mahdi** The title given to the Promised Reformer by the Holy Prophet Muhammad[sa]; it means the guided leader.

**Āmīn** A term said after a prayer meaning, May Allah make it so.

**Assalā mo alaikum wa raḥmatullāhe wa baraktoh ū** Traditional Islamic greeting, meaning, may peace be on you, and the mercy of Allah and His grace.

**Ḥaḍrat** A term of respect used for a person of established right -

**Holy Prophet[sa]** A term used exclusively for the Founder of Islam, Ḥaḍrat Muhammad, may peace and blessings of Allah be upon him.

**Holy Quran** The Book sent by Allah for the guidance of mankind. It was revealed word by word to the Holy Prophet Muhammad[sa] over a period of twenty-three years.

**Khalīfah** Successor. A Khalīfah of Allah is a term used for a Prophet. Khalīfah of a Prophet refers to his Successor who continues his mission.

**Khalīfatul-Mas** A term used by the Amadiyya Muslim Jamāat to denote the Successors of the Promised Messiah [as].

**Khilāfat** The literal meaning of the term is successorship.

**Mahdi** The literal translation of this word is the guided one. This is the title given by the Holy Prophet Muhammad[sa] to the awaited Reformer of the Latter Days.

**The Promised Messiah** This term refers to the Founder of the Aḥmadiyya Muslim Jamāat, Ḥaḍrat Mirza Ghulam Ahmad[as] of Qadian. He claimed that he had been sent by Allah in accordance with the prophecies of the Holy Prophet[sa] about the coming of *al-Imam al-Mahdi* (the Guided Leader) and Messiah.